PLEASE HANDLE THE BOOK CAREFULLY

পত্ৰলেখা

লক্ষ্মীনাথ বেজবৰুৱাই বিভিন্ন ব্যক্তি আৰু অনুষ্ঠানলৈ
লেখা পত্ৰাদি আৰু বেজবৰুৱালৈ বিভিন্ন ব্যক্তি
আৰু অনুষ্ঠানে লেখা পত্ৰৰ সংকলন

সংকলয়িতা-সম্পাদক

ডক্টৰ মহেশ্বৰ নেওগ

নেহৰু অধ্যাপক, গুৱাহাটী বিশ্ববিদ্যালয়

GOVERNMENT OF ASSAM.
808.80
Call No.
N.
DISTRICT LIBRARY GAUHATI.

১৯৬৮

অসম সাহিত্য সভা

চন্দ্ৰকান্ত সন্দিকৈ ভৱন

যোৰহাট : অসম

Patralekhā, a bunch of letters, etc., written by Lakshminath Bezbaroa of Assam, to different persons and institutions and by different persons and institutions to him, compiled and edited by Dr Maheswar Neog, Jawaharlal Nehru Professor, Gauhati University, and published by Hariprasad Neog, General Secretary, Asam Sāhitya Sabhā from Chandrakanta Handique Bhavan, Jorhat, 1968

প্ৰকাশক
শ্ৰীহৰিপ্ৰসাদ নেওগ
প্ৰধান সম্পাদক,
অসম সাহিত্য সভা
চন্দ্ৰকান্ত সন্দিকৈ ভৱন
যোৰহাট, অসম

বেচ ৪·০০ চাৰি টকা মাথোন

মুদ্ৰক
শ্ৰীকালীচৰণ পাল
নৱজীৱন প্ৰেছ
৬৬ গ্ৰে ষ্ট্ৰীট
কলিকতা ৬



লক্ষ্মীনাথ বেজবৰুৱা

অসম সাহিত্য সভাৰ নিবেদন

সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা ডাঙৰীয়াৰ জন্মশতবাৰ্ষিকী উপলক্ষে বেজবৰুৱাৰ লগত যোগাযোগ ৰক্ষা কৰা সেই সময়ৰ বিভিন্ন ব্যক্তি-সকলৰ চিঠিপত্ৰ বিচাৰি অসম সাহিত্য সভাৰ ফালৰপৰা সিসকলক অনুৰোধ জনোৱা হয়। সাহিত্য সভাৰ ফালৰপৰা বেজবৰুৱাৰ কন্যা শ্ৰীমতী ৰত্নাৱলী বৰুৱাৰপৰা কিছু চিঠি, ডায়েৰী আৰু ছবি সংগৃহীত হোৱাৰ পিছত ইয়াৰ লগত আৰু কিছু সমল সংগ্ৰহ কৰি 'বেজবৰুৱাৰ দিনলেখা', 'পত্ৰলেখা' আৰু 'চিত্ৰলেখা' নামৰ তিনিখনি পুথি প্ৰকাশৰ আঁচনি হাতত লোৱা হয়। আৰু এই আটাইকেউটা কামৰ সম্পাদনৰ ভাৰ দিয়া হয় সকলোৰে সুপৰিচিত অধ্যাপক ডক্টৰ মহেশ্বৰ নেওগৰ ওপৰত। অসমীয়া সাহিত্য আৰু সমাজ-জীৱনলৈ বেজবৰুৱা ডাঙৰীয়াৰ পত্ৰখিনিও এটি উল্লেখযোগ্য দান নিশ্চয়। বেজবৰুৱাৰ চিঠিৰ ভাষাৰ মাজত প্ৰকৃত মানুহজন সুন্দৰৰূপে ফুটি উঠিছে। আমাৰ বিশ্বাস বেজবৰুৱাৰ সময়ৰ অসমীয়া তথা ভাৰতীয় সমাজখনক জানিবলৈ এই পত্ৰসমূহ অনুসন্ধিৎসুসকলৰ বাবে বিশেষ সমলৰূপে পৰিগণিত হ'ব।

সংকলনটি পৰিপাটিকৈ সম্পাদন কৰোঁতা ডক্টৰ নেওগ, সংগ্ৰহ ক্ষেত্ৰত সহায় কৰোঁতা অধ্যাপক যতীন্দ্ৰনাথ গোস্বামী, মুদ্ৰক শ্ৰীকালী-চৰণ পাল প্ৰমুখ্যে সহযোগী সুধীজনক সাহিত্য সভাৰ হৈ অভিনন্দন জনাইছোঁ।

২৬ অক্টোবৰ, ১৯৬৮
চন্দ্ৰকান্ত সন্দিকৈ ভৱন
যোৰহাট—১

হৰিপ্ৰসাদ নেওগ,
প্ৰধান সম্পাদক,
অসম সাহিত্য সভা

সূচী

অসম সাহিত্য সভাৰ নিবেদন ·০১

সংকলয়িতা-সম্পাদকৰ ভূমিকা ·০৭

লক্ষ্মীনাথ বেজবৰুৱাৰ জীৱনৰ সময়-ৰেখা ·১৯

ক লক্ষ্মীনাথ বেজবৰুৱাই লেখা চিঠি

কমলাকান্ত ভট্টাচাৰ্যলৈ লেখা

১	৪	এপ্ৰিল	১৯২৮	১
২	২০	মাৰ্চ	১৯৩২	২

চন্দ্ৰকুমাৰ আগৰৱালালৈ লেখা

৩	৫	জুন	১৯২৮	৪
৪	১০	জুন	১৯২৮	৪
৫	২১	জুলাই	১৯২৮	৫
৬	২৪	জুলাই	১৯২৮	৬

হেমচন্দ্ৰ গোস্বামীলৈ লেখা

৭	২৪	মাৰ্চ	১৮৯২	৭

যতীন্দ্ৰনাথ দুৱৰালৈ লেখা

৮	২১	মাৰ্চ	১৯১৬	৭
৯			১৯১৭	৮
১০	৮	মাৰ্চ	১৯১৮	১২
১১	২৩	ছেপ্টেম্বৰ	১৯১৮	১৪
১২	৫	ছেপ্টেম্বৰ	১৯২৭	১৬
১৩	১১	অক্টোবৰ	১৯২৭	১৬
১৪	১৩	ফেব্ৰুৱাৰী	১৯২৮	১৭
১৫	২৭	এপ্ৰিল	১৯২৮	১৭
১৬	৮	ফেব্ৰুৱাৰী	১৯১৯	১৮
১৭	৫	জুলাই	১৯২৯	১৯
১৮	১০	ফেব্ৰুৱাৰী	১৯৩০	২০
১৯	১	আগষ্ট	১৯৩০	২১
২০	৫	আগষ্ট	১৯৩০	২১
২১	১৬	এপ্ৰিল	১৯৩১	২৪
২২	৩	জুন	১৯৩৩	২৫
২৩	১১	জানুৱাৰী	১৯৩৫	২৬
২৪	৫	ফেব্ৰুৱাৰী	১৯৩৫	২৭
২৫	২০	এপ্ৰিল	১৯৩৫	২৭
২৬	৩০	ছেপ্টেম্বৰ	১৯৩৫	২৮
২৭	৩	নবেম্বৰ	১৯৩৫	২৯
২৮	১২	মাৰ্চ	১৯৩৮	৩০

ডিম্বেশ্বৰ নেওগলৈ লেখা

২৯			১৯২২	৩১
৩০	২	জুলাই	১৯২৪	৩১
৩১	৮	ডিচেম্বৰ	১৯২৪	৩২
৩২	৩১	জুলাই	১৯২৫	৩২
৩৩	১৯	জানুৱাৰী	১৯২৯	৩৩
৩৪	১	নবেম্বৰ	৬৯৩৪	৩৪
৩৫	১১	জানুৱাৰী	১৯৩৬	৩৪
৩৬	৬	এপ্ৰিল	১৯৩৭	৩৫

জ্যোতিপ্ৰসাদ আগৰৱালালৈ লেখা

৩৭			১৯৩৬	৩৬

ৰোহিণীকুমাৰ বৰুৱালৈ লেখা

৩৮	৮	মাৰ্চ	১৯৩৩	৩৭

শ্ৰীমোহনচন্দ্ৰ মহন্তলৈ লেখা

৩৯	২০	ছেপ্টেম্বৰ	১৯২৬	৩৮
৪০	১৫	ছেপ্টেম্বৰ	১৯২৮	৩৯
৪১	১০	মাৰ্চ	১৯৩৬	৩৯

বিৰিঞ্চিকুমাৰ বৰুৱালৈ লেখা

৪২	১৬	ফেব্ৰুৱাৰী	১৯৩৩	৪১

ডোৰোথি ফ্ৰাঞ্চিছলৈ লেখা

৪৩	২৬	আগস্ট	১৯৩২	৪২

প্ৰজ্ঞাসুন্দৰী দেৱীলৈ লেখা

৪৪	৩০	মেই	১৮৯১	৪৩
৪৫		সোমবাৰ		৪৪
৪৬	৯	জুন	১৯০০	৪৫
৪৭	২৮	এপ্ৰিল	১৯১৯	৪৬
৪৮	২	মেই	১৯১৯	৪৭
৪৯	৪	মেই	১৯১৯	৪৮
৫০	৭	মেই	১৯১৯	৪৯
৫১		অক্টোবৰ	১৯২০	৫০
৫২	২৩	অক্টোবৰ	১৯২১	৫২
৫৩	২৫	অক্টোবৰ	১৯২১	৫৩
৫৪	৩১	অক্টোবৰ	১৯২১	৫৪
৫৫	১	নবেম্বৰ	১৯২১	৫৪
৫৬	৩	নবেম্বৰ	১৯২১	৫৫
৫৭	৭	নবেম্বৰ	১৯২১	৫৫
৫৮	৮	নবেম্বৰ	১৯২১	৫৬
৫৯	১৩	নবেম্বৰ	১৯২১	৫৭
৬০	১৫	নবেম্বৰ	১৯২১	৫৮
৬১	১৯	নবেম্বৰ	১৯২১	৫৯
৬২	৮	ডিচেম্বৰ	১৯২১	৫৯
৬৩	৯	ডিচেম্বৰ	১৯২১	৬০
৬৪	২১	ডিচেম্বৰ	১৯২১	৬১
৬৫	২৪	ডিচেম্বৰ	১৯২১	৬২
৬৬	২	জুন	১৯২৩	৬৩
৬৭	২৮	জুন	১৯২৩	৬৪
৬৮	২১	নবেম্বৰ	১৯২৪	৬৪
৬৯	১৩	ডিচেম্বৰ	১৯২৭	৬৬
৭০	১৬	ডিচেম্বৰ	১৯২৭	৬৬
৭১	২০	ডিচেম্বৰ	১৯২৭	৬৭
৭২	১২	জানুৱাৰী	১৯২৮	৬৮
৭৩	১৩	জানুৱাৰী	১৯২৮	৬৮
৭৪	১৪	জানুৱাৰী	১৯২৮	৬৯
৭৫	১৬	জানুৱাৰী	১৯২৮	৭০
৭৬	১৮	জানুৱাৰী	১৯২৮	৭২
৭৭	২১	জানুৱাৰী	১৯২৮	৭২
৭৮	২৪	জানুৱাৰী	১৯২৮	৭৩
৭৯	৩০	জানুৱাৰী	১৯২৮	৭৩
৮০	৩	ফেব্ৰুৱাৰী	১৯২৮	৭৪
৮১	৭	ফেব্ৰুৱাৰী	১৯২৮	৭৫
৮২	৮	ফেব্ৰুৱাৰী	১৯২৮	৭৬
৮৩	১৪	ফেব্ৰুৱাৰী	১৯২৮	৭৬
৮৪	২৭	ফেব্ৰুৱাৰী	১৯২৮	৮৪
৮৫	১	ছেপ্টেম্বৰ	১৯২৯	৮৪
৮৬	১৮	ছেপ্টেম্বৰ	১৯২৯	৭৯
৮৭	১৯	ছেপ্টেম্বৰ	১৯২৯	৮০
৮৮	২৭	ছেপ্টেম্বৰ	১৯২৯	৮১
৮৯	৫	অক্টোবৰ	১৯২৯	৮২
৯০	৩০	অক্টোবৰ	১৯২৯	৮৪
৯১	৬	নবেম্বৰ	১৯২৯	৮৫
৯২	১১	নবেম্বৰ	১৯২৯	৮৬
৯৩	২৯	ছেপ্টেম্বৰ	১৯৩১	৮৭
৯৪		[তাৰিখ হেৰোৱা]		৮৭

অকণালৈ (কুমাৰী বেজবৰুৱা, শ্ৰীমতী মুখাৰ্জী) লেখা

৯৫	২৮	ডিচেম্বৰ	১৯১৪	৮৮
৯৬	৭	জুন	১৯১৫	৮৯
৯৭	১৭	অক্টোবৰ	১৯১৫	৯০

৯৮	২৬	মেই	১৯১৬	৯১
৯৯	১৬	ডিচেম্বৰ	১৯২০	৯২
১০০	২৫	ডিচেম্বৰ	১৯৩০	৯২
১০১	৮	ফেব্রুৱাৰী	১৯২১	৯৩
১০২	১৪	ফেব্রুৱাৰী	১৯২১	৯৫
১০৩	১৬	ফেব্রুৱাৰী	১৯২১	৯৫
১০৪	১৭	ফেব্রুৱাৰী	১৯২১	৯৬
১০৫	১০	জুন	১৯২১	৯৭
১০৬	২৬	অক্টোবৰ	১৯১১	৯৭
১০৭	১২	ডিচেম্বৰ	১৯২১	৯৮
১০৮	১৭	জানুৱাৰী	১৯২২	৯৮
১০৯	৫	ছেপ্টেম্বৰ	১৯২২	৯৯
১১০	৫	জানুৱাৰী	১৯২৩	১০০
১১১	২৮	জানুৱাৰী	১৯২৩	১০০
১১২	২	জুন	১৯২৩	১০১
১১৩	২১	জুন	১৯২৩	১০৩
১১৪	৯	আগষ্ট	১৯২৩	১০৪
১১৫	৮	নবেম্বৰ	১৯২৩	১০৪
১১৬	১৪	ফেব্রুৱাৰী	১৯২৪	১০৫
১১৭	২৯	আগস্ট	১৯২৫	১০৬
১১৮	৯	নবেম্বৰ	১৯২৫	১০৬
১১৯	২৬	এপ্ৰিল	১৯২৬	১০৮
১২০	৮	নবেম্বৰ	১৯২৬	১০৯
১২১	৩	মেই	১৯২৭	১০৯
১২২	২	অক্টোবৰ	১৯৩০	১১০
১২৩	১৩	জানুৱাৰী	১৯৩১	১১২
১২৪	৪	ডিচেম্বৰ	১৯৩২	১১৩
১২৫	১৭	এপ্ৰিল	১৯৩৩	১১৪
১২৬	২০	আগস্ট	১৯৩৪	১১৫
১২৭	৩০	জুলাই	১৯৩৫	১১৬
১২৮	৭	অক্টোবৰ	১৯৩৬	১১৭
১২৯	২৩	মেই	১৯৩৭	১১৮
১৩০	২৪	নবেম্বৰ	১৯৩৭	১২০
১৩১	২৩	ডিচেম্বৰ	১৯৩৭	১২০
১৩২	২২	ফেব্রুৱাৰী	১৯৩৮	১২১
১৩৩	১২	মাৰ্চ	১৯৩৮	১২১
১৩৪	১৫	মাৰ্চ	১৯৩৮	১২২

সত্যব্ৰত মুখাৰ্জীলৈ লেখা

১৩৫	২৮	জানুৱাৰী	১৯২১	১২৩
১৩৬	১	ফেব্রুৱাৰী	১৯২১	১২৩
১৩৭	১২	ফেব্রুৱাৰী	১৯২১	১২৪
১৩৮	২৮	মাৰ্চ	১৯২১	১২৫
১৩৯	১৭	অক্টোবৰ	১৯২১	১২৬
১৪০	৫	জানুৱাৰী	১৯২২	১২৬
১৪১	১৯	ফেব্রুৱাৰী	১৯২২	১২৭
১৪২	১৮	মাৰ্চ	১৯২২	১২৮
১৪৩	১৮	জানুৱাৰী	১৯২৪	১২৯
১৪৪	৪	অক্টোবৰ	১৯২৫	১৩১
১৪৫	৩০	এপ্ৰিল	১৯২৬	১৩১
১৪৬	৭	মাৰ্চ	১৯২৭	১৩২
১৪৭	২	জুলাই	১৯৩২	১৩৩
১৪৮	১	মেই	১৯৩৭	১৩৪

স্বৰূপকুমাৰ মুখাৰ্জীলৈ লেখা

১৪৯	১৭	এপ্ৰিল	১৯২৭	১৩৫
১৫০	৫	জানুৱাৰী	১৯৩৮	১৩৬

ৰত্নালৈ (কুমাৰী বেজবৰুৱা, শ্ৰীমতী বৰুৱা) লেখা

১৫১	২৭	জুন	১৯২৩	১৩৭
১৫২	২৯	জুন	১৯২৩	১৩৮
১৫৩	১০	জুন	১৯২৪	১৩৮
১৫৪		মেই	১৯২৮	১৩৯
১৫৫	৬	আগস্ট	১৯৩২	১৩৯
১৫৬	২৯	অক্টোবৰ	১৯৩৬	১৪০
১৫৭	১৫	নবেম্বৰ	—	১৪১

দীপিকালৈ (কুমাৰী বেজবৰুৱা) লেখা

১৫৮	৪	জুলাই	১৯২৫	১৪৪
১৫৯	১৪	জুলাই	১৯৩২	১৪৬
১৬০	১৪	ডিচেম্বৰ	১৯৩৩	১৪৭

১৬১ ৯ ফেব্রুৱাৰী ১৯৩৭ ১৪৭
১৬২ ২৪ মেই ১৯৩৭ ১৪৮
১৬৩ ১৪ জুন ১৯৩৭ ১৫২

বুলা বাব্‌লা বেবী ডলিলৈ লেখা

১৬৪ ১৫৩

ডলিলৈ লেখা

১৬৫ ১৫৩

অতুলকৃষ্ণ ঘোষলৈ লেখা

১৬৬ ৬ জুলাই ১৮৮৯ ১৫৪
১৬৭ ৭ জুলাই ১৮৯৯ ১৫৫

পি. দাসলৈ লেখা

১৬৮ ২৯ ছেপ্টেম্বৰ ১৯৩৭ ১৫৫

ৰাইজলৈ লেখা

১৬৯ ১৬ কাতি ১৮৫৯ শক ১৫৬

শ্ৰীশৈলধৰ ৰাজখোৱালৈ লেখা

১৭০ ১০ ফেব্ৰুৱাৰী ১৫৬

দৈনিক বাতৰিলৈ লেখা

(কৃতজ্ঞতা জ্ঞাপন)

১৭১ ২ নবেম্বৰ ১৯৩৭ ১৫৭

কবিতা-চিঠি

১৭২ কলির শহর কলিকাতাটার ১৫৮
১৭৩ আমি যাই তাদের ঘরে ১৫৯
১৭৪ কুহুধ্বনি ১৬০
১৭৫ সম্বলপুরের গরম ১৬১
১৭৬ Lily-of-Valley ১৬১
১৭৭ Old men's marriage propagada society ১৬২

[খ. লক্ষ্মীনাথ বেজবৰুৱালৈ লেখা চিঠি]

কমলাকান্ত ভট্টাচাৰ্যই লেখা

১ ২ মেই ১৯২৮ ১৬৭
২ ১৪ জুলাই ১৯২৮ ১৬৭
৩ ১৩ মেই ১৯২৯ ১৬৮
৪ ৯ মেই ১৯৩৫ ১৭০

চন্দ্ৰকুমাৰ আগৰৱালাই লেখা

৫ ২০ ছেপ্টেম্বৰ ১৮৯৪ ১৭১
৬ ৩০ নবেম্বৰ ১৯০০ ১৭২
৭ ৯ মাৰ্চ ১৯০২ ১৭২
৮ ২৫ জুলাই ১৯০২ ১৭৩
৯ ৬ জুন ১৯০৮ ১৭৪
১০ ২১ ছেপ্টেম্বৰ ১৯০৮ ১৭৫
১১ ১৯ ফেব্ৰুৱাৰী ১৯০৯ ১৭৫
১২ ৯ মেই ১৯০৯ ১৭৬
১৩ ১৭ মাৰ্চ ১৯১৩ ১৭৭
১৪ ১৩ অক্টোবৰ ১৯১৩ ১৭৮
১৫ ৯ ফেব্ৰুৱাৰী ১৯১৪ ১৭৯
১৬ ২৩ জুলাই ১৯১৫ ১৭৯
১৭ ২ জুন ১৯২০ ১৮০
১৮ ১১ মাৰ্চ ১৯২৪ ১৮১
১৯ ৫ এপ্ৰিল ১৯২৮ ১৮২
২০ ৩১ মেই ১৯২৮ ১৮২
২১ ২৪ ছেপ্টেম্বৰ ১৯২৮ ১৮৩

২২	৩০	মেই	১৯২৯	১৮৪
২৩	১৯	জুন	১৯২৯	১৮৪
২৪	২	আগষ্ট	১৯২৯	১৮৬
২৫	১১	মাৰ্চ	১৯৩০	১৮৬
২৬	৬	জুন	১৯৩০	১৮৮
২৭	১৬	জানুৱাৰী	১৯৩১	১৮৯
২৮	২৮	জানুৱাৰী	১৯৩১	১৮৯
২৯	১০	মেই	১৯৩১	১৯১
৩০	৯	জুন	১৯৩১	১৯২
৩১	১১	আগষ্ট	১৯৩১	১৯৩
৩২	১৮	ছেপ্টেম্বৰ	১৯৩১	১৯৩
৩৪	২৭	অক্টোবৰ	১৯৩১	১৯৪
৩৪	১১	ফেব্ৰুৱাৰী	১৯৩২	১৯৬
৩৫	১৫	অক্টোবৰ	১৯৩৫	১৯৬
৩৬	২১	মেই	১৯৩৬	১৯৭
৩৭	২৫	ছেপ্টেম্বৰ	১৯৩৬	১৯৮
৩৮	২২	এপ্ৰিল	১৯৩৭	১৯৯

কনকলাল বৰুৱাই লেখা

৩৯	২২	মেই	১৯১১	২০০
৪০	১৬	নবেম্বৰ	১৯১৩	২০১
৪১	১৫	এপ্ৰিল	১৯১৬	২০২

ঘনশ্যাম বৰুৱাই লেখা

৪২	৫	মাৰ্চ	১৯২০	২০৩

মাধৱচন্দ্ৰ বৰদলৈয়ে লেখা

৪৩	২	মাৰ্চ	১৯০৭	২০৫

ৰজনীকান্ত বৰদলৈয়ে লেখা

৪৪ক	১৭	মেই	১৯২৫	২০৬
৪৪	৭	ডিচেম্বৰ	১৯২৮	২০৬
৪৫	১৫	ফেব্ৰুৱাৰী	১৯৩১	২০৭
৪৬	১০	মাৰ্চ	১৯৩১	২০৮
৪৭	৬	মেই	১৯৩৫	২০৯

পদ্মনাথ গোহাঞিবৰুৱাই লেখা

৪৮	১৩	এপ্ৰিল	১৯০৮	২১০
৪৯	২৪	মাৰ্চ	১৯০৯	২১০
৫০	২৭	কাতি	১৮৫৬ শক	২১১
৫১	৪	নবেম্বৰ	১৯৩৬	২১২

জ্ঞানদাভিৰাম বৰুৱাই লেখা

৫২	১৪	এপ্ৰিল	১৯০৯	২১৩
৫৩	১০	ডিচেম্বৰ	১৯২৮	২১৪
	২২	ডিচেম্বৰ	১৯২৮	
৫৪	৭	মেই	·১৯২৯	২১৬
৫৫			[১৯২৯]	২১৬

ক্ষীৰোদচন্দ্ৰ ৰায়ে লেখা

৫৬	২১	মাৰ্চ	১৯০৯	২১৮
৫৭	২১	মাৰ্চ	১৯০৯	২১৮
৫৮	২৮	আগস্ট	১৯১৩	২১৯

স্বৰ্ণলতা দেৱীয়ে লেখা

৫৯	১৮	মেই	১৯২৯	২১৯

বাণীকান্ত কাকতিয়ে লেখা

৬০	২৭	ছেপ্টেম্বৰ	১৯২০	২২০
৬১	১	অক্টোবৰ	১৯২০	২২৪
৬২	৫	অক্টোবৰ	১৯২০	২২৫
৬৩	২৮	নবেম্বৰ	১৯২০	২০৭
৬৪	৮	ডিচেম্বৰ	১৯২০	২২৭
৬৫	২৩	জুলাই	১৯২২	২২৯
৬৬	১৮	জানুৱাৰী	১৯২৩	২৩১
৬৭	১২	জুন	১৯২৩	২৩২
৬৮	১১	জানুৱাৰী	১৯২৪	২৩৩
৬৯	১৩	ফেব্ৰুৱাৰী	১৯৩৪	২৩৪
৭০	১৬	আগস্ট	১৯৩৫	২৩৫

জগন্নাথ বেজবৰুৱাই লেখা

৭১	১৬	ডিচেম্বৰ	১৯২৩	২৩৬
৭২	১১	আগস্ট	১৯২৮	২৩৬

গোবিন্দচন্দ্ৰ বেজবৰুৱাই লেখা

৭৩	৩১	আগস্ট	১৯০৮	২৩৯
৭৪	১	ছেপ্টেম্বৰ	১৯০৮	২৩৯
৭৫	১৩	ছেপ্টেম্বৰ	১৯০৮	২৪০

শ্ৰীনাথ বেজবৰুৱাই লেখা

৭৬	২৫	আগস্ট	১৯০৯	২৪২
৭৭	৫	জানুৱাৰী	১৯১১	২৪৩

বিনন্দচন্দ্ৰ বেজবৰুৱাই লেখা

৭৮	১৬	জুন	১৯২০	২৪৪
৭৯	২৬	জুলাই	১৯২৮	২৪৫

যতীন্দ্ৰনাথ দুৱৰাই লেখা

৮০	৫	জানুৱাৰী	১৯১৪	২৪৬
৮১	৪	এপ্ৰিল	১৯১৫	২৩৮
৮২	১৯	এপ্ৰিল	১৯২০	২৪৯
৮৩	৩১	মেই	১৯২০	২৫১
৮৪	১৯	ডিচেম্বৰ	১৯২১	২৫২
৮৫	২৭	জুন	১৯২৪	২৫২
৮৬	১৩	ডিচেম্বৰ	১৯২৪	২৫৫
৮৭	২৮	জানুৱাৰী	১৯২৫	২৫৮
৮৮	৭	জুন	১৯২৫	২৫৯
৮৯	১৮	এপ্ৰিল	১৯২৬	২৬০
৯০	১৪	মেই	১৯২৬	২৬২
৯১	২৭	ছেপ্টেম্বৰ	১৯২৬	২৬৫
৯২	২২	নবেম্বৰ	১৯২৬	২৬৬
৯৩	১০	মাৰ্চ	১৯২৭	২৬৭
৯৪	২০	মাৰ্চ	১৯২৭	২৬৮
৯৫	৭	জুলাই	১৯২৭	২৭০
৯৬	২৪	জুন	১৯২৮	২৭১
৯৭	২৬	জুলাই	১৯২৮	২৭৩
৯৮			১৯২৬	২৭৪
৯৯		ফেব্ৰুৱাৰী	১৯৩০	২৬৫
১০০	১।	এপ্ৰিল	১৯৩৫	২৭৬
১০১	১৪	মাৰ্চ	১৯৩৮	২৭৬
১০২	৮	ডিচেম্বৰ	১৯৪৪	২৭৭

(প্ৰজ্ঞাসুন্দৰী দেৱীলৈ)

চন্দ্ৰধৰ বৰুৱাই লেখা

১০৩	১০	মাৰ্চ	১৯৩৬	২৭৯

ৰঘুনাথ চৌধাৰীয়ে লেখা

১০৪	২৪	মাৰ্চ	১৯২৯	২৮০

জ্যোতিপ্ৰসাদ আগৰৱালাই লেখা

১০৫	১	মাৰ্চ	১৯৩৫	২৮১
১০৬	২২	এপ্ৰিল	১৯৩৬	২৮১

বেণুধৰ শৰ্মাই লেখা

১০৭	মাঘৰ বিহু		১৮৪৬ শক	২৮২
১০৮	১৫	জুন	১৯২৫	২৮৪
১০৯		...	...	২৮৫

ডোৰোথি ফ্ৰাঙ্কিছে লেখা

১১০	২১	আগষ্ট	১৯৩৫	২৮৭

তৰুণচন্দ্ৰ বৰুৱাই লেখা

১১১	১৫	এপ্ৰিল	১৯২৪	২৮৮

দেৱেন্দ্ৰনাথ বেজবৰুৱাই লেখা

১১২	৩০	এপ্ৰিল	১৯২০	২৮৮

সত্যব্ৰত মুখাৰ্জীয়ে লেখা

১১৩	১২	জানুৱাৰী	১৯২৪	২৮৯
১১৪	২৩	জানুৱাৰী	১৯৩২	২৯০

ৰোহিণীকুমাৰ বৰুৱাই লেখা

১১৫ ১৬ জানুৱাৰী ১৯২৯ ২৯১

আসাম সাহিত্য সভাৰপৰা

১১৬ ১২ ছেপ্টেম্বৰ ১৯২৬ ২৯২

১১৭ ১৩ ছেপ্টেম্বৰ ১৯১৬ ২৯৩

১১৮ ১৫ ছেপ্টেম্বৰ ১৯২৮ ২৯৪

১১৯ ২৪ নবেম্বৰ ১৯৩৪ ২৯৫

১২০ ১৫ ডিচেম্বৰ ১৯৩৪ ২৯৬

১২১ ১৫ নবেম্বৰ ১৯৩৫ ২৯৭

অভিনন্দন-পত্ৰ

ডিব্ৰুগড় মহিলা সমিতিৰ

১২২ ৯ অক্টোবৰ ১৯৩০ ২৯৯

শিৱসাগৰীয়া মহিলাসকলৰ

১২৩ ৫ কাতি ১৮৫২ ৩০০

গুৱাহাটী আৰ্ল ল কলেজৰ ছাত্ৰসকলৰ

১২৪ ১২ কাতি ১৮৫২ ৩০১

গুৱাহাটী এ. এছ্. এল্. ক্লাবৰ

১২৫ [২২ ছেপ্টেম্বৰ] ১৯৩০ ৩০২

বেজবৰুৱা সমিতিৰ

১২৬ আষোণ ১৮৫২ ৩০৪

আসাম সাহিত্য সভাৰ

১২৭ ২৯ ডিচেম্বৰ ১৯৩১ ৩০৫
[১৩ পুহ ১৮৫৩]

ওপৰঞ্চি

হাওড়া মেজিস্টেটৰপৰা প্ৰশংসা-পত্ৰ

১ ৫ জুন ১৯১৪ ৩১১

জয়মতী কুঁৱৰী সম্পৰ্কে যতীন্দ্ৰনাথ দুৱৰাৰ পত্ৰ

২ ১৩ নবেম্বৰ ১৯৫৬ ৩১২

বেজবৰুৱাই হেমচন্দ্ৰ গোস্বামীলৈ লেখা পত্ৰ

৩ ৩ এপ্ৰিল ১৯০১ ৩১৩

৪ ২৮ অক্টোবৰ ১৯০১

৫ — ১৯০১

৬ ১৮ অক্টোবৰ ১৯০৯

৭ ১৮ জুলাই ১৯১৩

৮	১	আগস্ট	১৯১৩
৯	১৩	ছেপ্টেম্বৰ	১৯১৩
১০	৩	মার্চ	১৯১৪
১১	৯	আগস্ট	১৯১৫
১২	১৮	জুলাই	১৯১৮
১৩	৩১	আগস্ট	১৯১৮
১৪	৮	নবেম্বৰ	১৯১৮
১৫		—	[১৯১৮]

বেজবৰুৱাই ৰত্নকান্ত বৰকাকতীলৈ লেখা পত্ৰ

১৬	—	—	

বেজবৰুৱাই লক্ষ্মীকান্ত দত্তলৈ লেখা পত্ৰ

১৭	১১	নবেম্বৰ	১৯৩৬

টোকা

ক. বেজবৰুৱাই লেখা চিঠি ৩২৫

খ. বেজবৰুৱালৈ লেখা চিঠি ৩৪২

গ. ওপৰঞ্চি ৩৫৯

গ্ৰন্থপঞ্জী ৩৬১

ভূমিকা

'লেখিলেই যদি সাহিত্য হয়, সেইটো তোমাৰহে।'ক২১ বেজবৰুৱাৰ সম্পৰ্কে এজন 'অভিন্নহৃদয়' বন্ধুৰ—যিজনৰ দৃষ্টি কিন্তু সদায় সমীক্ষকৰ—এই ধাৰণা কিমান দূৰ সঁচা তাৰ পৰীক্ষাৰ স্থল বেজবৰুৱাৰ এই চিঠিবোৰ। যেই কোনো এটা চিঠিৰ টোপোলা আমাৰ হাতত তুলি দি 'চিঠি-সাহিত্য' আখ্যা দিলেই আমি সেই আখ্যা গ্ৰহণ কৰিবলৈ সম্মত নহওঁ। সেই অভিধা গ্ৰহণ কৰিব পাৰোঁ এটা টেক্‌নিকেল্ অৰ্থত, যেনে—মেডিকেল লিটাৰেচাৰ, ইঞ্জিনিয়াৰিং লিটাৰেচাৰ। বেজবৰুৱাই লেখা বহুতোখিনি পত্ৰ আৰু বেজবৰুৱালৈ লেখা অনেকখনি চিঠি আমি সেইভাৱেহে গ্ৰহণ কৰিব পাৰিম। ব্যক্তিগত প্ৰায় চিঠিকে এই ৰূপেহে স্বীকাৰ কৰাটো সম্ভৱ। ভাৰতীয় চিঠি, পত্ৰ, লিপি আদি শব্দ স্পষ্টভাৱে সুকীয়া সুকীয়া অৰ্থত প্ৰয়োগ কৰা ৰীতি এতিয়াও হোৱা নাই। ইংৰাজীৰ letter, epistle, journal-অৰ এলেকা সুকীয়া সুকীয়া। সাধাৰণ letter-অত সাহিত্যিক ফাল এটা সাধাৰণতে নেথাকে আৰু সচৰাচৰ প্ৰকাশৰ বাবে সেইবোৰ লেখাও নহয়। epistle বুলিলেই কিন্তু সাহিত্যিক অৰ্থ এটি আহি পৰে। এই শব্দটোৰ মূল অৰ্থ চিঠি। কিন্তু পিছৰ যুগত ইয়াক প্ৰাচীন কালৰ পোছাকী (formal) চিঠি বুজাবলৈ প্ৰয়োগ কৰা হয়; নহ'লেবা ইংৰাজী ode বা elegy-জাতীয় একপ্ৰকাৰ ৰচনাকে এই শব্দটোৱে বুজোৱা হ'ল; এনে চিঠি বিশেষ এক ব্যক্তিক সম্বোধন কৰা হ'লেও তাৰ বিষয়-বস্তু ৰাজহুৱা বা সাৰ্বজনীন প্ৰকৃতিৰ হোৱা দেখা যায়। পাশ্চাত্ত্যত আকৌ epistle নামৰ এক শ্ৰেণীৰ কবিতাও আছে। সিবিলাকৰ পূৰ্বপুৰুষ হ'ল হোৰেচৰ দীঘল দীঘল পদ-প্ৰবন্ধবিলাক; সেই প্ৰবন্ধবোৰ কোনো বিশেষ ব্যক্তিক সম্বোধন কৰি লিখা হৈছিল বাবে সিহঁতৰ নাম epistle। ইংৰাজী সাহিত্যত ছেমুৱেল ডেনিয়েল আৰু বেন্ জনছন্ আদিৰ নাম এই ক্ষেত্ৰত ল'ব পাৰি। আলেকজেণ্ডাৰ পোপ এই বিষয়ত আগ শাৰীৰ; তেওঁৰ 'Epistle to Dr.

Arbuthnot' বিখ্যাত। কাউপাৰে দুই-এজন বন্ধুলৈ ধুনীয়া কবিত্বময় পত্ৰ লেখিছিল। আজি-কালি অৱশ্যে epistle শব্দটো অলপমান বিদ্ৰূপতহে ব্যৱহাৰ হয় বুলি অক্‌ছফোৰ্ড অভিধানে নিৰ্দেশ কৰিছে।

The Great English Letter Writers নামৰ শ্ৰেষ্ঠ ইংৰাজ কবি-সাহিত্যিক, দাৰ্শনিক-ৰাজনীতিক আদিৰ বিতোপন পত্ৰ-সংকলন-খনৰ সংকলয়িতা William J. Dawson আৰু Coningsby W. Dawsonএ কৈছে, ভাল পত্ৰ-লেখক হ'বলৈ হ'লে কিছুমান আপুৰুগীয়া গুণৰ সমষ্টিৰ অধিকাৰী হ'ব লাগিব। Thus the writer must himself be interesting, and have interesting matter to communicate ; he must be something of an egoist, to whom his own sensations are noticeable, and worthy of notice ; he must possess both daring and freedom, for the last place where caution and reticence are required is in the familiar epistle ; he must be resolutely sincere, for the moment he begins to pose his magic wand is broken, and he becomes tedious and offensive ; he must above all possess the intimate note, for without it he will produce an essay, but not a letter. আত্ম-প্ৰকাশেই হ'ল চিঠিৰ প্ৰধান উদ্দেশ্য। লিৰিকেল কবিতাতো সেই উদ্দেশ্য থাকে। কিন্তু চিঠিৰ প্ৰকাশটি অধিক প্ৰত্যক্ষ-গোচৰ আৰু ওচৰ। গতিকে লেখকৰ ব্যক্তিত্বৰ প্ৰকাশ পত্ৰৰ প্ৰধান দায়িত্ব হৈ ৰয়।

এখন ভাল চিঠি লেখিবলৈ লেখকে যালৈ লেখিছে, তেওঁৰ বাহিৰে জগতখন মুহূৰ্তলৈ পাহৰি পেলাব লাগিব। তেহে চিঠিখন ধুনীয়া, ঘৰুৱা, আন্তৰিকতাপূৰ্ণ হ'ব। চিঠি ৰাজহুৱা বক্তৃতা নহয়; ই দুজনৰ মাজৰ বিয়নি-মেলহে। চিঠিখন কেনেবাকৈ ৰাজহুৱা হ'ব, এই ভাবটো থাকিলে পত্ৰলেখকে সেইখন লেখোঁতে মুখখন খুৰেৰে ধুনীয়াকৈ চুঁচি আফ্‌টাৰ্‌শ্বেভ্‌ লোচন ঘহি আৰু আন প্ৰসাধন কৰি লেখিবলৈ বহিব লাগিব। আমি পাঠক-সমাজৰ কাৰণে লেখোঁতে এইদৰে বাহিৰত নহ'লেও মনৰ মাজত পোছাকী সাজ পিন্ধি লওঁ। চিঠিত সেইটো হ'ব নেলাগে। ডাউছন দুজনে ক'বৰ দৰে, In them the author appears in undress. গতিকে ছপা হৈ আনৰ আগত চিঠিবোৰ ওলাব, এই

ভাব আগত থাকিলে চিঠিত মনৰ প্ৰকাশৰ গতি আড়ষ্ট হৈ পৰাটি স্বাভাৱিক। তেনে ক্ষেত্ৰত ব্যক্তিত্বৰ প্ৰকাশ আৰু সেই প্ৰকাশত ভাষাৰ মনোমোহা সাহিত্যিক গুণবোৰ লুকাই পৰে। আন কি ৰবীন্দ্ৰনাথৰ পত্ৰসমূহতো প্ৰকাশৰ ভাবটি থকাত আমাৰ বাবে কবিগুৰুৰ ব্যক্তিগত সান্নিধ্যৰ আস্বাদ-কমি পৰিছে।

ব্যক্তিগত চিঠিবোৰে অনেক সময়ত হয়তো লেখকজনৰ সাধাৰণভাৱে জনাজাত ব্যক্তি-ৰূপৰ পৰিৱৰ্তন ঘটাব পাৰে। এখন চিঠিয়ে বা এটা বাক্যই সদৰী হৈ থকা তেওঁৰ চিত্ৰখনৰ ভাঁজ সলাই পেলাব পাৰে। কিন্তু সামগ্ৰিকভাৱে এটা চৰিত্ৰ বিচাৰ কৰাত অনেক সময়ত সৰু-সুৰা কথাইহে প্ৰকৃত আলোকসম্পাত কৰিব পাৰে। গতিকে এনে টাকি-টুকা কথাবোৰ চৰিত-লেখকসকলে জনাৰ নিতান্ত আৱশ্যকতা আহি পৰে। লিটন স্ট্ৰেচি, আঁদ্ৰে মৰ', এমিল লাড্‌ৱিগৰ চৰিত-শৈলীৰ প্ৰৱৰ্তনৰ পিছত এটা চৰিত্ৰৰ আন্ধাৰ-পোহৰ দুইটা ফালকে দৰ্শন কৰাৰ আৱশ্যকতা আজি বহুলভাৱে স্বীকৃত হৈছে। বিশেষকৈ যি লেখকসকলে তেওঁলোকৰ সুখ-দুখৰ ভাগ আমাক তেওঁলোকৰ সাহিত্য-সৃষ্টিৰ মাজেদি দি গৈছে, তেওঁলোকৰ ব্যক্তিগত জীৱনৰ বিষয়ে জনাটো সাহিত্যৰ উপলব্ধিৰ বাবেই নহয়, তেওঁলোকৰ যুগটোহঁত বুজিবৰ বাবেও অত্যন্ত আৱশ্যকীয়।

পৃথিৱীৰ শ্ৰেষ্ঠ সাহিত্যিকসকলৰ চিঠি বিচাৰি-খোচাৰি নতুন আহিত সম্পাদন কৰা হৈছে। তাৰ আধাৰত তেওঁলোকৰ চৰিত্ৰও ব্যাখ্যা কৰা হৈছে। উইলিয়াম কংগ্ৰিভ, ছুইফ্‌ট, আলেকজেণ্ডাৰ পোপ, উইলিয়াম ব্লেক্, কিট্‌ছ, চাৰ্লছ লেম্ব, কাৰ্লাইল, ব্ৰাউনিং, জেৰাৰ্ড মেন্‌লি হপ্‌কিন্‌ছ, স্টিভেন্‌ছন, ওস্কাৰ ৱাইল্ড, জৰ্জ মুৰ, বাৰ্নাৰ্ড শ্ব, জেম্‌ছ জয়েচ, চেকভ, ফ্ৰান্‌জ কাফ্‌কা আদি মনীষীসকলৰ পত্ৰ আজি সৰ্বসাধাৰণ পাঠকৰ জ্ঞানৰ সামগ্ৰী হৈছে। ইসকলৰ অনেকবোৰ চিঠিয়ে তেওঁ-লোকৰ সাহিত্যিক লেখাবোৰ স্পষ্টতৰ কৰি তোলে, তেওঁলোকৰ সৃষ্টি আৰু জীৱন-বিষয়ক অনেক সমস্যাৰ সমাধান দিয়ে আৰু তেওঁলোকৰ ব্যক্তিগত জীৱনৰ দুখ-দুৰ্গতি আৰু আনন্দ-উদ্‌গতিবো আমাক অংশীদাৰ কৰি তোলে। অতি কম ক্ষেত্ৰতহে, বিশেষকৈ আগৰ দিনত, পত্ৰ-লেখকৰ জীৱৎকালতে পত্ৰবোৰ প্ৰকাশ পায়।

পোপে তেওঁৰ চিঠিবোৰৰ সংগ্ৰহ এটা প্ৰকাশ কৰিবৰ কাৰণে ছল-বুদ্ধি কৰিহে প্ৰকাশকক (Curll) ফান্দত পেলাব লগীয়া হৈছিল। কংগ্ৰিভে বন্ধু-বান্ধৱলৈ লেখা চিঠিবোৰ সংগ্ৰহ কৰি সম্পাদন কৰিছিল। অতি কম লোকেহে আনলৈ লেখা ব্যক্তিগত চিঠিৰ নকল ৰাখে; কংগ্ৰিভ আৰু এডিছনে কিন্তু তেনে চিঠিৰ বহী ৰাখিছিল। আমাৰ জে. বৰুৱায়ো তেনে কৰিছিল।[৭২৫] চিঠি আৰু দিনলেখা জীৱন-চৰিত-ৰচনাৰ প্ৰত্যয়গ্ৰাহী সামগ্ৰী। ওস্কাৰ ৱাইল্ডৰ কিছুমান চিঠিৰপৰা কেলেঙ্কাৰী সৃষ্টি হব বুলি ধ্বংস কৰি পেলোৱাৰ ফলত তেওঁৰ চৰিত-লেখকৰ কিছু অসুবিধাৰ সৃষ্টি হৈছে। তেওঁৰ চিঠিৰ কেইবাটাও সংগ্ৰহ ছপা হৈ ওলাইছে আৰু সেইবোৰে তেওঁৰ কৌতূহলোদ্দীপক চৰিত্ৰত বিভিন্ন ফালৰপৰা পোহৰ পেলায়। তেওঁ কাচিৎ-কেতিয়াবাহে চিঠিত তাৰিখ দিছিল; সেই বাবে পত্ৰ-সংগ্ৰাহকসকলে খামত ডাকঘৰৰ চাব চাই তাৰিখ নিৰ্ণয় কৰিব লগীয়া হৈছিল।

অসমীয়া চিঠিৰ বুৰঞ্জী লেখিবৰ সময় এতিয়াও নৌ হয়। শ্বেক্‌ছপিয়েৰৰ চিঠি আজিও আৱিষ্কাৰ হোৱা নাই। শঙ্কৰদেৱৰো। কিন্তু 'ৰুক্মিণীহৰণ' নাটকৰ ৰুক্মিণীৰ 'পতিয়া'খন শঙ্কৰদেৱৰ যুগৰ চিঠিৰ নিদৰ্শন বুলি ল'লে বৰ ভুল হ'ব যেন নেলাগে, যদিও সেই কালত প্ৰেমপত্ৰৰ আদান-প্ৰদানৰ সুবিধাৰ বাট অতিশয় ঠেক আছিল। বুৰঞ্জীৰ ৰাজ-ৰাজোৱানৰ চিঠিবোৰ ৰাজনৈতিক পত্ৰ-ব্যৱহাৰৰ অতি উৎকৃষ্ট নিদৰ্শন। যোৱা শতিকাৰ আৰম্ভণিত অসমৰ ৰজা, ৰাজবিষয়া, কটকী আদিয়ে কলিকতাৰ বঙালী তৰুণী-মহৰীৰ হতুৱাই বঙলাত লেখাই গৱৰ্ণৰ জেনেৰেলৰ ওচৰত দাখিল কৰোৱা আৰ্জিবোৰ তাৰ ফাৰ্চী অনুবাদ বা সাৰাংশেৰে ছৰকাৰী কাকত-পত্ৰৰ লগত আজিও সংৰক্ষিত আছে। তাৰ বহুতোখিনি ডক্টৰ সুৰেন্দ্ৰনাথ সেনৰ 'বাঙ্গালা পত্ৰ-সঙ্কলন'ত গৃহীত হৈছে; তাৰ মাজতে চন্দ্ৰকান্তসিংহই ঘিণাই বদনচন্দ্ৰ বৰফুকনলৈ লেখা অসমীয়া চিঠি এটুকুৰাও আছে ৰজাৰ কাতৰ অৱস্থাৰ প্ৰত্যক্ষ সংবেদনেৰে। ইংৰাজ ৰাজত্বৰ আৰম্ভণিৰ মণিৰাম দেৱান আদিৰ পত্ৰ, আৰ্জি আদিৰে নতুন যুগ আৰম্ভ হয়। দেৱানে হিন্দুস্থানী লোকৰ টোকোনৰ বাঁহৰ মাজত পঠোৱা ইতিহাসসৃষ্টিকাৰী চিঠিখন আজি ক'লৈ গ'ল? যোৱা শতিকাত বঙলা 'সমাচাৰ-দৰ্পণ'

আদিলৈ অসমৰপৰা যাদুৰাম ডেকা বৰুৱা আদিয়ে চিঠি দিছিল ; সেইবোৰ সেই সেই পত্ৰিকাত ছপা হৈ ওলাইছিল। 'অৰুনোদই'ৰ বুকত নেথান ব্ৰাউন আৰু ইলাইজা ব্ৰাউন আৰু আনসকলৰ পত্ৰ সোমাই আছে। 'জোনাকী' যুগৰ সব্-আৰম্ভণিৰ সময়ৰ চিঠিৰ লেখত বেজবৰুৱাৰ 'লিতিকাই'ৰ অন্তৰ্গত চিঠিখনিৰ কথাও আমি নেপাহৰোঁ। ইয়াৰ অব্যৱহিত পিছৰ চিঠিলৈ আহিলেই আমি 'পত্ৰলেখা'ত সন্নিৱিষ্ট চিঠিবোৰলৈ আহিম।

বৰ্তমান সংকলনৰ চিঠিবোৰৰপৰা বেজবৰুৱাৰ প্ৰকৃতি বা চৰিত্ৰ পৰিষ্কাৰভাৱে ধৰা পৰে। তেওঁৰ নিত-ৰ'দালী প্ৰকৃতিৰ বিষয়ে 'অসমীয়া' আলোচনীত (প্ৰথম বছৰ, দশম সংখ্যা) 'বৰবৰুৱাৰ হাঁহিৰৰ ছলেৰে বেজবৰুৱাই কান্দি পঠিয়ালে' শীৰ্ষেৰে এটি প্ৰবন্ধত অলপ বহলাই আলোচনা কৰা হৈছে। যদিও বেজবৰুৱাৰ সৰহভাগ লেখাতে এক হাঁহি বিৰিঙি উঠিছে, আৰু সেই হাঁহিত সাধাৰণ ধেমালিৰপৰা ব্যঙ্গলৈকে প্ৰকাশ পাইছে, আৰু যদিও তাৰপৰা তেওঁ যেন জীৱনৰ গভীৰলৈ সোমাব নোৱাৰে এনে এটা ধাৰণাৰ সৃষ্টি হয়, সেই হাঁহি-ধেমালি-ইতিকিঙৰ আঁৰত দুখৰ আঘাতত তেজে-তুমৰলি এখনি হিয়াৰ কথা আমি পাহৰিব নোৱৰা হওঁ এই চিঠিবোৰ পঢ়িলে। বেজবৰুৱাই কবিতাৰ সংজ্ঞা দিবলৈ গৈযে তাক পোনতে 'শোকৰ সঙ্গীত, বিষাদৰ সুৰ, আতুৰৰ হুমুনিয়া, লোতক চকুৰ' বুলিছে। কিন্তু একো ৰসঃ করুণ এৱ বোলাতে তেওঁ কথা শেষ নকৰি জীৱন মথি অমৃতৰ ঘট উলিয়াবৰ যত্নত ৰত হৈছে।

'ফুলৰ সৌৰভ, জোনৰ পোহৰ, মৃদু বতাহৰ গতি, শিৱসাগৰৰ বৰপুখুৰীত ৰাতি জোনৰ পোহৰ পৰি চিক্‌মিক্ কৰা সৰু সৰু ঢৌৰ মালাৰ চাকিৰ' লেখীয়া ক১ সাংসাৰিক জীৱনৰ প্ৰথম সন্তানটি তেওঁৰ হিয়া ভাঙি-ছিঙি ক'ৰবালৈ আঁতৰি গ'ল। তিনি কুৰি চাৰি বছৰত তেওঁ অসমৰ গেজেপনি মৰা হাবিত কঠোৰ কষ্ট কৰিব লাগে ; 'মোৰ এই বয়সত এনে কাম, এনে হাবিত ঠিক কাৰ্য নহয়' বুলি ক১৪ তেওঁ জানে। আৰ্থিক সঙ্কটৰ মাজত তেওঁ বন্ধুৰপৰা লৈ চাহ-পাত বেচাৰ উপায় অৱলম্বন কৰিবলগীয়া হয়। প৯.৮ 'যালৈ চিঠি লেখিবলৈ বহিলে মনটোতে আনন্দই জাকি মাৰি উঠিছিল', তেনে 'যদু কৰি' মটৰ-দুৰ্ঘটনাত অ.ৱনলৈ ঘূণীয়া হোৱাৰ বাতৰি পাই 'সেইজনলৈ মনত

পৰিলে বেজ্ঞাৰত মুখ শুকায় আৰু হাতৰ কাপ কঁপিবলৈ ধৰে।’ [ক২২] সম্বলপুৰৰ হাবিৰ হাড়-কঁপোৱা জাৰেৰে তিনি কুৰি বছৰীয়া বেজবৰুৱাই ‘লড়াই’ কৰিবলৈ কঁকালত টঙালি আটিব লগীয়া হয়। [ক৫৯,৬০] বাৰ্ডৰ চাকৰীত অসমৰ ‘পৰ্বতে পৰ্বতে ঘূৰি sleeper pass কৰি ফুৰিব লাগে, কৰতীয়াৰ কাম চাব লাগে, ration supply, টকা supply ইত্যাদি’ এশ এটা চিন্তাত ঘূৰিব লাগে। [ক৮০] ‘সেই হাবি কি ভয়ঙ্কৰ, তালৈ গ’লেই কান্দোন ওলায়।’ [ক৮২] মাজে মাজে কলিক্ বিষ, মাজে মাজে ‘জ্বৰৰ লগত দস্তুৰমত struggle কৰি তাক দূৰত ৰাখিবৰ’ যত্ন, আৰু তাৰ মাজে মাজে হাবিত কাঠ কটাৰ কাম! [ক৮৩,১১০] তাৰ ওপৰত আকৌ কেতিয়াবা আপোনপেটীয়া [ক৭১] ওপৰৱালাৰ আমনি। [ক৮০] মন ভাগি বিক্ষিপ্ত হৈ পৰে। [ক১২১] এইবোৰৰ চিন্তাত তেওঁ বে-পৰোৱা হ’বলৈ যত্ন কৰিছে। [ক৮০] পথে-প্ৰৱাসে এৰি অহা ঘৰৰ সকলোৰে চিন্তাতো আছেই। কিন্তু তেওঁৰ অগাধ বিশ্বাস আছে ঈশ্বৰৰ ওপৰত। [ক১১৫] মাজে মাজে তেওঁৰ অৱশ্যে আধা-আধি বিশ্বাস কৰিবৰ মন যায় ভাগ্যত। [ক২৩] কিন্তু তেওঁ কোনো দিন আত্মবিশ্বাস আৰু আশা হেৰুৱাই পেলোৱা নাছিল। ডুবৰা কবিক কেনেকৈ তেওঁ, অৰ্জ্জুনক গীতাৰ কৃষ্ণৰ দৰে, উছাহৰ বাণী শুনাইছেঃ ‘Man should be striving all along to be the master of circumstances and not *their creature*. Struggle up to the last for triumphing over all obstacles. তুমি অমৃতৰ সন্তান, তোমাৰ ভয় কি? .... Fight manfully. If you even die in the battle, die like a hero. Cheer up, my boy, cheer up!’ [ক১৭] বেজবৰুৱাই নিজকে যেন কৈ আছে, ‘Cheer up, my boy, cheer up!’ ডুবৰা হেজাৰ হওক অলপ দুৰ্বল, তেওঁ জ্যোতিষ আৰু জ্যোতিষীৰ কাষত আশ্ৰয় ল’ব পাৰে। কিন্তু বেজবৰুৱাই জ্যোতিষতকৈ ডাঙৰ বস্তুত বিশ্বাস কৰেঃ ‘মই কেতিয়াও জ্যোতিষীৰ লেন্‌দেন নকৰোঁ সেই দেখি। ঈশ্বৰহে সুখ-দুখ দিওঁতাৰ গৰাকী।’ [ক২৬] পৰশ্ৰীকাতৰ ওচৰ-চুবুৰীয়াৰ, নিজৰ আপোন মানুহৰ গাৱনি সদায় আছে। এনে ক্ষেত্ৰত তেওঁৰ মনোভাৱ *A Tale of Two Cities*-অৰ ছিডনি কাৰ্টনৰ লেখীয়া, Nobody cares for me; and I care

for nob-dy ! ক৬৯,৭৮ কাঠকটীয়া খহটা বাহিৰখনৰ ভিতৰত দয়া-মমতাৰে ভৰা এখন স্নিগ্ধ হৃদয় সোমাই আছিল—নিজৰ-জনৰ প্ৰতি, আগৰৱালা-দুৱৰা আদি বন্ধুসকলৰ প্ৰতি, স্বদেশৰ প্ৰতি। সেই স্নিগ্ধতাতে তেওঁৰ শক্তিৰ এটি উঁহ আছিল। আৰু এই সকলোবোৰৰ যোগফল তেওঁ এটা চিৰন্তন হাঁহিত পৰিণত কৰিব খুজিছিল; সেয়ে তেওঁৰ জীৱনৰ দৰ্শন হৈ পৰিছিল। হাঁহি তেওঁৰ পাতলালি নহয়, গভীৰতাহে। at any cost, যেন তেন প্ৰকাৰেণ জীৱন ভৰা কান্দোনক ৰোধ কৰি ওঁঠ, চকু, কণ্ঠ, মন, সকলোতে হাঁহিৰ ৰাজ্য বিস্তাৰ কৰিব লাগেঃ এয়ে হ'ল তেওঁৰ বাবে জীৱনৰ মূলসূত্ৰ। অমৃতৰ হাঁহি যদি এনেই পায়, কথাই নাই; এনেই নেপালে মৰণ হ'লেও কিনি-কুটি ল'ব লাগে। এয়ে incorrigible (নির্লজ্জ ?) হাঁহিৰাম বেজবৰুৱাৰ trade secret. আনৰ ওপৰতো তেওঁ হাঁহি সোঁচৰাবৰ কাৰণে যত্নৰ ত্ৰুটী কৰা নাছিল। যি জীৱনৰ সকলো দখল sad melancholyক এৰি দিছিল ৭৮১, সেই দুৱৰাৰ 'ওন্দোলাই অনা বেজাৰৰ ডাৱৰ' আঁতৰাবৰ যত্নত তেওঁ লেখিছে, 'তোমালোকৰ ফালে বেজাৰৰ ভাও ইমান সস্তা কিয় ? আমাৰ ফালে হ'লে বৰ মৰগ —জুই-ছাই। সেই দেখি আমি তেনে বস্তু কিনিবলৈকে এৰি দিছো। আনন্দ-লাড়ুবোৰ কিন্তু এইফালে দমাই পোৱা যায়; বৰ সস্তাত। তাৰে এআঁৰা-দুআঁৰা কিনি আনি খাই বেছ আছোঁ। ইমান সস্তা যে শুদায় পোৱা যেন লাগে। ··· কবিয়ে ব্ৰহ্মাৰপৰা দান পাইছে, বাগৰি বাগৰি শোৱক। বৰবৰুৱাই সচ্চিদানন্দৰপৰা দান পাইছে, বাগৰি বাগৰি হাঁহক।' ক২৫ বাগৰি বাগৰি হাঁহিৰ ৰগৰি তোলাই বেজবৰুৱাৰ যেন জীৱনৰ লক্ষ্য ! মৰিশালিত হাঁহিব পৰাতহে হাঁহিৰ শক্তি আটাইতকৈ সৰহ দেখা যায়। কিন্তু মৰিশালিত বোলে ভূত-প্ৰেতৰহে হাঁহিৰ ঠাই। গতিকে, সিহঁতৰ হাঁহিৰপৰা মানুহৰ হাঁহিক নিলগাই ৰাখিব পাৰিব লাগিব *King Lear*অত শ্বেকছপিয়েৰৰ হাঁহিৰ দৰে; নহ'লে সেই হাঁহি পৈশাচিক হ'ব, কিম্বা হাঁহিয়াতৰ পাত্ৰ হ'ব। আনৰ দুখৰ বেলা সান্ত্বনা দিওঁতে হাঁহি তোলা ক৫৫, প্ৰেম-নিৰেদনৰ বেলা 'হাঁস-মুৰ্গী'ৰ কথাৰে 'হাসি-খুসি' কৰা ক৬২ আৰু আন কি নিজৰ চৰমতম দুখৰ শুকান ঘা মুকলি কৰি চকুত চকু-পানী ৰাখি হঁহা ক৯ হাঁহিৰ মানৱীয়

সাহসিকতাৰে পৰিচয়। সদানন্দ পুৰুষ গুণাভিৰাম বৰুৱাই নিজৰ প্ৰাণপ্ৰিয় পুত্ৰ-বিয়োগৰ আতুৰ মুহূৰ্ত্ততো আনৰ হাঁহি তোলাৰ কথা বেজবৰুৱায়ে লেখি গৈছে। তেওঁৰ নিজৰ চিঠিবোৰ 'ছেলেমি' 'ফাজলামি'ৰে ভৰা [ক১৪২] কৰাত তেওঁৰ কোনো সঙ্কোচ নাই। আনক চকুপানী ওলোৱালৈকে জোকাই আনন্দ পোৱাটো তেওঁৰ শিশু-সুলভ ধেমালি। প্ৰজ্ঞাসুন্দৰী আৰু তেওঁৰ dear old soul দুৱৰা কবি এই প্ৰায় নিঠুৰ ধেমালিৰপৰা সাৰি নগৈছিল। তেওঁ 'দন্ত-বিহীনং জাতং তুণ্ডং' বুঢ়া বামুণ হৈ 'বুঢ়ী বামুণী'লৈ প্ৰেম-পত্ৰ [ক৫৪,৬৮] লেখে, আৰু সেইবোৰ চুৰ কৰি পঢ়া বাবে জোঁৱায়েকক বেঞ্চিৰ ওপৰত থিয় হ'বলৈ আদেশ দিয়ে, আৰু বুঢ়ীলৈ চেনেহত পঠিয়ায় 'এটা কাণমলা'। [ক৫০] দুৱৰাযে তেওঁৰ বিশেষ চিকাৰ আছিল জোকোৱা বিষয়ত। [ক৯০] লোকক নাম দিয়া তেওঁৰ জোকোৱা স্বভাৱৰে এটা অঙ্গ; তেওঁ ক'ৰবাত পটলা আৰু হাব্‌লি নাম দি অৰুণা আৰু দীপিকাৰ কথা লেখিছে; [ক৪৭,৪৮] নিজৰ শুৱনী শ্ৰীমতীৰ কাৰণে স্থায়ীভাৱে 'পৰি' নামটো ঠিক কৰিয়ে লৈছে। প্ৰজ্ঞাসুন্দৰীলৈ লেখা চিঠিবোৰত তেওঁ কত ঠেও ধৰি সম্বোধন কৰিছে; 'বলি ও বড বৌ' (বোলোঁ হেৰা বৰষৈণী), 'বলি ও পটলার মা', 'হ্যা গা ফেলারাম-গিন্নি', 'বলি ও ব্রাহ্মণি', 'ও আমার সাধের গিন্নি এবং নতুন গিন্নি রত্না দেবীর মা'!! এখন চিঠিততো এজনী পৰীৰ ছবিকে আঁকি দিছে 'পরি' বুলি মতাৰ পৰিৱৰ্তে! [ক৯৩] প্ৰজ্ঞাসুন্দৰীলৈ দিয়া চিঠিবোৰৰ তলৰ চহীবোৰো ধেমেলীয়া: 'তোমার ফেল্‌না ফেলারাম', শ্রীহাব্‌লির বাবা', 'তোমার দিনের মিহি[রাম] ফেলারাম', 'শ্রীফেলারাম শর্ম্মণঃ', 'শ্রীআমি শর্ম্মা', 'শ্রীবুড় বামুন,' 'শ্রীফোকলারাম শর্ম্মা', 'তোমার আমি', 'বিরহজনিত-প্রেমানন্দ-ঘনীভূতরস বুঢ় ব্রাহ্মণ', 'শ্রীতোমার চিন্তান্বিত বুড়', 'শ্রীঘোড়ার ডিম', 'শ্রী P+L (not Roy but Bezbaroa)'. ইত্যাদি!! এখন চিঠিততো 'চেনা বামুনের পৈতার দরকার কি' বুলি চহীকে নকৰিলে! [ক৫৬] অৰুণালৈ দিয়া এখন চিঠিৰ তলৰ দস্তখত 'Papa, the Victim of Tooth-ache,' [ক৯৫] দুৱৰালৈ তেওঁ 'অকলশৰীয়া পন্থ' হৈ থকাৰ কথা লেখি তলত চহী দিছে 'শ্ৰীহ'ব লগীয়া খহুৱা;' [ক১৩] হেমচন্দ্ৰ গোস্বামীলৈ দিয়া এখন চিঠিৰ চহী 'Bez, the Bānaprasthi'; [গ১২] সত্যব্ৰত জোঁৱাইলৈ বুলি

দিয়া এখনত আকৌ চহী হ'ল : 'তোমার পিতাজীবন, আমার নাতিবাবুর দাদাজীবন, আর অরুণু মার পাপাজীবন, এই তিন জীবনের সমষ্টি শ্রীনির্জ্জীবন।'[ক১৪৩] মুঠতে, কোনো পৰিস্থিতিত গোমোঠা মুখ লৈ হাঁহি এটুকুৰা দলিয়াই দি নোযোৱাকৈ তেওঁ কাকো সাৰি যাবলৈ নিদিছিল।

তেওঁ নিতান্ত সাংসাৰিক মানুহ; স্ত্রী-কন্যা-জোঁৱাই-নাতিৰ প্রতি তেওঁ যিমান অনুৰক্ত, এই চিঠিবোৰে তাৰ সাক্ষ্য দিব। তেওঁ সহধর্মিণীক আৰু মাতৃভূমিক তুলাচনিখনৰ দুমূৰে সমান কৰিও ধৰি চাইছে।[ক৮৭] তেওঁক 'শত বাঁধন জড়ায় হে।' আপোন জনৰ দুখত তেওঁ কাতৰ। কিন্তু তেওঁৰ এই কাৰুণ্য ঘৰচীয়া চৰাই-পহুলৈকে, ময়নী-ভগবতী নাম দিয়া গাইলৈকে বিয়পি পৰিছিল। আনফালে আনৰ চৰিত্রৰ বিশেষত্ববোৰত তেওঁৰ সহজে চকু পৰিছিল। এই বিষয়তে দীপিকাৰ[ক১০১,১১১,১১৩] বিষয়ে মন্তব্যকেইটি মন কৰিলেই হ'ব। বয়সৰ অগ্রগতিত তেওঁৰ যেন সদায় আপত্তি! এসময়ততো তেওঁ প্রস্তাৱেই গ্রহণ কৰিছিল, বয়স বছৰি বাঢ়িবলৈ নিদি কমাইহে নি থাকিব, আৰু সময়ত নাতিয়েকৰ লগ ধৰিবগৈ।[ক১১২,১৪১] কোনোবাই বুঢ়া বুলিলে সেই দেখি তেওঁ ভাল নাপাইছিল। জীৱনৰ শেহলৈকে তেওঁ অসুখৰ লগত হাঁহিমুখে যুঁজিছিল, আৰু ডাক্তৰে বিদায় দিলেও তেওঁ জীৱনৰপৰা বিদায় নিবিচাৰিছিল।[ক১৫০]

বহুতে ভাবে দীপিকাৰ ধর্মান্তৰগ্রহণে তেওঁৰ জীৱনৰ শেহৰ খোজকেইটা খৰ কৰি তুলিছিল। কিন্তু ধর্মান্তৰকৰণেই তেওঁ দুখ পোৱাৰ প্রধান কাৰণ নহয়। সৰু জীয়ৰীয়ে আন ধর্ম লোৱাৰ মনস্থ কৰাত তেওঁ বিষম আঘাত পাইছিল, জীয়েকে পিতৃ-মাতৃ আৰু আত্মীয়-সকলৰ অপৰিসীম স্নেহক অস্বীকাৰ কৰি তেওঁলোকক এৰা দিবলৈ বিচৰাত।[ক১৫৯] বেজাৰৰ এই প্রথম খুন্দাত তেওঁ ডায়োচেছানৰ ছিস্টাৰসকলৰ প্রতি ৰুষ্ট হৈ উঠিছিল।[ক১৪৭] কিন্তু তেওঁৰ ধর্মৰ পথ সংকীর্ণ নাছিল। একমতে বেজবৰুৱাই নিজেই ধর্মান্তৰ লৈ ব্রাহ্ম হৈছিল; ব্রাহ্মধর্মক মহাপুৰুষীয়া ধর্মৰ সমপর্যায় কৰি ব্যাখ্যা কৰিছিল। সেইহে দীপিকাৰ নতুন ধর্মক তেওঁ পিছলৈকে শত্রুৰূপে ভাবি থকা নাছিল। খ্রীস্টধর্মও ঈশ্বৰক পাবৰ এটি পথ বুলি তেওঁ বুজিছিল। 'ৰাম, ৰহিম, যীশু, যাৰ দুৱাৰেদিয়েই যাওক,

আন্তৰিকাই মানুহক গন্তব্য স্থান পোৱাই দিবগৈয়ে। পৃথিৱীৰ বন্ধনবোৰ তুদিনীয়া আৰু সেইবিলাকেই প্ৰকৃত বস্তু নহয়।' [ক১২৫] বিলাতত থকা খ্ৰীস্টিয়ান জীয়েকৰ বাবে তেওঁ সেই দেখি অতি আনন্দেৰে গীৰ্জাৰ স্তুতিগীতৰ বঙলা অনুবাদ কৰি দিছিল। [ক:৬১,১৬২] শেষবাৰৰ বাবে দীপিকাক ৰেলত তুলি বিদায় দিয়াৰ বেলা তেওঁ ইমানকে মাথোন উপদেশ দিছিল, 'তুমি যি পাইছা, এৰি নিদিবা।' বেজবৰুৱাৰ মৃত্যুৰ পিছত সকলোটি সম্বলপুৰৰ ঘৰলৈ যাওঁতে পুৰণি কাগজ-পত্ৰৰ মাজত ডাক্তৰ গোপালচন্দ্ৰ বেজবৰুৱাৰ হাতৰ চহীৰে এখনি বাইবেল ওলাই পৰিছিল। দীপিকাই তাকে পৰম সম্পত্তি বুলি লগত লৈ আহিল।

ধৰ্ম-বিশ্বাসৰ বিষয়ত যেনেকৈ নতুন যুগে এক বন্ধনহীনতা আনি দিছিল; খাদ্যাখাদ্য-পেয়াপেয়ৰ বিষয়তো তেনেকৈ সময়ে আমাক উদাৰ কৰি তুলিছে। বেজবৰুৱাই 'মোৰ মাতৃমুখ-দৰ্শন'ত জাহাজৰ খানচামাৰ বহীত বামুণৰ ল'ৰাই টোকা লেখা বাবে নৈষ্ঠিক সমাজে 'চাহ-পানীৰ টেকেলিত ধুমুহা' সৃষ্টি কৰাৰ কথা লেখিছে। কিন্তু বেজবৰুৱাৰ কালতে খাদ্যাখাদ্য বিচাৰ উদাৰ হৈ পৰিছিল। [ক১৮,৮৯,১২২,১৪১,১৫৬] ব্যক্তিৰ ওপৰত পুৰণি সমাজৰ বান্ধোন আন আন ফালৰপৰাও ঢিলা হৈ বা স্থলকি পৰিছিল। সামাজিক বিৱৰ্তনৰ অনেক কথাৰ গম এই চিঠি-খিনিৰপৰা ধৰিব পৰা যাব। বেজবৰুৱাই ঠাকুৰ-পৰিয়ালৰপৰা বিয়াকৈ ছোৱালী অনাটো বিষম বিষময় কথাৰূপে পৰিগণিত হৈছিল। আনৰ ঘটনাতো আছেই, বেজবৰুৱাৰ নিজৰ ঘৰতে তেওঁৰ অৱস্থা কাহিল হৈছিল। [ক৪৪] কোনোবাই বিলাতত বিয়া কৰাৰ খবৰ ওলালেই চাঞ্চল্যৰ সৃষ্টি হয়। [ক৫,খ২১] খ্ৰীস্টিয়ানৰ কলেজত পঢ়া ছোৱালী খ্ৰীস্টিয়ান হ'লে সমাজত আলোড়নৰ সৃষ্টিৰ আশঙ্কা হৈছিল। [ক৪৩] ব্ৰাহ্ম আৰু আৰ্য-সামাজিস্ট [খ২৫] অসমতো সক্ৰিয় হৈছিল। দামোদৰদেৱে শঙ্কৰদেৱৰ আজ্ঞা লোৱা কথাটো থকা বাবে গোহাঞি বৰুৱাৰ বুৰঞ্জীৰ বিৰুদ্ধে ছৰকাৰলৈ লেখা-লেখি চলিছিল। [খ৫১] এই প্ৰসঙ্গতে এনে মত লৈ 'বাঁহী'-'প্ৰদীপিকা'ৰ যুদ্ধখনৰ কথা সুঁৱৰিব পাৰি; তাৰ কথা আৰু সেই যুদ্ধৰ বীৰ বেজবৰুৱা-কাকতিয়ে অৱলম্বন কৰা ৰণ-কৌশলৰ কথা ডক্টৰ কাকতিৰ চিঠিখিনিৰপৰা স্পষ্টকৈ জানিব পাৰি। [খ৬০–৬৮] ব্ৰাহ্মণ-ক্ষত্ৰিয়-বৈশ্য-শূদ্ৰ লৈ হোৱা নতুন খেলিমেলিৰ কথাও দুই এখন চিঠিয়ে

সোঁৱৰাব।[খ৩৩] ডক্টৰ কাকতিৰ চিঠিত সেই সময়ত হোৱা গোসাঁই-বৰ্জন সভা-সমিতিৰ[খ৬৩] আৰু ব্ৰাহ্মণ-শূদ্ৰ আদিক লৈ উপস্থিত হোৱা সামাজিক সমস্যাৰ[খ৬৭] বতৰা পোৱা যাব। শিৰ-ফুটা বেজবৰুৱা পৰিয়ালতো নানা বিৱৰ্তন আৰু আলোড়নৰ ফুট উঠিছিল,[খ৭২,১১২] যদিও দীননাথ বেজবৰুৱা ডাঙৰীয়াই পুৰণি সমাজক নতুনৰ ভেটিত নিজৰ গৰিমাৰে প্ৰতিষ্ঠা কৰিবলৈ বিচাৰিছিল। ভাগ্যৰ কথা যে আমি আজিৰ পুৰণিকলীয়া সমাজৰ অনেক সৰু ভাব আৰু বিৰোধক নিৰুদ্বেগ দৃষ্টিৰে চাব পৰা হৈছো, উদাৰ বুলি চিনাকিও দিছো নিজৰ। কিন্তু পাৰ হৈ যোৱা এই যুগটোৰ এটি বস্তু এৰি আহি আমি বহুত হেৰোৱা যেন অনুভৱ কৰিছো, সেয়া হ'ল চেনেহা-চেনেহি।

বেজবৰুৱা আৰু তেওঁৰ মহলৰ (circle) বা 'সত্ৰথন'ৰ[ক১,খ১] বিষয়ে বুজিবৰ বাবে এই চিঠিখিনি এটি সুন্দৰ উপায়। কমলাকান্ত ভট্টাচাৰ্য বেজবৰুৱাৰ 'সোপা-সোপে মৰমৰ, লাড়ুৱে লাড়ুৱে চেনেহৰ' হৰিভকত।[ক১] অপূৰ্ব 'অষ্টাবক্ৰ সংহিতা'কাৰ দাৰ্শনিক, বন্ধুমহলৰ হাতী-বাবু বা হাতী-ডাঙৰীয়া (এসময়ত হাতীৰ কাৰবাৰত লাগিছিল বুলি)। চন্দ্ৰকুমাৰ আগৰৱালা ?—'তুমি জানা মোৰ কি বস্তু',[ক৫] কাৰণ এওঁৰ লগতে কলিকতাৰ বেজবৰুৱাৰ love at first sight হৈছিল বুলি 'জীৱন-সোঁৱৰণ'ত কোৱা হৈছে; গতিকে তেতিয়াৰেপৰা দুয়ো দুইৰো 'অভিন্নহৃদয়'।[ক৩১] হেমচন্দ্ৰ গোস্বামী বেজবৰুৱাৰ সদায় 'গোঁসাই ডিয়েৰ', যাৰপৰা লেখা নেপালে তেওঁ নিৰ্বিঘ্নে ঘোষণা কৰিব পাৰে যে মুৰ আৰু গাৰিৰ বিচ্ছেদ ঘটিব পাৰে বুলি।[গ১০] কনকলাল বৰুৱা আৰু ঘনশ্যাম বৰুৱা—পিছত মন্ত্ৰী হোৱা এই দুয়োজন বেজৰ পৰম সুহৃদ। আৰ্ল ল কলেজৰ শকত প্ৰিন্সিপেল জে বৰুৱা বেজবৰুৱাৰ সমন্ধত নাতি, সম্বোধনত 'জ্ঞান বোপা' আৰু সত্ৰীয়া ভাষাত 'ডেকা গোঁসাই (যিজনে আমাক, আমাৰ সত্ৰৰ সমূহ বাপসকলক জ্ঞান দি আনন্দিত কৰে)।'[ক১] আগৰৱালা আৰু জ্ঞানদাভিৰামেৰে এই স্নেহ ধাৰ নিছিগাকৈ শেহলৈকে বৈ আছিল। ডক্টৰ কাকতি, ডিম্বেশ্বৰ নেওগ, জ্যোতিপ্ৰসাদ আগৰৱালা আদিও বেজবৰুৱাৰ মহললৈ আকৃষ্ট হৈ সোমাই পৰিছিল। যতীন্দ্ৰনাথ দুৱৰাই বেজবৰুৱাৰ অন্তৰত বিশেষ এডুখৰি ঠাই অধিকাৰ কৰি বহিছিল।[ক১৫,২২] সম্বল-

পুৰত তেওঁৰ পোনতে আচহুৱা আচহুৱা যেন লাগিছিল; তাত এটা এডোখৰ অসমীয়া মাত-কথা শুনিবলৈ নাই ঘৰে-পৰে; 'অসম আৰু অসমীয়াৰ প্ৰভাৱৰপৰা আঁতৰ।' ক১১ কিন্তু অতি অলপৰ ভিতৰতে তেওঁৰ সম্মোহন ব্যক্তিত্বৰ চাৰিওফালে বেছ এটি বন্ধু-চক্ৰ গোট খাই পৰিল। যোগেন্দ্ৰনাথ সেন, নীলমণি সেনাপতি, হামিদ, ৰমেশচন্দ্ৰ আদি ওখ খাপৰ বিষয়া আৰু আনসকল তেওঁৰ কথা-বতৰা, খোৱা-বোৱা, চিকাৰ-অভিনয়ত অনুৰক্ত সঙ্গী হৈ পৰিল। ইসকলৰ দুই-এজন যেতিয়া বদলি হৈ আঁতৰি যায়, বেজবৰুৱাৰ মনত বিষাদৰ হেঁচা পৰে। ক১৪৫,১৪৬ 'মহানদীৰ কোলা' তেওঁৰ কাৰণে আপোনৰো আপোন ঘৰ হৈ পৰে। বন্ধুসকলৰ প্ৰতি বেজবৰুৱাৰ আসক্তি প্ৰৱল। যেতিয়া তেওঁলোক পৃথিৱীৰপৰাই আঁতৰি যায়, মাইকেল মধুসূদনৰ ৰাৱণৰ ভাষাৰে তেওঁ হুমুনিয়াহ কাঢ়ে 'কিন্তু একে একে শুখাইছে ফুল এবে, নিবিছে দেউটি!' ক১২৫ চন্দ্ৰকুমাৰ আগৰৱালাৰ মৃত্যু যেন তেওঁৰ জীৱনৰ মঞ্চৰপৰা বিদায়ৰে শেষ ইঙ্গিত হ'ল: 'মই অকলশৰে পৰি ৰ'লো!' ক১২৪

ভোলানাথ বৰুৱাৰ লগত বেজবৰুৱাৰ সম্পৰ্ক বন্ধুৰূপে আৰু ব্যৱসায়ৰ অংশীদাৰৰূপে অতি গভীৰ আছিল। তেওঁলোকৰযে বিচ্ছেদ হ'ব পাৰে এই কথা এদিন সপোনৰো অগোচৰ হ'ল। কিন্তু সিয়ে হ'ল। তাতে কূট লোকে অনেক কথা গাবৰ কাৰণে সুবিধা হৈছিল, বা এতিয়াও কোনোৱে সেই সুবিধা এৰি দিয়া নাই। কিন্তু ব্যৱসায়ৰ ক্ষেত্ৰত দুইৰো মনোমালিন্য আৰু এৰা-এৰি হোৱাৰ পিছতো তেওঁলোকৰ সৌহাৰ্দ্য অটুট আছিল, এইটিহে এই দুজনা মহৎ অসমীয়াৰ মহত্ত্বৰ পৰিচয়। বিহাৰ-উৰিষ্যাৰ হাবিত দুইজনৰ কাঠৰ কাৰবাৰ চলিছিল। বৰুৱা কেতিয়াবা বেজবৰুৱাৰ ঘৰলৈও গৈছিল আন কাম-বন পেলাই থৈ। দিল্লীত বৰুৱাৰ সাংঘাতিক মটৰ-দুৰ্ঘটনাৰ বতৰা শুনি বেজবৰুৱা লৰি গৈছিল নিজৰ কাম এৰি। জীৱনৰ শেহৰ সময়ত হাওড়াৰ ঘৰত বৰুৱা ৰোগ-শয্যাত পৰি থকাত বেজবৰুৱাই দেখা কৰিছে; স্মৃতিশক্তি হেৰুওৱা বৰুৱাই বেজবৰুৱাক কোনোমতে চিনি পাই চকুলো টুকিছে। দুদিনৰ পিছৰ বৰুৱাৰ মৃত্যুৰ সংবাদ পাই বেজবৰুৱাই দিনলেখাত টুকি থৈছে: 'এজন বন্ধু আৰু মহৎ লোক হেৰাল', পত্নী-কন্যাক সেই দুখৰ বাতৰি দি লেখিছে: 'মোৰ এজন ডাঙৰ বন্ধু আৰু আপদে-বিপদে

সকলো সময়তে এক প্ৰধান সহায় হেকবালো।' [ক৩৬,১১২] বৰুৱাই তেওঁৰ উইলত বেজবৰুৱালৈ পাঁচ হেজাৰ টকা এৰি যায়। [খ১১১] আজিৰ হিছাপত এই টকা তাকৰ যেন লাগিলেও দুইজনৰ সৌহাৰ্দ্যৰ চিন-স্বৰূপে তাৰ মূল্য তাকৰ নহয় কোনোমতে।

বেজবৰুৱাৰ চিঠিবোৰৰ মূল্য জীৱন-কথাৰ দলিল বা সাক্ষ্য-ৰূপেই সবাতোকৈ বেছি। কিন্তু আমাৰ আটাইতকৈ লাভ: সেইবোৰত তেওঁৰ সান্নিধ্য লাভ কৰিব পাৰোঁ, মানুহজনক তেওঁৰ মহত্ত্ব আৰু দুৰ্বলতাত চিনি পাব পাৰোঁ। এই চিঠিবোৰ প্ৰকাশৰ কাৰণে লেখা হোৱা নাছিল; এইবোৰ সেই দেখি সাহিত্যিক epistle নহয়। কিন্তু ঠায়ে ঠায়ে সিবোৰৰ সাহিত্যিক সৌন্দৰ্য আৰু মূল্য আছে। কেইবাখনো চিঠিৰ একোটাহঁত অংশ ছিঙি আনি ল'লে সুন্দৰ একোটি লিৰিক-তুল্য বস্তু ধৰা পেলাব পৰা যাব। আনফালে এই চিঠিবোৰে এজন শ্ৰেষ্ঠ লেখকৰ সাহিত্য-সৃষ্টিৰ পটভূমিটি আমাৰ আগত স্পষ্ট কৰি তুলিব। সমালোচকৰ সাহিত্য-বিচাৰত সিবোৰৰ মূল্য বিশেষতে তাৰ প্ৰকাশ-ভঙ্গিমাত বা ৰচনা-শৈলীত। সৰ্বোপৰি বেজবৰুৱা মানুহজনৰ স্পৰ্শ এইবোৰত পৰি আছে। দুহেজাৰ বছৰৰ আগতে লেখা ৰোমৰ চিন্তাশীল ব্যক্তি চিচেৰোৰ চিঠিবোৰত তেওঁ তেওঁৰ ঘৰুৱা কথা, টকা-পইচাৰ নাটনিৰ কথা, বিশ্বাসঘাতক বন্ধুৰ কথা, ওচৰ-চুবুৰীয়াৰপৰা পোৱা আমনিৰ কথা, ঘৰ-দুৱাৰ সজা বা মেৰামতিৰ কথা, নতুন কেলেঙ্কাৰী আৰু ভোজ-ভাতৰ কথা আৰু সৰু-সুৰা আন এশ এটা ঘটনাৰ কথা কৈছে। জীয়েক টুল্লিয়াৰ প্ৰতি চিচেৰোৰ স্নেহে চিঠিবোৰত এক মধুৰ সুষমা দিছে। প্ৰৱসুৱা জীৱনে তেওঁক ইটালীৰ প্ৰতি আসক্ত কৰি তুলিছিল। বেজবৰুৱাৰ চিঠিত এনে ধৰণৰ ব্যক্তিগত আৰু ঘৰুৱা জীৱনৰ আভাসেই ঘূৰাই পাওঁ। চিচেৰোৰ এক শতিকাৰ পিছৰ বাইবেলৰ ছেইন্ট পলৰ epistleবিলাক যদিও epistle, প্ৰবন্ধ-জাতীয় ৰচনা, তাতো মানুহৰ ব্যক্তিগত জীৱনৰ অনুভূতি আহি ভুমুকি মাৰিছে। আলেকজেণ্ডাৰ পোপৰ চিঠিবিলাক প্ৰকাশ হোৱাৰ লগে লগে ইংৰাজী ভাষাত ব্যক্তিগত চিঠিৰ সাহিত্যৰ এটি অঙ্গ-ৰূপে স্বীকৃত হ'ল; আৰু সাহিত্যিকৰ ব্যক্তিগত সম্পৰ্ক আৰু অনুভূতি আন সাহিত্যিক-পাঠকৰ সুখাদ্য বুলি গৃহীত হ'ল। পোপৰ মনোৰম পত্ৰ-শৈলীয়ে (epistolary

style) এই স্বীকৃতি সহজ কৰি তুলিলে। বেজবৰুৱাৰ কলমতো সম্মোহন আছেঃ ডক্টৰ কাকতিৰ ভাষাত, 'অতি সাধাৰণ কথা এটিও বেজবৰুৱাৰ ভাষাৰ সাজ পিন্ধিলে মনোমোহা হৈ উঠে।'

বেজবৰুৱাই প্ৰজ্ঞাসুন্দৰীলৈ আৰু নিজৰ জীয়েকহঁতলৈ অসমীয়াত চিঠি নেলেখি বঙলাতে লেখিছে। ঘৰতো সিসকলেৰে তেওঁ, কাচিৎ কেতিয়াবাৰ কথা এৰি, বঙলাতে কথা পাতিছিল, সিসকলক অসমীয়া কৰি তুলিবৰ যত্ন কৰা নাছিল। তেওঁ শ্ৰেষ্ঠ এক বঙালী পৰিয়ালৰপৰা ছোৱালী আনিলে, তেতিয়াৰেপৰা কোনোদিনে পৰিয়াল লৈ তেওঁ অসমত থাকি নাপালে! এজনী ছোৱালী বাহিৰতে বিয়া দিলে, এজনী জানিবাঁ অসমত পৰিলহি। কিন্তু বেজবৰুৱা নিজে থাকিছিল কলিকতাৰ বঙালী পৰিৱেশৰ মাজত বা সুদূৰ সম্বলপুৰত অকলশৰীয়া হৈ, তাতো ঘৰৰসকলৰ আহ-যাহ বঙালী বা বঙলা ক'ব পৰা পৰিয়ালৰ লগতহে। পোনতে ঠাকুৰ পৰিয়ালে তেওঁক ষোল অনায় বঙালী কৰিবৰ যত্ন কৰিছিল। বেজবৰুৱাৰ অসম-প্ৰেমফেৰা দুৰ্বল হোৱা হ'লে তালৈ বেছি বল নেলাগিলহেঁতেন। কিন্তু ইতিমধ্যেই তেওঁৰ হাতত অসমীয়া ভাষাৰ হকে ৰামটাঙোনডাল উঠি আছিল, আৰু তেওঁৰ চৰিত্ৰৰ শক্তিৰ হেতুকে সকলো বঙলা প্ৰভাৱৰ মাজতো সি তেওঁৰ হাতৰপৰা নানামিল। শঙ্কৰদেৱে বাহিৰৰ সকলোকে একশৰণীয়া কৰিবৰ যত্ন কৰিছিল; কিন্তু কালিন্দী আইৰ দেউতিসকলকহে বেৰৰ চুকৰপৰা আঁতৰাব নোৱাৰিছিল। বেজবৰুৱাৰ অসমীয়া-প্ৰাণতাই আমাক সকলোকে উদ্বুদ্ধ কৰিলে আৰু বঙ্গৰ সাংস্কৃতিক গ্ৰাসৰপৰা অসমক সময়ত ৰক্ষা কৰিলে; কিন্তু তেওঁৰ ঘৰখন বঙালী হৈ থাকিল। বহুতে ইয়াতে বিষম দেখা পায় আৰু বেজবৰুৱাৰ প্ৰাণৰ split দেখা পায়। তেওঁ নিজৰ দুৰ্বলতাৰ গম পায়, সম্বলপুৰৰপৰা ডুৱৰালৈ লেখে, 'মই ইয়াত অকলশৰীয়া। অসম আৰু অসমীয়াৰ প্ৰভাৱৰপৰা আঁতৰ; গতিকে বুজিব পাৰিছা, মোৰ surroundings কি আৰু তাৰ প্ৰভাৱ মোৰ ওপৰত কেনে হ'ব পাৰে। মইতো মানুহ; মানুহৰ স্বভাৱ আৰু weaknessঅৰ হাত এৰোৱা কি টান ভাবি চাবাঁ। তোমাৰ চিঠি আৰু ন 'অসমীয়া' কাকত, এই দুই বস্তুৱেহে মোক অসমৰ কথালৈ মনত পেলাই টনকিয়াল কৰে।' ক১১ তেওঁ 'পানী মেঁ মীন পিয়াসী'।

মাজে মাজে ওপৰলৈ উঠি নাক উলিয়াই অনন্ত বায়ুমণ্ডলৰপৰা তেওঁ অসমীয়া বায়ু শুহি লৈ প্ৰাণৰ পৰিতোষ ঘটাই থাকে আৰু তাৰ দ্বাৰায় তেওঁৰ প্ৰাণে বল পাই আমাক অসম, অসমীয়া, শঙ্কৰদেৱ, অসমীয়া সংস্কৃতি ধৰি ৰাখিবলৈ অন্তহীন উৎসাহ যোগায়। বঙলাত চিঠি লেখা, ঘৰত বঙলাত কথা কোৱা বেজবৰুৱাক বাদ দি এজন বেজবৰুৱা আৱিষ্কাৰ কৰি ল'ব নোৱাৰোঁ। 'বাপৰ বেটা' তেওঁৰ অসমীয়া 'বাৰ হাত জালৰ তেৰ হাত ফটা'ইদি 'ৰৌ-বৰালি সৰকি গৈ' আমি 'পুঠি-খলিহনা পাহে পাহে ৰ'লো' কিয়, সিও কাৰবাৰ কাৰণে সাথৰনেকি। এই চিঠিবোৰ ব্যক্তিগত আৰু গোপনীয় সম্পত্তি, সি আজি ৰাজহুৱা হ'ব বুলি জনা হ'লে তাৰ ৰূপেই বেলেগ হ'লহেঁতেন। আমিও আজি অসমীয়া বন্ধু-বান্ধৱী আৰু ল'ৰা-ছোৱালীলৈ ইংৰাজী বা হিন্দীত চিঠি দি তৃপ্তি পাওঁ—কোনো আৱশ্যকতা নহ'লেও।

তেওঁ কি চমৎকাৰ বঙলা লেখে! বঙলা সাহিত্যৰ অধ্যয়নো তেওঁৰ বিস্তৃত। ইতো দোষৰ কথা হ'ব নোৱাৰে, গুণহে। অনভ্যাসৰ বাবে ক'ৰবাত কেনেবাকৈ হস্তীৰ পাও পিছলিব পাৰে বুলি তেও জানে ক৬৪ আৰু বঙালী লোকে সুন্দৰ বঙলাত চিঠি লেখা দেখিলেও তেওঁৰ 'লোভ হয়'। ক ১৩৫ কিন্তু ঠায়ে ঠায়ে তেওঁ নিজেও জতুৱা বঙলা আৰু ঠায়ে ঠায়ে প্ৰাদেশিক কথ্য ভাষা ব্যৱহাৰ কৰি বাহাদুৰি দেখুৱাবলৈ এৰা নাই। আনফালে তেওঁৰ দৰে কেইজনে সুন্দৰ অসমীয়া শৈলী লেখিব পাৰে? উদাহৰণ স্বৰূপে 'পত্ৰলেখা' প্ৰথমৰ চিঠিখনিকে চাওক; তাত কেনেকৈ সত্ৰীয়া ঢং মনোৰমকৈ ব্যৱহাৰ কৰা হৈছে। তেওঁৰ ভাষা সদায় ক্ৰিয়াশীল আৰু ক্ৰীড়াশীল—অসমীয়াতে হওক, বঙলাতে হওক বা আন কি ইংৰাজীতে হওক। সম্বলপুৰীয়া বেজবৰুৱাৰ ভাষাত ঠায়ে ঠায়ে ওড়িয়াৰ প্ৰভাৱো নপৰাকৈ থকা নাই। ক৫৩,৫৬,৬০,৬১

দিনে-ৰাতি কাঠ কটা কামত ব্যস্ত বেজবৰুৱাৰ অধ্যয়নৰ পৰিসৰ কেনে বহল এই চিঠিবোৰৰ মাজৰ উদ্ধৃতি আৰু উল্লেখবোৰে আমাক সোঁৱৰাই দিব। তেওঁৰ সংস্কৃতিশীল মনে তেওঁক পুথি-পত্ৰ আৰু গীত-অভিনয় আদিলৈ সদায় টানিছিল জীৱনৰ শুকান কামৰ মাজতো। ইংৰাজী আৰু সংস্কৃত সাহিত্যৰ চৰ্চা তেওঁৰ শেহলৈকে আছিল। তেওঁৰ দিনলেখাৰ বহীবোৰৰ শেহৰ পাতবোৰত নানা ঠাইৰপৰা,

বিশেষকৈ সংস্কৃত ভাষাৰ, উদ্ধৃতি টুকি থোৱাটো এটি অবিৰল স্বভাৱত পৰিণত হৈছিল। বৈষ্ণৱ পুৰাণ, ভক্তি-সূত্ৰ, উপনিষদ আদি তেওঁ বিশেষভাৱে অধ্যয়ন কৰিছিল। ইংৰাজী সাহিত্যৰ হিউমৰিস্টসকলৰ (জেৰোম কে জেৰোম পৰ্যন্ত) তেওঁৰ পৰিচয় বৰ্তিছিল। বেলেগ বেলেগ পৰিস্থিতিত তেওঁৰ মনে সুঁৱৰিছিল শঙ্কৰদেৱৰ বা ৰবীন্দ্ৰনাথৰ বা মাইকেলৰ কবিতাৰ শাৰীবোৰ। তেওঁৰ বঙলা কবিতা-চিঠিৰ মাজতো শঙ্কৰদেৱে আহি ভুমুকি মাৰিছে।

এই চিঠিখিনি সম্পাদন কৰি উলিওৱাৰ ভাৰ আমাৰ ওপৰত পৰে, কিন্তু সকলোখিনি একেলগে পাব নোৱৰা হেতুকে বাঞ্ছনীয় ক্ৰমত সিখিনি সজাই ল'ব পৰা নগ'ল। চিঠিবোৰৰ মূল বা নকল সাহিত্য সভাক দি সহায় কৰা বাবে বেজবৰুৱাদেৱৰ কন্যা শ্ৰীমতী অৰুণা দেৱী মুখাৰ্জী, শ্ৰীমতী ৰত্না বৰুৱা আৰু ছিস্টাৰ দীপিকা, শ্ৰীবেণুধৰ শৰ্মা (হেমচন্দ্ৰ গোস্বামীলৈ দিয়া চিঠি), শিৱসাগৰৰ শ্ৰীবসন্তলাল দুৱৰা (সিজনৰ দদাইদেৱেক যতীন্দ্ৰনাথ দুৱৰালৈ দিয়া চিঠি), যোৰহাটৰ শ্ৰীমোহনচন্দ্ৰ মহন্ত (সিজনলৈ দিয়া চিঠি), গুৱাহাটীৰ কুমাৰী জীৱনমধুৰি নেওগ (তেওঁৰ পিতৃ ডিম্বেশ্বৰ নেওগলৈ দিয়া চিঠি) আৰু আনসকলৈলে শলাগৰ শৰাই আগ বঢ়ালো। দুই-এজনৰ হাতত থকা বেজবৰুৱাৰ পত্ৰ বা তাৰ নকল বাৰে বাৰে অনুৰোধ কৰিও পাব নোৱাৰিলো। এই সংকলনৰ দুই-এখনি চিঠি পঢ়োঁতে যথেষ্ট কষ্ট কৰিব লগীয়া হৈছিল। দুই-এখনিৰ কিয়দংশ ফাটি বা পোকে কুটাত নষ্ট হৈ গৈছিল। বঙলা চিঠিখিনি সম্পাদন কৰাৰ বেলা গুৱাহাটী বিশ্ববিদ্যালয়ৰ বঙলা বিভাগৰ অধ্যাপক শ্ৰীদীপক সেনে আমাক সাহায্য দি ঋণী কৰিছে। এইভাৱে বেজবৰুৱাক নতুন নতুন দিশৰপৰা চাবৰ সুবিধা দিয়া এই পত্ৰ-সংকলন প্ৰকাশ কৰাত যিসকলে নানাভাৱে সহায় কৰিলে, সকলোলৈকে সাহিত্য সভাৰ আৰু আমাৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

৬ বিশ্ববিদ্যালয় টোল
গুৱাহাটী বিশ্ববিদ্যালয় **মহেশ্বৰ নেওগ**
৩১ ডিচেম্বৰ ১৯৬৯

লক্ষ্মীনাথ বেজবৰুৱাৰ জীৱনৰ সময়-ৰেখা

১৮১৩ পিতৃ দীননাথৰ জন্ম

১৮৩২ দীননাথৰ বিয়া ॥ দীননাথৰ পুৰন্দৰসিংহ স্বৰ্গদেৱৰপৰা বেজবৰুৱা-বিষয়-প্ৰাপ্তি ॥ দীননাথ ফৌজদাৰী ছিৰস্তাদাৰ

১৮৩৫ হেমচন্দ্ৰ বৰুৱাৰ জন্ম

১৮৩৯ দীননাথ কোম্পানীৰ দেৱানী মহাফেজ, পিছত ছিৰস্তাদাৰ

১৮৪৪ দীননাথৰ 'বেজবৰুৱা-বংশাৱলী'-ৰচনা

১৮৬১ দীননাথ মুন্সিফ নগাঁৱত, লগতে ডেপুটি কলেক্টৰ

১৮৬৪ দীননাথৰ বৰপেটালৈ বদলি ॥ ১৬ নবেম্বৰ, লক্ষ্মীনাথৰ জন্ম নগাঁও জিলাৰ আঁহতগুৰিত

১৮৬৭ দীননাথৰ তেজপুৰলৈ বদলি

১৮৬৯* দীননাথৰ উত্তৰ লক্ষীমপুৰলৈ বদলি

১৮৭১* দীননাথৰ গুৱাহাটীলৈ বদলি ॥ মাৰ্চ, মহৰ্ষি দেবেন্দ্ৰনাথ ঠাকুৰৰ তৃতীয় পুত্ৰ হেমেন্দ্ৰনাথৰ দ্বিতীয়া কন্যা প্ৰজ্ঞাসুন্দৰীৰ জন্ম

১৮৭৩ দীননাথৰ ৰাজকাৰ্যৰপৰা অৱসৰ আৰু শিৱসাগৰত থিতাপি

১৮৮১ দীননাথে কন্দৰ্পেশ্বৰসিংহক চিকিৎসা কৰে

১৮৮৪ মহৰ্ষি দেবেন্দ্ৰনাথৰ তৃতীয় পুত্ৰ হেমেন্দ্ৰনাথৰ মৃত্যু

১৮৮৬ শিৱসাগৰ উচ্চ ইংৰাজী পঢ়াশালিৰপৰা লক্ষ্মীনাথৰ এণ্ট্ৰেন্স-উত্তৰণ ॥ কলিকতালৈ শিক্ষা-যাত্ৰা

১৮৮৮ শিৱসাগৰত বেজবৰুৱা পঢ়াশালি-স্থাপন ॥ লক্ষ্মীনাথৰ ফাৰ্স্ট আৰ্টছ পৰীক্ষা-উত্তৰণ ॥ অ. ভা. উ. সা. সভাৰ প্ৰতিষ্ঠা

১৮৮৯ 'জোনাকী' কাকতৰ জন্ম ॥ 'জোনাকী'ত 'লিতিকাই' প্ৰকাশ

১৮৯০ লক্ষ্মীনাথৰ বি. এ. পৰীক্ষা-উত্তৰণ

১৮৯১ ফেব্ৰুৱাৰী, ভাই লক্ষ্মণৰ মৃত্যু ॥ মাৰ্চ, প্ৰজ্ঞাসুন্দৰীৰে লক্ষ্মীনাথৰ বিয়া

১৮৯২ ভোলানাথ বৰুৱা আৰু হৰিবিলাস আগৰৱালাৰে সহবাস শোভাৰাম বসাক লেনত ॥ আইন পৰীক্ষাত অকৃতকাৰ্যতা

১৮৯৩ ভোলানাথৰ ব্যৱসায়-আৰম্ভ

১৮৯৪ ভোলানাথৰ লগত সপত্নীক লক্ষ্মীনাথৰ গোপীকৃষ্ট লেনত বসতি

১৮৯৫ ২৭ মেই, দীননাথৰ মৃত্যু ॥ ২৮ মেই, ডাক্তৰ গোলাপচন্দ্ৰৰ এমেৰিকাৰপৰা প্ৰত্যাৱৰ্তন ॥ ২৬ জুন, লক্ষ্মীনাথৰ প্ৰথমা কন্যা সুৰভিৰ জন্ম ॥ বঙ্গলাল লক্ষ্মীনাৰায়ণ কোম্পানী-গঠন

১৮৯৬ বলৰাম দত্ত লেনত বসতি

১৮৯৯ লক্ষ্মীনাথৰ কলিকতা মিছেলেনিযাছ স্টোৰ্ছৰ পাতনি

১৯০০ জানুৱাৰী, হাওড়াৰ ডবছন ৰোডৰ ঘৰ ক্ৰয় ॥ নবেম্বৰ দ্বিতীয়া কন্যা অৰুণাৰ জন্ম ॥ সুৰভিৰ মৃত্যু

১৯০১ 'লিতিকাই' পুথি প্ৰকাশ

১৯০৩ ভোলানাথেৰে এৰা-এৰিৰ বন্দবস্তি ॥ ১৬ নবেম্বৰ, তৃতীয়া কন্যা বত্নাৱলীৰ জন্ম ॥ 'কামত কৃতিত্ব লভিবৰ সঙ্কেত'

১৯০৪ ১৬ জুন, নিমখগোলা ৰোডত বসতি ॥ ১৯ আগস্ট, ৰোজমেৰি লেনৰ 'লৰেল্ছ' ঘৰ ক্ৰয় ॥ 'কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা'

১৯০৫ 'পদুম কুঁৱৰী'

১৯০৬ ই. মাৰ্ছডেনৰ 'ভাৰতবৰ্ষৰ বুৰঞ্জী'ৰ অনুবাদ

১৯০৮ ৪ নবেম্বৰ, চতুৰ্থী কন্যা দীপিকাৰ জন্ম

১৯০৯ 'বাঁহী'ৰ জন্ম ॥ 'ডাঙৰীয়া দীননাথ বেজবৰুৱাৰ জীৱন-চৰিত', 'কৃপাবৰ বৰুৱাৰ ওভতনি', 'সুৰভি'

১৯১০ 'সাধুকথাৰ কুকি'

১৯১১ ছেপ্টেম্বৰ, ভোলানাথেৰে চেগুণ কাঠৰ ব্যৱসায়ত শেষ বন্দবস্তি। 'শঙ্কৰদেৱ'

১৯১২ ভাই হৰিনাথে লক্ষ্মীনাথৰ আসাম বেঙ্গল স্টোৰ্ছ এৰে ॥ লালবাজাৰ ষ্ট্ৰীটলৈ স্টোৰ্ছৰ স্থানান্তৰণ ॥ লৰেল্ছ বন্ধকত দিয়া ॥ 'বুঢ়ী আইৰ সাধু' ॥ 'বাল্মীকি প্ৰতিভা' অভিনয়

১৯১৩ 'জোনবিৰি', 'ককাদেউতা আৰু নাতিল'ৰা', 'জুনুকা', 'কদমকলি', 'নোমল', 'পাঁচনি', 'চিকৰপতি নিকৰপতি'

১৯১৪ 'মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ আৰু মাধৱদেৱ'॥ ফেব্ৰুৱাৰী, দিল্লীত ভোলানাথ বৰুৱাৰ মটৰ দুৰ্ঘটনা

১৯১৫ 'বাখৰ', 'চক্ৰধ্বজসিংহ', 'শ্ৰীভগৱৎকথা', 'জয়মতী কুঁৱৰী', 'বেলিমাৰ'

১৯১৬ বাৰ্ড এণ্ড্ কোম্পানীৰ কলিকতা অফিচত মকৰৰ॥ ডিচেম্বৰ, গুৱাহাটীত প্ৰথম অসম ছাত্ৰসন্মিলনৰ সভাপতি

১৯১৭ সম্বলপুৰত থাকিবলৈ লোৱা

১৯১৮ জুলাই লবেল্‌ছ-বিক্ৰী॥ ছেপ্টেম্বৰ, ঝাৰসোগোৰাত ঘৰ ক্ৰয়

১৯২০ ১৭ নবেম্বৰ, অৰুণাৰ বিয়া॥ ডিচেম্বৰ ঝাৰসোগোৰাত নতুন ঘৰ নিৰ্মাণ

১৯২১ নীপময়ী দেৱীৰ মৃত্যু॥ অক্টোবৰ, হৰিনাথে বাৰ্ড কোম্পানীৰ কাম এৰে

১৯২৩ এপ্ৰিল, কুকুৰে কামোৰাত শ্বিলঙত চিকিৎসা॥ ৩০ মেই, ভোলানাথ বৰুৱাৰ মৃত্যু

১৯২৪ ২৭ ডিচেম্বৰ, অসম সাহিত্য সভাৰ সাহিত্য-সন্মিলনীৰ সভাপতি॥ 'জপু' প্ৰহসন

১৯২৭ ডিচেম্বৰ, গুৱাহাটীৰ পথত যোগবনিলৈ॥ ফেব্ৰুৱাৰী, নিজাকৈ ফোৰ্ড গাড়ী ক্ৰয়

১৯২৮ জানুৱাৰী, গুৱাহাটীক কেন্দ্ৰ কৰি অসমৰ হাবিত কাম॥ ২৮ ফেব্ৰুৱাৰী, বাৰ্ড কোম্পানীৰ কামৰপৰা ইস্তফা॥ মেই, সম্বলপুৰত নিজা ব্যৱসায় আৰম্ভ॥ ২ মেই হেমচন্দ্ৰ গোস্বামীৰ মৃত্যু॥ ২২ নবেম্বৰ, ৰত্নাৰ বিয়া

১৯৩০ ছেপ্টেম্বৰ-অক্টোবৰ, অসম-ভ্ৰমণ অসুখৰ বাবে॥ কলিকতাত বেজবৰুৱা সমিতি-গঠন

১৯৩১ ২৯ ডিচেম্বৰ শিৱসাগৰত অসম সাহিত্য সভাৰ অভিনন্দন-প্ৰদান

১৯৩২ নবেম্বৰ, দীপিকাৰ ধৰ্মান্তৰণ এঙ্গ্লিশন সম্প্ৰদায়ত॥ এপ্ৰিল, যতীন্দ্ৰনাথ দুৱৰাৰ মটৰ-দুৰ্ঘটনা

১৯৩৪ বৰোদা আৰু আহমদাবাদত বক্তৃতা। *History of Vaishnavism in India, Rasalila of Srikrishna.*

১৯৩৫ জানুৱাৰী, দীপিকা সন্ন্যাসিনী হয় ॥ ছেপ্টেম্বৰ, বিলাতলৈ যায়।
১০ মাৰ্চ 'জয়মতী' বোলছবি মুকলি কৰা হয়

১৯৩৭ ১৮ আগস্ট, শেষ অসম-যাত্ৰা

১৯৩৮ জানুৱাৰী, দীপিকা বিলাতৰপৰা ঘূৰি আহি ডিব্ৰুগড়লৈ যায় ॥
২ মাৰ্চ, চন্দ্ৰকুমাৰ আগৰৱালাৰ মৃত্যু ॥ ২৬ মাৰ্চ, পুৱা ৪ বজা লক্ষ্মীনাথৰ মৃত্যু।

লক্ষ্মীনাথ বেজবৰুৱাই লেখা চিঠি

কমলাকান্ত ভট্টাচাৰ্যলৈ লেখা

১ সম্বলপুৰ

৪।৪।২৮

বাজহুৱা হিচাপত অষ্টাবক্র-সংহিতা-কাৰ দাৰ্শনিক ভ্ৰাতৃৱীয়া, ভিতৰুৱা হিচাপত সপ্তবক্র হৰি-ভকত, অন্তৰঙ্গ হিচাপত আমাৰ পূৱফলীয়া সত্ৰাধিকাৰ আতৈ, আৰু নিজা হিচাপত সোপাসোপে মৰমৰ, লাড়ুৰে লাড়ুৰে চেনেহৰ বান্ধৈ আৰু পূবফলীয়া সত্ৰৰ পকামিঠৈ!

আপোনাৰ চিঠি পালোঁ, পঢ়িলোঁ আৰু গিলিলোঁ। এই চিঠি আপোনালৈ পোনপটিয়েই নেলেখি অলপ বেঁকা পটিয়েদি পঠিয়ালো, কাৰণ পোনতকৈ বেঁকাটো অনেক সময়ত সুখ লগা। সেই দেখি চিঠিখন ডেকা গোসাঁইৰ (যিজনে আমাক, আমাৰ সত্ৰৰ সমূহ বাপুসকলক জ্ঞান দি আনন্দিত কৰে) বিজোগত সংযোগ কৰি দিলোঁ, তেখেতে শুচি হৈ হস্তলিপিখনি ঠগি এখনৰ ওপৰত থৈ অতি সন্তৰ্পণে পঢ়ি অধিকাৰ প্ৰভুকে প্ৰমুখ্য কৰি ভকতসকলক শুনাব। বিশেষকৈ আপুনি আন হিচাপেও “পবলিক্ মেন্”; “পবলিক্ সিটো” নহয়, এতেকে আপোনালৈ “প্ৰাইভেট” চিঠি লেখাটো দোষ।

সত্ৰহতে এই দূৰণিবটীয়া ভকতৰ গাটি ভালেই আছে, মনটিও ঠন ধৰা, আৰু গতি বক্র হোৱা নাই। ভকতনী বুঢ়ীৰো গা ভাল, মন ভাল, আৰু জী-জোঁৱাই আমা-ডিমা ল’ৰা-ছোৱালীহঁতৰতো কথাই নাই। সকলোকে হৰি ভগৱন্ত বস্তুৱে কুশলে ৰাখিছে। আপোনাৰ আৰু ডেকা গোসাঁইৰ আৰু মাজু বহাৰ আতৈৰো মঙ্গলাদিৰ বাতৰি পাবলৈ আশা কৰি ৰ’লো।

ঈশ্বৰে আপোনাসকলক ভালে ৰাখক আৰু যেন আমাক সত্ৰৰ বস্তিগছ সুনুমায়—এই প্ৰাৰ্থনা।

"অসমীয়া"ত গুৱালপাৰাৰ আবাল্ চন্দ্ৰ অসাধন কেইজনক পাৰি থকা আপোনাৰ গুৱাল-গালি পঢ়ি সন্তোষ পাইছোঁ, তেওঁলোকক যেন সেইবোৰে সুমতি দিয়ে। ভাল কথা ক'লে মানুহে প্ৰথমতে বেয়া পায়; কিন্তু লাহে লাহে সেই কথাই বেয়া পাওঁতাজনক ভাল কৰে।

আপোনাৰ "বুঢ়ীগৰাকীয়ে" আপোনাক যি পৰামৰ্শ দিছে, সেইটো অতি উত্তম। আপোনাৰ মীমাংসা আৰু উত্তৰটো ঠিক হোৱা নাই। নিশ্চয় জানিব, বুঢ়ীৰ কিল খোৱাতকৈ গাভৰুৰ লাথি খোৱাটো শতগুণে ভাল, সুখকৰ আৰু গৌৰৱজনক। এতেকে কথাটোৰ "চানি-বিচাৰ" কৰি "ৰদ" কৰি "বুঢ়ীগৰাকীৰ" বাক্য শিৰোধাৰ্য্য কৰি বিজ্ঞতা আৰু বিচক্ষণতাৰ চিনাকি দি আমাৰ সত্ৰৰ সম্মান ৰক্ষা কৰিব, এই গোহাৰি কৰিলোঁ। ইংৰাজীত কয়—A stitch in time saves nine. আৰু এষাৰ ইংৰাজী মাতো ক্ষমা কৰিব, কাৰণ ইংৰাজীয়ে মোৰ মুখত বৰকৈ সুৰ্সুৰাইছে।

Let not thy winged days be spent in vain;
When gone, no gold can buy them back again.

মোৰ আকৌ উভতি তালৈ যোৱাটো ভৱিষ্যতৰ উদৰত। প্ৰসৱৰ সময়ত মোৰ নিজা বান্ধৈসকলক জান নিশ্চয় দিম। আৰু আমাৰ অধিকাৰে তাৰ নাড়ী কাটিবই লাগিব। আজিলৈ ইমানতে বহা-সুখ সামৰিলোঁ।

আপোনাৰ "হৰিভকত"

২ সম্বলপুৰ
২০।৩।৩২

মৰমৰ হৰিভকত ভট্টাচাৰ্য্য ডাঙৰীয়া,

জ্ঞান বোপাৰ পোষ্ট কাৰ্ডৰ পোন্দত আঁৰি দিয়া আপোনাৰ লেখা কেইষাৰি পাই আনন্দ পালোঁ। আপোনাৰ মন আজিকালি বিষাদপূৰ্ণ হোৱাৰ কাৰণো জানিলোঁ। ধন, জ্ঞান আৰু কিবা এটা আপোনাৰ

নাই। সেইয়ে কাৰণ বুলি আপুনি কৈছে। ধন আগেয়ে আপোনাৰ আছিল, এতিয়া সি দুৰ্ব্বল আৰু অকামিলা, তাৰ মানে নথকাৰ নিচিনা। আপোনাৰ ধন থাকোঁতে সি আপোনাৰ মনত "মাৰোঁ পানী, মাৰোঁ পানী"কে কেনেকৈ আপোনাক উতলাই লৈ ফুৰিছিল, সেই কথাটো আপোনাৰ "চিন্তাৰ ঢৌ"ত পেলাই দি তলি পাবলৈ এৰি দিলেই গম পাব, তেনেকুৱা দুৰ্দ্দান্ত ধন যদি গ'ল, আপুনি ৰক্ষা পালে বুলি ভাবক। আৰু সেই ধনে সদায় আপোনাক সহায় কৰি লৈ ফুৰাব বুলি ভবাটোও ভুল। তাৰ দিনত সি তাৰ কাম দিলে। তাক চিৰকাল টানি-আঁজুৰি তাৰপৰা কাম ল'বলৈ আশা কৰা বৃথা। এই দেখিয়েই "অৰ্থমনৰ্থং" বুলিছে। আপুনি অনৰ্থৰ হাত সাৰিল দেখি মোৰ congratulation ল'ব। জ্ঞান আপোনাৰ হাতৰ কাষতে। জ্ঞানে মোক তোল, মোক তোল বুলি ফুৰাতো যদি আপুনি সাৰ্মৰি নলয় তেন্তে সেইটো কাৰ দোষ? দেশৰ "কৰ্ম্ম" আপুনি আগেয়ে অনেক কৰিলে। এতিযা কৰিব নোৱৰা হ'ল যদি তাত দুখ নকৰিব। "চিৰদিন সমানে নেযায়।" এতিয়া আপোনাৰ পক্ষে মানসিক কৰ্ম্মই শ্ৰেয়ঃ। তাতো সুখ আছে।.... ..

আপোনাৰ প্ৰবন্ধেৰে আজিকালি আপুনি এটাইকেইখন অসমীয়া কাকত বুৰাই আছে; তথাপি আপোনাৰ খক নাই যোৱা। মানুহ যিমান বুঢ়া হৈ আহে, খকো তিমান বাঢ়ি আহেনেকি? আপুনি নিজৰ ছপাখানা নাই বুলি বেজাৰ কৰিছে। মই কওঁ, আগেয়ে আছিল— যেনে তেজপুৰত সেই ছপাখানা। তাত আপুনি প্ৰাণপণে চেপিছিল; আৰু কাৰ্য্যৰ ফলো হ'ল; কাৰণ আপোনাৰ গাত বল-শকতি আছিল। আজি কোনো ছপাখানাই আপোনাৰ চেপত একাণপতীয়াকৈ পৰিবলৈ ৰাজী নহয়। "বুঢ়াটো" বুলি আপোনাক অৱজ্ঞা কৰিব। এতেকে "তে হি নো দিৱসা গতাঃ" বুলি মনলৈ শান্তি আনক।

ভালে আছোঁ, মৰম পঠিয়ালোঁ।

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা

চন্দ্ৰকুমাৰ আগৰৱালালৈ লেখা

৩ Smbp
5. 6. 28

মাজিউ,

তোমাৰ চিঠি পায়েই লৰালৰিকৈ এইটো লেখি দিলোঁ। পাহৰি আছিলোঁ। ৰত্নাৰ result এতিয়াও ওলোৱা নাই। অৰুণা M. A. দিবলৈ প্ৰস্তুত হৈছে। কলিকতালৈ গৈছে। ল'ৰাটো আৰু ছোৱালী-জনী ইয়াত থৈ গৈছে। ল'ৰাটো আগৰপৰাই আছিল। exam. Aug.-অৰ 1st week-অত।

জ্ঞানক মোৰ হৈ চুমা এটা দিবাঁ। আৰু তেওঁক cheerful কৰি ৰাখিবাঁ।

Hati বাবুক মৰম ও প্ৰীতি। Mrs. Agarwalaক শ্ৰদ্ধা, ল'ৰাইতক মৰম। তুমি মোক গোটাগেটে ল'বাঁ।

মৰমৰ
"বেজ"

8 Sambalpur
10. 2. 28

মাজিউ,

চিঠি পালো! "মিলন", "সাহিত্যসভা পত্ৰিকা" মোলৈ পঠিয়াবৰ আৱশ্যক নাই। মই সেইবোৰ পাওঁ।

শ্ৰীযুত বাণী কাকতীক পালে ভাল। কিন্তু Rs. 50/- ক'ৰপৰা কেনেকৈ দিয়া যায়! উপেন্দ্ৰক ভাৰ নিদিবাঁ, unfit.

মই মোৰ লেখা যি পাৰোঁ অলপতে আকৌ পঠিয়াম।

মোৰ মৰম ল'বানে?—ইমান সৰহ আৰু গধুৰ যে কিজানি তাৰ ভাৰ ব'ব নোৱাৰিবা।

জ্ঞানক আৰু হাতীডাঙৰীয়াক মৰম আৰু সাদৰ সম্ভাষণ জনালোঁ।

জ্ঞানক আৰু হাতীডাঙৰীয়াক "বাঁহীত" লেখিবলৈ নোকোৱা কিয়? জ্ঞানে "আসামহিতৈষী"ত প্ৰবন্ধ লেখিছে দেখিলোঁ। হাতীবাবুৰ প্ৰবন্ধতো খেৰণিয়ে-বননিয়ে।

মৰমৰ

"বেজ"

৫

Sambalpur

21. 7. 28

মাজিউ,

তোমাৰ p. c. পালোঁ। "সাম্প্ৰদায়িক সঙ্কীৰ্ণতা" দ্বিতীয় প্ৰবন্ধ পঠিয়ালোঁ। আশা কৰোঁ আগৰটো ছপা হৈছে। "বাঁহী" আজিও পোৱা নাই,—সোনকালে পাম, আশা কৰিলোঁ। আন প্ৰবন্ধ for next issue আজি লেখিবলৈ বহিম।

ৰত্নাৰ বিয়া ঠিক হোৱাত, আৰু ডিব্ৰুগৰৰ ৰোহিণীৰে সৈতে, তুমি ভাল পোৱাত মোৰ অশেষ সন্তোষ। কি বোলা, সচাঁকৈ তুমি ভাল বুলিছানে? যদি বুলিছা মোৰ সুখৰ অন্ত নাই। বিয়া জাৰ গ'লেহে হ'ব পাৰিব। অৱশ্যে সম্বলপুৰত। তুমি তেতিয়া ইয়ালৈ এবাৰ আহিব লাগিব। তুমি জানা তুমি মোৰ কি বস্তু। সৰহ নকওঁ। লৰালৰি। আজিলৈ মেলানি। ভালে আছাহকতো?

তোমাৰ

"বেজ"

৬

Sambalpur

24. 7. 28

মাজিউ,

কথাটো শুনি shocked হৈ গ'লোঁ। আশা কৰোঁ মিছা gossip—মোৰ বিশ্বাসো সেয়ে। ইমান সাহ কৰিবনে? ঈশ্বৰে যি কৰে।

ইয়াত তেওঁ মোক কৃষ্ণকান্ত Handiquiৰ ভায়েকৰ কথা কৈছিল, যে তেওঁ বিলাতত বিয়া কৰাইছে, আৰু ল'ৰা এটাও হৈছে, বাপেকে

নাজানে। আহিলে বাপেকৰ ভয়ত ডিব্ৰুগড়ত তেওঁৰ ঘৰত এমাহমান থাকিব। পিছে চাকৰী লৈ আন ঠাইলৈ যাব। বোধ কৰোঁ সেইটো কথাৰে এইটো এটা আকাৰ ধৰি ওলাইছে। দুয়ো খুব friend। যি হওক তুমি তাত enquiry কৰিবাঁ। ইয়াত জানিবৰ কোনো উপায় নাই।

"বাঁহী" পালোঁ। "বাঁহী"লৈ "সাম্প্ৰদায়িক সঙ্কীৰ্ণতা" registered কৰি তোমালৈ পঠিয়াইছিলোঁ; পাব পোৱা। আজি দুটা article পঠিয়ালোঁ গুৱাহাটীলৈ—সম্পাদকৰ কথা আৰু কৃপাবৰ।

ভালে আছোঁ। মোৰ মৰম ল'বাঁ। ইতি

তো
"বেজ"

হেমচন্দ্ৰ গোস্বামীলৈ লেখা

৭

3, Old Baythakhana 2nd Lane
Calcutta, March 24, 1892

Gossain,

"There are more things in heaven and earth than are dreamt of in my philosophy." My philosophy dreamt of no letter from you, but your letter came, and my dream has been undreamt. Be that as it may, you threaten me with an intended 'next' letter. Well, allow me to tell you that I have got a worthy bit of pluck and courage in me and am not to be daunted by such threats. Write me, I mean, come forward with the missiles and missiles ; I will be able to hold my own.

Preface or no preface, but your letter is fraught with preliminaries, and so far I am certain.

I thought of doing what, do you know? I thought of not replying to your letter now and keeping my "silence" till the time of your coming back to Calcutta and then of sending you an apology modelled and formulated after glittering, smooth, but brittle chinaware.

So much for matter dull and dry. Now let us to honeyed subjects. No use seeing the sun at the horizon, following or imitating him, and being lost!

You are merely repeating my imagination, vivid and bright, when you say that you are in the arms of Mrs. Gossain. None

can feel or understand it more than this humble self. None in this world of struggle can be *armed* with so deadly a weapon to fight the terribly delicious battle of Love, as the elysian *arms* of his love when stretched and contracted, endangering his life with a frolicsome cruelty.

Desiring you to convey my and my wife's best, wishes to Mrs. Gossain, I conclude and subscribe.

Yours ever affly,
'Bez'

P.S. My wife is alright now. L.B.

যতীন্দ্ৰনাথ দুৱৰালৈ লেখা

৮

Shahjahanpur
Prosad Bhawan
21.3 16

My dear Jotindra,

Who says poetry is poet's property and of the young? Well, I am pestered with poetry of innumerable dimensions as well as with mosquitoes of similar cast. I wrote three pieces of poems this morning, (1) To my beloved, (2) To a mosquito, (3) Ode on the dusts. Won't you call me a poetaster after this?

You are there, I am here. Who knows when we shall be together? My Shahjahanpur sojourn may terminate any day. The hostess is of "won't-let-you-go" type. So my pent-up feelings due to homesickness find vent in "Ode to dusts", and some such things. I did not like Shahjahanpur the first two days for *garam*. But the High Above must have felt compassion for me, and a part of the fag end of winter has been anchored. So I have got nothing to complain now. Are you correcting proofs of *Bānhi*? If not, do it. Ask Samanta to write to the Sloth of Wilkins. The dove is singing; my heart is ringing. So, I must stop and write an ode to the dove, the harbinger of love.

Ta-ta, my young friend,

Yours affly,
L. N. Bezbaroa

৯ [সম্বলপুৰ]
[১৯১৭]

My dear Mr. Beginner of Activity,

তোমাৰ ২৩।১০।১৭ তাৰিখৰ চিঠিৰপৰা বুজিলোঁ যে চিঠি-পত্ৰ লেখা-লেখি হৈ থাকিলেহে মানুহে মানুহক নেপাহৰে, কোনো কাৰণত চিঠি লেখা বন্ধ হ'লে, অথবা পলম হ'লেই পাহৰণিৰ পকনি আৰম্ভ হয়। মোৰ সাংসাৰিক জীৱনৰ প্ৰথমতে এটি সন্তান হৈছিল, সন্তানটি ছোৱালী। ছোৱালীটি ধুনীয়া আছিল বুলি ক'লেই সম্পূৰ্ণকৈ কোৱা নহয়; কাৰণ সেই কালৰ সমসাময়িক "কবিসকল"ৰ যি ছোৱালীটী দেখিছিল আৰু তাইৰ সৈতে কথা-বাৰ্ত্তা পাতিছিল, তেওঁলোকে কৈছিল—সেইটি ফুলৰ সৌৰভ, জোনৰ পোহৰ, মৃদু বতাহৰ গতি, শিৱসাগৰৰ বৰপুখুৰীত ৰাতি জোনৰ পোহৰ পৰি চিক্‌মিক্ কৰা সৰু সৰু ঢৌৰ মালাৰ চাকি। পাঁচ বছৰৰ মূৰত এদিন ক'ৰবালৈ গুচি গ'ল। আজিলৈকে এখনি চিঠি তাই আমালৈ লেখা নাই, আমিও তাইৰ ঠিকনা জানিব নোৱাৰি এখনিও চিঠি লেখিব পৰা নাই; কিন্তু তাইক পাহৰণিৰ আৰম্ভ আমাৰ মনত হোৱাটোৰ গম আজিলৈকে হ'লে পোৱা নাই। পিছত কি হয় ক'ব নোৱাৰোঁ।

সিদিনা মই হাওড়াৰপৰা ইয়ালৈ আহোঁতে ৰেল-গাড়ীৰ খোটালিটোত, অৰ্থাৎ মই যিটো খোটালিত আছিলোঁ, সেই খোটালিটোত এজন জাপানী ডেকা সোমালহি। তেওঁৰ গাৰ পোছাক আৰু মূৰৰ টুপী গঢ়-গতিৰে সৈতে নিখুঁত বিলাতী! হাওড়া ষ্টেচন এৰি কিছু বাট অহাৰ পিছত, মই তেওঁৰে সৈতে কথা পাতিবলৈ আৰম্ভ কৰি দিলোঁ। কিন্তু দুখৰ কথা কি ক'ম, তেৰোঁ মোক তেওঁৰ ভাব বুজাব নোৱাৰে, ময়ো তেওঁক মোৰ ভাব বুজাব নোৱাৰোঁ। তেওঁৰ মাত মই নুবুজোঁ, মোৰ মাত তেওঁ নুবুজে। মোৰ মাত বোলোঁতে আকৌ তুমি ভুল নকৰিবাঁ; মই অসমীয়া মাত মতা নাছিলোঁ, ইংৰাজী মাতহে মাতিছিলোঁ। তেৰোঁ ইংৰাজী মাতকেহে মাতিছিল; কিন্তু তেওঁৰ ইংৰাজী উচ্চাৰণ এনে অদ্ভুত যে মই তাৰ একেষাৰ কথাকে বুজিব নোৱৰাত পৰিলোঁ। তেওঁ শেহত নিজেই সৈ কাঢ়িলে যে তেওঁলোকে ভালকৈ ইংৰাজী শিকা নাই আৰু পৰিশ্ৰম কৰি

নিশিকেও মাথোন ব্যৱসায়-বাণিজ্যৰ নিমিত্তে যিবোৰ কথা আৱশ্যকীয়, সেইবোৰ কথা মুখস্থ কৰি ৰাখে। এই বুলি তেওঁ সুন্দৰকৈ বিলাতী গঢ়েৰে বন্ধোৱা কিছুমান কিতাপ উলিয়ালে; মই দেখিয়েই ভাবিলোঁ। পেলগ্রেভৰ 'গল্ডেন ট্রেজাৰি অব্ লিৰিক্স' নাইবা গল্ডস্মিথৰ বা টেনিছনৰ ধুনীয়া এডিছন। কিন্তু মেলিয়েই মোৰ চকু থিৰ হ'ল,— থিয় থিয়কৈ কিবা-কিবি ফুল-বছা পাতেৰে কিতাপ কেইখন ভৰা। মই তেওঁক সুধিলোঁ, এইবোৰ আসাম দেশৰ তাঁতশালত অসমীয়া শিপিনীয়ে ফুলাম পাৰি দিয়া কাপোৰত ফুল দিবলৈ চানেকিনে? ভাবিলোঁ, তেওঁ ব্যৱসায়ী মানুহ, কিজানি আসামত বেচিবলৈ জাপানত পাৰি দিয়া ফুলাম কাপোৰকে বোৱাব খুজিছে। তেওঁ ক'লে, নহয়, সেইবোৰ জাপানী ভাষাৰ কিতাপ, 'নভেল', 'পয়েম' ইত্যাদি। মই তেতিয়াহে কথাটো টং কৰি থিৰ হ'লোঁ; নতুবা আমাৰ ব্যৱসায় এটা জাপানীয়ে কাঢ়ি নিবৰ চক্রান্ত কৰিছে বুলি সৰু-সুৰাকৈ বুকু কঁপি যোৱা ভয়কে এটা পাইছিলোঁ। যি হওক, তেওঁৰে সৈতে, দুই আঁকৰাই কথা পতাদি, আঁজোৰ-পিজোৰকৈ কথা পাতিবলৈ পৰিশ্রম কৰি থকাতকৈ আন কিবা এটা বুধি উলিয়াওঁ বুলি মনতে পাঙি তেওঁক ক'লোঁ, 'জাপানী গান এটাকে মোক গাই শুনাওক।" তেওঁ ক'লে, "আপুনিও মোক বঙ্গলা গান এটা গাই শুনাওক, আপুনি গালেই মই গাম।" মই যিমানকে সুঁৱৰিবলৈ চেষ্টা কৰিলোঁ, এটাও গান মনত নপৰা হ'ল। বৌ মাছলৈ বৰশী পেলাওঁতে বামুণ-ভেকোলা বৰশীত লগাদি হঠাৎ মোৰ আমাৰ 'বেবী'ক জোকোৱা এই গানটো মনত পৰিল। ভাবিলোঁ, ইনো জাপানীয়ে মোৰ কি ভুল ধৰিব পাৰিব, দিওঁ এইটোকে গাই, এই বুলি দীঘলকৈ টান দি নির্ভয়ে ধৰিলোঁ—

আয় লো পেন্‌পেনী!
সবে মিলে এখনি,
কান্নাকাটি করি মোর জ্বালাইব জননী।

গানটো ওৰ পৰিলত তেওঁ ক'লে—"এইটো religious song" ধৰ্ম্ম-সম্বন্ধীয় সঙ্গীত)। মই কলো "হু!" তেওঁ ক'লে, "ভাৰতবর্ষীয় সঙ্গীতবোৰ প্রায় religious।" মই ক'লোঁ, "হয়; কিন্তু love song

(প্ৰেমৰ সঙ্গীতো) আছে।” তেওঁ ক’লে, “লভ ছং এটা গাওক।” মোক তেতিয়া গানে পীড়িছে; মোৰ প্ৰাণে গান গাব লাগিছে; সেই দেখি তেতিয়াই আকৌ আৰম্ভ কৰি দিলোঁ,—

অনন্ত আকাশৰ মাজে দে ধোঁৱা উৰুৱাই।
গ’ল দুখ, গ’ল শোক, যাওক ভাগৰ পলুৱাই।
নলী লগা ধোঁৱাখোৱা। ইত্যাদি।

তেওঁ বাহবা দি ক’লে, “Beautiful”। তেওঁ আৰু ক’লে, “তোমালোকৰ গানবোৰ দীঘল। মই ক’লোঁ, “আপোনাৰ এটি এতিয়া উলিয়াওকচোন। তেওঁ গুৰু-গম্ভীৰ সুৰেৰে জাপানী গান আৰম্ভ কৰিলে। মানুহটিয়ে গান গাব জানে। যদিও তেওঁৰ গানৰ কথাবোৰ বুজিব নোৱাৰিলোঁ, সুৰটি বেছ ভাল লাগিছিল। তেওঁ ক্ৰমাগত তিনিটা কি চাৰিটা গালে। শুনি বৰ ভাল লাগিছিল তেওঁ-লোকৰ গানবোৰ চুটি হয়—একোটা দুশাৰী, তিনি শাৰী, চাৰি শাৰীহে। ৰাতি বাৰ বজাত মই ঝাৰছোগোড়া ষ্টেচনত নামিলো, আৰু মোৰ জাপানী বন্ধুটি সেই গাড়ীতে বোম্বাইলৈ গুচি গ’ল। তেওঁ এবছৰমান বোম্বাইত থাকিব হেনো। মোক তেওঁ ঠিকনা দি মাতি গৈছে। মই কিন্তু তেওঁক খুলি ক’লোঁ যে তেওঁ যেন গৈয়েই এজন ইংৰাজী শিকোৱা মাষ্টৰ ৰাখি ইংৰাজী ভালকৈ শিকে। নতুবা মোৰ বোম্বাই-ভ্ৰমণ মাটি হ’ব।

সম্বলপুৰ বেছ চহৰ। মোৰ ঘৰৰপৰা ৫০ নলমান দূৰৈত এজন মাৰোৱাৰীৰ এটা ‘বাগান-বাড়ী’ ঘৰ আছে। ঘৰটি সুন্দৰকৈ সজোৱা। চাৰিওফালে ফুলৰ বাগিচাও আছে। টোলৰ ভিতৰত মুকলি পথাৰৰ নিচিনা মাটিও পৰি আছে। মাৰোৱাৰীজন চহৰৰ ভিতৰৰ বজাৰৰ ভিতৰত থাকে। তেওঁৰ এখন লেণ্ডুগাড়ী, এখন ফিটন, এখন টঙ্গা গাড়ী আছে। পুৱা ৭ বজাত আৰু আবেলি ৪ বজাত দিনৌ তেওঁ punctually নিৰ্দ্দিষ্টমতে তেওঁৰ ঘৰৰপৰা লেণ্ডুগাড়ীত উঠি বাগান-বাড়ীলৈ আহে। তেওঁৰ বাগান-বাড়ী যাত্ৰাৰ এনে ঠিক-ঠাক সময় দেখি অলপ আচৰিত হৈ মই এদিন ইয়াৰ মানুহ এজনক সুধিলো, ইয়াৰ মানে কি? উত্তৰ পালোঁ—“এ, আপুনি নেজানেনে, এই মাৰোৱাৰীজনে পুৱা আৰু আবেলি লেণ্ডুত

উঠি শৌচাচাৰ কাৰ্য্য কৰিবৰ নিমিত্তে তেওঁৰ বাগান-বাড়ীলৈ আহে, তেওঁ লেণ্ডুত উঠি হাৱা খোৱা বা আন কাৰ্য্য নকৰে আৰু এই লেণ্ডুগাড়ী আৰোহণ এই কাৰ্য্যৰ নিমিত্তেই হয়। মই কলিকতাৰ মানুহ ; সম্বলপুৰত লেণ্ডুৰ এই ব্যৱহাৰ দেখি স্তম্ভিত হ'লো।

ইয়াতো মোৰ বন্ধু গোট খাইছে। সিদিনা মই সস্ত্ৰীক এজন বন্ধুৰ ঘৰলৈ গৈছিলো, তেওঁ বঙ্গালী, সেই ঠাইতে অনেক দিন আছে। গৈয়ে শুনিলো বোলে, বন্ধু আৰু বন্ধুৰ ঘৈণীয়েক দুইৰো গা বেয়া, অলপ পানী লগা জ্বৰ হৈছে। আমি বাহিৰতে বহিলোঁ। তেওঁৰ লগুৱাই আমাৰ গৃহিণীক মাতি ভিতৰলৈ লৈ গ'ল, মই বাহিৰতে থাকিলোঁ। গৃহিণীয়ে বন্ধুৰ গৃহিণীক শোৱা-পাটীত পৰি থকা পালে, আৰু ওচৰৰ বিচনা এখনত এজন মতা মানুহক মূৰে-গায় কাপোৰেৰে ঢাকি শুই থকা দেখিলে। তেওঁক দেখিয়েই বুজিলে যে সেইজনা "বন্ধুনী"ৰ স্বামী। আমাৰ গৃহিণীয়ে নৰিয়াৰ ভু লৈ বাহিৰলৈ ওলাই আহোঁতে, বন্ধুৰ লগুৱাই মোক ভিতৰলৈ মাতি নিলে। মই গৈ বন্ধুক দেখি তেওঁৰ গাত হাত দি, তেওঁৰে সৈতে অলপ কথা বাৰ্ত্তা পাতি তেওঁৰ নৰিয়াৰ বুজ লৈছো, এনেতে মোৰ চকু গ'ল, দেখিলোঁ তেওঁৰ ওচৰৰে এখন বিচনাত এজনা তিৰোতা মানুহে মূৰে-গায়ে ঢাকি পৰি আছে। মোৰ আৰু বুজিবৰ বাকী নেথাকিল যে সেইজনা মোৰ বন্ধুৰ ঘৈণীয়েক। বাহিৰলৈ ওলাই আহি আমাৰ গৃহিণীৰে সৈতে দুইৰো note compare কৰি বুজিব পাৰিলো যে আমাৰ বন্ধু আৰু বন্ধুনী একেটা কোঠালিতে জ্বৰ পৰি শুই আছিল। আৰু মোক ভিতৰলৈ মাতি নিওঁতে বন্ধুনীয়ে মূৰে-গায়ে কাপোৰেৰে ঢাকি আছিল আৰু মোৰ গৃহিণীক নিওঁতে বন্ধুৱে তেনে কৰিছিল। কেনে বুদ্ধি চোৱাঁ।

আৰু এজন বন্ধুৰ ঘৰলৈ গৈছিলো। তেওঁৰো নৰিয়া, জ্বৰ। তেওঁ কথায় কথায় ক'লে, "মই যিটো পাটনাদৰ পানী খাওঁ, সেইটোৰ পানী ironical (আইৰনিকেল, অৰ্থাৎ তাৰ পানীত আইৰন্ আছে) গতিকে মোক causticness (কষ্টিকনেছ্) হয় ; সেই দেখি মই পানী-ভাৰীক কৈ দিছো, যেন আপোনাৰ পাটনাদৰপৰা মোলৈ পানী আনে।" কিছুমান পৰ তেওঁৰে সৈতে কথা-বাৰ্ত্তা পাতি আছোঁ, এনেতে আন

এজন মানুহৰ কথা ওলাল। সেই মানুহজন ধেমেলীয়া কথাৰ নিমিত্তে খ্যাত। মোৰ জ্বৰীয়া বন্ধুৱে seriously মোক সেইজনৰ বিষয়ে ক'লে, “এৰা, তেখেত বৰ তামসিক লোক” অৰ্থাৎ তামোচা কৰোঁতা humorous মানুহ।

মোৰ ঘৰৰ ওচৰতে এজন পাদুৰী চাহাব আছে। তেওঁ এইবাৰ উড়িয়া ভাষাত পৰীক্ষা দি মহলাত উঠিছে। যোৱা দেওবাৰে তেওঁ হাটলৈ গৈ কিছুমান সাধাৰণ উড়িয়া মানুহেৰে উড়িয়াত কথা কৈছিল। উড়িয়া-কেইটাই চাহাবৰ মুখৰ ফালে চাই মিচিক মিচিককৈ হাঁহি আছিল, অথচ তেওঁৰ কথাৰ উত্তৰ নিদিয়া দেখি, তেওঁ হিন্দুস্থানীৰে তাৰ কাৰণ সোধাত সিহঁতে “চাহাব, আমি তোমাৰ ইংৰাজী কথা বুজিব পৰা নাছিলো, কাৰণ আমি ইংৰাজী নাজানো”, এই বুলি ক'লে।

আজি পুৱা দেখিলো পাল্কী গাড়ী এখনত, আমাৰ ঘৰৰ আগেদি মানুহ ঠাহ খাই গৈছে। ওচৰলৈ গৈ দেখিলো, মানুহ মুঠেই এজন। মানুহজন তাহানি হাতীত উঠি যোৱাজনৰ নিচিনা—যিজনক দেখি হাতী চাবলৈ অহা ল'ৰা এটাই তেওঁলৈ আঙুলিয়াই বাপেকক সুধিছিল, “পিতাই, হাতী সেইটো নে তলৰটো?”

আজি ইমানতে শেষ কৰি মেলানি মাগিলো।

তোমাৰ কৃপাবৰ

১০ Sambalpur

8. 3. 18

My dear Jotindra,

তুমি মোক কি ভাবিছা, কোৱাঁ। ক'বই লাগিব। নকলে ধৰি ল'ম যে তোমাৰ চিঠিৰ উত্তৰ দিয়া নাই দেখি তুমি ভাবিছা, মই আভঁজা, মই পাহৰা ধানৰ ভাত খোৱা ভতুৱা, এলাহৰ নিহালিৰ তলত ফস্তি জুৰি শুই থকা এলেহুৱা, কথাৰ চাউলকঠা ৰাখিব নজনা ভিকহু, মৰমৰ শীতল পানী ৰাখিব নোৱৰা ফুটা লাওৰ ভাৰ বওঁতা ভাৰী, মৰম কৰোতাক মৰমৰ খুদকণ এটাকে দিব নোৱৰা কটুকিনা, পকৰাৰ

মূৰৰপৰাও চেনেহৰ ঘিউকণ কাঢ়ি লৈ নিজৰ চেনেহৰ ঘিউৰে মৰমৰ জনক ভোজনি এটাকে দিব নোৱৰা চিকটা, আৰু ইত্যাদি, ইত্যাদি। তুমি কৈছা, মই ব্যস্ত আছোঁ, মইও আসৈ নামাতোঁ যে মই ব্যস্ত আছোঁ; কিন্তু সেই বুলি জানো মই ভাত খোৱা নাই, শোৱা নাই, হঁহা নাই, নাইবা মোৰ মৰমৰ জীহঁতক চুমা খোৱা নাই, সিহঁতৰ মূৰৰ চুলিৰ ভিতৰত আঙুলি বুলাই মৰম কৰি মূৰ শুঙা নাই? আৰু তাতোকৈ "ব্যস্ত সমস্তৰ" কাম "বাঁহী" লেখা নাই? এতেকে মোৰ দোষৰ মৰিষণ, অপৰাধৰ বিনাশন কেনেকৈ হ'ল? তাৰ বাবে মই কি কৰিম ভাবি পোৱা নাই। সকলোৰে এনে আহুকালত পৰি অনুতাপ কৰে; ময়ো এবাৰ তেনেকুৱা অনুতাপ-তনুতাপ এটাকে কৰিমনে? তুমি কি বোলা? তুমি যিহকে কোৱা, মই তাকে কৰিম—নিশ্চয়, নিশ্চয়, নিশ্চয়; আন নেলাগে অসমীয়াৰ অসাধ্য কাম আমাৰ ইয়াৰ পদূলি-মূৰত দাঢ়ি জোকাৰি লৰি ফুৰা ভোবোলা ছাগলী এটাকে যদি লৰি-ঢাপৰি গৈ ধৰিবলৈ কোৱা, তাকে ধৰিবলৈ লৰিম, আৰু ধৰিব পাৰিলে, তোমাৰ অভিপ্ৰায় বুজি তাক poundঅত (থানাত) দিবলৈকো ওলাম। ঘূৰি ডাকত তোমাৰ অনুমতি-পত্ৰৰ অপেক্ষাত থাকিলোঁ।

"মাজু" মোৰ ইয়ালৈ নাহিল। কলিকতাৰপৰাই তীৰ্থ কৰিবলৈ গ'ল! আৰু কি মই মোৰ কাষত "মাজু"ক পাম! সংসাৰৰ বান্ধোনবোৰ এইদৰে এডালি এডালিকৈ কোনে ছিণ্ডে! হায়!

১০ম সংখ্যা "বাঁহী" আজি তোমালৈ পঠিয়ালোঁ, বন্ধাই থ'বা, তোমাৰ ওচৰত সি থাকক, শান্তি পাব; এখন এখন "বাঁহী" এই নিঃকিনৰ এডোখৰ এডোখৰ।

মই বনবাসী বনৰীয়া। বনত বন-ফুল দেখোঁ। কিন্তু তুলিব নোৱাৰোঁ, উপভোগ কৰাৰ আগেয়ে তাক সপৰিবাৰে উজাৰ কৰিবলৈ তাৰ গুৰিত বৰ-কুঠাৰ মাৰোঁ। মোৰ কাৰ্য্য দেখি দৈত্যই হাঁহে, দেৱতাই কান্দে। মই থিৰাংকৈ ক'ব পাৰোঁ, তুমি আৰু "মাজু"ৰেও দেখিলে কান্দিবাহক। এই ব্যাধে কোমল হৰিণা পোৱালিৰ গাত কঠিন শৰ হানে, ক্ৰৌঞ্চমিথুনৰ এটিক বধ কৰে, আঁহত গছৰ তলত ৰঙা চৰণ দুখানি মেলি বহি থকা কৃষ্ণচন্দ্ৰৰ ৰঙা চৰণক হৰিণৰ মুখ বুলি ভ্ৰম কৰি তাত চোকা কাঁড় হানে! এনে গুৰুতৰ অপৰাধ কৰি এই ব্যাধৰ

মুখৰপৰা এষাৰ স্তুতি নোলায়, এটি শোকৰ শ্লোক নুফুটে আৰু চকুৰ-পৰা এটুপি লো নজৰে। এনে লোকক তুমি এতিয়া কি বুলিবা ?

বিষয় বিষাক্ত সাপ বুলি সাধুসকলে কয়। মোৰ আৰু ক'বলৈ একো মুখত নোলায়, কাৰণ বিষত মূছ্‌কছ্‌ গৈ আছোঁ।

ইয়াত আজিকালি বৰ ৰ'দ, বৰ ঘাম। কিন্তু পাপৰ ৰ'দ-ঘামতকৈও ই বেছিনে ? আসামলৈ মনত পৰে। তোমাৰ আসাম-নিবাস দেখি সেই অৱস্থা পাবৰ মন যায়। কিন্তু "দশন-বিহীন কুত্তা যেন, হাড় চোবাইবাক নপাৰয়" মাথোন হাড়ডোখৰ মুখত লৈ "জিভা লৰবৰ" কৰাৰ বাহিৰে আন কি হ'ব পাৰে ?

তোমাৰ সূচনি ভাল। বহাগৰপৰা "বাঁহী"ৰ নতুন বছৰ কৰিম। "বাঁহী" চলোৱা যে কি লেঠাৰ কাম হৈছে। তাক আৰু চিঠিত লিখি কি জনাম। মোৰ নাই আহৰি, মোৰ নাই "বাঁহী"ৰ জন্মস্থানত নিবাস, নাই সেই কামত সহায় কৰোঁতা মানুহ, মোৰ নাই "বাঁহী"ৰ গ্ৰাহক সকলৰপৰা ধনৰ সহায়, মোৰ আছে মাথোন "বাঁহী" চলাই থাকিবৰ মন আৰু অদম্য উছাহ। আমি ভালে আছোঁ। তোমাৰ সোনকালে লেখিবাঁ।

মৰমৰ
শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা

১১

Sambalpur
23. 9. 18

যতীন্দ্ৰ,

তোমাৰ দীঘলীয়া চিঠিৰ দীঘলকৈ উত্তৰ দিম বুলি পেলাই থওঁতেই পিছ পৰি গৈছোঁ। তোমাৰ চিঠি পঢ়ি যে কি সুখ পাইছোঁ, ঈশ্বৰেহে জানিছে। মই ইয়াত অকলশৰীয়া। অসম আৰু অসমীয়াৰ প্ৰভাৱৰ-পৰা আঁতৰ; গতিকে বুজিব পাৰিছা, মোৰ surroundings কি আৰু তাৰ প্ৰভাৱ মোৰ ওপৰত কেনে হ'ব পাৰে। মইতো মানুহ; মানুহৰ স্বভাৱ আৰু weakness-অৰ হাত এৰোৱা কি টান ভাবি চাবাঁ। তোমাৰ

Santi[redacted]

23.9.18

প্রীতু

[illegible] আমার [illegible] চিঠি [illegible]

[illegible]

[illegible] ... surroundings [illegible]

[illegible]

[illegible] ... weakness-এর [illegible]

[illegible]

[illegible]

[illegible]

[illegible] ... Prince [illegible]

[illegible]

[illegible] Science, [illegible]

[illegible]

শ্রীশ্রী [illegible]

[illegible]

[illegible]

[illegible]

[illegible]

[illegible]

[illegible]

[illegible]

[illegible]

[illegible]

[illegible]

... band of young ... [illegible]

... material ... [illegible]

... Puja ... number ... [illegible]

... nonsensical ... [illegible]

[illegible]

চিঠি আৰু ন "অসমীয়া" কাকত, এই দুই বস্তুৱেহে মোক অসমৰ কথালৈ মনত পেলাই টনকিয়াল কৰে।

"অসমীয়া" কাকতখন খুব ভাল হৈছে। মন দি লাগি যোৱাঁহক, শীঘ্ৰে সি অসমত এটা power হৈ উঠিব। 'মাজু'ৱে যি কাম হাতত লয়, সি সদায় সিদ্ধ হয়। মানুহটো sincere, সেই দেখি। আৰু সেই দেখিয়েই তেওঁ মোৰ হিয়াৰ মাজৰ বস্তু।

শ্ৰীশ্ৰীশঙ্কৰদেৱৰ তিথিৰ উৎসৱৰ বিৱৰণ তোমাৰ চিঠিত পঢ়ি আৰু "অসমীয়া"ত দেখিযে মোৰ মনত কি আনন্দ হৈছে, কি ক'ম! মহাপুৰুষে তোমালোকৰ অন্তৰত অকণ বল দিব। সাজু হোৱাঁহক। অন্তৰীক্ষৰ-পৰা তেওঁ তোমালোকৰ ফাললৈ চাব লাগিছে। অন্তৰৰ চকু মেলি চোৱাঁ, নিশ্চয় নিশ্চয় দেখিবা। তুমি ভাবি চাবাঁচোন, সিদিনাৰ তিথি-মহোৎসৱৰ দিনাৰপৰা তোমাৰ অন্তৰত কেনে এটা নতুন বল পাইছা। আৰু পাবা, যদি ওপৰৰপৰা বৈ অহা সেই বলৰ সোঁতা হৃদয়ত ধাৰণ কৰিব পাবা। তালৈ হৃদয় receptacle শুদ্ধ কৰি পাতি ৰাখিব লাগিব, তেহে। মহাদেৱে মূৰ পাতি আকাশী গঙ্গাৰ ধাৰো শিৰত শুদ্ধ চিত্তে ধৰিব পাৰিছিল, সেই দেখি তেওঁ মহা দেৱ হ'ব পাৰিছিল। আমিও অলপ-অচৰপ তেনে হ'ব পাৰিম, যদি এহা-শুধীয়াভাৱে কাৰ্য্য কৰোঁ। আকাশী গঙ্গাৰ ধাৰ আমি মূৰ পাতি ধৰি কৃতাৰ্থ হ'ম। কিন্তু সেই গঙ্গাই পূৰ্ব্বৱতে সকলোৰে, বিশ্বমানৱ জীৱ-জঙ্গমৰ মহোপকাৰ সাধি সকলোকে পৱিত্ৰ, পুত, বিধৌত, সজীৱ সবল কৰিবৰ নিমিত্তে পৃথিৱীত সেই গঙ্গাক বোৱাই দিমহক। এই শিক্ষা, এই উদ্দেশ্য-আদৰ্শেৰে তোমালোকে শ্ৰীশঙ্কৰদেৱ-মন্দাকিনীক আকৌ অসমলৈ নমাই আনা, কৃতকাৰ্য্য আৰু কৃতাৰ্থ হ'বা। জীৱনৰ উদ্দেশ্য সিদ্ধি হ'ব। জৰ্জ্জ ইনষ্টিটিউচনে এনে এদল ডেকা, a band of young men গঢ়ক, দেখিবা অচিৰতে অসম পৃথিৱীত গৌৰৱান্বিত হ'ব। আমাৰ material আগতে আছে, হাতৰ কাষতে, বাঢ়ৈ-খনিকৰৰ অভাৱ।

মাজুৱে "অসমীয়া"ৰ Puja number-অলৈ মোৰপৰা anything nonsensical খুজিছিল। গোটাচেৰেক লিখি পঠিয়ালোঁ তোমাৰ ঠিকনাত, পঢ়ি চাই তেওঁক দিবাঁ। যদি তোমালোকৰ কাকতৰ পক্ষে তেনেকুৱা লিখা উপযোগী নহয় বুলি ভাবা, article-টো মোলৈ ওভোতাই পঠিয়াবাঁ,

"বাঁহী"য়ে তাৰ ভাৰ ব'ব। তাৰ নকল ময়ো ৰখা নাই। ভালে আছোঁহক। সোনকালে মোলৈ চিঠি লেখিবা; তোমাৰ চিঠি মোৰ আদৰৰ বস্তু। তোমাৰ গা, আশা কৰোঁ, এতিয়া সম্পূৰ্ণ ভাল হৈছে। ফুকনক মোৰ সাদৰ সম্ভাষণ জনাবা। ইতি

তোমাৰ মৰমৰ

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা

১২

Sambalpur

5. 9. 27

My dear Jotindra,

তোমাৰ চিঠি পালোঁ। বংশাৱলী ছপা আৰু বন্ধা ভাল হৈছে। Satisfied.

মই Cal. Office-অৰ telegram পাই উধাতু খাই গলোঁ; আৰু ইয়াত বৰ আৱশ্যকীয় কামত উপস্থিত থাকিব লগীয়া হোৱাত উধাতু খাই উভতি আহিলোঁ। তেতিয়া B. N. R. line ৰৰষুণত ভাগিছিল দেখি ঘূৰি-পকিহে এইখিনিত ওলাব পাৰিছিলোঁ। বৰ মন থকাতো তোমাক চাবলৈ যাব নোৱাৰিলোঁ; সেই বাবে দুখ লাগিছিল।

ৰৰষুণে একেবাৰেই সেমেকাই পেলালে। সেই দেখি ভাল নাই যদিও ভালে আছোঁ। তুমি ওফোন্দ পাতি ওফন্দি আছা। আমাৰ হ'লে গাত ৰ'দও নাই, জুইও নাই; গতিকে ওফন্দিবৰ উপায়ও নাই। লেৰেলি সেমেকি আছোঁ—যিটোক আমাৰ অসমৰ অসমীয়াৰ চিঠিৰ ভাষাত ক'বলৈ গলে হ'ব "প্ৰাণগতিক মঙ্গল।"

মৰমৰ

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা

১৩

Sambalpur

11 10.27

মৰমৰ Jotindra,

তুমি অসমৰপৰা উভতি আহিলানে? আইতাৰ গা ভাল হৈছেনে? তোমাৰ আগৰ চিঠিৰ জবাব দিছিলোঁ, কিন্তু কিবা গ্ৰহ-দোষত তুমি

মাজে মাজে মোৰ চিঠি নোপোৱা। যাওক, গ্ৰহেৰে সৈতে মই এই বুঢ়া গাৰে যুঁজিব পৰাটো টান।

তোমাৰ মনটো ভালকৈ ৰাখিবাঁ। নিজৰ মনটো ভালে ৰাখিলেই গোটেই কাৰ্য্য-সিদ্ধি। নিজৰ "মন ভালেই জগত ভাল" বুলি কয়।

বুঢ়ী এতিয়া দাৰ্জ্জিলিঙত। ৰৰজোঁৱায়েক-জীয়েকেৰে সৈতে শৈল-বিহাৰত ব্যস্ত। মই মাজুজনী আৰু সৰুজনী ছোৱালীক বুকুত বান্ধি লৈ কোনোমতে টিমিক্-টামাক্‌কৈ ইয়াতে আছোঁ। কলেজ খুলিলেই অকলশৰীয়া পৰু হ'ম। যদি সেই সময়ৰ জোৰাতে বুঢ়ীয়ে লগ নধৰেহি তেন্তে তেওঁ খৰু ধুই ভাগৰিব লাগিব।

মৰমৰ

শ্ৰীহ'ব লগীয়া খহুৰা

আসামক কেনে যেন দেখিলা ?

ল.

১৪

Forest
13 2. 28

My dear Jotindra,

তোমাৰ চিঠি পালোঁ। মই আহিবৰপৰা যে কি কৰি ক'ত ফুৰিছোঁ, তাৰ লেখ দিব নোৱাৰোঁ। দেখা হ'লে মুখেৰে ক'ম। মুঠতে মোৰ এই বয়সত এনে কাম, এনে হাবিত, ঠিক কাৰ্য্য নহয়। মই শীঘ্ৰে উভতি যাবলৈ চেষ্টা কৰিছোঁ।

তোমাৰ নিমিত্তে J. Borooahক দি এই certificate লেখালোঁ। কাইলৈ আচলখন পাবা। এইখন copyহে।

মোৰ মৰম আৰু আশীৰ্ব্বাদ।

শ্ৰীলক্ষ্মীনাথ বেজ

১৫

Sambalpur
27. 4. 28

মৰমৰ যতীন্দ্ৰনাথ বোপা,

তুমি মোৰ দুখন চিঠিৰ প্ৰাপ্তি স্বীকাৰ নকৰাত বং পাইছোঁ; কাৰণ তাৰ আগেয়ে বাৰচেৰেক তুমি খপ্ খপ্ কৰে চিঠিৰ উত্তৰ

দিছিলা; আৰু তাকে দেখি মোৰ ভয় হৈছিল, পাছে আমাৰ সেই পুৰণি যতীন্দ্ৰক কিজানি হেৰুৱাওঁ। মোৰ সকলো সৰ্ব্বস্ব পৰিত্যাগ কৰিবলৈ মই সাজু, কিন্তু পুৰণি যতীন্দ্ৰ, the dear old soul-অক হেৰুৱাব নোখোজোঁ। ঈশ্বৰৰ কৃপা যে, তেওঁৰ নগঢ়-গতি দেখি হেৰাওঁ হেৰাওঁ ভয় হৈছিল যদিও, এতিয়া দেখিলো হেৰুৱা নাই।

কেনে আছা? ভালে থাকিলেই ভাল পাওঁ; আৰু মোৰ মনৰ সন্তোষ।

অলপতে কলিকতালৈ এবাৰ যাবৰ মন আছে। কিন্তু ক'ত থাকিম, থিৰ কৰিব পৰা নাই। হোটেলত থাকিবৰ বৰ মন নাই। ঘাইটো আপত্তি, দিনৌ ৫।৬ টকাকৈ ধন খৰচ হ'ব। তাৰ বাহিৰে, আজি-কালি যি খোৱা-শোৱা উজুভাৱে কৰি লৈছোঁ, তাৰো ভিকাচন ভাগিব কিজানি। এই বিষয়ে, কিবা এটা বুধি দিব পাৰিবানে? দিলে শলাগ পাবা, নিদিলে ধৰম ক'লৈ যাব? আজি-কালি ইয়াত বৰ ঘাম। ঘামত তিতি পকা শ'ল্ মাছটো যেন হৈ আছোঁ। এই চিঠি লেখোঁতেই টপ্ টপ্ কৰে কপালৰ ঘাম চিঠিত পৰিছে। ইতি

মৰমৰ
শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা

১৬

Sambalpur
8. 2. 29

My dear Jotindra,

মই হাবিৰপৰা কালিহে ওলাই আহিছোঁ। তোমাৰ চিঠিত ব্ৰজ বাবুৰ মৃত্যুৰ বাতৰি পাই বৰ বেজাৰ পালোঁ। নিশ্চয় তুমি এজন তোমাৰ অভিভাৱক হেৰুৱালা আৰু মই এজন sincere friend। এইদৰেই আমাৰ বন্ধু-বান্ধৱক আৰু নিচেই নিজৰ মানুহক আমাৰ বুকুৰপৰা কালে টানি নিয়ে। তথাপি আমি সকলো চিৰস্থায়ী বুলি ভাবি আচল বস্তু পাহৰি থাকোঁ।

আমাৰ তেওঁৰ কিতাপৰ বিষয়ে তুমি দিয়া suggestionবোৰ ভাল। তেওঁ সেইবোৰ adopt কৰিব বুলি তেওঁ কৈছে। Book Companyৰে সৈতে জাৰকৰ নিমিত্তে বন্দবস্ত কৰিবাঁ।

মৰম ল'বাঁ।

তো
শ্ৰীলক্ষ্মীনাথ বেজৱ

P.S. "বাঁহী"লৈ কবিতা পঠিয়াবাঁ।

LnB.

১৭ Sambalpur
5. 7. 29

My dear Jotindra,

তোমাৰ চিঠি (3. 7. 29) পালোঁ। তোমাৰ মানসিক নৰিয়াৰ কথা জানিলোঁ। কিন্তু এইবোৰ বেয়া কথা একা। তুমি নিজকে এইদৰে বতাহৰ আগত চৰাইৰ পাখি এডালৰ নিচিনা কৰি ধৰিছা কিয়? *Man* should be striving all along to be the master of circumstances and not *their creature.* Struggle up to the last for triumphing over all obstacles. তুমি "অমৃতৰ সন্তান", তোমাৰ ভয় কি? তোমাৰ আই-বোপাইৰ (একেজনা) সমান এই বিশ্বব্ৰহ্মাণ্ডত কোন আছে? তুমি ইমান ডাঙৰ মানুহৰ ল'ৰা হৈ ক্ষুদ্ৰাতিক্ষুদ্ৰ circumstancesঅলৈ ভয় খাই ওপঙি কলো-জপোকৈ ফুৰিবলৈ গৈছা! Fight manfully. If you even die in the battle, die like a hero. Cheer up my boy, cheer up! চিঠিত সৰহ কথা আৰু নেলেখোঁ। মুখেৰে ক'ম।

দহ তাৰিখে পুৱা ডাকগাড়ীত Howrahত মোক পাবা। তুমি আহিব পাৰিলে বৰ সন্তোষ পাম। নাহিলেও মই ৮মান বজাত তোমাৰ বহা ওলামগৈ, তাতে চাহ খাম। Jorasankoত উঠিম; কিন্তু তাত থাকিম নামমাত্ৰ।

প্ৰবোধবাবুৰ পুতেকৰ বিয়া ১২ তাৰিখে। সেই বাবে যাবলৈ বাধ্য হৈছোঁ। তাৰপৰা direct Barodaলৈ যাম। তোমাৰ স্কুল-কলেজ খুলিছে, জানো; তথাপি তোমাক আমনি কৰিম। তোমাক মই কি চকুৰে দেখোঁ, তুমি নাজানানে? নিশ্চয় জানা। দহৰ ভিতৰত এজন তুমি মোৰ মানত নহয়। তুমিও মোক দহৰ ভিতৰত এজনকৈ পেলাই থোৱা নাই, সেই বাবেহে তোমাৰ চিঠি, বাতৰি, সঙ্গ ইত্যাদিলৈ মোৰ হাবিলাস।

ভালে আছোঁ।

মৰমৰ

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা

১৮ Sambalpur

10. 2. 30

যতীন্দ্ৰ বোপা,

তোমাৰ ৭।২।৩০ তাৰিখৰ চিঠি পালোঁ, আৰু কলিকতীয়া ডেকা-ল'ৰাখনৰ অকৰ্ম্ম-কুকৰ্ম্মৰ বিষয়েও অলপ অৱগত হ'লোঁ। তুমি যিহকে কোৱা, মোৰ মনে ধৰিছে, তুমি পাতৰ আঁৰত লুকাই থকা ধান্‌পুৰীয়া কঁঠাল। তোমাক কঁঠাল বুলি টোকা পকুৱাহে বুলিবৰ মন গৈছে; কিন্তু অনাহকত ভদ্ৰলোকক টান মাত দি বেজাৰ দিয়া উচিত নহয় বুলিহে পিছৰষাৰ নুবুলিলোঁ। শ্ৰীমান লক্ষেশ্বৰ শৰ্ম্মাৰ পোষ্টকাৰ্ড এটা পাইছিলোঁ। তাৰ উত্তৰো আজিলৈকে দিয়া হোৱা নাই। কাৰণ ভালেমান। প্ৰথমটো, বামুণীয়া খং। খং উঠিলে, তুমি জানাই, মানুহ অভদ্ৰ হয়। এতেকে তুমি বুজন মানুহ দেখি কওঁ যে, আজিলৈকে এই বুঢ়া বামুণ অভদ্ৰ হৈয়েই আছে—অৰ্থাৎ খংটো এতিয়াও সমূলি মাৰ যোৱা নাই। গতিকে তাৰ উপসৰ্গও আছে। আমাৰ অসমত মানুহৰ গণি মেধিকে আদি কৰি ইমানবোৰ ভব্য-গব্য মানুহ থকাতো ডেকা ল'ৰা-সকলে আৰু কাকো বিচাৰি নাপালে; পালে—এই সম্বলপুৰৰ হাবিত বাঘ-ভালুকৰ গাত পৰি থকা চিকৰা এটাকহে! কথাটো "দৰিয়াপ্ কৰি" চালে সঁচাকৈ চনমূৰ কৰি মৰিবৰ মন যায়।

কালি হাবিলৈ গৈছিলোঁ। ফল—এটা দঁতাল বৰা-লাভ। "বাঁহী"ৰ সম্পাদকেই সেই সম্পাদকীয় গুৰু ভাৰ বহন কৰিছিল। দঁতাল বৰাৰ মঙহ বন্যশূকৰ-মাংসভোজীসকলৰ ভিতৰত ভগাই দি সম্পাদক-প্ৰৱৰে নিজৰ নিমিত্তেও কিছু ৰাখিছিল; কাৰণ বন্যশূকৰ-মাংস ভোজন যে অবিধি নহয়, এই বিধান তেওঁ বৰকৈ মানে। আজি পুৱাৰপৰাই বুঢ়ী ব্ৰাহ্মণী শূকৰ-মাংসক "হেম" "বেকন"ত পৰিণত কৰা কাৰ্য্যত ব্ৰতিনী।

এই সম্পৰ্কে এটা ক্ষুদ্ৰ ঘটনাৰ উল্লেখ কৰাৰ লোভ সামৰিব নোৱাৰিলোঁ। তুমি মোৰ সেই কলা লগুৱাটোক (যাৰ নাম ভালু) জানা। পাহৰিছা যদি সোঁৱৰাই দিওঁ যে, মোৰ সুবিখ্যাত সঙ্গীত-সঙ্ঘৰ চতুৰ্থ শ্ৰেণীৰ সেই মেধাৱী ছাত্ৰ, ভবিষ্যতত দিলীপ ৰায় হ'ব বুলি যাৰ গাত চাব মাৰি থোৱা হৈছে, সেই ভুচুণ্ডাৰ সি পিতৃ-পুৰুষ। সম্বলপুৰৰ ব্ৰাহ্মণ-সজ্জন সকলোৱে বন্য-বৰাহৰ ভাগ হাঁহি-মুখেৰে গ্ৰহণ কৰিলে; কিন্তু অসুৰ স্বভাৱৰ ভালুৱে সেই বৰাহক দেখিয়েই দূৰতে তিনিটা জাঁপ মাৰি আঁতৰি গ'ল। তাৰ এনে ভাব-বৈষম্য আৰু কাৰ্য্য-বিপৰ্য্যয়ৰ কাৰণ তাক সুধিলত, সি ক'লে যে, তাৰ গোত্ৰ বৰাহ, সেই দেখি বৰাৰ মঙহ খোৱাটোতো দূৰৰ কথা, সি তাৰ কাষকে নাচাপে। মই ক'লোঁ, যদি বৰা তোৰ সগোত্ৰ, তেন্তে দেখোন ভাল কথাই; তই নিজৰ গোত্ৰৰ জীৱক পেটৰ ভিতৰত ঠাই দি একেবাৰেই তাক নিজৰ কৰি লোৱাটোৱেইহে যুক্তিসিদ্ধ। সি ক'লে, "হুজুৰ! আপোনাসকলৰ যেনেকৈ সগোত্ৰত বিয়া নচলে, আমাৰো সেইদৰে সগোত্ৰত ভোজন নচলে।" ভালুৰ শাস্ত্ৰজ্ঞান দেখি মই অবাক হ'লোঁ। তথাপি মই খং কৰি তাক ক'লোঁ,—"তই দেখোন বৰ পণ্ডিত হ'লি, অ' ভালু। তোৰ নাম ভালুক; গোত্ৰ বৰা; প্ৰৱৰ বাঘ, ঘোং আৰু শিয়াল নে কি? এইখন তই কি বাহাদুৰী কৰিছ? মই পুৰাণত পঢ়িছিলোঁ, কলিৰ শেষত এই সম্বলপুৰতে বিষ্ণুযশা নামৰ ব্ৰাহ্মণৰ ঘৰত কল্কি অৱতাৰ হ'ব। তয়ো তাৰ কিছু কালৰ আগতে এই সম্বলপুৰতে হিৰণ্যকশিপু অৱতাৰ হৈছনে কি? নিশ্চয় তোৰ ভায়েৰ এটা আছিল, আৰু সি হাবিত খৰি লুৰি ফুৰোঁতে তাক বৰাই পেট ছিৰি মাৰিলে। সঁচা নে মিছা মোৰ গালৈ চাই ক। আমাৰ কীৰ্ত্তন-ঘোষা শাস্ত্ৰত লেখিছে,—

হিৰণ্যাক্ষ নামে কনিষ্ঠ তাৰ।
যুদ্ধত বৰাহে চিন্তিলা মাৰ॥

আৰু সেই খণ্ডতে তাৰ ককায়েক হিৰণ্যকশিপুৱে কৈছিল,—

মাৰিবো বৰাহক শূলে বিন্ধি॥
বধিলে আমাৰ ভ্ৰাতৃ কনিষ্ঠ।
গৰু ব্ৰাহ্মণৰ চিন্তা অনিষ্ট॥

মোৰ খং দেখি আৰু বলকনি শুনি বপুৰা ভালু নিমাত হ'ল। মই তাক ভেকাহি মাৰি দি ক'লোঁ,—"যা, তই মোৰ আগৰপৰা যা। বৰাৰ মঙহ তই খাব নালাগে। বৰাহ-বিষ্ণুৰ বৈৰীৰ মই মুখ নাচাওঁ।" সি সুৰ সুৰ কৰে মোৰ আগৰপৰা আঁতৰি গ'ল।

তোমাৰ সমিতিৰ "সেৱায়েৎ"সকলক ক'বাঁ যে, যাক লৈ তেওঁলোকে আঁজোৰ্-পিজোৰ কৰিবলৈ গৈছে, তেওঁ আৰু হাবিৰপৰা নোলায়; হাবিতে টেপা খাই পৰি থাকিবৰহে মনোগত কৰিছে। তেওঁ ভয়ত অসমীয়াৰ সং এৰি এইখিনি পাইছিলহি, আৰু শেহত মানুহ-মাত্ৰকৰে লগ এৰি চতুষ্পদ জন্তুৰ লগ ল'ব। এনে এটাক তাৰ আগৰডোখৰ কালৰ কাৰ্য্য বা অকাৰ্য্যবোৰৰ কথা লৈ মেল পাতি থকাসৰকা কৰিবলৈ গ'লে তেওঁলোকৰ কোনো পুণ্যযে নহযেই, পৌৰুষো প্ৰকাশ পাবৰ সম্ভৱ নাই। এইষাৰকে মই তোমাক ক'লো, আৰুনো বহলাই কি ক'ম, কি শুনিবা! এই বুঢ়াৰ গাত আৰু আগৰ বল নাই। তোমালোকে ডেকা ল'ৰা, তোমালোকৰ গাৰ তেজ উতলি টগ্‌বগাই আছে। বোলে "বলৱন্তই বল কৰে, বকতাই কি কৰে।" বোপাদেও, তুমি একেবাৰেই এই ভাৱনাত সাধু সাজিছা। কিন্তু বঙালীয়ে ক'বৰ নিচিনা "মাগো! আমি এত বুঝি কেন!"

মই কওঁ সাৱধানে থাকিবাঁ। এদিন পুৱা হোষ্টেলত ঘপহ কৰে ওলাই কি কৰিম-নকৰিম, এতিয়া নকওঁ। মাথোন ইয়াকে ক'লোঁ, দেখিবাঁ বুঢ়াৰ প্ৰতাপ। শ্ৰীমান লক্ষেশ্বৰ শৰ্ম্মা বোপাকো সাৰে থাকিবলৈ ক'বাঁ। কাৰ কপালত কি আছে, কোনে জানিছে?

শুনা, যতীন্দ্ৰ বোপা! তুমি ভাল ল'ৰা, তুমি মৰমৰ। মোৰ এষাৰ কথা ৰাখিবানে? লক্ষেশ্বৰ বোপাক লৈ তুমিয়েই এবাৰ এই-ফালে যদি আহিব পাৰা, তেন্তে তোমাক মৰম কৰিম, নাম গাই

শোৱাপাটীত শুৱাম আৰু নোজোকাওঁ আৰু সিজনৰ ওপৰতো খুঁ মাৰ যাব, আৰু তাৰ ঠাইত ৰঙে বাহ ল'ব।

আকৌ হাবিলৈ ওলালোঁ। মোৰ পক্ষে বহি লেখা-পঢ়া কৰাটো বাঁৰী বামুণীৰ একাদশীৰ নিৰম্বু উপবাস। ইতি

মৰমৰ

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা

১৯ Sambalpur

1. 8 30

যতীন্দ্ৰ,

বোধ কৰোঁ তুমি কৈ দিছিলা দেখি ইউনিভাৰ্ছিটিয়ে মোলৈ ২৫৲ টকাৰ এখন voucher ৰচিদ চহী কৰিবলৈ পঠিয়াই দিছিল, মই এটা receipt stamp লগাই চহী কৰি পঠিয়াইছিলোঁ ২৫ জুলাইতে; কিন্তু আজিলৈকে কোনো cheque বা টকাটো নাহিল। এবাৰ খবৰ কৰি টকাটো পঠিয়াই দিবলৈ ক'বাঁ।

"আৱাহন"লৈ দিয়া চিকাৰৰ articleটো নিশ্চয় শ্ৰীমান লক্ষেশ্বৰক দিছা।

pickettingঅৰ গোলমালত কেনে আছা লেখিবাঁ। চিঠি লেখিবলৈ এলাহ নকৰিবাঁ। তোমাৰপৰা চিঠি পাবলৈ ভাল পাওঁ।

Elm Pressঅৰ প্ৰুফ এটা (যিটোত সেই হিন্দুস্থানী গানটো আছিল) চাই দিবলৈ তোমালৈ পঠিয়াইছিলোঁ। আশা কৰোঁ, চাই pressঅলৈ পঠিয়ালা। আৰু, নতুন ফৰ্ম্মাৰ প্ৰুফ পাবলৈ বাট চাই আছোঁ। ভালে আছোঁ। তোমাৰ খবৰ দিবাঁ।

মৰমৰ

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা

২০ Sambalpur

5. 8. 30

যতীন্দ্ৰ,

তোমাৰ চিঠি পঢ়ি নথৈ শোক পালোঁ। কি অপঘাত মৃত্যু! কাৰ অদৃষ্টত কি লেখা আছে, কোনো জানে। দুদিনৰ নিমিত্তে আমি

মহা আস্ফালন কৰি ফুৰোঁ; কথায় কথায় হাতী-ঘোঁৰা মাৰি ফুৰোঁহক। কিন্তু জীৱনটো কচু-পাতৰ পানী-টোপা।

অন্তকে কেশত আছে ধৰি।
জানি ডাকি বোলা হৰি হৰি॥

বেজাৰ নকৰিবাঁ। সকলোৰে যাত্ৰা অগা-পিছা মাথোন। ঈশ্বৰে তোমাক মঙ্গল কৰক।

শুভাকাঙ্ক্ষী
শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা

২১

Sambalpur
[16. 4.] 31.

যতীন্দ্ৰ,

বিহুৰ চিঠি পালোঁ। আমাৰ আশীৰ্ব্বাদ। ঈশ্বৰে তোমাৰ সৰ্ব্বতোভাৱে ভাল কৰি তোমাক কুশলে ৰাখক।

পৰীক্ষাৰ কাকত চোৱাত ব্যস্ত আছা হ'বলা। ৰত্নাই ৰন্ধা-বঢ়া কৰিবৰ নিমিত্তে মানুহ এটা পাইছে বুলি লেখিছে। এই গৰমত বেচেৰীৰ কষ্ট হৈছিল। আশা কৰোঁ মানুহটো বিশ্বাসী আৰু কামৰ লায়ক হ'ব।

ইয়াত বৰ গৰম পৰিছে। আমি এধা-সিজা হৈ আছোঁ বুলিলেই হয়। আৰু সিজিবলৈ সাজু হৈ ৰ'লোঁ, কাৰণ এইটো আৰম্ভহে।

"আৱাহন"ৰ খবৰ কি? ওলোৱা নাই দেখোন।………নে কি? কাকতখন… · ম। "বাঁহী"ত মোৰ….. ? বিশেষকৈ এইবাৰৰ…………

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা

পুঃ শ্ৰীমান লক্ষেশ্বৰ, বিৰিঞ্চিকুমাৰৰ খবৰ কি? তেওঁলোক ভালে আছেতো? সাদৰ সম্ভাষণ জনাবাঁ—বিহুৰ বাবে। তো. ল.

পুঃ শ্ৰীমান হ………বিহুৰ আশীৰ্ব্বাদ……।

ল.

২২ Sambalpur
3. 6 33

মৰমৰ যতীন্দ্ৰ,

তোমাৰ চিঠি পোৱা মোৰ সহজটো গুচিছিলেই বুলিব লাগে। আজি তোমাৰ চিঠি পালো, পুৰণি সোঁৱৰণে জীপ পালে। এই দীঘলীয়া এন্ধাৰ কালডোখৰত কেতিয়াবা কেতিয়াবা পুৰণি চিঠিৰ 'ফাইল'ৰপৰা তোমাৰ পুৰণি চিঠি এখন-দুখন টানি আনি পঢ়িছিলোঁ, ঠিক এন্ধাৰ ঘৰত সোমাই চোলাৰ মোনাৰপৰা জিয়াচলি উলিয়াই তাৰ দুটা-এটা কাঠি জলাই বস্তু চোৱাৰ দৰে। মই তোমালৈ চিঠি লেখা নাছিলোঁ, তাৰ কাৰণ, যালৈ চিঠি লেখিবলৈ বহিলে মনটোত আনন্দই জাকি মাৰি উঠিছিল, এতিয়া তেওঁৰ দুখ-কষ্টেৰে সৈতে সেইজনলৈ মনত পৰিলে বেজাৰত মুখ শুকায় আৰু হাতৰ কাপ কঁপিবলৈ ধৰে। দুবাৰ-চাৰিবাৰ তেনেকুৱা attempt কৰিছিলোঁ, কিন্তু failure আৰু fiasco ইমান সৰহ হ'লগৈ যে মনটো ঠন ধৰাবলৈ তেতিয়াই সেই চিঠি লেখা এৰি তাৰ সিপিঠিত 'কৃপাবৰ বৰুৱা' লেখিবলৈ ধৰিলোঁ।

তুমি যমৰ দুৱাৰ মুখৰপৰা আহিলা ঠিক। ঘৃণীয়া হৈ থাকিলেও, ঈশ্বৰে তোমাক আকৌ আমাৰ হাতলৈ আনি দিলে, সেইফেৰা কৃপাৰ নিমিত্তেই আমি ঈশ্বৰৰ চৰণত সেৱা জনালোঁ। বিশ্বাস কৰিলে কওঁ যে, মোৰ জীৱনত অতি বৰ শোকৰ ভিতৰত তোমাৰ নিমিত্তে পোৱাটো 3rd। গা সমূলি ভাল পালে এইফালে পাৰিলে আহিবা। ইমান দিনে তোমাক মাতিবৰ সাহ নকৰাৰ কাৰণ,—তোমাৰ তেনে অৱস্থাত আমাৰ ইয়াত ভালকৈ পতি নহয়। মই বুঢ়া, ঘৈণীজনা বুঢ়ী। ডাক্তৰ-কবিৰাজ ইয়াত কেণা। বতৰ ঢেপ্‌ঢেপীয়া। শ্বিলং ৰজাৰ শাৰীৰ আৰু সম্বলপুৰ কাঁড়ীৰ খেলৰ।

ঈশ্বৰে তোমাক সম্পূৰ্ণকৈ ভাল কৰক, তেওঁৰ ওচৰত এই প্ৰাৰ্থনা।

আমি দুয়ো ভালে আছোঁ—অৱশ্যে একপ্ৰকাৰে। সৰু সুখ-দুখৰ নানা কথা চিঠিৰে ভালকৈ চলাচল কৰিব নোৱাৰি দেখি সেইবোৰ পিছলৈ থোৱা গ'ল,—কেতিয়াবা দেখা-শুনা হ'লে ওলাব পাৰে।

মৰমৰ

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা

২৩ Sambalpur
11. 1. 35

যতীন্দ্ৰ বোপা,

তুমি নহাত মই বেয়া পোৱা নাই। তোমাৰ ঢাক-খোৱা পুৰণি মৰম এইফালে উজাৰি দিয়াৰ বিপদ আছিল। সেমেকা ঠাইত থকা পুৰণি মৌ টেঙা হয়, জানো। ঈশ্বৰৰ অনুগ্ৰহ যে, সম্বলপুৰ খৰাং।

“বাঁহী”ৰ কথা মুলিয়ালেই ভাল। অৱশ্যে তোমালোকে যে ভালৰ নিমিত্তেহে হাত সলাই দিবলৈ কৈছিলা সেইটো মই বুজিছিলোঁ; আৰু এতিয়াও বুজোঁ। এইটো কিন্তু নিশ্চয়, এই পুৰণি মামৰে-ধৰা ফপহুতাই সম্ভৱতঃ ইমান সোনকালে “বাঁহী”ৰ প্ৰাণ-বায়ু যাবলৈ নিদিলেহেঁতেন। তৰুণ, নবীন, ন নেতাসকলৰ দৰব ডাইল। ৰোগী “ইসপাৰ-উসপাৰ”ৰ ব্যৱস্থা।

তুমি বেজাৰ নকৰিবাঁ। তোমাৰ দোষ একো নাই। তুমি অৱস্থাটো তেতিয়া বুজিব পৰা নাছিলা। মই পাৰিছিলোঁ, সেই দেখিয়েই প্ৰথমতে মত নিদিছিলোঁ। পিছত তোমালোকৰ কথাত দিবলৈ বাধ্য হৈ দিলোঁ; কিন্তু এই বুলি মনক প্ৰবোধ দিছিলো—Fate !

কাৰ কিমান দূৰলৈ লৰ, জনা আছে। “মোল্লাৰ দৌড় মচ্‌জিদ্ পৰ্য্যন্ত।”

মোৰ চিঠি পঢ়ি তুমি বেয়া নাপাবাঁ। তোমাৰ গা ভালে আছেতো? কেতিয়াবা পাৰিলে সুবিধামতে আহিবাঁ।*

মোৰ একপ্ৰকাৰ চলি গৈছে। ভালে আছোঁহক।

মৰমৰ
শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা

*বিপদ একো নাই।

যদি পুৰাতন প্ৰেম ঢাকা পড়ে যায়
নব প্ৰেম-জালে,
তবু মনে ৰেখো।

২৪ Sambalpur
5. 2. 35

যতীন্দ্ৰ,

তোমাৰ বস্তুবোৰ পাই ৰং পালোঁ। ফুল্‌কবি তোমাৰে নিচিনা প্ৰফুল্লিত, মটৰ তোমাৰে নিচিনা ঘুটমুটীয়া আৰু সোৱাদ, গুড়ৰ বিষয়ে আমাৰ বুঢ়াক সুধি জানিলোঁ যতীনৰ নিচিনাই হেনো সোৱাদ। মই এতিয়াও গুড় খোৱা নাই দেখি নিজে সাক্ষী দিব নোৱাৰিলোঁ।

তুমি ভালে আছাতো? তোমাৰ……যে মূৰত আকৌ এইন "বাঁহী" উলি…… ওলাই থাকিলে ভাল। অৱশ্যে যেনে · ছিল, তেনে নহ'ল।

আজি কিছু দিনৰপৰা মোৰ গা ভাল……হব ··এদিন ৰোহিণী বিলাতৰপৰা উভতি আহিছে,—বাটত। অলপতে এইখিনি পাবহি। তাৰ পিছত কলিকতা।

মাজে মাজে চিঠি লেখিবাঁ। তোমাৰ চিঠি পালে ভাল লাগে।

আজিলৈ ইমানতে।

মৰমৰ

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা

২৫ Sambalpur
20. 4. 35

যতীন্দ্ৰ,

তোমাৰ চিঠি, তোমাৰ মছলা-দিয়া তামোল, তোমাৰ মগুমাহ পালোঁ। খিচিৰি প্ৰস্তুত হ'ল; আৰু হৈ থাকিব, খালোঁ, খাই তৃপ্তি পালোঁ। চিঠিৰ অন্তত তোমাৰ নামটোৰ ওপৰত এথেপা চিয়াঁহি পেলাই ক'লা কৰি দিলা কিয়? দেখি, তোমাৰ বস্তুবোৰেৰে খিচিৰি-বন্ধা চকটোৰ তলিখন যেন লাগিছে। নতুবা তোমাৰ মনত ওন্দোলাই অনা বেজাৰৰ ডাৱৰৰ সেইটো সাঙ্কেতিক চিননেকি? তোমালোকৰ ফালে বেজাৰৰ ভাও ইমান সস্তা কিয়? আমাৰ ফালে হ'লে বৰ মৰগ,—জুই-ছাই। সেই দেখি আমি তেনে বস্তু কিনিবলৈকে এৰি দিছোঁ। "আনন্দ-

লাড়ু”বোৰ কিন্তু এইফালে দমাই পোৱা যায়; বৰ সস্তাত। তাৰে এঅঁৰা-দুঅঁৰা আমি কিনি খাই বেছ আছোঁ। ইমান সস্তা যে, শুদায় পোৱা যেন লাগে। আমাৰ বুঢ়ালোকৰ কথাতে কয় বোলে “শুদায় পালে পানী দিও এগৰাহ খাবা।”

তুমি কেতিয়া আহিবা? হ”লেইবা “গৰম”। আমি গৰমত গৰম, “ঠাণ্ডা”ত ঠাণ্ডা হৈ থাকিবলৈ শিকিলেই হ’ল।

অ’ তোমাক সুধিবলৈ পাহৰি আছোঁ, তুমি কেনে আছা? আমাৰ ফালে গোসাঁইৰ কৃপাত সকলোৰে মঙ্গল।

‘বাঁহী’ত তোমাৰ ‘কথা-কবিতা’ পঢ়িলোঁ। মোৰ C. O. উপাধিধাৰী বৰবৰুৱাৰ ‘কেলেণ্ডৰীয়চ্’ চৰিত্ৰও তুমি নপঢ়ি নাই থকা। এতেকে ধাৰ শুটা-শুটি হ’ল। কবিয়ে ব্ৰহ্মাৰপৰা দান পাইছে, বাগৰি বাগৰি শোৱক। বৰবৰুৱাই সচ্চিদানন্দৰপৰা দান পাইছে, বাগৰি বাগৰি হাঁহক। “কথা-মথাৰ আহঁ-মখা” এনে বিধৰ।

আজিলৈ মেলানি মাগি হাঁহিবলৈ যাওঁ, আৰু তুমি শোৱাগৈ; তোমাৰ চকু মুদ খাই আহিছে দেহি!

মৰমৰ

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা

২৬

Smbp

30. 9. 35

যতীন্দ্ৰ,

তোমাৰ চিঠি পালোঁ। তুমি জ্যোতিষীৰ ওপৰত ইমানকৈ নিৰ্ভৰ নকৰিবা। জ্যোতিষ শাস্ত্ৰখন নিৰ্ভুল হ’লেও, জ্যোতিষীৰ হিচাপত ভুল হয়। ভূত, ভৱিষ্যত-গণনা আগৰ কালত যিমানেই যি আছিল, এই কালত তাক মনৰ সৰ্ব্বস্ব দি মানি লোৱাটো বুধিয়কৰ কাম নহয়। তাৰ উপৰি বেয়া কথা শুনিলে, সিয়েই মনটো দমাই দিয়ে। মনেই সকলো। স্বৰ্গ-নৰক মনেই পাতে, মনেই ভাঙে। তুমি পণ্ডিত মানুহ, তোমাক আৰু বঢ়াই কি কম? মই কেতিয়াও জ্যোতিষীৰে লেন্‌দেন্ নকৰোঁ সেই দেখি। ঈশ্বৰহে সুখ-দুখ দিওঁতাৰ গৰাকী। তেওঁত

নিৰ্ভৰ কৰি থাকিলে আৰু ভয় নাই। গ্ৰহ-উপগ্ৰহ সকলোবোৰ তেওঁৰ চাকৰ।

Book Co.-এ টকা আজিলৈকে পঠিৱা নাই। তোমাৰ কথা পঢ়ি, পাম বুলি বহি আছে আমাৰ গৃহিণী।

তুমি তোমাৰ লগুৱা ল'ৰাটোৰ বিষয়ে ভাবি ইমান ব্যস্ত হৈ আছা কিয়? তাকনো, সি ৰান্ধি খাবলৈ বা শুবলৈ, আমি এডোখৰ ঠাই দিব নোৱাৰিমনে? মিছাতে বিভীষিকা দেখি আছা কিয়? যদি আন কোনো অসুবিধা নহয়, আহিবাঁ—যেতিয়াই মন যায়।

ভালে আছোঁহক।

মৰমৰ

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা

২৭

Sambalpur
3. 11. 35

যতীন্দ্ৰ বোপা,

আজি ১০½ বজাত, সেই তোমাৰ কীৰ্ত্তি-কলাপেৰে বিমণ্ডিত গাড়ীত বাসুক সপৰিবাৰে তুলি দি উশাহ লৈছোঁ,—তোমাৰ চিঠি পাই তাৰ উত্তৰ দিবলৈকো থাউনি পোৱা নাছিলোঁ। নিমন্ত্ৰণৰ মাতত আৰু ভোজৰ দৌৰাত্ম্যত মোৰ পেটে ত্ৰাহি ত্ৰাহি কৰিছিল কালিলৈকে। পেটত প্ৰৱেশ কৰা দৈত্য-দানৱবোৰক আজি পুৱা বিলাতী বিৰেচক লোণৰ চোকা টেকেলা লগাই গতিয়াই খেদাইহে অলপ তৎ পাইছোঁ। দুৱাৰখন মেলা পাই, তাতনো ইমানখন দ'ত-প্ৰেতৰ rabble সোমাব পায়নে? ৰাস্কেলহঁতৰ দপ্‌দপনি আৰু চিঁয়ৰ বাখৰত ৰাতিও মোৰ টোপনি নহা হৈ পৰিছিল। যাওক, আপদৰ শান্তি। তাৰ ওপৰত, ঠায়ে ঠায়ে মোৰ ভাগত পৰা বক্তৃতাৰ হেঁচা, তোমাক আৰু কি ক'ম? তুমি তাৰ নমুনা দেখিয়েই গৈছিলা। পেটত সোমোৱা ভূত-প্ৰেতে বোলে আমিহে চাৰ; মোৰ বাহিৰত থকা মুখে বোলে মইহে চাৰ। শেহত মই জিকিলোঁ—অৱশ্যে বিলাতী লোণৰ সহায়ত।

তোমাৰ বুক কোম্পানীৰ ৰচিদ আমাৰ তেওঁ পালে; পাই ৰং পালে আৰু তোমাক আশীৰ্ব্বাদ দিলে।

সঁচাকৈ তুমি যোৱাৰেপৰা আমি ঘাইকৈ মই নিমাও-মাও হৈ থাকিব লগীয়াত পৰিলোঁ। কিন্তু মোক কোনেও হকৰাব নোৱাৰে। তুমি গ'লা সঁচা, কিন্তু মোৰ পুৰণি বৰ-ঘৈণীজনা ঘৰত থকাটোতো মিছা হ'ব নোৱাৰে। তোমাক নেপালে, তেওঁকে জোকাম। তুমি জোক খাব নোৱাৰি পুৱায় লৰালৰিকৈ এমুঠি ভাত পেটত পেলাই, লৰালৰিৰ বেগত চুৰিয়াৰ পোন্ধটো মাৰিব নোৱাৰি হাতত লৈয়ে পলালা; তেওঁ ক'লৈ যাব? এতেকে মই অভাৱত নপৰি ভাৱতে আছোঁ।

তুমি তোমাৰ চুৰিয়া লুঙি কৰি পিন্ধি ওৰে দিনটো বহি আছা বুলি জানি সন্তোষ পালোঁ। একেবাৰেই দিগম্বৰপন্থী জৈনধৰ্ম্ম তুমি অৱলম্বন কৰিলেও আমি একো মাতিবলৈ নাযাওঁ। তুমি নিশ্চয় জানা, কলিকতাখন বৰ বেয়া চহৰ। তাত এবিধ আদহীয়া বুঢ়া মানুহ আছে। তোমাৰ খোটালিত তেনে মানুহক সোমাবলৈ নিদিবলৈ তোমাৰ ভজন ঘোষক কৈ দিবাঁ। ভয় কি? সেই দেখি মই তোমাৰ লুঙিৰ দীৰ্ঘ জীৱন কামনা কৰোঁ। কিমধিকমিতি।

তোমাৰ চকুৰ কুটা দাঁতৰ শাল
শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা

(যি ডাঙৰীয়া হ'বৰ অভিলাষ ৰাখিছে, কিন্তু হ'ব পৰা নাই)

২৮

Dibrugarh
C/o. R. K. Baruah, Esq.
Rehabari P.O.
12. 3. 38

যতীন্দ্ৰ,

২০ তাৰিখে পুৱা Darjeeling মেলত বোধ কৰোঁ ৭ বজা মানত শিয়ালদহ পামগৈ। তেতিয়া Howrah Stationঅলৈ ৰাওনা হ'ম। হাওড়াত ওৰে দিনটো থাকি বম্বে মেল ধৰি সেই দিনাই সম্বলপুৰলৈ

গুচি যাম। হাওড়াত তোমাক পালে বৰ ৰং পাম। waiting room-অত আমি থাকিম। সেইদিনা দেওবাৰ—এতেকে তোমাক গোটেইটো দিন পাম বুলি আশা কৰিছোঁ।

ভালে আছাতো?

মৰম ল'বাঁ।

তোমাৰ

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা

ডিম্বেশ্বৰ নেওগলৈ লেখা

২৯ Sambalpur

.22

শ্ৰদ্ধাস্পদেষু,

চিঠি পালোঁ, "অসমীয়া সাহিত্যৰ জিলিঙনি" প্ৰথম খণ্ড মোৰ নামে উছৰ্গা কৰিব খুজিছা, কৰিব পাৰা। সন্তোষ পাম। ভালে আছো। মোৰ স্নেহাশীৰ্ব্বাদ গ্ৰহণ কৰিবাঁ। তোমাৰ মঙ্গল কামনা কৰোঁ। ইতি

বিনীত

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা

৩০ Sambalpur

2. 7. 24

প্ৰিয় নেওগ,

তোমাৰ চিঠিৰ আজিলৈকে উত্তৰ দিয়া হোৱা নাই; আৰু "মিলন"ৰ ছবিৰ বিষয়ে একো কোৱা নাই। তুমি মোৰ বিষয়ে যি ভাবিছা মই অনুমান কৰিব পাৰিছোঁ। এইবাৰ কামৰ জঞ্জালত এনেকৈ পৰিছোঁ যে "বাঁহী"লৈ কোনো প্ৰবন্ধকে লিখিব পৰা নাই। তুমি বেজাৰ নকৰিবাঁ, আৰু মোৰ দায় ধৰিলেও এৰিবাঁ। সিদিনা এটা ধৰ্ম্ম-বিষয়ক প্ৰবন্ধ আৰু কালি এটা প্ৰবন্ধ Sir A. Choudhury)

পঠাইছোঁ! পাব পোৱা। Mr. Agarwala ক'ত? "বাঁহী" এতিয়াও নোলাল দেখোন? তোমাৰ মঙ্গল কামনা কৰোঁ। ইতি

তোমাৰ

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা

৩১

Sambalpur

8. 12. 24

My dear Neog,

তোমাৰ দুখন পোষ্টকাৰ্ড পাই আজিলৈকে acknowledge নকৰি অতি অন্যায় কাম কৰিছোঁ। এনেকুৱা ব্যৱহাৰযে আন কত লোকৰ প্ৰতি হৈছে ভাবিলে লাজ পাওঁ। কিন্তু আজি-কালি মোৰ এনেকুৱাই অৱস্থা। কাৰণ কৈ আৰু কি হ'ব?

Conferenceঅত preside কৰিবলৈ মাতিছে, যাবলৈ গাত লৈছোঁ। কিন্তু কি মস্কিলেৰে সৈতে যে কাৰ্য্যক্ষেত্ৰ এৰি যাব লাগিব, মইহে জানিছোঁ। লোকক ক'লে নপতিয়াব।

"বাঁহী" পালোঁ। আজিলৈকে এটা প্ৰবন্ধ "বাঁহী"লৈ লিখিব পৰা নাই। "জীৱন সোঁৱৰণ" যিমানখিনি লিখা আছিল পঠিয়াইছিলোঁ, নকৈ লিখিব পৰা নাই।

Conferenceঅত তুমি থাকিবা নিশ্চয। Mr Agarwalaৰ গা ভাল নহয় বুলি লিখিছে। বোলে Puriলৈ যাব। তেওঁক নাপালে যে মোৰ কি বেজাৰ হ'ব, কি কম!! ভালে আছোঁ।

তোমাৰ

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা

৩২

Sambalpur

31. 7. 25

প্ৰিয় নেওগ,

সময়ৰ অভাৱত বা এলাহতে তোমাৰ "জিলিঙনি" ইমান দিনলৈকে পেলাই থৈছিলোঁ। যি হওক, এবাৰ চকু ফুৰালোঁ। ভাল হৈছে।

বিশেষ সমালোচনা মোৰ পৰা আৱশ্যক নাই; কাকতীযে কোৱা কথাকে মই সমৰ্থন কৰোঁ। পেঞ্চিলেৰে মই কিছুমান শুধৰণি (suggest) কৰি দিছোঁ, সেইবোৰ (adopt) কৰিলে ভাল হ'ব বুলি মোৰ বিশ্বাস। কিতাপখন ছপাই উলিয়ালে সন্তোষ পাম। আশা কৰোঁ তোমাৰ মঙ্গল। ইতি

তোমাৰ

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা

৩৩

Sambalpur

19. 1. 29

প্ৰিয় নেওগ,

তোমাৰ চিঠিৰ উত্তৰ দিয়াত পলম হ'ল। মই প্ৰায় ইয়াত নথকা-টোৱেই এটা কাৰণ। ১৮১৯ শকত শ্ৰীগণেশৰাম আগৰওৱালাই ৰামাযণ আদিকাণ্ড ছপা কৰি উলিয়াইছিল। বেচ ১৲। কিতাপৰ ওপৰত "কবিবৰ মাধৱকন্দলিৰ দ্বাৰা ভণিত" বুলি ছপাইছিল। কিন্তু সেইটো তেওঁৰ ভুল। মই তেতিয়া, "জোনাকী"ত নে ক'ত মনত নাই, সেই ভুলৰ উল্লেখ কৰি প্ৰতিবাদ কৰিছিলোঁ। আদিকাণ্ড ৰামায়ণ মহাপুৰুষ মাধৱদেৱৰ দ্বাৰায়হে ৰচিত। এতিয়া সেই ছপা কৰা ৰামায়ণ পোৱা যায় নে নাযায় ক'ব নোৱাৰোঁ।

ভাগৱতত ৰাধাৰ নাম নাই। বিষ্ণু-পুৰাণত নাই। হৰিবংশত নাই। মহাভাৰতত নাই। ভাগৱতৰ আগেয়ে ৰাধাৰ নাম কোনো পুৰাণত বা আন শাস্ত্ৰত থকাটো নাজানো। ব্ৰহ্মবৈৱৰ্ত্ত ভাগৱতৰ পিছত ৰচিত, তাতে প্ৰথমে ৰাধা ওলায়। অৱশ্যে ভাগৱতৰ আৰু ব্ৰহ্মবৈৱৰ্ত্ত আদিৰ বয়স প্ৰাচ্য আৰু পাশ্চাত্য পণ্ডিতসকলে যি ঠিক কৰিছে, সি নিৰ্ভুল নহয়। সেইবোৰ আন্দাজ আৰু theoryৰ হিচাপ, নিশ্চয় ভাগৱত আগৰ। মাধৱদেৱৰ লেখাত ৰাধাৰ নাম নাই।

তোমাৰ

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা

৩৪

Sambalpur
1. 11. 34

প্ৰিয় নেওগ,

তোমাৰ ২৮।১০।৩৪ তাৰিখৰ চিঠি পালোঁ। যোৱা নবেম্বৰৰপৰা ফেব্ৰুৱাৰীলৈ মই বৰোদাত আছিলো। চিঠি বা-মাৰলিয়ে পোৱাটো খুব সম্ভৱ; অৱশ্যে কোনফালে বা-মাৰলি চলিছিল, থিৰ কৰাটো টান। “কাব্য-প্ৰতিভা”ত সুমুৱা মোৰ কবিতাকেইটা সোমাওক; মোৰ ক'বলৈ একো নাই। “আধুনিক অসমীয়া সাহিত্যৰ বিস্তৃত বুৰঞ্জী” লেখিবলৈ হাতত লোৱা জানি সুখী হৈছো। নিশ্চয় সেই কাৰ্য্যত তুমি কৃতকাৰ্য্য হ'বা। মই কি সহায় কৰিব পাৰোঁ তাকেহে ক'ব নোৱাৰোঁ। বৰ বুঢ়া হৈ পৰিলো; আগৰ দৰে energy নাই, memoryএও fail কৰি আহিছে।

তুমি (১) বুৰঞ্জীৰ general planটো তৰি দি মোলৈ চাবলৈ পঠিয়ালে, ডুঠাইত এঠাইত অলপ-অচৰপ বেঁকা হৈ গ'লে বৰং পোনাই দিবলৈ সঙ্কেত দিব পাৰিম। (২) modern prose আৰু (৩) modern poetryৰ বিষয়েও তেনে কথাই। (৪) drama আৰু novelও তথৈৱচ। মুঠতে মোৰ দ্বাৰায় তোমাৰ কাৰ্য্যত আশীৰ্ব্বাদৰ বাহিৰে একোৱেই নহ'ল। মোৰ গ্ৰন্থৰ প্ৰকাশ আৰু ৰচনাৰ কাল··· ······· আৰু ডুটা কি তিনিটা কিতাপ লেখিছিলো, নাম পাহৰিলো। মোৰ হাতত নাই। ইতি

তোমাৰ
শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা

৩৫

Baroda
C/o S. V. Mukerjea, Esq.
Development Commissioner
11. 1. 36

প্ৰিয় নেওগ,

তোমাৰ চিঠি আৰু টাইপ কৰা সূচী আজি মই ইয়াতহে পাইছো। আৰু এমাহমান ইয়াত মোৰ থকা হ'ব। মহাৰাজাৰ জুবিলি উৎসৱকে

আদি কৰি নানা কাৰ্য্যৰ হেন্দোলনিত পৰি আছোঁ। মোৰ নিজৰ কৰ্ত্তব্য কোনো কাম ইয়াত নাই; অথচ আহৰি যাক বোলে সি মোৰ সমূলি নাই। কথাটো শুনিবলৈ হাঁহি উঠা নহয়নে? মই whirlpoolঅৰ ভিতৰত।

সূচীখন থিয়ৈ থিয়ৈ পঢ়ি চাইছো; ভাল লাগিছে। মোৰ suggest কৰিবলৈ একো বাকী নাই। সেইমতে লেখি গ'লে, সুন্দৰ কিতাপ হ'ব। মোৰ দৃঢ় বিশ্বাস তুমি কৃতকাৰ্য্য হ'বা। মোৰ নামত উছৰ্গা কৰাত মোৰ আপত্তিতো থাকিবই নোৱাৰে, বৰং সম্মানিতহে হম। তোমাৰ যি ইচ্ছা হয় কৰিবাঁ। ভালে আছোঁ। তোমাৰ মঙ্গল কামনা কৰোঁ। ইতি

তোমাৰ

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা

৩৬

Sambalpur

6. 4. 37

প্ৰিয় নেওগ,

চিঠি পালো। মই আজি এমাহ নৰিয়া-পাটীত। এনে অৱস্থাত মোৰপৰা তোমাৰ কিতাপৰ বিষয়ে কিবা সহায় হ'ব বুলি মনে নধৰে। মোক ক্ষমা কৰিবাঁ। তোমাৰ কুশল কামনা কৰোঁ। ইতি

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা

পুঃ বৰোদাত দিয়া বৈষ্ণৱ ধৰ্ম্মৰ মোৰ বক্তৃতা দুটা বৰোদা ষ্টেটৰ খৰচত ছপা হৈছে। তাৰ মালিক বৰোদা। মোক মাথোন এক কপি present দিছিল। বৰোদাৰ Director of Education (যাক বিদ্যাধিকাৰী বোলে), তেওঁলৈ লেখিলে পাব পাৰি।.....The History of Vaishnavism in India...Ras Lila.

L. N. B.

জ্যোতিপ্ৰসাদ আগৰৱালালৈ লেখা

৩৭

জ্যোতি বোপা,

জয়মতী ৰেকৰ্ড পালো। মোৰ হৈ অনুগ্ৰহকৈ চেনোলা কোম্পানীক ধন্যবাদ জনাবাঁ।

মই nervous হৈ আছিলোঁ, পাছে ৰেকৰ্ডবোৰ ridiculous হয়, আৰু বিদেশীৰ আগত আমি হাঁহিয়াতৰ পাত্ৰ হওঁ। কিন্তু শুনাৰ পিছত অকল মোৰ nervousnessএইযে গ'ল এনে নহয়, বুকু ডাঠ হৈ পৰি মই proud feel কৰিছোঁ। ৰেকৰ্ড কেইখন বৰ সুন্দৰ হৈছে; তোমাৰ venture very successful.

আজিকালি উড়িয়া recordএৰে গ্ৰামোফোন ৰেকৰ্ডৰ বজাৰ flooded, বঙ্গলা ৰেকৰ্ডৰতো কথাই নাই। উড়িয়া ৰেকৰ্ডত গান যতবোৰ মই শুনিছো, মোৰ ধাৰণা দৃঢ় হৈছে যে, সেইবোৰ বঙ্গলা গানৰ উড়িয়া তাঙৰণ,—উড়িয়া কথাকেইটাৰ বাহিৰে তাত উড়িয়াত্ব একো নাই। অৱশ্যে উড়িয়া 'চম্পু' গীতৰ record মোৰ এই criticismঅৰ বাহিৰত। 'চম্পু'ৱেই, বঙ্গালীৰ জাতীয় গীত কীৰ্ত্তনৰ দৰে, প্ৰকৃত উড়িয়া গীত, আৰু সি তেওঁলোকৰ জাতীয় সুমধুৰ সঙ্গীত। কিন্তু তোমাৰ ৰেকৰ্ডে গতানুগতিকভাৱে বঙ্গলাৰ খোজে খোজে ভৰি দি নগৈ প্ৰকৃত অসমীয়া জাতীয় সুৰ আৰু মাত-কথাৰ জোঁকাৰ সকলোৰে আগত প্ৰকাশ কৰি দিছে। আকৌ কওঁ, I am proud of your achievement. তাত মোৰ সম্পৰ্ক আছে বুলি মই এই কথা কোৱা নাই। যদি কোনোবাই তেনে বুলি ভাবে, তেন্তে মই কওঁ সেইটো সেইজনৰ ভুল ধাৰণা। মই মোৰ ওপৰতে নিৰ্ম্মম critic হ'বৰ ক্ষমতা মোৰ আছে, আৰু অনেক সময়ত হৈছোঁও। honestly মোৰ যি ধাৰণা হৈছে তাৰে মই তোমালৈ লিখিলো। তোমাৰ recordঅৰ speechবোৰে আজিকালি বঙ্গালী আৰু উড়িয়া থিয়েটৰ, ফিল্ম, আৰু

পালা-recordঅত প্ৰচলিত disgusting heroicsৰ হাত সাৰি নিকা হৈ ওলাইছে। সকলোবোৰ স্পষ্ট আৰু idiomatic স্বাভাৱিক অসমীয়া হৈ ওলাইছে। এইটো সৰুসুৰা কথা নহয়।

স্নেহাশীৰ্ব্বাদ।

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা

ৰোহিণীকুমাৰ বৰুৱালৈ লেখা

৩৮ Sambalpur
8. 3. 33

শ্ৰীমান ৰোহিণী বোপা,

তুমি laundry খোলাৰ বাতৰি ৰত্নাৰ চিঠিতে পাইছিলোঁ। কালিও তোমাৰ চিঠি পাই জানিলোঁ। ঈশ্বৰে তোমাৰ চেষ্টা সফল কৰক, এই তেওঁৰ ওচৰত প্ৰাৰ্থনা। laundry ব্যৱসায়ৰ বিষয়ে মই একো নাজানো। তুমি নিশ্চয় ভালকৈ তাৰ বিষয়ে জানি-শুনি লৈ তাত হাত দিছা।

আগেয়ে মানুহে যিহকে ভাবক, আজি মহাত্মা গান্ধীৰ দিনত, ধোবাৰ কামৰতো কথাই নাই, মেতৰৰ কামো ওপৰ খাপলৈ উঠিল। গান্ধীয়ে নিজক মেতৰ বুলি কৈ সকলোকে ৰিঙিয়াই কৈ দিছে যে, সকলো মেতৰ। প্ৰত্যেক মানুহ নিজৰ মেতৰ, কাৰণ নিজে নিজৰ ময়লা চাফ কৰে। মাক ল'ৰা-ছোৱালীৰ মেতৰ। তোমাৰ সুন্দৰী গৃহিণী বেজবৰুৱা-নন্দিনী, বেজবৰুৱা ককাদেউতাকৰ "সোণৰ শিকলি"ৰ মেতৰণী—নিজৰতো আছেই। এতেকে মেতৰস্য নন্দিনী, জননী, গৃহিণী, তদুপৰি স্বয়ং মেতৰণীয়ে মেতৰৰ সমাজত আদৰ আৰু উচ্চাসন পাবই; ধোবা স্বামিন্‌তো ছিছাপমতে এখোপ ওখত। সেই দেখি সকলো মাছ-খোৱা চৰাইৰ মাজত থাকি মাছৰোকাৰ ভাবনা কৰিবৰ কাৰণ একো নাই। মোৰ মাজু ছোৱালীজনীয়ে ধুনীয়া, এই কথা তাইৰ জন্মৰ দিনৰেপৰা মোৰ "ৰাকিপ" হৈ আহিছে। আজি ইমান কালৰ মূৰত সিদিনা "মায়াৰ খেলা"ত তাইক দেখিহে যে public-এ সেই কথাটো বুজিলে, তাতে মই বুজিছোঁ। (আৰু আশা কৰোঁ, এই বুজা-

ব্যাপাৰত তুমিও মোৰ লগৰীয়া হৈছা) যে, এই publicখন কিমান মূৰ্খ! সিহঁতৰ ইমান দিন লাগিল এনে উজু কথাটো বুজিবলৈ। যাওক। great manবোৰ সকলো বিষয়তে, বিশেষকৈ mentality বিষয়ত, তেওঁলোকৰ সমসাময়িক কালতকৈ কিমান আগ বঢ়া হয়, চাই লোৱাঁ। এই বাবেই গান্ধী মহাত্মাক আজিও সকলোৱে ভালকৈ বুজিব পৰা নাই। এদিন বুজিব; মোক যেনেকৈ আজি "মায়াৰ-খেলা"ৰ দৰ্শক public-এ বুজিলে। তুমিতো মোক ৪ বছৰৰ আগতে বুজি থৈছা।

change-এ মোৰ উপকাৰ কৰিলে। মোৰ "সোণৰ শিকলি"ক চাবৰ বৰ মন গৈছে। পঠিয়াই দিলে মোৰ গাটো আৰু ভাল পাম।

মৰমৰ

"পাপা"

শ্ৰীমোহনচন্দ্ৰ মহন্তলৈ লেখা

৩৯

Sambalpur
20. 9. 26

শ্ৰীমানেষু,

তোমাৰ চিঠি পাই নথৈ সন্তোষ পালোঁ। তোমাৰ ইমান শ্ৰদ্ধা-ভক্তিৰ মই পাত্ৰ নে, সেইটোত মোৰ ঘোৰ সন্দেহ আছে। সেইটোৱে নিশ্চয় তোমাৰ নিৰ্ম্মল মনৰ অৱশ্যে চিনাকি দিছে। ঈশ্বৰে তোমাৰ মঙ্গল কৰক, তেওঁৰ আশীৰ্ব্বাদ তোমাৰ মূৰে বহন কৰি, তোমাৰ সকলো সজ চেষ্টা সফল কৰি, তোমাৰ ভৱিষ্যত জীৱন জয়যুক্ত কৰক, এই তেওঁৰ চৰণত মোৰ প্ৰাৰ্থনা।

তোমাৰ চিঠিত তুমি লিখা কথাবোৰ সম্পূৰ্ণ ঠিক। সেইবোৰ ভাবিলে শোকে মন ওন্দোলাই পেলায়। সকলো ঈশ্বৰৰ ইচ্ছা।

মই সততে ইফাল-সিফাললৈ যাব লগীয়াত পৰোঁ। গতিকে, তোমাৰ চিঠিৰ উত্তৰ দিয়াত পলম হৈ পৰিল। ইতি

তোমাৰ শুভাকাঙ্ক্ষী
শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা

৪০ Sambalpur
15. 9. 28.

শ্ৰীমানেষু,

তোমাৰ চিঠি পাই সন্তোষ পালোঁ। মহাপুৰুষৰ তিথি কৰা প্ৰণালী আৰু বৰগীত আদি শিক্ষাৰ বিষয়ে তুমি যি লেখিছা, ঠিক কথা। মই আজৰি পালে সেই বিষয়ে "বাঁহী"ত লেখিম। শ্ৰীশঙ্কৰদেৱৰ মহান ত্যাগৰ বিষয়ে যি লেখিছা, সিও ঠিক। তুমি "বাঁহী"ত সেই বিষয়ে প্ৰবন্ধ লেখিবাঁ। "বাঁহী"ৰ সম্পৰ্কে তোমাৰ কাম কৰিবৰ ইচ্ছাৰ কথা মই শ্ৰীযুত চন্দ্ৰকুমাৰ আগৰৱালালৈ লেখিলোঁ। তুমি তেওঁৰে সৈতে দেখা কৰি মোৰ কথা ক'বাঁ। মোৰ সম্পূৰ্ণ মত আছে।

ঈশ্বৰে তোমাৰ মঙ্গল কৰক। ইতি—

শুভাকাঙ্ক্ষী
শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা

৪১ Sambalpur
10. 3. 36

প্ৰিয় মহন্ত,

তোমাৰ চিঠি পাই ৰং পালোঁ। মই বুঢ়া হ'লোঁ বুলি ঘনে ঘনে নক'লে, সকলোৱে পাহৰি যায় দেখিছোঁ। "লেখা" বিচৰাৰ দৌৰাত্ম্যই মোক আৰু বুঢ়া কৰি তুলিছে।

বৰোদাৰ বিষয়ে মই উভতি আহিয়েই এটা প্ৰবন্ধ লৰালৰিকৈ লেখি "আৱাহন"লৈ পঠিয়ালোঁ; কাৰণ "আৱাহন"ৰ খচ্‌খচনি সৰহ যেন দেখিছিলোঁ। তাৰ পিছত "বাঁহী"ৰ তাগাদা;—তালৈকো মোৰ হুটা "জীৱন-সোঁৱৰণ" এটা লেখি আজি পঠিয়ালোঁ। "বাৰ্তৰি"ৰ "তাগাদা"ৰ বস্তু আজিও বাকী। তাৰ বাহিৰে অনেকে (কাকতৱালাই) মোৰপৰা প্ৰবন্ধ [বিচাৰি] খচ্‌খচনি লগাই মোক আমনি কৰি নি তাৰ ওপৰত বহি উমনি দিয়া দেখিছোঁ। সেই দেখি বেজাৰত—মানুহে নহয় —এই কালৰ হাঁহে কণী নাপাৰে বুলিয়েই ভাবিছে। কিমান দিন সেই সঙ্কল্প থাকে ক'ব নোৱাৰোঁ।

বৰোদাৰ বিষয়ে বৰোদাৰ Dewanৰ অফিচলৈ ৰিপৰ্ট বিচাৰি লেখাই ভাল। নাপাবৰ কোনো কাৰণ নাই। মই জুবিলিৰ আগ-

মঙহতে আছিলোঁ, সকলো দেখিলোঁ, শুনিলোঁ, কিন্তু বুঢ়াই আৰু কিমান মৈ টানিব! কেতিয়াবা জিৰাই-শঁতাই আহৰি আৰু বল পালে দুটা-এটা article লেখিব পাৰোঁ, কিন্তু সকলোৰে ভোক গুচাবলৈ মোৰ গাত শকতি নাই। বৰোদাত দিয়া মোৰ lecture দুটা বৰোদাতে পোৱা যায়। সি Sta:e-অৰ property. মোলৈ একোটা copy পঠাইছিল মাত্ৰ। Education Commissioner, বৰোদালৈ লেখিলেই পোৱা যায়। অৱশ্যে বেচ দিব লাগিব। এটাৰ বেচ পাঁচ অনা; সিটোৰ বেচ তিনি অনা বোধ কৰোঁ। মোৰ তাত স্বত্ব থকাহেঁতেন মই গোটেই অসমতে দুইটা lecture কিতাপ বিলাই দিলোঁহেঁতেন।

"বন্দে মাতৰম্" আমাক্ নালাগে। সেই বিষয়ে তোমাৰ proposal মই সমৰ্থন কৰোঁ।

ভৱানীপুৰীয়া গোপাল আতাৰ বিষয়ে মোৰ শঙ্কৰদেৱ-মাধৱদেৱ কিতাপত মই মনেৰে সাজি লেখা নাছিলোঁ। চৰিত্ৰ পঢ়ি আৰু শুনি তেনেকৈ লেখিছিলোঁ। যদি সেই পন্থৰ লোকসকলে তাত আপত্তি কৰিছে, মোৰ কিতাপৰপৰা সেইডোখৰ তুলি দিম। কিন্তু মোৰ কিতাপৰ দ্বিতীয় তাঙৰণ কেতিয়া হ'ব কোনে ক'ব? হ'লে নিশ্চয় উঠাই দিম, কাৰণ কাৰো মনত দুখ দিবৰ মোৰ অভিপ্ৰায় নহয়। আৰু কিজানি ভুলও হ'ব পাৰে। আজিকালি আসামত আমাৰ ভিতৰতে অনাহকতে মনোমালিন্যবোৰ ভাল কথা নহয়। আমি সকলোৰে দোষ পাহৰি, বা এৰি দি, মুঠ বান্ধি শকত হ'ব লাগিব; নতুবা আমাৰ টিকা টান হ'ব। যদি সেই পন্থৰ লোকসকলে সেইটো নহয় বুলিছে, সি যাওক উৰি। আৰু তাৰ ঠাইত মিলা-প্ৰীতি আৰু শান্তি আহক।

শেহত কওঁ,—অসমৰ প্ৰাণ হৈছে শ্ৰীশঙ্কৰ। তেওঁৰ ধৰ্ম্ম, শিক্ষা, দীক্ষা, উচ্চ আদৰ্শ অসমীয়াই সৰ্ব্বতোভাৱে গ্ৰহণ কৰক, তেহে অসম উধাব। বাহিৰা বিদেশী আদৰ্শ আৰু ধৰ্ম্মই আমাক কেতিয়াও নতৰায়। আৰু শঙ্কৰ গুৰুৱে অসমীয়াৰ সৰ্ব্বপ্ৰকাৰে উন্নতিৰ দিহা কৰি যাবলৈ বাকী একো নাৰাখিছিল। অসমীয়াই ভালকৈ এই কথা যিদিনা বুজিব, সেইদিনাই অসম free। ভালে আছো।

তোমাৰ

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা

বিৰিঞ্চিকুমাৰ বৰুৱালৈ লেখা

৪২ Sambalpur
16. 2. 33

বিৰিঞ্চি বোপা,

তোমাৰ ২২।১২।৩২ তাৰিখৰ চিঠিৰ টোপ্‌টো গিলি কেনি ফাঁট মাৰিলোঁ তুমি নাজানি,—অন্ততঃ তাৰ সম্পৰ্কে বুৰ্বুৰণি এটাকো ক'তো নেদেখি—কিজানি তুমি ভাবিছা, এইটো কি "নিমখহাৰাম" বুঢ়া ঐ! টোপো খালে, পলায়ো গ'ল!

সেইদৰে ভাবিবৰ অধিকাৰ তোমাৰ আছে। কাৰণ আসৈ মাতিব নোৱাৰি, তোমালোকৰ "মৰম-নিমখ" এই বুঢ়াই খাইছে, সেই "নিমখ" বুঢ়াই "হাৰাম" কৰিছেনে নাই তাৰ বিচাৰৰ ভাৰ তোমালোকৰ গাত নাথাকিবৰ কাৰণ নাই।

মই নৰিয়া পৰিছিলোঁ, তুমি জানাই। নৰিয়াটো বুজনেই হৈছিল। গ'ল ডিচেম্বৰৰ মাজডোখৰতে বেজ-জ্ঞানীৰ কথামতে সেই দেখি changeঅৰ নিমিত্তে সম্বলপুৰ এৰি বৰোদালৈ গ'লোঁ—এই আশাত—তাত জী-জোঁৱাইৰ প্ৰতিপালত যদি গাটো টঙাই ল'ব পাৰোঁ। আশা ফলিয়ালে। পৰশুইহে সম্বলপুৰলৈ উভতি আহিছোঁ। বৰ দীঘলীয়া বাট। আহোঁতে ৰেলত চাৰি দিন লাগিছিল বুলিবকে লাগে। ভাগৰি আহিছো।

"অৰুণ" দেখিছোঁ। তোমালোকৰ হাতত পৰি "অৰুণ" বঢ়িয়া হৈছে। মই জিৰাই-শঁতাই লৈ পাৰিলে লেখিম। নোৱাৰিলে ক্ষমা মাগিম। আৰু দায় ধৰিলে নিৰুপায়ত পৰিম।

মোৰ আশীৰ্ব্বাদ আৰু মৰম "ডাক-যোগে" পঠিয়ালো। লোৱা-থোৱা যি হয় এটা কৰিবাঁ।

ইয়াৰ লগতে জাপি দিয়া সিখন কাকতত তোমাৰ প্ৰশ্নকেইটাৰ উত্তৰ দিলোঁ।

মৰমৰ

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা

ছিস্টাৰ ডোৰোথি ফ্রাঞ্চিচলৈ লেখা

৪৩ Sambalpur
26.8.32

Dear Sister Dorothy Francis,

I am informed that my daughter Dipika is going to embrace Christianity. Is it a fact? I am sure you should have informed her parents if any move has been made towards it. The parents have never relinquished their guardianship entirely in your favour. They had placed her in your charge for education and not for conversion to a religion not of her parents. You might say that she has attained her majority and, therefore, [is] free to act according to her choice. Yet you ought to have known that she is a young girl, quite inexperienced in worldly matters and also impressionable, and your duty is not to fan the fire, she being quite alone and far away from home influence and entirely within the pale of your influence of surroundings. You should have informed her natural guardians, the parents, all about her mental change. Does your silence not prove that you did not want to give any chance to her parents to get her out of your influence. I don't think this will go to the credit of the authorities of the Diocesan College and School, where girls are sent by parents and guardians of faiths [other than] Christian. After this do you think that Hindoos and other communities will trust Diocesans with their young and impressionable children? I do not think that you have fully realized the gravity of the situation that by such active or passive or tacit move on the part of the authorities will create a great agitation in Calcutta amongst the Bengali community and will go towards injuring the reputation of the College, and people will think twice before they make up their minds to send their girls to Diocesan.

I, therefore, request you to desist from the move, and send my daughter out of your influence and place, without further

delay. I have written to her sister—my daughter Ratna—to go and bring her out of the College environments and keep her with them, until we go and bring her up to Sambalpur or make some other arrangements.

Trusting you will kindly adopt my suggestion and keep my request, and thus avoid further unpleasantness.

Yours sincerely,
L. N. Bezbaroa

প্ৰজ্ঞাসুন্দৰী দেৱীলৈ লেখা

88

Sibsagar
May 30th, 1851

My dear Prajna,

Two long and tedious days have passed without a letter from you to cheer me up. Cursed is the day that brings no letter from you ! Today I was anxiously waiting for the mail time, believing fully . . ... . must have brought . . letter from my sweet far away, but the mail delivery time came and went away leaving me a cruel disappointment. Now I find myself most miserable and lonely. I shall have no rest and peace until I get a letter from you. I know I deserve such disappointment, as I used to subject you sometime to similar disappointments, unintentionally though. Let me willingly but most painfully submit to this deserving tit for tat. Let me complain no more, but patiently bend down to a just retribution. I told you about my bad state of health for some days. Were I lucky enough to be served with your substantially sweet letters everyday, I could have [been able to regain] my health qu . . ... help. Men cannot have their wishes fulfilled, [or] else this world would have been a Paradise. Wishes are seldom horses. You are not to blame for this at all, my sweet. You have suffered for me much and still [are] suffering. Why should I go scot-free ? I do [not] expect any reply to this letter, as you know I will leave this place for Calcutta by the Tuesday next. Today [is] Friday. Five days' time will fetch me down to Calcutta, and enable me to see you and keep me at rest and peace.

You have enquired about my reception here by my parents and other members. The reception, to speak the truth, is a cool one. In my yesterday's letter to Sudhida I wrote that my father

has pardoned me. But the pardon I meant was no pardon. In fact, they cannot pardon me. [They] treat me as an outcast. Of course, they will not refuse me temporary shelter in their house. The reception they accorded me and are according me is a reception of tears and sighs. They think me [to be] a loss to their family. The Hindu religious and social institution they are living in has made them strong[ly] conservative and narrow-minded. It [is the] fault of the institution, not theirs. My visit to [them] has no doubt dispelled a lot of false rumours circulated all around by the grovelling herd of my jealous-for-nothing enemies. Therefore, my visit is not to be considered a total failure however

With my deep devotion and adequate homage to Mā, and love and regards and kiss to brothers and sisters, I say good night.

Ys
Lakshminath

৪৫ Monday

Prajna,

Quite so. I am now স্তুপাকার বইএর মধ্যখানে বসে completely buried. তুমি আমার "এমন দুষ্প্রাপ্য সময় নষ্ট করে দিতে এলে ?" Ah ! *not so.* You have come in time. You see this in my tiffin time, and I am longing for refreshment. What refreshment can be more agreeable, more valuable to me than your sweet, soothing and refreshing latter ? Tea ?—I care not. Bread ?—I mind not. Sweets ?—hang them. Goswami and other friends' conversations ?—oh ! oh ! they have lost the grain of ... they had. But come, ... your letter come ... you come ; ... ... refreshing letter ... . . welcome, and ... spirit you are ... welcome, dare. ... of ——

After drinking deep the honey from your letter, I will, I assure you, apply myself with redoubled zeal to my study. You see your letter serves me as ... cordial, and is a timely one.

I am afraid you will take me for one disposed to something theatrical. Oh no ! I am not parading my sentiments. Take it, oh, take it as a spontaneous outburst.

I am in health. I hope and pray to the Almighty that you are not otherwise.

I think my youngest brother, Master Harinath, sends you his photo. Yesterday I received a letter from him, but he has not made any mention there about it. However, I am glad. ... may reply ... ... acknowledging ... ..., or if you choose ... . . through me. But ... ... he won't be satisfied ... ... acknowledge for you.

... Have not you once ... ... for a photo of mine to ... . . to Amio Kaka ? You have, ... mistake not. So I send you ... ...the other one my eldest brother...his wife (Mr. and Mrs. Brajanath Bezbaroa) ... sent it to me and I to you to see.

Yours
Lakshminath

P.S. Have not heard anything from America for a long time. I can't account for it. Let us see what the incoming mail brings.

My affection to Ave, Manisha, and respects, *pranām* to Mā, Bothān, &c. L. N. B.

8৬ Howrah
9. 6. 00

Pari,

The mail is just leaving; so I must hurry up. I am in receipt of letters. Now-a-days you write everyday. What a good girl you are ! I am very glad to note that you are in good health with Baby dear. My kiss to her.

মোৰ পৰম ভাগ্য যে জ্ঞান বোপা ইয়াত আছে দেখিহে দুইবেলা তেওঁৰ ঘৰত চাহপানী টুপি খাই শান্তি পাওঁ, নহলে সংসাৰৰ পিনে ভাবি চিন্তি মূছকছ যোৱা কথা।

যেই কি নহওক, শুনি বৰ আনন্দ পাইছোঁ বোলে ৰত্না আইদেওৰ লগত ডিব্ৰুগড়ৰ ৰজাভেটা বাগিচা স্থাপন কৰা মোৰ স্বৰ্গীয় বন্ধু মালভোগ বৰুৱাৰ যোগ্য পুত্ৰ এডিনবৰাৰ এম্. এ. (শ্ৰীমান প্ৰসন্ন বৰুৱাৰ ভায়েক) শ্ৰীমান ৰোহিণীকান্ত বৰুৱাৰ লগত বিয়াৰ বন্দবস্ত হৈছে। যোগ্য পাত্ৰ হোৱাৰ সম্ভৱ দেখি মই আনন্দ পাইছোঁ, ঈশ্বৰে যেন এই কাম সিদ্ধি কৰে। মোৰ ঘৰত ভাল। তৰুণ ৰেঙ্গুনত আছে, একো কাম ঠিক কৰিব পৰা নাই। ইতি

আপোনাৰ সৰল বন্ধু
শ্ৰীকমলাকান্ত ভট্টাচাৰ্য্য

৩ Ujan Bazar, Gauhati
13. 5. 29

মৰমৰ বাৰ্দ্ধে, স্নেহৰ হৰিভকত,

ফুলৰ গছজোপাই যেনেকৈ গুৰিত পানী পালে জকমকাই উঠে, আপোনাৰ চিঠি একোখনি মাজে সময়ে মই পাই থাকিলে দুঃচিন্তাৰপৰা মনটো আঁতৰাই উদগনি তুলি দিয়ে। মোৰ যদি কিবা পাপ আছে অতিশয় বেয়া অৱস্থাটিহে পাপ। এই পাপেৰে সৈতে যুদ্ধ কৰি কৰি মই হাৰিলোঁ। দেশৰ ভিতৰত এই পাপেই মোক অমানুহ কৰি তুলিলে। মোৰ অৱস্থা ভাল হোৱাহেঁতেন মই দেশৰ অনেক কাম কৰিব পাৰিলোঁহেঁতেন; যি কৰে হৰি তাৰ খণ্ডন নাই, তেওঁৰেই ইচ্ছা পূৰ্ণ হওক। এই বুঢ়াকালত মোৰ ল'ৰাহঁতে ভালদৰে মোক খুৱাই-বুৱাই ৰাখিব পৰা নাই যে, ই মোৰ কপাল। ল'ৰাই যে মোক অশ্ৰদ্ধা কৰে এনে নহয়, ভালদৰে ধন ঘটিব পৰা নাই। ভাগ্যে মোৰ

পৰম বন্ধু জ্ঞান বাপাই মোক খুৱাই-বুৱাই ৰাখিছে দেখি মোৰ শৰীৰটি ভালে আছে। জ্ঞান বাপাৰ উদ্দগনি পাইহে মই 'বাঁহী'লৈ আৰু 'অসমীয়া'খনলৈ প্ৰবন্ধ লেখি মনটি সন্তোষত ৰাখোঁ। ই কথাও ভাবোঁ, মই যদি ধনী হলোঁহেঁতেন অসমীয়া ডাঙৰীয়াসকলে মোৰ প্ৰবন্ধৰ মূল্য বুজিলেহেঁতেন। মই যোৰহাটলৈ এইবাৰ গৈয়ে বুজি উঠিলোঁ যে ধনীৰহে আদৰ, ধনে জ্ঞানে সমান নহ'লে অকল জ্ঞানৰ আদৰ নাই। মোৰ গ্ৰন্থকেখন মই নিজে ছপাবৰ অপাৰ্থক গতিকে সাহিত্য সভাতে অৰ্পণ কৰি আহিছোঁ। গবৰ্ণমেণ্টে বছৰি সাহিত্য সভাক ৪০০০ হাজাৰকৈ টকা দিছে। এনে অৱস্থাত মোৰ 'অষ্টাবক্ৰখন' যদি সাহিত্য সভাই ছপাবলৈ মন নকৰে, তেনেহ'লে বুজা যাব, মোৰ অৱস্থাৰ বাবেহে মোৰ কিতাপ ছপাবলৈ তুচ্ছ ভাব দেখাব। এই সম্বন্ধে আপুনি একলম 'অসমীয়া'ত যেন লেখে। কেৰ্কেটুৱাৰ বাঁহ পাতেই ভেটিৰ দৰে 'বাঁহী'ও প্ৰকাশ হোৱা কাৰণে, মৰমৰ বান্ধৈ 'কলপ সলনি' প্ৰবন্ধটি ইয়াৰ লগতে আপোনালৈ পঠালোঁ, চাইচিঁতি প্ৰকাশ কৰিবলৈ পঠাব। জে. বৰুৱাৰ মুখে শুনিবলৈ পাইছোঁ সিদিনা দীপিকা আইদেও বোলে বায়েকক দেখিবলৈ ডিব্ৰুগড়লৈ গৈছে। ঈশ্বৰে মঙ্গল কৰক। মাজিউ, জ্ঞান বোপা ভালে আছে, মই সপৰিয়ালে ভালে আছোঁ আপোনাৰ কুশল বতৰা পোৱা আশাত থাকিলোঁ। ইতি

স্নেহৰ হৰিভকতৰ শুভাকাঙ্ক্ষী
শ্ৰীকমলাকান্ত ভট্টাচাৰ্য্য

আপোনালৈ প্ৰবন্ধটি পঠাব খুজি এই চিঠিখন তাৰ লগত গাঁথি পঠাবৰ মন কৰোঁতেই মাজিউ আহি মোৰপৰা প্ৰবন্ধটি লৈ গ'ল আৰু ক'লে যে পইছা খৰচ কৰি পঠাবৰ কাম নাই, আজিয়েই ছপাব। মাজিউৱে মোক বৰ মৰম কৰে।

শ্ৰীকমলা

৪

Ujan Bazar, Gauhati
Nabagraha Road, Parnakutir
9. 5. 35

মৰমৰ হৰিভকত,

আজি এৰি ভালেমান দিন আপোনালৈ একো চিঠি লেখা নাই, ইয়াৰ কাৰণ আপোনাৰ বতৰা মই জে. বৰুৱাৰ চিঠিত পাই থাকোঁ। আজিকালি মোৰ গা সদায় ভালে নেথাকে, এই নিমিত্তেও আপোনালৈ চিঠি লেখা নহয়। আসাম দেশখন ভাবি ভাবি মোৰ মূৰ যি ঘোগোলা হলেই, কিতাপ ছপাই বাতৰি আলোচনী আদি কাকতত প্ৰবন্ধ ছপাইও অসমীয়া ৰাইজ আৰু ডাঙ্গৰীয়াসকলৰ মন উদগাই তুলিব পৰা নাই। মই ধনহীন দুখীয়া গতিকে মোৰ কথালৈ কোনেও কাণ নিদিয়েনেকি? মই থিৰাংকৈ কওঁ, সমাজ-সংস্কাৰ আৰু লগে লগে ধৰ্ম্ম-সংস্কাৰ নহ'লে বৰ্ত্তমান যুগে সতৰ্ক বাণী শুনাই ডাঠকৈ কৈছে যে হিন্দু জাতিৰ নাম লোপ পাব। বিশেষ অসমীয়া জাতিৰ সোনকালে নাম লুপ্ত হ'ব। এতিয়া অসমীয়া জাতিক সময়ৰ বামাবলিয়ে যিদৰে ঘূৰাই পকাই কোবাইছে অসমীয়াৰ কানি খোৱা টোপনি ভগাই নাই। আনপিনে দন্দুৰা, স্বাৰ্থপৰ বঙালী ভাইসকলে আসামখন শুহি গিলি খাই থাকিও এতিয়া কাছাৰ, গুৱালপাৰ, জয়ন্তা পৰগণা ছিলেঠীয়াসকলৰে সৈতে লগ লাগি ছিলেঠৰ পোন্ধত বান্ধি ছিলেঠ যদি বঙ্গদেশ ভুক্ত হয় লৈ যাবৰ মন কৰিছে। অসমীয়া ডাঙ্গৰীয়াসকলৰ ভিতৰত দেখোঁ সকলোৱেই আওকাণ মৰা, মই বুঢ়াই মাজে মাজে প্ৰবন্ধ লেখি মনৰ ভাব প্ৰকাশ কৰাতো মোলৈ কোনে কাণ কৰে? যি দেশৰ মাতৃ-ভাষাৰ প্ৰতি শ্ৰদ্ধা নাই, যাৰ মাতৃ-ভাষাৰ সাহিত্য-উন্নতিলৈ একেবাৰে অৱহেলা, কিতাপ লেখিলেও বিক্ৰী নহয়, পৰি থাকে। এতিয়া এদল বাগ্মী ওলাইছে, সভাপতি হৈ বহি যি কথা কয় কাম কৰি নখটুৱায়। এইসোপা কথা দেখি হৰিভকত, মই হতাশ হৈ পৰিছোঁ। আপোনাৰ আৰু গৃহতনীৰ শৰীৰ কেনে, ছোৱালী দুজনীৰ শাৰীৰিক আৰু মানসিক শুভ ভাব কেনে জানিব দিবনে?

মই সপৰিয়ালে ভালে আছোঁ, ভগবানে আপোনাকো ভালে ৰাখে,

ইতি আশীৰ্ব্বাদ

আপোনাৰ হৰিভকত
শ্ৰীকমলাকান্ত ভট্টাচাৰ্য্য

পুঃ মোৰ এতিয়া বয়স ৮৫ বছৰ। কোনদিন ভিতিং মাৰোঁ তাৰ ঠিক কি? মনৰ দুখ মনতেই মাৰ যাব, হায়! হায়! বৃথা মোৰ জন্ম আৰু জীৱন, দেশৰ নিমিত্তে ধনেৰে বা জ্ঞানেৰে একো কৰিব নোৱাৰিলোঁ।

হৰিভকত

চন্দ্ৰকুমাৰ আগৰৱালাই লেখা

৫

Bankipur

20.9.94

Bez,

You are indeed a capital chap. I could have given you a good lesson had you been near at hand. You have been playing tricks with me and you won't allow the same privilege to me. I wanted to know what you intend doing if you are not going up for the B.L. But you are gravely silent on the matter while growing eloquent on this & that. Mind this humbug won't do. Tell me plainly—do you stand up for Deputy-giri or go to England & come out as a Barrister? Won't your brother in America help you in this? By the by, what about him? Does he write to you now & then? When is he coming over to India? Krisna wrote to me, father had come down to Calcutta & gone to Purulia. Where did he put up? and when does he return? What about Bhola Babu? How is he doing? Kanak, I learn, is going to revive *Jonaki.* Is it so? Send me your copy of *Assam* if it is out and *Jonaki* too. Don't let anybody know my address here—do you understand? You need not give out my whereabouts to anyone. My address is known to you, though you will ... ... that you do not know. It is "Ch ... ... Mathuranath Das Gupta ... ... Purandarpur Bankipur......." I am well in the loose sense of the term. How are you and how is your better & nobler half?

Yours

Majew

৬ Tamulbari

30.11.00

Dear Bez,

I am pleased to have a copy of *Amis-o-Niramis Ahar* by post. Accept my thanks for same, and tender my heartiest congratulations to the authoress who has achieved such success in being able to make the book so simple and useful and at the same time so charmingly got up. This is a new departure and her hope will be fulfilled, I trust, that of being useful to the society at large.

You have not, Bez, it seems, got me off the tablet,—no letters these two years! What of that? Bez, past things come to my mind now and again & merge again into the past. The present engrosses me so. "Quieth, thy tablets, Memory."

I may go down to Calcutta this cold weather. Mrs. Agar. may or may not accompany. Will you be there all the time—or you will plunge into the unknown wilds of Nagpur? I wish I might be with your for sometime and come into my elements for a while—though I know I shall have to return again to the inevitable too soon.

Bez, I don't know, I feel somehow, that we will some day come together—and be again pleased & refreshed and be source of energy to each other. Mind, we have lots of things to do.

Well, I have been married these two-and-a-half years, yet I do not like to call myself a "husband"—which you so thoughtlessly do.

How is your sweet baby? Tho' I have not seen her, I wish her joy forever. You must introduce me to her.

Kind regards to self and Mrs.

Yrs. affly,

"Majew"

৭ 9. 3. 02

And Bez,

You are a "Sokā tekelā"—just the thing for me. Write, write, write. Is it not drudgery—this writing business? But must submit to it.

Don't be so boisterous. Why must you be pining and pining for love when you are certainly in possession of the brightest jewel?—wherever located that may be at present, whether in the forests of C.P. or in the wilderness of your heart. How is it that your heart has turned so wild? Can it be, by contaminations with the wild "Sāl" forests of the Vindhya Hills?

Assam tea is no wild thing, mind. It has been cultivated from time immemorial by the "celestials" and now taken up by sound-headed people in this country. Heavenly plant nectarine (fools call "narcotic") drink of the gods, *Theobroma,* save them the inconsiderate mortals. Long live Andrew Yule! and so expand his scheme for ever to hand you "the cup that cheers but inebriates not."

Bus, Bez,

Yours
Majew

P.S.

My salaams to Mr. Atul Ch. Ghose & Kisori Babu. Best regards to "Burra sahib" and Mrs. Bezbaroa, and kisses to baby.

CKA.

৮

Tamulbari

25.7.02

Dear Bez,

So far back as 6th June last—Is it so? Tables have again been turned. But what care I? That is the way with me, you see, and you know it. Never mind, old chap.

You long for rest? Why before your days? Do what you can & there is manliness—সহস্রং কুরু কর্ম ত্বম্‌ Though you are getting old, as you say, you are what you are. We may not be the heroes we were. Still we have the Will—the strong will "to strive, to seek, to find and *not* to yield." Timber, money, business, day & night—what of that? Mind, we have the Tea Crisis. Do you long for change? Well don't you

change places with me? You come to Tamulbari and I go to the Sāl forests. Will it satisfy you?

Jonaki, Bijuli & Banti—have any of these fulfilled your expectations? I am conspicuous by my absence from the contributors' list to the *Jonaki.* It was you that made me do what I could, and it will be yourself again that will make me do what I can. Well, I will send my little things that I have for *Jonaki.* But don't you think people do not relish my poems? You may have a partiality for my doings. But I have no right to intrude where angels fear to tread.

Could you do one thing for me? I am sending you a barometer for repairs. Hand it over to some trustworthy fellow that will do the job conscienstiously. But first, let me know the cost. It must not be prohibitive, you see.

The barometer is put in the small package of tea that I forward to you for acceptance. The R/receipt will be posted to you by my ghāt agent in due course. Kindly acknowledge receipt of it in good order.

Perhaps you will wonder at my sudden recollection, but Bez, I am always a little bit "out of time". Hand over some tea to our *grand man* with my best regards.

Your. Peri—will she pardon me? I owe her a thousand apologies, and I know her, she is never inexorable. My kindest regards to her and Burra Sahib. Kisses to baby. Is she grown up big now? I found her a little timid kitty.

Muktaprova is doing well. She is a লজ্জাশীলা creature. How can I make her up to the times, I do not know.

Well, so much for the present. Ta-ta, good old chap.

Yours ever
Majew

P.S. Father was in Calcutta for some time, he is going to Puri, he wrote.

CKA.

৯

Tamulbari
6. 6. 08

Dear Bez,

What is the matter, old chap? Quite silent. Anything amiss? Never saw you in this plight before. Or, are you

gone to England ? Nice, very nice, you have taken your chance, man. Or, God forbid, are you a victim to the bomb conspiracy? Which? Write to me, though you be not in this woeful world of ours.

I beseech you to come down once to speak to your

Majew Dear

১০ The Fountain Head

21.9.08

Bez,

What has a timber merchant to do with orchids, a heartless fellow he? And is this the time to ask for such things when I can't turn my mind to anything else but Tea, and my mind full of retailing business.

Call me a nice 'chap or anything else. I can't send you any orchids just at present. Moreover, why do you ask me to pay the freight, man? And you want to send me the same?

Yes, I will take the trouble for you Bez, and earn your—. But not now.

Ys.
Orchid . . . . .

১১ Tamulbari

Feb. 19th 1909

Dear Bez.

Your authorship's favour, *Surobhi* in memory of the angel that left you some time ago, has descended on me abruptly. It excites a thousand feelings in a fellow sufferer's heart. Moreover, it reminds of the dear little thing that left him in the same fashion. This world is a place of feelings. But I have been getting into the groove of feelinglessness. Is it not? You have had experience of this, no doubt.

Why silent, Bez, for so long a time? Eternal silence staring us in the face.

I remain
the same
Majew

১২ Tamulbari
9. 5. 09

Dear Bez,

A thousand apologies, a thousand thanks & a ten thousand other things. You know I am a man of "Excuses" and you are a man of "Pardons", I know. যোগ্যং যোগ্যেন যোজয়েৎ। How grand the idea !

I have been sleeping the whole time & dreaming & brooding over riddles, all the while.

দিনৰ দিনটো খপি মিছা ভাবনাত
সন্ধিয়া উচুপি উঠি বহিলোঁ শয্যাত।
সকলো ওলটে দেখোঁ চাৰি
সামৰি দিনৰ কাম লৰৰি ভাগৰি।
এন্ধাৰ ৰাহুৱে দেখো আহি আবৰিলে
জীৱনত পোহৰৰ বাকী যি আছিলে।
এতিয়াও দিব পাৰোঁ গোটেই জীৱন
যদি ঘূৰি পাওঁ হায় জোনাক একণ।

and now I have got the "light' again, my dear. What do you think of the above lines They are not *ex tempore tho'*.

I am sending you my প্ৰতিমা and leave her at your mercy— I am penniless, you know. ... only guarantee credit . . . for payment a year hence. What say you to this ?

Your father's life has been an acquisition to our literature. Why, man, you can do things very nicely. You have always been a nice chap. Don't call this flattery. I don't care if you do, but *things are what they are.*

Why do you standardise me, my good fellow? I am no standard to you. To all the rest of the world I may be, but to you.

I am,
always
"T"he "T"
"S"ame "S"
"T"hat "T"

"T"he "S"tamp of "T"rustworthiness
"T"amulbari "S"tandard "T"eas

I have been,
Yours
Majew.

P.S.

I had a great shock the other day—my elder boy was about to collapse—got cold hands & feet, but the "atoms" survived, and I have conquered this too. Did ... ... before BKB who writes so from Delhi.

C.K.A.

১৩

Tezpur
17.3.13

My dear Bez,

We arrived here safe day before yesterday. Met Jnan at Gauhati. He seemed all right with wife & baby & Konika.

I did not find my "Rotiwala" while leaving Calcutta. I owe him Rs. 1-8-0 for bread supplied in March. Kindly pay him up.

Have you been able to get my dust teas from Bhawakanta? Where is he putting up? What arrangements are you making to dispose of the dust? Are you selling my other teas regularly? You must have made out a complete list of the teas & other articles left there. Where are you holding your office? Is *Bāhi* despatched?

Please forward the boxes of books to Tezpur by rail to Amingaon & thence by steamer,—don't send at parcel rates which are heavy. The box of printed paper (labels) is to be forwarded to Tamulbari, Lahoal Ry. station.

There is a tin of paper varnish on the top of the office almirah. Please store it very carefully in the godown.

When are you going to remove all the articles & teas, and to what place? You may stock all at your own place, Howrah.

If, however, you require a godown near your office for my teas you may rent one for 10/- or thereabout.

I forgot to hand you a letter of appointment as agent for our teas—which I am doing now. Enclosed you will find an appointment letter setting forth the terms as arranged.

I am well with family. Trust you the same. My kind regards to Mrs. Bez & self & affection to the sweet children.

Hoping to hear from you full details & more,

Yours affly,
Majew

P.S.

Kindly have the calendars all distributed without delay.

CKA

১৪

Tamulbari Tea Estate
Lahoal P.O., Upper Assam
13th Oct. 1913

Dear Bez,

I owe you a thousand apologies for not replying to your kind letter in time. I have also to thank you for the "কবিতা হয় যদি হওক, নহয় যদি নহওক ...". I appreciate it, old chap. It is in spite of your very really genuine poetry. I need not go into details. Where is your শ্রীশঙ্করদেব শ্রীমাধবদেব ?

Nobin, Aroon & Taroon are at Tezpur with their mother & grandmothers—I mean to say that Muktaprava's mother is also at Tezpur now with ... . Nabinar māk wants to come up here with the Ch ... and I don't know if I should bring them up and [keep] them in the rickety old bungalow here. I am going [to pull] down the dilapitated thing & build anew. [I] am putting up in a small hut. I should have [asked you] to come up and pass a month with me had I been in a position to put you up in comfort. Let us wait for [better] times.

I will send you a chest of Pek. & OP ... as desired. What have you done with ... ... Rotting, eh?

The gong sent by the Timber & Store Agency the thing has no "ring" in it. It does not answer even to the beat of

a sound hammering. What am I to [do] with it? Can't you try to return & replace or dispose of [the] same? My best regards to self and Mrs. Bez and love to the children.

Your affectionately
Majew

১৫ Lahoal 9. 2. 14

Dear Bez,

Yours of the 4th instant. I am glad you acted the part of the Chief Dacoit of your better half the second one with success beyond expectation. Aroona must have been the bright Saraswati & Ratna & Dipika both বনদেৱীs of the charming order. I congratulate you all, dear fellows. How I long to have been in your company !

Nobin, Aroon & Taroon & their mother are all come with me to Tamulbari and are well. So sorry to learn you had been laid up for a fortnight after your return from Sahjehanpur. Hope to hear you are all right now.

So happy Aroona has got double promotion to the matriculation class. Hope to see her an under-graduate next year.

Many thanks for your নোমল & পাচনী. নিকৰপতি & চিকৰপতি not yet to hand.

Yours affly.
Majew

I want a set of harness as soon as possible. Send. —CKA.

১৬ Tamulbari
23. 7. 15

Dear Bez,

Thanks for জয়মতী, which has afforded me excellent reading for nearly three hours. I have not read anything like this in Assamese before.

Where are my labels & ... pice packet envelopes? Very urgent ... Very urgent. I don't want the pi... ... if you can't procure, but labels are ...

L. N. Bezbaroa, Esq.
22 Rosemary Lane
Howrah

১৭ Kholiamari
Dibrugarh
2. 6. 20

Dear Bez,

Yours of the 12th May was duly to hand. The books have come to hand. The number received does not tally with your list; enclosed herewith is the gunti paper.

Gauhati Press: I wrote to you sometime in February last that two printing machines with types & accessories were purchased & going to be set up at Gauhati. I have secured land out of the town just on the bank of the river, where the building will be erected. There are hill-tops for residential purposes also. A Marathi expert has offered his services as Press manager. He is a Brahmachari, vou know. He knows his work from top to bottom of the line. The machine will be engine-driven. The capacity of one of the machines is 5,000 copies per hour & of the other 1,500 copies. There will be besides hand presses & tradle machines, so also paper cutting machines, etc. Stock of paper has been secured & will be kept replenished from time to time. The Government has already handed the electoral rolls to be printed in our Press and promises further job works of kinds.—Governments' work alone will keep hands engaged. Books have been offered by the hundred & one authors that abound in Gau.

We may have daily, biweekly, weekly & monthly papers printed from the place, if only a suitable Editor makes his appearance & takes anything up—both in English & Assamese.

Why can't you come to Assam & cast your lot with us? We will elect you to the Assam Council or to the India Council. None of your wailings, Bez.—Come & do something you are destined for. You are wanted here & not in the jungles of

Sambalpur. O! your pathetic story moves stones to tears. Why can't you shake off your shackles & free yourself? You are capable of sacrifice, I know, & it is true you showed the spirit of the Lord Krishnaji.

I had written several letters re : the Press business, but you took no notice & you did not care to drop a single line even, in the body of the replies you sent to my letters.

I am, Yours affly
Chandrakumar

	Books sent as per letter	*Books recd. here in delivery*
Belimar	290	288
Kadamkali	24	24
Bhagot Kotha	58	51
Joymoti	73	66
Chikorpati	76	72
Pachoni	64	63
Kamat Kriti	62	56
Nomal	66	61
Chakradhaj	300	299
Bakhar	142	140
	1,155	1,120

১৮

New Press
Gauhati
11.3.24

My dear Bez,

Send your জীৱন সোঁৱৰণ for চ'ত and ব'হাগ together, together, *without the least possible delay*. I am going to bring out the one within a fortnight or so and the other just on the *first day* of ব'হাগ. Can't you send a "foreword" for the New Year? Any "nonsense" for বিহু? It must be "slack" season with you now—no sawing away in the forests, I believe. Please cut some সাহিত্য logs and send a few বাঁহী pieces or ভাবা sleepers if you like.

Where is Kripabar? Do invoke him again for বাঁহী's sake.

Were you "favoured" by B. Borooah in his *will*? Do you remember his *bravado* of that memorable day when he could not produce before us his vaunted will as at last he remembered it had been left in the office?

Ask "Jodu" to do something for বাঁহী.

Remember me to Ratna, Dipika & Mrs. Bez.

Yours affly
Majew

১৯ গুৱাহাটী
৫।৪।২৮

বেজ,

তুমি যাবৰ এমাহ হৈ গ'ল—জ্ঞানলৈ দিয়া তোমাৰ চিঠিখনৰ বাহিৰে আন কোনো চিঠি নেপালো। 'বাঁহী'খন ব'হাগৰপৰা ওলাব—অসমীয়াত জাননী দেখিছা নহয়? তোমাৰ জীৱনীখন পঠাবাঁ—আগৈয়ে ওলোৱাব পাছৰ। আন আন প্ৰবন্ধও আছে যদি লাগে।.........লেখিব নোৱাৰিলে.........

তোমাৰ ভালেই আশা কৰোঁ।......ইতৰ মাক কেনে আছে—মোৰ প্ৰণাম জনাবাঁ। ৰত্না দীপিকা কলিকতাৰপৰা যাব পায়—ভালে আছে ভাবিছো।...খবৰ লিখিবাঁ। নাতিইঁতক মঙ্গল-বাঞ্ছা......

মোৰ ভাল। হাতী ডাঙ্গৰীয়াৰ...

শ্ৰীচন্দ্ৰকুমাৰ

২০ গুৱাহাটী
৩১।৫।২৮

বেজ,

তোমাৰ 'সম্পাদকৰ টোকা' কিছু সোনকালে পঠাবাঁ—৪ ফৰ্ম্মা ছপা হৈ গ'ল। ৫ম ফৰ্ম্মাত "টোকা" দিব পৰা হ'লে ভাল আছিল কিন্তু নহব যেন দেখিছো। ৬ষ্ঠ ফৰ্ম্মাত অন্ততঃ যাবই লাগে—বাট চাই আছো।

আহাৰৰ সংখ্যা সেই মাহৰ প্ৰথম সপ্তাহতে ওলাব। জেঠৰ সংখ্যা পাব পোৱা। প্ৰবন্ধৰ যোগাৰ নাই।

উজনীয়া মানুহৰ উৎসাহ নাই; দেখা—কামৰূপীয়া আগ বাঢ়িছে কিন্তু ৰসহীন বা বে-ৰসিক লোকৰ সংখ্যাহে সৰহ।

দীপিকা 'পাছ' হোৱা দেখি সুখী হলো—ৰত্নাৰ পৰীক্ষাৰ ফল ওলালে জানিবলৈ দিবাঁ। ছোৱালীহঁত মাকে সৈতে ভালে আছে বুলি ভাবিছো। অৰুণাৰ ল'ৰাটি তোমালোকৰ লগতে আছেনে? বয়স কিমান? জী-জোঁৱাই বৰোদাতে আছেনে? ভাল আশা কৰোঁ।

জ্ঞানেৰে সৈতে নিতৌ দেখা হয়—হাতী ডাঙৰীয়াৰ লগতো।

নবীন তৰুণ লৰাহঁতৰ মাক ইয়াতে আছে। তোমাৰ ভাল বাঞ্ছা কৰোঁ। মোৰ ভালেই। forest work কৰিবলৈ জাৰকালিহে হাত লগাবা?

শ্ৰীচন্দ্ৰকুমাৰ

২১

GENERAL PRINTERS AND PUBLISHERS

Rly. Station
&
Steamer Ghat,
GAUHATI

UZANBAZAR
The 24. 9. 28

মৰমৰ বেজ,

তোমাৰ চিঠি সময়তেই পাই আছো। মই ডিবৰুৰপৰা অহা দুমাহমান হল। সেই কথাটোৰ অনুসন্ধান কৰি কোনো বিশ্বাসযোগ্য মূল নাপালো। যাওক সেই কথা, পাহৰি পেলাবাঁ।

কিছু দিনৰ আগতে ধুবড়ীৰপৰা পোৱা চিঠি এখন 'প্ৰান্তবাসী'ৰ কেইটামান পৃষ্ঠা সহ পঠাইছিলো—পাইছা বুলি ভাবিছো। তাৰ উত্তৰ দিছানে? 'বাঁহী'ত ওলোৱা কথাৰ প্ৰতিবাদ সেইখন। আহিনৰ সংখ্যা 'বাঁহী' আজিকালিতে ডাকত যাব।

'অসমীয়া'লৈকে মাজে-সময়ে প্ৰবন্ধ বা খবৰ-বাতৰি দিবাঁচোন।

তোমাৰ সকলোপিনে ভাল আশা কৰোঁ। মই ভালে আছো। আজিকালি 'নলীনাদ'ত লাগিছো। পানীৰ আকাল গুচাবলৈ ধন ঘটিবলৈ …… তামোলবাৰীত যি ধন ঘটিলো …… তুমি ফৰেষ্টত লাগিছানে ?

প্ৰেছত হ'লে—ধন ডুবালো, কিন্তু—

রচি মধুচক্র গৌড়জন যাহে
আনন্দে করিবে পান সুধা নিরবধি।

তোমাৰ
মাজিউ

জ্ঞান বোপা 'হাথী ডাঙৰীয়া' ভালে আছে। জ্ঞানৰ ছোৱালী ইয়াতে আছে।

২২ গুৱাহাটী
৩০।৫।২৯

বেজ,

তোমাৰ চিঠি দুখন পাইছিলো—মোৰ চিঠি এখন তুমি পোৱা বুলি এখনতো নেলেখিলা দেখোন ? প্ৰায় ৩ সপ্তাহমান হ'ল সেই চিঠি দিয়া। জ্ঞান দাৰ্জ্জিলিঙলৈ গৈছে—লগত নয়ন আছে। মন্টু কটকলৈ গল।

হাতী ডাঙৰীয়াই 'কলপ-সলনি' কৰিছেও লেখিছেও। অৰ্থাৎ সেই নামৰ প্ৰবন্ধ এটা 'বাঁহী'লৈ দিছে আৰু নতুন ঘৰ এটালৈ উঠি গৈছে। সেয়ে কলপ-সলনিকে বুলিলো।

বই স্কাউটৰ কথা বুজিলো… … …কনক… …

২৩ গুৱাহাটী
১৯।৬।২৯

বেজ,

তোমাৰ ১৩ তাৰিখৰ চিঠি পাই বেজৰ পিঠিত এটা 'ঔ' পাৰিবৰ দিহা লগাওঁতেই পলম হৈ তোমাৰ চিঠিৰ উত্তৰটো কিজানি ছেৰা পৰে সেই ভাবনাত ভয় খাই ততালিকে এই কাকতডোখৰ বিচাৰি ললো আৰু তাৰ পিঠিতে 'ঔ'ৰ সলনি আখৰৰ 'ঢৌ' মেলি দিলোঁ। এই wave তোমাৰ ওচৰ পাবগৈ আৰু বেজৰ পিঠিত 'ঔ' পৰিবগৈ।

আজিকালি চৌদিকে wave—heart wave, cold wave, wirelessঅৰ wave, etherial wave আৰু কত কি? প্ৰবল প্ৰতাপ। এইমাত্ৰ বানপানীৰ waveঅৰ প্ৰতাপত অসমীয়া ল'ৰাই মুষ্টি-ভিক্ষাৰ waveঅত পৰি মোৰ মূৰত brain wave তুলিলেহি। দেশভক্তৰ wave ইতি-পূৰ্ব্বেই গ'লহি।

শুনিছোঁ হ'বলা চাপৰমুখৰ ফালে ৰেলৰ লাইনৰ ওপৰত মানুহ—অসমীয়া মানুহ—ল'ৰা-তিৰুতা বুঢ়া-বুঢ়ী—দিনৰ দিনটো ৰাতিৰ ৰাতিটো খপিব লগাত পৰিছে। এইবোৰেই sacrifices of civilization আমাৰ অসম দেশৰ। পছিমীয়া ঢৌ—wave.

তুমি উড়িয়াৰ চিন্তাত মগ্ন—মহানদীৰ wave গণিছা। আমি এইবাৰ কপিলী নৈৰ wave লেখিছোঁ—অ' পদ্মপতিৰ 'মন্দাকিনী'হে হ'বলা। মই পাহৰিলোঁ সোঁৱৰাই দিবাঁ দেও। ওচৰত হাতী ডাঙৰীয়াও নাই শুধি লবলৈ—এদাঁড়মান হৈছে চাহৰ মেল ভঙ্গ করি গ'ল। তেওঁ ছৰকাৰী 'সভাপতি' হৈ পৰিল—বুজ পাইছানে? নতুবাৰ ৰায়ত সভাৰ সভাপতি হ'বলৈ কাইলৈ তেজপুৰ বিশ্বনাথৰ ফালে যাবলৈ ওলাইছে। ধন্য energy! ধন্য বক্তৃতাৰ কোব!

জ্ঞান বোপা 'দ্বাৰজিলিঙ্গ' পৰ্ব্বতৰ টিঙত কাঞ্চনজিঙ্ঘৰ ভঙ্গিমা চাবলৈ সপুত্ৰকে গৈছে বুলি জানিব পোৰা। মই দিনটীয়াকৈ সিদিনা শিৱলিঙ্গ চাই আহিলোগৈ। I mean Shillong. শ্ৰীবিষ্ণু! ম্লেচ্ছৰ ভাষা ওলাল!—আগতে কেবাঠাইতো থাকিলেও সেইটো বিজ্ঞানৰ খাতিৰতহে। বিজ্ঞান সাৰ্ব্বভৌমিক বুলি জানাই, বেজক বৈজ্ঞানিক বুলিয়েই ধৰিলোঁ দেই। 'পৌৰাণিক' যদিও দায় নধৰিবাঁ। যদি সাহিত্যিক বা 'কাব্যিতিক'হে হব খোজা মোৰ অপৰাধ মৰিষণ কৰিবাঁ, মই আৰু কেতিয়াও তোমাক বৈজ্ঞানিক নোবোলোঁ—অৱশ্যে যদি তুমি বৈজ্ঞানিক হব নোখোজা—তেহে।

ইয়াৰ লগতে 'ৰন্ধাবঢ়া' বিজ্ঞানৰ সৈতে শিপিনী ভঁৰালৰ অৰ্থ-বৈজ্ঞানিক সম্বন্ধৰ কাকত এডুখৰি পঠালোঁ। Mrs. Bezbaroaক মোৰ সম্ভাষণে সৈতে সেই কাকতকেৰি দিবাঁ। দীপিকা ৰত্নাৰ ভাতে আছেগৈনে?

মাজিউ

২৪ গুৱাহাটী

২।৮।২৯

বেজ,

তোমাৰ চিঠি সময়মতে পাই আছো। মিছেছ বেজ গুৱাহাটীত সোমাই গ'লহি। জ্ঞান আমিনগাঁৱলৈকে গৈছিল। মই পাণ্ডুৱপৰা আনিলোগৈ। ৰোহিণীয়ে কোনো মানুহ পঠোৱা নাছিল। ৰত্নাৰ চিঠিও পাইছিলো, এদিন পিছত। ডিবৰুগড় ৰাতি ১॥ বজামানতহে হ'বলা। আশা কৰোঁ ভালে ভালে পঁহুছিল—খবৰ পাব খোজোঁ। 'বাঁহী'লৈ তুমি নেলেখাই হ'লা কিয়? আগেয়ে 'ব্যস্ত' থকাতো লেখিব পাৰিছিলা দেখোন? আজিকালি 'ফৰেষ্ট'ৰ ভূতে ধৰিলে হবলা! মোৰ বাগি নধৰিবাঁ দেই সোণাই! মোকতো জানাই। মোকনো সাহিত্য সভাৰ 'পতি' হ'বলৈ কি সতে কোৱা? ছয়কাৰী সভাপতি—আছেই নহয়?

কলিকতাৰপৰা 'আৱাহন' নামৰ 'মাহিলি' কাকত এখন ওলাব বুলি ভু পাইছাই হ'বলা। গোৱালপাৰাৰ জমিদাৰ নগেন্দ্ৰনাথ চৌধাৰীয়ে 'লেখা' বিচাৰি চিঠি দিছে। তোমালৈকো লিখিব পায়। সম্পাদক জনকহে চিনি নাপাওঁ—কোনোবা এজন 'ডাক্তৰ'।…

'বাঁহী'ৰ গ্ৰাহক সংখ্যা পাঁচ শৰ ওপৰ হোৱা নাই। 'জোনাকী'ৰ দিনকে আমি অতিক্ৰম কৰিব পৰা নাই। এই দেশত আকৌ 'সাহিত্য পত্ৰিকা', সাহিত্য-সভা, সভাপতি!! 'হূ—ৰে—', 'হূ—ৰে—', হায় ৰে, হায়। মোৰ কথাষাৰ বেয়া নেপাবাঁ।

শ্ৰীচন্দ্ৰকুমাৰ

২৫ গুৱাহাটী

১১।৩।৩০

বেজ,

তোমাৰ ৬ তাৰিখৰ চিঠি আৰু তাৰ ভিতৰৰ প্ৰবন্ধ পালো। বিপদৰ কথা জানি চিন্তিত হৈছো। দীপিকাৰ ওচৰত কোন আছে? operation successful হৈছে যদি কোনো চিন্তাৰ কাৰণ নাই। মাক ক'ত আছে? শুভ সংবাদ লিখি সুখী কৰিবাঁ।

হাবিৰ জঞ্জালৰ কথাতো আছেই, ময়ো প্ৰেছৰ কামত যি দিকদাৰি পাইছো—কি লেখিম। সম্পাদক সলনি হ'ল—কম্পোজিটাৰবিলাকেও আমনি দি আছে। মেনেজাৰেও দৰমহা বঢ়াই দিব লাগে বুলি ধৰিছে। অথচ বিফেৰা লাভ হৈছে, তেওঁ জানেই।

ৰোহিণী কাউঞ্চিলৰ সভ্যপদপ্ৰাৰ্থী হৈছে—জানাই হ'বপায। আশা কৰোঁ তোমাৰ ভাল। ইয়াত যেন তেন।

শ্ৰীমাজিউ

এইবাৰ তৰুণে মেট্ৰিক দিছে—এই তিনি বছৰ তাৰ এনেয়ে গ'ল। যদুৱে গদ্য-কবিতাৰ কিতাপ এখন মোলৈ দি পঠাইছে—চাই দিব লাগে হেনো। মইনো কি চাম, দেখোন তুমি জানাই। বাণী কাকতিয়েও চাই দিব বুলি লেখাত তেওঁৰ হাতলৈকে দিলো।

শ্ৰীমাজিউ

অৰুণা, ৰত্নাৰ খবৰ মই আজিকালি একো নাজানো। কেনে আছে—আশা কৰোঁ ভাল।

শ্ৰীমাজিউ

মুখাৰ্জিক মোৰ সম্ভাষণ জনাবাঁ। স্বাধীনতাৰ সংগ্ৰামৰ বিষয়ে তেওঁ প্ৰত্যক্ষ জানিব পাৰিব! আমাকো জনাবনে?

CKA.

জ্ঞানে শিলঙত লাট ছাহাবৰ সৈতে খানা খাই আহিলগৈ। election petitionঅৰ বিচাৰক স্বৰূপে গা ঘেলাবলৈ পালে। লক্ষ্মী ফুকনৰ "নিপোটল খাছিয়া ছোৱালী"ৰ কথা তুমি জানাই, তুমি শলাগি লিখা চিঠিখন ফুকনে মোক দেখুৱাইছিল। জ্ঞানৰ ভাগ্যত একো নঘটিল হেনো।

শ্ৰীমাজিউ

তোমালৈ চিঠি লেখিবলৈ বহিলে দেখোন 'ইতি' নপৰেই। অভবিলাক 'ছুহি' হলেই আৰু ছহি কৰা নাযায়। তেও, হাতী ডাঙৰীয়াৰ কথা বাদ দিব নোৱাৰোঁ। তেওঁ আজিকালি নেগুৰকটা বাঘ, শ্ৰীবিষ্ণু হাতীহে। অৰ্থাৎ 'আৰ্য-সমাজ'ৰ সন্ন্যাসী এজনৰ লগ পাই তেওঁ সেই সমাজিষ্ট হৈ পৰিছে। এইবাৰহে এইবাৰ!!

২৬ গুৱাহাটী

৬।৬।৩০

বেজ,

তোমাৰ ২ তাৰিখৰ চিঠি পাই সুখী হলো। 'অসমীয়া'ৰ বিষয়ে কবলৈ কি আছে? দুহেজাৰ টকা দিবলৈ নাই—জামিনৰপৰা মাফ পাবলৈ চেষ্টাত আছো—নিতান্ত লাগিলে পাঁচ শলৈকে দিব পৰা হ'ব। প্ৰেছৰ বাবে পাঁচ শ দিয়া হৈছেই। 'বাঁহী' উলিয়াবলৈ বিলম হ'ল দেখিও লাজ পাই আছো। 'হেজাৰমান গ্ৰাহক হ'লেহে কাগজ উলিয়াই সুখ। 'বাঁহী'ৰ গ্ৰাহক ৪৫০—এই সংখ্যা সন্তোষজনক নহয়। কি কৰিম? কিবা বুধি এটা উলিয়াই চোৱা।

এই কেদিন ইয়াতো বৰ গৰম হৈছে। মই ডিবৰুলৈ যাওঁ বুলি লগাই আছো। নবীনে নলীনাদ বহুৱাইছেগৈ গোলাঘাটত। তৰুণ প্ৰথম ডিভিজনত মেট্ৰিক 'পাছ' হ'ল। ইয়াত যঁতৰ সজাত কিছু দিন লাগিছিল—ফলদানত ভাল যঁতৰ—দাম ১৷০। সূতা কটাৰ ধুম পৰিছে। মাকে 'এৰি' পুহিছে, সূতা কাটিছে, কপাহ নেওঁঠিছে। মইহে নিষ্কৰ্ম্মা হৈ বহি আছোঁ। জ্ঞান শিলঙলৈ গৈছে—'সপুত্ৰকন্যা' শৈলনিবাসত। হাতী ডাঙৰীয়া উচাট-বিচাটকৈ ফুৰিছে। তেওঁৰ জীয়েকো মেট্ৰিক পাছ হৈছে।

বিষ্ণু মেধি হেম বৰুৱাই মীটিং পাতি ফুৰিছে। তৰুণ ফুকনো লাগিব হেনো। নবীন বৰদলৈয়ে মাজে মাজে 'কক্‌বকাই' ফুৰিছে। অমিয়ই 'টিম্বাৰ বিজিনেছ'ত লাগি মনে মনে টাংলাৰ ফালে সোমাই আছিলগৈ, এতিয়া ওলাই আহিছে, 'কামত লাগিব' হেনো।

'ধাৰাসাসাৰ' ফালৰ খবৰ পায়ে আছা নহয়! পেছোৱাৰৰ বাতৰিও ভালেই।

ভালেই আছো।—তোমাৰ ভাল ভাবিছো।

মাজিউ

২৭ গুৱাহাটী
১৬।১।৩১

বেজ,

তোমাৰ কেবাখনো চিঠি আৰু প্ৰবন্ধাদি পাইছোঁ। 'কাৰ্ড' দেখি 'শিৰশিৰাই' মুঠা যদি এইদৰেই আৰু পাবা। প্ৰবন্ধৰ নিমিত্তেহে 'বাঁহী' ওলোৱাত পলম হয় বুলি জানিবাঁ। ভৰালত সৰহকৈ থাকিলে বাছি দিব পাৰি। এতিয়া কানে কান মাৰি চলিছে। 'হেলায়াং কাৰ্য্যনাশঃ স্যাৎ।' লেখিলেই যদি সাহিত্য হয় সেইটো তোমাৰহে। প্ৰবন্ধ পঠাই থাকিবাঁ। গ্ৰাহক কমিছে—বহুতে ভি. পি. ঘূৰাই পঠাইছে। কি কৰিলে ভাল বুজিব পৰা নাই। ৰংচঙীয়া কৰিবলৈ বহুতে কয়। বাণী কাকতিয়ে ইয়াত এজন সহকাৰী সম্পাদক ৰাখিবলৈ কয়—নাম দিছিল ৰত্ন বৰকাকতীৰ। ভাবি চাবাঁ। তোমালোকৰ ভাল বাতৰি। ৰত্না ক'ত আছে? দীপিকাই কি পঢ়িছে? Mrs Bezআক মোৰ সম্ভাষণ জনাবাঁ। Mrs. Agarwala তামোলবাৰীলৈ গৈছে। আমি সকলোটি আমাৰ cousin ৺দীনেশ্বৰৰ শ্ৰাদ্ধলৈ গৈছিলো—গমিৰিত ঢুকাল। আমি ৯ তাৰিখেহে এইখিনি পাইছোহি—অৰুণে মষে ইয়াত। জ্ঞান ভালে আছে। 'হাথী ডাঙৰীয়া'ৰো ভাল।

মাজিউ

২৮ গুৱাহাটী
২৮।১।৩১

বেজ,

তোমাৰ ২৪ তাৰিখৰ চিঠি আৰু 'বুৰ্বুৰণি' পালো। পুহৰ সংখ্যাতো 'বুৰ্বুৰণি' গৈছে। সেই সংখ্যা পাব পোৱা। মাঘৰ প্ৰথম ফৰ্ম্মা ছপা হৈছে। 'কৃষ্ণকথা' আছে। এইবাৰৰ 'বুৰ্বুৰণি'ও তাতে যাব। আন কিবা থাকিলে পঠাবাঁ। আজি ৰত্নকান্ত বৰকাকতী মোৰ ওচৰলৈ আহিছিল। বাণীকান্তৰ কথাতে সন্মত হৈছে—তেওঁৰ ঘৰতে আছেহি। চ'তৰ মাজতহে আহিব পাৰিব হেনো—ব'হাগৰ সংখ্যা 'বাঁহী' হাতত ল'ব পাৰিব। সহকাৰী সম্পাদক বুলি নাম থাকিব। 'বাঁহী' আৰু 'অসমীয়া'

দুইখনয়ে কাম কৰিব লাগিব বুলি কৈ থৈছোঁ। দৰমহা ৬০৲ত ৰাজি হৈছে। 'বাঁহী'ৰপৰা ১৫৲, 'অসমীয়া'ৰপৰা ৪৫৲ বুলি মই ভাবিছোঁ। মৌজাৰ কামত নগাঁও নগৰৰ ঘৰ যাব লগীয়া হৈছে বুলি ক'লে— গাঁৱতহে আছে। দেউতাকেই সম্প্ৰতি মৌজাৰ কাম চলাইছে। মানুহ-জনক সংসাৰৰ হেঁচাত পৰা যেন দেখিলোঁ—depressed। বিয়া কৰালে —ছোৱালী এজনী হৈছিল।

আমাৰ ওচৰলৈ আহিবলৈ তোমাৰ বৰ হেঁপাহ হয়—'থাকি থাকি'। আমিতো আগৰেপৰা মাতিয়েই আছোঁ—আহাঁ, আহাঁ। দীপিকাই B.T. পঢ়াৰ কথা মোৰ আগতো উলিয়াইছিল—শিক্ষয়িত্ৰী হ'বৰ মন। মইতো ভালেই বোলোঁ। আত্মনিৰ্ভৰৰ সমান বস্তু নাই। শিক্ষা-দান গৌৰৱৰ কাম।

ৰত্না কলিকতাত আছেগৈ বুলি শুনিছোঁ। ৰোহিণীয়ে চাহৰ এজেঞ্চি খুলি বহিছেগৈ। তুমি দেখোন লগ লাগিব পাৰা—তোমাৰ বুধি-ভাৰথা পালে ৰোহিণীৰ কাম ভাল হ'ব বুলি মই ভাবোঁ।

আৰু এটা কথা। অসমীয়া 'লাইফ ইন্সিউৰেঞ্চ' কোম্পানী এটা চলাব নোৱাৰিনে—ভাবি চাবাঁ। হেড্ অফিচ গুৱাহাটীত হ'লে কেনে? ইয়াতো দেখোন বহুতো 'লাইফ অফিচ' এজেঞ্চিবোৰে ব্ৰাঞ্চ খুলিছে। নবীন বৰদলৈয়ে কয়, প্ৰসন্ন, শিৱপ্ৰসাদ বৰুৱা আদিয়ে লগ লাগি তেনেকুৱা কাৰবাৰ এটা খুলিব পাৰিলে অসমৰ টকা অসমতে থাকে আৰু বহুতো কামলৈ capital ওলায়—যথা tea-garden financing আদি। 'দুৱাৰ'ত ভাৰতীয় চাহ-বাগিচাবোৰৰ সহায়ক হৈছে ভাৰতীয় 'লাইফ অফিচ'বোৰ। —ৰোহিণীৰ energy আছে। A. C. Senএ Empire Life Insurance Companyৰ টকাৰেই চাহৰ এজেঞ্চি চলাইছে। এইবোৰ কথা তুমি জানাই। কলিকতাত তোমাৰ চিনাকি capitalist বহুতো আছে। ভাবি চাবাঁ। মিছেছ বেজবৰুৱাক মোৰ সম্ভাষণ জনাবাঁ। নবীনৰ মাকৰ তেজপুৰ ডিবৰুৰপৰা ঘূৰিবৰেপৰা আকৌ melancholia হোৱা দেখিছোঁ।

মোৰ ভাল। স্ত্ৰান ভালে আছে—মন্মু নয়নৰ সৈতে। তোমালোকৰ ভাল বাঞ্ছা কৰোঁ।

মাজিউ

২৯ গুৱাহাটী
১০-৫-৩১

বেজ,

তোমাৰ ৫ তাৰিখৰ চিঠি প্ৰবন্ধ পালোঁ। প্ৰবন্ধাদি পোৱাত দেৰি হয়, সেয়ে কাকত ওলোৱাত বেমেজালি হৈছে। 'বাঁহী'ৰ লেখ নাইকিয়া হৈছেহি। যত্নুৰেও দেখোন এৰিলে। অথচ 'আৱাহন'লৈ প্ৰবন্ধৰ নাটনি নহয়। গল্পহে মানুহক লাগে। 'বাঁহী'ত গল্প নাই, ছবি নাই, ছপা ভাল নহয়, কাকতো নীচেই সৰু। ইত্যাদি বহুত কথা শুনিবলৈ পাওঁ। মই কোনো কাম কৰিব পৰা নাই—সেই দেখি মোৰ বেয়া লাগি আছে। 'বাতৰি'ত দেখিছাই—'বাঁহী'ৰ বদনাম, মোৰ বদনাম। তুমিয়েই দেখোন অকলে এক অক্ষৌহিণী—কয়োঁ বুলিলে বহুতো কৰিব পাৰা। মোৰ দ্বাৰায় mismanagementহে হৈছেগৈ। এইবোৰ ভাবি চাবাঁ। বন্ধুকান্ত বৰকাকতীক ৰথা সম্বন্ধেও কওঁ—তেওঁক energetic যেন নালাগিল। আন কাকো পোৱা নাই। 'বাঁহী'ৰ আৰ্থিক অৱস্থাত ভাল নহয়। গ্ৰাহক বহুত কমিল। উপায় উলিয়াবাঁ বুলিহে অত কথা লেখিলো। তুমি কলিকতালৈ আহিছাই; কিন্তু গা বেয়া, চিকিৎসাৰ কাৰণে আহিছা দেখি তোমাক কোনো ভাৰ দিবলৈ মনে নকয়। তেঁও 'কবিবৰ'ক কামত লগাব পাৰিবা নাইবা ৰত্না ৰোহিণীতো আছেই। জী-জোঁৱাইৰ ঘৰতে নামিছা বুলি ভাবিছো। সকলোৱে সৈতে পৰামৰ্শ কৰি 'বাঁহী'ৰ ব্যৱস্থা কৰিবাঁ। halftone blocks কিছু select কৰাই regular supplyৰ দিহা লগাব নোৱাৰিনে? অৰ্থাৎ সস্তাতে block-maker এজনক যোগাবলৈ ভাৰ দিব পৰা যাব নে ভাড়ালৈ আনিলেও সস্তাতে হ'ব? নিউপ্ৰেছলৈ প্ৰেছমেন বা machineman বা জমাদাৰ এজন বিচৰাব পাৰানে? অসমীয়া প্ৰেছমেনে যি কৰিছে দেখিছাই! মোৰ গা ভালে থকা হ'লে এইবোৰ বন্দবস্ত কৰিব পাৰিলোহেঁতেন। যি হওক থাওক এইবোৰ কথা। 'বাঁহী'ৰ কথা ভালকৈ ভাবি চাবাঁ।

তোমাৰ নৰিয়াৰ চিকিৎসা হৈছেনে? কোন ডাক্তৰক ধৰিছা? কেনে বিধৰ বেমাৰ একো নেলেখি কেৱল 'ধৰ্‌পাকড়' বিধৰ নহয় বুলি লেখিছা। সংশয়ত পেলালা। জানিবলৈ দি সংশয়ৰপৰা উদ্ধাৰ কৰিবাঁ। Mrs. ক'ত আছে? লগতেনে? সম্বলপুৰত এৰি অহা নাইতো?

ধৰি লৈছো সকলো ভালে আছাহক—যদিও তোমাৰ বিশেষ কি হৈছে জানিব পৰা নাই। ইয়াত ভাল। আমাৰ তেওঁ দিনটো শুয়েই কটাবলৈ ভাল পায়।

তোমাৰ

মাজিউ

জ্ঞান ভালে আছে। ভট্টাচাৰ্য্যৰ জীয়েক স্নেহৰ বিয়া হ'ল—নতুনৰীয়া শৰৎ বৰুৱাৰ লগত—ডিব্ৰুগড়ত বিয়া।

৩০

গুৱাহাটী

৯।৬।৩১

বেজ,

'বাঁহী' পাইছা বুলি ভাবিছো—'বাতৰি'ও পাই আছা। 'বাঁহী'ৰ ওপৰত কুৰুচি অশ্লীলতাৰ অভিযোগ দেখিছা বোধ কৰোঁ। আমাৰ 'কীৰ্ত্তন'ত 'হৰমোহন', 'ৰাসক্ৰীড়া', 'কুঁজীৰ বাঞ্ছাপূৰণ', বিদ্যাপতি, চণ্ডীদাস আদি বঙ্গালীৰ ধৰ্ম্মপুথি, ভাৰতচন্দ্ৰৰ 'বিদ্যাসুন্দৰ', 'ৰামায়ণ'ৰ ৰম্ভাৱতী-হৰণ, সংস্কৃতত কালিদাসৰ 'কুমাৰ-সম্ভৱ,' ইংৰাজিত শ্বেক্স্‌-পিয়েৰৰ Venus & Adonis, Miltonৰ Adam Eveৰ কথা, Shelley, Byron—এইবোৰ অশ্লীল, কুৰুচিপূৰ্ণ নহয়—কেৱল অসমীয়া গাৱঁলীয়া চহা স্বভাৱ-কবিৰ প্ৰাণৰ উচ্ছ্বাসতহে জগৰ লাগিল। 'পণ্ডিতম্মন্য' সমালোচক 'পাণ্ডা'সকলে সাহিত্য মন্দিৰৰ দুৱাৰ আগচি থাকোঁতেই, অস্পৃশ্য চহা গাঁৱলীয়া প্ৰকৃতিৰ অজলা সন্তানে সেই মন্দিৰৰ ভিতৰ সোমাব!!! কি বিড়ম্বনা! বনগীতৰ ফাঁচিৰ হুকুম।

তোমাৰ ৪ তাৰিখৰ চিঠি প্ৰবন্ধ আদি পালো। চেতিয়া ফুকনৰ 'দেৱান' প্ৰবন্ধটোৰ ওপৰত চকু ফুৰাবলৈ নহ'ল। সেই বিষয়ে মোৰ জনাও নাছিল।

বিলাতী ড্যান্স শ্লীলতাৰ বহুত ওপৰত, অসমীয়াৰ বিহু-নাচ নীচেই তল খাপৰ অসভ্যতা মাখোন। চিনেমাবোৰ ৰুচিৰ আদৰ্শ ছবি!

জ্ঞান হাণ্ডীবৰুৱা ভালে আছে।

মাজিউ

৩১ গুৱাহাটী
১১।৮।৩১

বেজ,

তেজপুৰৰপৰা চিঠি এখন দি উত্তৰ নেপালো। 'বাঁহী'ৰ কাম ভালেই চলিছে—দেখি সুখী হ'লো। ভাদৰ সংখ্যা শীঘ্ৰে ওলাব—শেষ ফৰ্ম্মা আজি ছপা হ'ব।

মই পৰহি ঘূৰি আহিলো। জাহাজত উঠিবলৈ বুলি তেজপুৰ ঘাটত ৰাতিটো উজাগৰে থাকিব লগাত পৰিছিলোঁ। নৈৰ পাৰৰ মইমনসিঙ্গীয়া গাওঁবোৰ পানীত তল গৈ আছে, দেখি আহিছোঁ। বৰ বিপত্তি। উজনি, নামনি, মাজ অসমৰ সকলো ঠাইতে পানীৰ প্ৰকোপ। 'অগ্ৰণীয়া'ত পঢ়িবই পোৱা। তোমাৰ কাৰবাৰ এতিয়া বন্ধ আছেনেকি? খৰালিহে কাঠৰ কাম চলে বুলি শুনিছিলোঁ। সম্বলপুৰৰ ঘাম ভোগ কৰি আছা। মহানদীত পানী কেনে? ব্ৰহ্মপুত্ৰৰ মহত্বলৈ মহানদীয়ে কেতিয়াবা আশা কৰিব পাৰিবনে?

শ্ৰীঅটুই অসমীয়াক এৰিব নোখোজে, শুনিছা। গোটেই অসমখনকে হ'লেও বঙ্গৰ অন্তৰ্গত কৰিবৰ চেষ্টা চলিছে। কমলিয়ে নেৰে এতিয়া কি কৰিবা কৰাঁ।

জ্ঞান বোপা কলিকতাৰপৰা কালি ঘূৰি পাইছেহি। মইহে দেখা পোৱা নাই। এতিয়াহে যাওঁ বুলিছো।—মিছেছক মোৰ নমস্কাৰ জনাবাঁ। আমাৰজনা তেজপুৰতে আছে।

শ্ৰীমাজিউ

৩২ গুৱাহাটী
১৮।৯।৩১

বেজ,

৪ তাৰিখৰ চিঠি পালো। জ্ঞান বোপা ক'লৈ বদলি হৈছে বা নহ'বই নে—একো খবৰ ওলোৱা নাই। বৰষুণত ঘৰতে বন্ধ হৈ থাকি প্ৰবন্ধকে লেখিছা বুলি জানিছো—'বাঁহী'লৈ লেখা এসোপা পাই মই 'অসমীয়া'ত তুলি দিলো—বেয়া নেপাবাঁ—অনধিকাৰ চৰ্চ্চা হ'ল—কিন্তু কি কৰিম—Rev. Holmesএ মহাত্মাৰ বিষয়ে লিখা কথাখিনি মোৰ মনে লৈছে

মিলি গৈছে। আৰু তোমাৰ গুৱালপাৰাৰ কথাখিনিও চুৰ নকৰি নোৱাৰিলোঁ—অৱশ্যে তোমাৰ বিনা অনুমতিতে নামটোও দিলো; বেয়া নেপাবাঁ দেই—মোৰ সোণ। তুমি 'অসমীয়া'লৈকো প্ৰবন্ধ পঠালে বৰ ভাল পাম। মই ইয়াত যি অবস্থাত পৰিছোঁ—ভাবি ল'বাঁ। মই চিঠি নিলিখা মানুহটোৱে—দেখিছা, কিখন কৰিছো—তোমাক ততকে দিয়া নাই—প্ৰবন্ধ লাগে, প্ৰবন্ধ লাগে, কেৱল এই কথা। তুমিও ইমানবোৰ প্ৰবন্ধকেযে লেখিছা—সেয়েহে 'বাঁহী' সময়মতে ওলাইছে। এইদৰে আগৰেপৰা চলা হ'লে 'বাঁহী'ৰ অৱস্থা এনে নহ'লহেঁতেন। যেয়ে যি পায় তাকে কৈছে। কওক।

'বাঁহী'তকৈ আগেয়ে 'অসমীয়া'তে ওলোৱা প্ৰবন্ধকেইটাৰ ওপৰত 'অসমীয়াৰপৰা উদ্ধৃত' বুলি 'বাঁহী'ত দিমনে? তোমাৰ মত অতি শীঘ্ৰে জনাবাঁ। 'সম্পাদকৰ চ'ৰা' নামৰ তলত সেই প্ৰবন্ধ দুটা গলে বৰ কেনেবা কেনেবা হ'ব। সেইগুণে মই কৰা প্ৰস্তাৱটো তুমি গ্ৰহণ কৰিবলৈ বাধ্য হ'বলা! এইবাৰ কেনে সেকা পালা?

ইংৰাজি credit শব্দটো হিন্দিত 'জমাখাতিৰ' বুলি ব্যবসায়ী মহলত চলি আছে। অসমীয়াত 'মান্যমানকতা' শব্দ এটা coin কৰিব খুজিছিলো—তুমি মত দিয়া নিদিয়া শীঘ্ৰে লেখিবাঁ। 'বাধ্যবাধকতা'ৰ অনুৰূপ শব্দ। তেনেকুৱা আৰু কিবা শব্দ আছে যদি—তাকো জানিবলৈ দিবা।

তৰুণৰ চিঠি পাইছো। লিখিছে—ৰত্নাৰ কন্যা-ৰত্ন এফেৰি লাভ হৈছে। তুমি খবৰ পাইছাই—Mrs. ক'ত আছে—কলিকতালৈ গৈছেনে? ছোৱালীকণৰ দীৰ্ঘ জীৱন কামনা কৰোঁ। ভাল—মৰম ল'বাঁ।

তোমাৰ
মাজিউ

৩৩

গুৱাহাটী
২৭।১০।৩১

বেজ,

কৃষ্ণ ভট্টাচাৰ্য্যৰ 'জাতিৰ বিষয়ে লিখা' আৰু আন আন প্ৰবন্ধ আৰু চিঠি কাৰ্ড পাইছোঁ। 'বাঁহী' কাতিৰ সংখ্যা পালানে? 'বাঁহী'ৰ

জাননীখন 'অসমীয়া'তো উলিয়াইছো— সালসলনি কৰিব লাগিলে লিখিবাঁ। 'বাঁহী' আঘোণৰ ১ ফৰ্ম্মা ছপা হৈ গ'ল—তোমালৈ ১কপি পঠাবলৈ কৈছিলো, পাইছানে ?

ইয়াৰ লগতে বুক পোষ্টত কেটামান প্ৰবন্ধ পঠালো—ভাল পালে ছপাবলৈ পঠাব পাৰা। মই আটাইকেটা appreciate কৰা নাই। উপেন্দ্ৰ বৰুৱাই লিখাটো হিতেশ্বৰ বৰুৱাৰ প্ৰবন্ধৰ প্ৰতিবাদ, কিন্তু বৰবৰুৱাইতো কোনো remarks কৰা নাই, কেৱল কিছুমান পুৰণি কাকতৰ নকল দিছে—আগলৈহে যদি কিবা remarks কৰে। ভাবি চাই যি ভাল দেখা কৰিবাঁ।

কৃষ্ণকান্ত ভট্টাচাৰ্য্যৰ প্ৰবন্ধটো তুমি ছপাবলৈ পঠাইছিলাই, কিন্তু মই দাগ দিয়া খিনি আপত্তিজনক কথাৰে পূৰ—পঢ়ি চাবাঁ। হেম গোসাঁয়ে 'পুৰণি' * পুথি উলিৱাৰ দৰে ইও এক ··· যেনহে লাগিছে। লিখকৰ নাম-ধাম-গাওঁ, সন-তাৰিখ আদি বিশ্বাসৰ যোগ্য কৰিবলৈ দিয়া যেন লাগে। ভাষাও 'পুৰণি' নহয় আধুনিক—ভট্টাচাৰ্য্যৰ ৰচনা যেন বোধ হয়। 'জোতিষ-ৰত্নমালা' গ্ৰন্থ 'ব্ৰহ্ম-বৈবৰ্ত্তন মহাপুৰাণৰ দশমোধ্যায়ঃ' বুলি শেষ কৰা হৈছে কিয় ? ক্ষত্ৰিয়ৰ 'উপবীত'ধাৰী কলিতাৰ ওপৰত বৰ আক্ৰোশ দেখোন ! 'শূদ্ৰদমন' কৰিবলৈ ওলোৱা ব্ৰাহ্মণ সমাজৰহে এইখন কীৰ্ত্তি হ'বপায়। 'বাতৰি'ত এই প্ৰবন্ধ ওলাইছিল বুলি আমাৰ ভট্টাচাৰ্য্যই (হাতী ডাঙ্গৰীয়াই) কয় দেখোন। পঢ়িছিলানে ?—মিলাই চাব পাৰা। সেই প্ৰবন্ধটোও পঠালোঁ।

'কবীন্দ্ৰ'ৰ মহাভাৰত গোৰীনাথ শাস্ত্ৰীয়ে উলিয়াইছে বুলি নেওগে লেখা দেখি মই এখন অনাইছো—দাম পকাবন্ধা ১৷৹ ডেৰ টকা। তুমি পাইছানে ? এইখন একেবাৰে অসমীয়া পুথি—কিন্তু প্ৰকাশকে লৰচৰ কৰি বঙ্গলুৱা কৰিলে।

ভাল আশা কৰোঁ।

মাজিউ

তোমাৰ নাতি ছোৱালীটাৰ কথা একো নেলেখিলা দেখোন ? Mrs. ক'ত ? কলিকতাতে নে ? ভাল আশা কৰোঁ। CKA

* টোকা এটা দিব পাৰা 'পুৰণি' পুথিখন প্ৰথমে কামৰূপ অনুসন্ধান সমিতিলৈ পঠাবৰ যোগ্য। CKA

৩৪ গুৱাহাটী
১১।২।৩২

বেজ,

মই তোমাৰ ওচৰত অপৰাধী। কিন্তু সদায় অপৰাধ কৰি ক্ষমা খুজি থাকিলে হাঁহিয়াতৰ পাত্ৰহে হ'ম বুলিও ভাবিছো। সেয়ে তুমি নিজেই ক্ষমা কৰি থ'বা বুলি জানিছো। যি হওক, 'বাঁহী'ৰ পুহৰ সংখ্যা পাইছা। তাত 'তুৰ্কি জাতিয়ে' খৃষ্টাব্দৰ ঠাইত 'শতিকা', 'শতাব্দী' লিখি আসোঁৱাহ লগাই থোৱা কথাটো মন কৰিব পোৱা। মই ভাই কি কৰিম? নিজে চাব নোৱাৰি এনে হ'ল।

মোৰ ১৫ দিন মান ছৰ্দ্দি কাহ হৈ কষ্ট পাইছিলো। তাতে কলিকতাৰ ইডেন হোষ্টেলত তৰুণৰ ডিছেন্ট্ৰি হৈ ২০ দিনমান ভুগিলে। কালি এইখিনি পাইছেহি। সি বৰ দুৰ্ব্বল হৈ পৰিছে।

আজি মাঘ মাহৰ ২৮ তাৰিখ, 'বাঁহী' ১ ফৰ্ম্মাহে ছপা হৈছে। এইদৰেই 'বাঁহী'ৰ দুৰ্নাম বাঢ়িছে। আমাৰ 'অসমীয়া'ৰ কাম এনে বিধৰে।

তোমাৰ আৰু মিছেছৰ ভাল আশা কৰোঁ। ছোৱালীহঁতৰ মঙ্গল বাঞ্ছা কৰোঁ। ডায়োচিজানৰ গ্ৰেজুৱেটৰ কাণ্ড পঢ়িছাই। জ্ঞান ভালে আছে। মোৰ সম্প্ৰতি ভাল।

মাজিউ

অতুল হাজৰিকাৰ কবিতা ৩টা সহকাৰী সম্পাদকে 'বাঁহী'ত দিবই ধৰিছিল—মইহে তোমালৈ পঠাবলৈ কলো। কবিতাৰ সোৱাদ পাইছানে?

মাজিউ

৩৫ গুৱাহাটী
১৫।১০।৩৫

বেজ,

১০ তাৰিখৰ চিঠি পালো। তোমাৰ প্ৰবন্ধটো ছপা হল—'অসমীয়া' পাব পোৱা। মই নিজে দুঃখিত, কি কৰিবা? 'তৰুণ অসম'ৰ ব্যবহাৰ দেখিলা। 'অদৃষ্টৰ পৰিহাস' নিশ্চয়।

তুমি 'অসমীয়া'ত লেখিবলৈ কিয় এৰিবা? মই থাকোঁমানে অন্ততঃ লেখি থাকিবাঁ। খং মোৰ ওপৰতো নাই।

মই শ্বিলঙলৈ গৈ দুদিন থাকি ঘূৰি আহিলো—নবীন, মাক, বোৱাৰী, নাতি ২টা তাতে আছে। ময়ে তৰুণে ইয়াত আছো।

জ্যোতিৰ ভনীয়েক দুজনী আৰু মুমলীয়া ভায়েকটোও ইয়াত আছে—অলপতে কলিকতালৈ যাব।

জ্ঞান বোপা এলাহাবাদতহে। হাতী বাবুক মাজে মাজে পাওঁ—তোমাৰ নমস্কাৰটো দিলো।

মিছেছৰ কিতাপৰ দাম পঠাইছে বুলি মেনেজাৰে কলে। তোমাৰ ভাল আশা কৰোঁ।

মাজিউ

৩৬ গুৱাহাটী

২১।৫।৩৬

বেজ,

তোমাৰ চিঠি পালো। চিঠি যে কিমান এই জনমত লেখিলো তাৰ হিছাপ ৰখা হলে তোমাৰ কথা শুনিব নেলাগিলহেঁতেন। হিছাপ ৰখাহে আচল কথা। তুমিতো চিঠিহে লেখা। মই হিছাপো লেখিছিলো। এতিয়া 'ৰণত পৰি ক'লীয়া' হলো জানিবাঁ।

জ্যোতিৰ বিয়া খাই ১০ তাৰিখে পুৱা ৮ বজাত ৰাওনা হৈ গধূলি ৭॥০ বজাত এইখিনি পালোহি মটৰেৰে। কেনে কোব?

'বাঁহী'ৰ জীৱন-সোঁৱৰণ পঢ়িলো। জ্ঞানে কৈছে, দেউতাক সেই সময়ত গিৰিধিত নে আন ক'ৰবাত আছিল, সেই দেখি বিয়ালৈ যোৱা নাছিল। তুমি পাহৰণিৰ জানত পানী খাইছিলানেকি?

'হেন্দোলদোপ' দলৰ কথা কি লেখিম, কি শুনিবা! কথাৰ 'চোট'ত সকলো উটুৱাব খুজিছে। কাম নাই কেৱল কথা, বুজিছা? তোমাৰপৰাতো 'বাঁহী'কে বিচাৰিছে—আনৰ মূৰত সেই দলে পানীহে ঢালে।

'গালি' কিছু আৰু পঠাবাঁ—কাৰণ চিঠিখন 'খালি' হৈয়ে গ'ল। হাতী ডাঙৰীয়াৰ পুতেক তৰুণৰ বিয়া হৈ গ'ল—শিৱসাগৰত, শুনিছানে ?

মৰমৰ

মাজিউ

৩৭ গুৱাহাটী

২৫।৯।৩৬

বেজ,

তোমাৰ ২৩ তাৰিখৰ চিঠি পাই জ্ঞান বোপাৰ ঘৰত আগ চোতালতে বহি এই চিঠি লিখিলো। তেওঁ তোমাৰ চিঠি পঢ়ি ভাল পালে আৰু তোমালৈ দুদিনমানতে এখন চিঠি লিখিব বুলি কৈছে। তোমাৰ বিষয়ে আমি দুয়ো কোৱাকুৱি কৰিছো যে এই সময়ত তুমি ইয়াত থকা হলে আসাম কাউঞ্চিললৈ যাব পাৰিলাহেঁতেন—নিশ্চয় জানিবাঁ।

আমিহে তোমালৈ মনত পৰি কান্দি আছো, আৰু তুমি বম্বে, বৰোদা, কৰাচি মাৰিব লাগিছা! আমি চিঠি লিখি লিখি 'হায়ৰাণ' কিন্তু তুমি সদায় ক'বা আমি তোমালৈ চিঠি নিদিওঁ। এইটো এটা policy মাত্ৰ—এই সভাত প্ৰস্তাৱ গৃহীত হৈছে বেজলৈ ইয়াৰ নকল পঠাব লাগে। 'বেজৰ policyত ভোল নগৈ মনে মনে থকাই ভাল হব।'

ইৰা বাচ্চু ইয়াতে আছে, কণিকাও সপৰিবাৰে। তুমি নিশ্চয় জানা।

মোৰ নাতি ৩টা ল'ৰা হৈছে। মাজিউটো মোৰে নিচিনা হেনো—তাৰ কেবামাহৰপৰা অসুখ হৈ আছে।

'খভাল', 'খভাল' আগলৈ নেলেখিবাঁ দেই—নহ'লে আমাৰ বৰ খং উঠিব একা।

তোমাৰ

মাজিউ

My dear Mr. Bezbaroa,

Greetings and best thoughts. A longer letter will follow. You are always with us. Good luck.

Jnan

৩৮ গুৱাহাটী

২২।৪।৩৭

বেজ,

বহুত দিনৰ মূৰত 'ওলাইছোহি'। সকলো ভালেই চলিছে বুলি জ্ঞান বোপাৰপৰা জানি আছো।

মোৰ লিখিবলৈ বিশেষ একো নাই। 'লিখিলেও যি নিলিখিলেও সি'।

সিদিনা কাগজত দেখিলো Mr. L. N. Bezbaroaই prize distributionঅত preside কৰিছিল। বেছ কৰিছা।

তাতে ব'লা, বৈয়ে গ'লানেকি? ১১৫ ডিগ্ৰি! বাপ ৰে!

অৰুণাৰ ল'ৰা এটি তোমাৰ লগতে আছেনে? আৰু কিবা ল'ৰা-ছোৱালী হৈছেনে? দীপিকা বিলাতলৈ গ'ল বুলি শুনিছিলো। হয়নে? তোমাৰ আৰু মিছেছৰ ভাল বুলি ভাবিছোঁ। মিছেছ বেজ-ৰুৱাক মোৰ সম্ভাষণ জনাবাঁ। তুমি যি হয় ল'ৰা—কেনে আছা?

তোমাৰ

মাজিউ

পুনশ্চ — Mrs. Agarwalaৰ মূৰ অলপ গৰম।

কনকলাল বৰুৱাই লেখা

৩৯ Barpeta

22.5.11

My dear Bezbaroa,

In stead of writing an article for the *Bahi* I prefer to give below a short note as to the birth year of Sankar in order to help you in your discussion.

Aniruddha whose charita puthi was composed in 1674 Sak (সিন্ধু সৈন্ধৱ চক্রেন্দু) has the following :—

যেতিক্ষণে গুৰুদেৱ বৈকুণ্ঠক গৈলা।
ভাদ্ৰ মাস শুকুলা দ্বিতীয়া তিথি ভৈলা॥
বৎসৰৰো কথা কহো শুনিয়োক তাক।
বিন্দু ৰন্ধ্ৰ বেদ চন্দ্ৰ বুজা এই শক॥
অৱতাৰ-শক কহোঁ শুনা মন কৰি।
বাণ বসু নয়ন চন্দ্ৰমা শক চাৰি।
এই শক হন্তে পয়াণৰ শক চাইবা।
পঞ্চ 'ধিক এক শত বৎসৰক পাইবা॥

Thus according to him Sankar was born in 1385 Sak and died in 1490 Sak. He also says that Madhab Deb was born in 1423 Sak and died in 1518 Sak. You will observe that the dates of death are those shown by Daityari Thakur. The verse quoted by the Editor of *Assam Bandhab* from Ramcharan Thakur's book তেৰ বৰিষ মন্দ আয়ু ভৈলা ছয় কুৰি has another reading which runs ডেৰ (1½) বৰিষ মন্দ ইত্যাদি. It is for you to decide which reading is correct. The general and prevailing opinion is that Sankar lived for 118 or 119 years.

Aniruddha says that Sankar left the Ahom kingdom at the time of Narnarayan's invasion of the Ahom territory. Daityari Thakur and Dwijabhusan also say this. Dwijabhusan says that Biswa Singha attacked the Bhuya Chiefs Protap Roy, Gabharu Khan and Ramkhan. They fled to the Gaureswar's kingdom

and when Biswa Singha died and Narnarayan became king, they returned and made submission to Narnarayan. With their help Narnarayan attacked the Ahom kingdom and at that time Sankar with his followers came away from Belguri and stopped at Koplabari in Khetri (present Sarukhetri Mouza). According to Mr. Gait the date of this invasion in 1468 Sak. If Sankar was born in 1371 Sak he was 97 years old then, and if he was born in 1385 he was 83 years old then. In either case he was rather too old then and as Chaitanya died in 1455 Sak it was not possible for Sankar to meet him at Nuddea on Sankar's second pilgrimmage from Patbausi. Gait's date of the invasion may be incorrect.

I send you in original a letter addressed to me by Srijut Mallanarayan Das, Civil Sherestader of Gauhati, who has been making researches for many years. He is in the committee of the Gauhati A.L.I. Society.

Unfortunately our friend Mr. H C. Gossain seems to think that Sankar had a "Dikshaguru" who was either Chaitanya or perhaps Damodar Deb. This is somewhat startling but from the talk I had with him he does not desire to assign to Damodar a subordinate position. Of course, this was his private opinion which perhaps it was not proper for me to express to you in this letter and I hope you will consider this as privileged. Everyone is welcome to have his own opinion so long as he does not seek to convert others to it.

Doing well,

Yours truly
Kanaklal

৪০ Barpeta
16.11.13

My dear Bezbaroa,

Yours to hand. I feel very much flattered by your proposal to dedicate your book to my humble self. I am certainly not deserving of such honour. I am only trying in my humble way to pick up the rudiments of the teaching of our national gurus. They are our masters and they are ever directing us in our upward march in evolution by

the path chalked out by them for us. That is undoubtedly our path suitable for us in every way. In following such a path one need not, therefore, pause to consider the opinion of a section of the public. There are laggards in every race but all will come up in their time. Nothing can stop our progress. I feel that you and I are acting simply as agents here, the guiding spirits being our masters. This is the only explanation of your new bent of mind. Probably you are destined to do something. Your periodical has already done something and you can discern it if you care to do so.

I have just come across an illustrated *charitraputhi* of Damodar Deb & Banamali Deb, the latter being the founder of the Dakhinapat Sattra. The author is Dwija Ramakanta who must have flourished after Banamali Deb. The present puthi was copied in the year 1688 Sak by one Gopinath and the paintings are by one Bijoy Khanikar. This book also admits that Sankar Deb as an incarnation first promulgated the great religion which Damodar, Madhab and others spread. I have not yet fully read the puthi, but there seems to be no mention of the Guru of Damodar Deb or Sankar Deb though the puthi contains a portrait of Chaitanya also. The portraits are all idealistic and not real. The owner of the puthi does not permit me to give it away to others or I could have sent it to you for inspection.

Please exclude controversial matter as far as possible from your book without, of course, deviating from the truth or concealing it. Doing well. With best wishes I remain,

Yours affectionately,
Kanaklal

৪১

Gauhati
15.4.16

My dear Bezbaroa,

I could have induced Mr. P. D. Chaliha to ask a question in the Council if I knew the story about your magazine before.

I think you have read Sir A. Earle's speech in the last budget meeting of the Assam Council published in the

Statesman of the 12th instant. If you have not done so, please read the same. You will find that my labours have been crowned with success and the name Jharun (?) has been discarded. Further you will find that quite a large number of Asamese soldiers have gone to the front and displayed very good fighting qualities and the Chief Commr. acknowledged this. It is indeed a matter of pride that these Assamese soldiers have preserved the reputation of their forefathers who set back the tide of Moghul conquest and drove the Moghul army as far as the Karatoya nearly 400 years ago.

In your note about the Anusandhan Samiti please don't mention that the Government proposed to withhold the grant temporarily. This is a confidential communication. Also do not attack anyone personally.

Yours sincerely
Kanaklal

ঘনশ্যাম বরুৱাই লেখা

৪২ Golaghat
5.3.20

My dear Bez,

I received your kind note at Calcutta and tears rolled down my cheeks as I read it on and on. But I had already got ill when the letter came and gradually I got worse and had to leave for home without replying it. At home I got regularly confined to bed and so the reply has been delayed so long.

I am glad—very glad indeed—that if there were failings on my part you have forgiven and that what I was able to do you believed that I did. The departed soul was not less beloved of me than of any of his friends. Sad indeed was his plight and that of his dear ones. On more than one occasion I wept at seeing them but alas so little could be done to relieve them of so many torments which were beyond control. I would be

useless to attempt an explanation in a letter : so no more of it now.

I am glad also that you are now in full Anandam and that divine Sree Krishna has got hold of your heart. It is then that we come to fulness and when anything seems to be not full the searching soul finds out that it is our base heart and not God's bounties that are not full. So Damodar Bipra found it and peace was for him. As soon as man realize that the Karma assigned to each individual is his complement, he becomes conscious of his fulness at once without caring for the varnish or coating which is intended for some sorts of Karma more than for others : but alas this power of realization is so little vouschafed to us so much made the pivot of balancing our worth !

I am glad to hear of your forester's life and how you enjoy it. Your companionship with the free tribes of god's creation is worth more than a tour round the world and I consider you all the more blessed for that. It is no wonder again that you would so soon win the love and sympathy of all around you there.

My planter's venture has so far been no success. I am too unbusiness-like and not fit for the world. I have come to heavy debits on all sides and I don't know where is the way out. I am leaving it to Him to open it when He will, and till then I must remain content with feeling that I am not fit for anything better. How the future is forming to deal with me I have yet to see.

I am glad to hear of the good outlook for you though so late in life. Thank God. With affectionate good wishes.

I am yours affly,
Ghanasyam

৪৩

Gauhati
The 2nd March, 1907

My dear Bezbaroa,

Your brother is going down to Calcutta hearing of the illness of Dr Bez Barua & Mr J. Barua will recover their health soon.

Your brother told me of a noble project for the regeneration of our country. Will you consider the matter seriously and take early steps like those patriots and ... ... of Poona and Bombay and earn the everlasting gratitude of your countrymen.

By the bye, the Board of Examiners in Languages of the Calcutta University have asked me to suggest what books or extracts from them will be suitable text-books for the Entrance Examination in 1910 and the I.A. and B.A. Examinations of 1909. This is a very important matter in the cause of our language (Assamese). I mentioned about it to you when I met you at Calcutta. Will you, therefore, kindly take a little interest and send me your suggestions in the matter at an early date and oblige. In the matter of the Assamese language I consider you one of the authorities, whose opinion is of great weight and hence the request. Men can earn money undoubtedly, but fame, specially literary fame, is a heavenly thing and few can acquire it.

We are keeping up well and trust this finds self, family and children hale and hearty.

With kind regards,

Yours sincerely,
M. C. Bardoloi

ৰজনীকান্ত বৰদলৈয়ে লেখা

৪৪ক

হেবেদা বাগিচা
১৭ মে, ১৯২৫

প্ৰিয়বৰেষু,

আপোনাৰ চিঠি পাই আনন্দ পালোঁ। বিজয়বাবুৱে profusely আকৌ ক্ষমা মাগিছে। মই লেখিছো যে তুমি withdraw কৰা আৰু Education Gazetteঅত ক্ষমা মাগা। নহ'লে মই এনেকুৱা এটা defamation এৰি দিব নোৱাৰোঁ।.....

মই কেতিয়াও কস্মিন কালেও লেখা নাই যে নদীয়ালৰ লগত কলিতা আৰু কেওটৰ বিয়া হয়। সি withdraw আৰু apologize কৰোঁ বুলিছে। দেখা যাওক।......

......কি কৰিম! এইটো মোৰ কৰ্ম্মফল। বৰ মানুহ হোৱাৰ ফল। এতিয়া খোৱা-বোৱাৰ সংযম ৰাখি চলিছোঁ। মানে এসাজ ভাত খাওঁ—এসাজ লাল আটাৰ ৰুটি খাওঁ বিনা মাছ-মাংসই। গাখীৰেই মোৰ প্ৰধান আহাৰ হৈছে।......

শ্ৰীৰজনীকান্ত বৰদলৈ

৪৪

New Amolaputty
Rihabari
Dibrugarh
7. 12. 28

প্ৰিয়বৰেষু,

আপোনাৰ ২৯।১১।২৮ তাৰিখৰ চিঠি পাই আনন্দ পালোঁ। আশা কৰোঁ শ্ৰীমতী ৰত্না আইটী সুখেৰেই বিবাহিত জীৱন অতিবাহিত কৰিব। তাইৰ সুখ-দুখ সমস্ত গিৰিয়েকৰ ওপৰতহে নিৰ্ভৰ কৰিব। মোৰ জীয়াৰীৰ আৰু জোঁৱাইবো বৰ্ত্তমানে অৰ্থাৎ শ্ৰীমান কানু প্ৰসন্ন এওঁবিলাকৰ মাক থাকে মানে, কোনো কথাতে voice নাই। এই

কথাটো বিশ্বাসে জনালোঁ। মই ভালে আছোঁ। বৰদলৈয়নীৰহে আজি তিনি মাহে অলপ অলপ জ্বৰ। ৩।৪টা ডাক্তৰ লাগিছে, এজনে কয় chronic malaria, চিকিৎসা কৰি থকাজনে কয় B Coli. কিটো ক'ব পৰা নাই। নিতৌ ভাটীবেলা একেৰা তাপ উঠে অৰ্থাৎ ৯৯° বা ১০০° তাপ হয়, নিশা ৮মান বজাত এৰে। এয়ে বৰ্ত্তমান আমাৰ গতি। শ্ৰীমতীয়ে আমাৰপৰা হলে নিজৰ জীয়াৰীৰ দৰে সাদৰ সম্ভাষণ পাব। ইতি

আপোনাৰ

মৰমৰ

শ্ৰীৰজনীকান্ত বৰদলৈ .

৪৫

বিহাবাৰী

ডিব্ৰুগড়

১৫।২।৩১

প্ৰিয়বৰেষু,

যাবৰেপৰা আমিও লেখা নাই, বোধ কৰোঁ আপুনিও আমালৈ পাৰ্হবিলে। যি কি নহওক, আপোনাক জনাওঁ যে আমি মায়ামৰীয়া-সকলৰ অৰ্থে কাপ-মৈলাম ল'ব লগাত পৰিলোঁ। ইবিলাক অকাৰণে আজি ইমান বছৰে নিন্দিত, ঘৃণিত হৈ আছে। গোসাঁইসকল শিৰফুটা আদি ভুগুৱাৰ সন্ততি। শিষ্যসকল আচল মহাপুৰুষীয়া। মায়ামৰীয়া বিদ্ৰোহৰ পিছৰপৰাই কোনোবাই "আদিচৰিত" নামৰ পুথিখান ৺মাধৱদেৱৰ নামত জাল কৰি লেখি এখেতসকলক নিন্দনীয় কৰি থৈছে। কিন্তু মিছাৰ ঠেং চুটি। সত্যৰ সদায় জয়। -মই এটা দীঘল সমালোচনা 'বাঁহী' বা 'আৱাহন'ত ছপাব খুজিছোঁ যদি ছপায়। মই শ্ৰীযুত আগ্ৰৱালাদেৱলৈকো লেখিছোঁ। শাক্ত আৰু ব্ৰাহ্মণৰ হিংসাত পৰি এখেতসকল অনাহকতে আহোম ৰজাসকলৰপৰা নিগৃহীত হৈছিল। Mrs. বেজবৰুৱাক মোৰ নমস্কাৰ জনাব, আপুনিও মোৰ নমস্কাৰ লব। ইতি

শ্ৰীৰজনীকান্ত বৰদলৈ

পুঃ

৺দিনজয় মায়ামৰা সত্ৰাধিকাৰ মোৰ বন্ধু শ্ৰীশ্ৰীযুত হৃদয়ানন্দচন্দ্ৰ দেৱ গোস্বামীয়ে আপোনালৈ তেখেতসকলৰ বিষয়ে চিঠি লেখিব। অনুগ্ৰহ কৰি যেন সহানুভূতি দেখুৱাই আপুনিও সিবিলাকৰ অৰ্থে কাম কৰে। ইতি

শ্ৰীৰজনীকান্ত বৰদলৈ

৪৬

ৰিহাবাৰী
ডিব্ৰুগড়
১০।৩।৩১

প্ৰিয়বৰেষু,

আপোনাৰ চিঠি পাই পৰম সন্তোষ পালোঁ। মইও গত নবেম্বৰ মাহৰপৰা মাজিউটো ল'ৰাৰ পৰীক্ষাৰ নিমিত্তে ডিব্ৰুগড়ত ৰান্ধনি এটা লই আছোঁহি। ১লা এপ্ৰিলত আকৌ ডিব্ৰুগড় সম্ভৱতঃ কেইবছৰ-মানলৈ ত্যাগ কৰি হেবেদাৰ হাবিতে সোমাই থাকিমগৈ।

আমাৰ অস্তিত্ব বৰ্ত্তমানে কি ৰজাঘৰে, কি প্ৰজাঘৰে, ক'তো নাই। ইফালে বেপাৰ-বণিজ সকলোতে নিৰাশাৰ ঢউ মাথোঁ দেখিবলৈ পাওঁ। এৰা, মায়ামৰীয়াসকলৰ সম্পৰ্কে মই এটা আলোচনা লেখি এটাইছো, খণ্ড খণ্ড কৰি 'আৱাহন'ত দিম।

মায়ামৰীয়া বিদ্ৰোহ, তাৰ লগত নিজৰ কাল-সংহতিৰে দিহিং সত্ৰৰ বিদ্বেষে (৺যদুমণিদেৱক 'কল্পতৰু' পুথিখন চাবলৈকো নিদিয়াৰ বাবে বোলে), অলপ-অচৰপ শাক্ত ব্ৰাহ্মণৰ হিংসাই, ৰজাৰ ভূঞা বংশৰ ওপৰত (ক'ৰবাত কেনেবাকৈ কেতিয়াবা অনৰ্থ ঘটাব বুলি ভয়ত) তীব্ৰ আৰু সন্দেহৰ চকুৰে মায়ামৰীয়া সেই 'আদিচৰিত' পুথিখনৰ দ্বাৰায় নিন্দনীয় কৰি থৈছে। কায়স্থক কলিতা পাতিছে। ৺অনিৰুদ্ধ-দেৱক ডেৰ শ বছৰৰ আগলৈ টানি নি ৺শঙ্কৰদেৱে সৈতে বিচ্ছেদ, 'কল্পতৰু' পুথি-চোৰ ইত্যাদি নিন্দা-বাক্য কৰিছে। মই **historically** প্ৰমাণ কৰিছো যে এই 'আদিচৰিত' ৺মাধৱদেৱৰ নামত জাল কৰি

লিখা বিদ্বেষমূলক পুথি। এই পুথিখন হেনো দিহিঙ্গৰ বিশ্বাসী কোনো এজনে মায়ামৰীয়াক শত্রু পালিবলৈ লিখা পুথি।

একপ্ৰকাৰ ভালে আছো। ইতি

মৰমৰ
শ্ৰীৰজনীকান্ত বৰদলৈ

৪৭

হেবেদা বাগিচা
মাকুম জংচন
৬।৫।৩৫

প্ৰিয় বেজবৰুৱাদেৱ,

ভালেমান দিনৰ মূৰত মোৰপৰা এই চিঠিখান পাই আচৰিত হ'ব পাৰে। পিছত, কথা এটা সোধোঁ। শ্ৰীমান বেণুৱে উলিয়াই দিলে যে শ্ৰীযুত ৰবি ঠাকুৰৰ উপৰিপুৰুষ অসমীয়া। শ্ৰীযুত কনকলালে অলপ প্ৰতিবাদ কৰিলে। আপুনি facts আৰু figureএৰে দেখুৱালে যে তেওঁ "ৰত্নমালা ব্যাকৰণ" ৰচোঁতা পুৰুষোত্তম ভট্টাচাৰ্য্যৰ বংশৰে। পুৰুষোত্তম আছিল অসমীয়া, পিছত এতিয়া শ্ৰীযুত ৰবি ঠাকুৰে শিলঠৰ প্ৰমোদ দত্তৰ জীয়েক কুইনীলৈ লেখা চিঠিখান পঢ়িছেনে? নাই পঢ়া যদি পঢ়িব। ৪ নে ৫ তাৰিখে "আনন্দবজাৰ"ত ওলোৱা চিঠিখান। শ্ৰীযুত ঠাকুৰে লেখিছে যে তেওঁক পাৰস্যৰ ৰজায়ো মোগল বংশৰ বুলি দাবী কৰে। আন আন জাতিয়েও তেওঁক দাবী কৰে। সেই দেখি সেইসকলৰ জাতিৰ ভূতবিলাকে কেনেবাকৈ অসমীয়া ভূতক কিলাব বুলি ভয় কৰি তেওঁ যম ৰজাক খাটিছে যে তেওঁৰ আসনখান যেন সিপুৰীত বেলেগে ৰাখে। দেহি ঐ, অসমীয়া যি ভূত ভূতেই। শ্ৰীযুত ঠাকুৰৰ কাপৰপৰাও আমি অসমীয়া ভূত হ'লোঁ। ধন্য আমাৰ কপাল। ভালে আছোঁ। ইতি

আপোনাৰ মৰমৰ
শ্ৰীৰজনীকান্ত বৰদলৈ

৪৮ Tezpur, 13. 4. 08

My dear Mr. Bezbaroa,

Kindly accept my Bihoo greeting and I wish you a happy new year.

Please also accept a presentation copy of my *Gadadhar* posted today. The lines in manuscript on the first page of the book will, I hope, indicate my object in this connection. I hope I shall be favoured with your valuable opinion timely to be put in the next issue of the *Usha*, which comes out in a fortnight hence. I need not say that I am in a very delicate position not being able to publish any criticism on my own books in my own paper unless a friend of your position would be pleased to do this for me.

Thanks for your last contribution to the *Usha*, and it reached me timely for the next issue. I am fit and hope you are hale and hearty.

Sincerely yours,
P. Borooah

L. N. Bezbaroa, Esqr.

৪৯ Tezpur 24. 3. 09

My dear Mr. Bezbaroa,

I hope you have received the last issue of the *Usha* with your life-sketch published therein. The next issue is also in the press, and I hope you will kindly send your next article to reach me in time. This time I would prefer an article on the present "Reading public of Assam" to all others. In fact, to create a reading public in Assam is a crying need of the time and you may deal on it by a series of articles. By the bye, I pray not to write anything on the present disturbances and

so-called agitation of Bengal, for the present and it is to obey the warnings of authorities here. I request you once more to post your next article as soon as possible and oblige.

I have noticed your *Surabhi* in the present issue of the *Banti* which will be posted tomorrow. Thanking you for your kind opinion on my *Bhanumati*. I remain,

Yours sincerely

L. N. Bezbaroa, Esqr. P. Borooah

৫০ "পদ্মকুটীৰ", তেজপুৰ, অসম

অং ২৭।৭।১৮৫৭ শক

প্ৰিয়বৰেষু,

'গীতাসাৰ' পুথিৰ ওপৰত আপোনাৰ সাদৰী মন্তব্যে ওখোনিয়াই দিয়াত মোৰ ত্ৰুটী ওলাই পৰিল যে, 'শ্ৰীকৃষ্ণ' পুথিৰ আদ্যলীলা আৰু মধ্যলীলা এই দুখণ্ড অদ্যাপি আপোনালৈ উপহাৰ পঠিওৱা হোৱা নাই। সেই কাৰণে, অনতিপলমে আজি পঠিয়ালোঁ; পলম হোৱাত বিষম নাপায় যেন। পঢ়ি কেনে পায়, আপোনাৰ মন্তব্যৰে সৈতে সোনকালে জানিবলৈ পালে সন্তোষ পাম।

'শ্ৰীকৃষ্ণ'ৰ অন্ত্যলীলা খণ্ড এতিয়াও কলিকতীয়া প্ৰেছত; ১৪ চৈধ্য ফৰ্ম্মা ছপা হৈ উঠিছে, আৰু ৭ ফৰ্ম্মামান ছাপিবলৈ বাকী। ধনৰ অভাৱত ইমানদিনে পুথিখন পোহৰলৈ উলিয়াব নোৱাৰি বেজাৰ পাই আছোঁ।

পূজাৰ আগতে ওলাব লগীয়া "বন্তি" পাছতহে ওলাল। আপোনাৰখন "বন্তি" ওলোৱা মাত্ৰে পঠিওৱা হৈছিল। নাই পোৱা বোলাত আকৌ এখন পঠোৱা হৈছে। প্ৰাপ্তি-সংবাদৰ চিন্-স্বৰূপ অহা সংখ্যালৈ আহাৰ যোগান সোনকালে আহি পায় যেন।

অহা সাহিত্যিক সন্মিলনীত আপোনাৰে সৈতে ইয়াতে এবাৰ বহুদিনৰ মূৰত দেখাদেখি হ'বহক বুলি আশা পালি থাকিলোঁ।

আপুনি মোৰ সাদৰ-সম্ভাষণ গ্ৰহণ কৰিব। ইতি

মৰমৰ

শ্ৰীপদ্মনাথ

৫১

From : G. A. Small, Esq., B.A.
D.P.I., Assam

To
Rai Bahadur Padmanath Gohain Barua

Shillong, 8th October 1936

Sir,

In forwarding herewith copy of a letter dated 28th July 1936, from one Srijut G. R. Das, B.A., of Gauhati complaining against certain statement made by you in your book *Assumar Buranji* I am directed by the Director of Public Instruction to state that the complainant seems to take objections to the remarks made at page 41 of the book regarding Deba Damodar.

On enquiry the Director learns that in the published life-history of Shree Sankardev and Damodardev no clear proof of the former making the latter a disciple of his can be found out, nor can the statements that the Dakshinpat Satra was founded by Sankardev and that Damodardev was appointed by him as its head be supported by evidence from any one of the published books on the subject.

I am, therefore, to request you to be so good as to ref. the Director to your authority in support of the statements so made.

An early compliance is requested.

Your obedient servant,
R. C. Ray Ghatak,
Personal Assistant to the D.P.I.,
Assam

"It is a fact that Sj P. N. Gohain Baruah inserted a highly objectionable para in his Buranji that Deba Damodar was the disciple of Sankaradeva and as such followed the tenets of Sankara. In the former editions of the same book such objectionable matter was not given place. What makes him to do and on what authority he is going to undermine a saint, please ask him to submit the proof therein. It is a gross flimsy attack on a revered saint and preacher of happy memory.

"These will not only accentuate internecine dissention but

also perpetuate similar vilification from the other side. So I request you personally and as a Secretary of the Damodar Sangha of Soalkuchi to cancel the said book from the text-book lists lest we shall be compelled to take stringent measure against the author to prove its validity.

"Hope to get an early reply."

Confidential

Tezpur, Assam
Nov. 4, 1936

My dear Bezbaroa,

Above will speak for itself. I shall be very pleased and thankful to you if you very kindly help me with a draft for a befitting reply at an early date. It will be treated as strictly confidential & a copy thereof will be forwarded to the D.P.I as per his requisition. If my memory [does not fail] me I have had to consult some গুৰুচৰিত পুথি (সাঁচিপতীয়া) and Gait's *Historical Research* and his *History of Assam*; but I regret none of the said Puthis and books are now with me. You will kindly ... ... the pages of Gaits' *History of Assam* and your *Sankardev* as well as ... ... the D.P.I. some Assam publishers books on the subject. Kindly treat it as urgent.

Yours sincerely,
P. Borooah

জ্ঞানদাভিৰাম বৰুৱাই লেখা

৫২

8, Westerachand Rd.
London W.
14. 4. 09
Perm. add. : Gray's Inn

My dear Mr. Bezbaroa,

I should really date my letter the 15th as it is much past twelve—but I must write to you. I shall try & send you a saucy paper. Read it & you will enjoy it. I am sure. Do you

think মৃণ্ময়ী is a good name for a magazine? I don't. It should be something durable. It is a good idea of Kherod Babu's, I am sure. He has a command over his pen in Bengali & it is but right that he start a paper. But I am afraid he will overdo. That too is a good idea—about your contribution to it. You too have a facile pen. We must educate our people. That is the great thing. Are there not thousands of men like our friend Saupat who would not touch a dog or cook something for a mehter's son because he is a mehter's son? These men ought not to be allowed to continue to exist in their pitiful state of ignorance. To do that we need not choose any particular place. Nearest place is the best place.

My next examination—which I thought would be my final—comes off in May. I have not much time for preparation, I am afraid. I shall not be able to be at home in June as I expected. I have left everything in God's hands. If He wills it, I may be quite prepared & pass in May, who knows? Give my love & kisses to the babies. What name are you going to give to your new baby? Give a nice soft sounding name.

You ought to take Neem during the Spring. As a matter of fact, you ought to follow the whole couplet right through. You are. Aren't you? Good luck & best thoughts from

Yours affly,
J. Borooah

৫৩ Gauhati, 10.12.28

My dear Mr. Bezbaroa,

Ratna & her husband called last evening. We were all very happy to see them. The children shouted "Ratna masi" with joy as soon as the car stopped. They are going away to Dibrugarh by today's mail and I am, therefore, unable to ask them even to a meal. Ratna is quite happy.

This union will, I am sure, attract you towards Assam more strongly—not that you are not already attracted towards her. You are her best friend.

I have read your article in *Sahitya Patrika*. It is great. Everybody says so.

C.K.A. called day before yesterday. We are so so.

22.12.28

I have not been writing letters lately. Please pardon this delay.

I received a nice letter from you after the 10th agreeing with Dr. Sam. Johnson's remarks. Perhaps it is just as well that this goes as a reply to your last letter a couple of days ago. In that he has disagreed with Dr. Johnson. He misunderstands the word "drunk". I think what old Sammy meant was not complete unconsciousness to the world due to inebriation but what he meant was, I am sure, reaching that stage after two or three drinks when one could be at peace with all the world. D.P.T.'s letter is very encouraging & his language has a good flow and that is a fact. I am going to write to him immediately after this.

C.K.A's youngest son is still suffering from his bad leg. I think he should have left his son in Calcutta for treatment.

You did not show him your Jharsuguda villa. Why not?

We have electricity in our house now, but it is not as good as it is in Calcutta : not bright enough & this will mean a little impoverishment of my funds also.

Hathi Babu is as usual. Won't you visit Calcutta for the Congress & other festivities?

We are so so.

Good luck to you all & God bless you & yours.

Now that your mind is a little relieved after Ratna's wedding, we hope to see some more books of lasting nature as usual from your pen soon.

Yours affly,
J. Borooah

P. S.

Curiously enough, when I was thinking of getting at least one copy of বহ্মাবড়া for presentation to the Kamrup Mahila Samiti, Mrs. Bezbaroa has very kindly sent me a copy. This I shall keep as mine, but is it not available locally so that I may give one away? I must *buy* a copy. If I won't pay for it there will be no fun in presenting it.

J. B.
22. 12. 28

৫৪ 7.5.29

My dear Mr. Bezbaroa,

You have been asking for some প্ৰবন্ধ from me. I had read something to the Kamrup Mahila Samiti. Here it is. If that will do for your paper you are quite welcome.

I have no right to be displeased with anybody. One of the *Banhi* .. had come for for an article from me, not once but on several occasions for a special Bihu edition. As I had no article ready I gave him an old article from my father's pen on বিহু. That was not considered fit for the paper & it did not appear in print. After a long wait & after writing a letter or two I got the MSS back.

When Goonabhiram Borooah's article is not fit for the paper then what price this . . .. of his. You see this is the situation.

As you have been writing to me so often I am obliged to mention this to you ... ... writing. If this does not appear in the *Banhi* I don't mind at all, for it has done its work. If it does not, kindly ask the press to return it to me at its leisure. I can assure you I shall not be the least bit displeased if it does not appear.

We are so so. The College closed on the 24th April. Hathi Babu was very happy to receive your letter. I meet Majew now & then and Hathi Babu two or three times a day.

With best wishes to you all there.

Yours affly,
J. Borooah

The weather has been rainy & on this account a ... is necessary still. J. B.

7.5.29.

৫৫

...বেমেজালি হয়। এয়ে কথা। ১১ তাৰিখৰ চিঠিত বনীৰ ঠিকনা আৰু ১৩ তাৰিখৰ চিঠিত বিশেষকৈ চিঠিবিলাকৰ কথা আৰু সেই চিঠিতে ৰোহিণী বোপাক কেবাবাৰো অনুৰোধ কৰিছিলো তেওঁ যেন অনুগ্ৰহ

কৰি ভিন তুলাপাতত (কাগজ) লেখি ছাপাখানাৰ উপযোগী কৰি দিয়ে। সেই চিঠিখন যে কি হল, আচৰিত।

৪।৫ খন চিঠিৰ ভিতৰত সকলোখনিতে ভাল কথা থাকিলেও, তাৰে এখনত আসামৰ লাগতিয়াল কথা আছিল—তাত লেখিছিলোঁ, সেই চিঠিখন ১৯২৮ খৃঃত লেখা গুৱাহাটীৰ পৰা—"......ময় (মই) আজিকালি দিনৌ আবেলি চন্দ্ৰকুমাৰ আগৰৱালাৰ লগত ফুৰোঁ—দীঘলী পুখুৰীৰ পাৰত চাৰিউফালে, আৰু দূৰণি ঠাইলৈকো যাওঁ। হাতীবাবু (কমলাকান্ত ভট্টাচাৰ্য্য) দিনৌ ৰাতিপুৱা গধূলি মোৰ ইযালৈ আহে। কেতিয়াবা কেতিয়াবা তেওঁও লগ লয়। হেম গোসাঁই আৰু কনকলাল বৰুৱাও আহে, আমি একেলগে ফুৰোঁ। এদিন আগৰৱালা, হেম গোসাঁই, কনকলাল বৰুৱা আৰু ময় ফুৰোঁতে ফুৰোতে, ষ্টেশ্যনৰ ৰেলৰ লাইনৰ ওচৰেদি উভতি আহোঁতে আমাৰ হেম গোসাঁইৰ মুৰ ঘূৰাল। পাছত আৰ্ল ল কলেজলৈ আহি আমি চাৰিউজনে কলেজ আৰু মোৰ ঘৰৰ মাজৰ সৰু পথাৰখনিত মাচিয়াত বহি গোসাঁইৰ নিমিত্তে পানী আনিবলৈ কলোঁ, বিচনী আনিবলৈ ক'লোঁ, চাকৰে বিচিবলৈ ধৰিবলে, পানী অনাত কিন্তু পানী নেখালে। সেই দিনাইয়েই কি তাৰ আগেয়ে এদিন মোক কৈছিল যে নাকৰ ওপৰত কি ওচৰত শালময়নাৰ দৰে কিবা এটা হইছে। ২।৩ দিনমান হেম গোসাঁইৰ সইতে মোৰ দেখা হোৱা নাছিল। ময় কলেজ বহাৰ আগেয়ে ছয়মান বজাত ২।৩ দিন পাছত পুৱা উজান বজাৰ ঘাটেদি নৈৰ ফালৰ বাটেদি যাওঁতে হেম গোসাঁইৰ ঘৰত সোমাই শুধিলোঁ, "হাকিম উঠিছেনে ?" চাকৰে ক'লে, (সি বঙালী) "আজ ২।৩ দিন থেকে উনি কাতৰ।" ময় তেতিয়া নগৈ আবেলি আমি সকলোৱে গ'লোঁ, দেখিলোঁ গোসাঁই শুই আছে। চকুৰ ফালে উখহিছে, যেনেকৈ হাঁহি মাতি কথা কয় তেনেকৈ আমাৰ সইতে কথা ক'লে। সেয়ে তেওঁৰ শেষ বেমাৰ। আসামে এজন সুপুত্ৰ হেৰুৱালে।" সেই চিঠিৰ ভাব এনে।

এই চিঠি উল্লেখৰ যোগ্য সেই দেখি আপোনাক চমু বিৱৰণি দিলো। আনখনো ডাকত দিছিলো। ময় এতিয়ালৈকে ভগৱানৰ ইচ্ছাত, এনে কথা নেপাহৰো আৰু বি চিঠি লেখো আজি প্ৰায় কুড়ি বছৰৰপৰা বহি এখনত লেখি থাকোঁ।

ক্ষীরোদচন্দ্র রায়ের লেখা

৫৬

The Hermitage,
Cuttack
Dated 21st March 1909

প্রিয় মিঃ বেজবড়ুয়া,

সাহিত্যের লালসা আজিও মিটে নাই। তাই আগামী বৈশাখ মাস হইতে একখানি সাহিত্য বিষয়ক মাসিক পত্রিকা প্রকাশ করিব ইচ্ছা করিয়াছি। আপনাকে প্রতি মাসে কবিতা গল্প ও প্রবন্ধ আকারে কিছু কিছু লিখিতে হইবে। পত্রিকাখানির নাম রাখিব "মৃণ্ময়ী"। আমি বৃদ্ধ হইয়াছি, আপনাদের ভরসায় সংকল্প সিদ্ধ হইবে মনে করি।

আপনার
শ্রীক্ষীরোদচন্দ্র রায়

৫৭

The Hermitage,
Cuttack,
Dated 21st March 1909.

সম্মাননীয়াসু,

অনেকদিনের পর পত্র লিখিতেছি, বিস্মিত হইবেন না।

আপনি যদি প্রতি মাসে একটি নভেল, একটি কবিতা বা কোনও রন্ধন বিষয়ে লিখিয়া পাঠান তাহা হইলে আমি একখানি মাসিক পত্রিকা প্রকাশ করি। আপনার নিকট অনেক আশা করিয়া থাকি। আপনার প্রবন্ধ পাইলে এই বৈশাখ হইতে "মৃণ্ময়ী" প্রকাশিত হইবে।

পত্রিকাখানি সাহিত্য ও বিজ্ঞান বিষয়ে আলোচনা করিবে। একটি করিয়া নভেল প্রতিমাসে প্রকাশিত হইবে, আকার ডিমাই আট পেজী তিন ফর্ম্মা, বার্ষিক মূল্য দুই টাকা। যদি আপনার কিছু লেখা থাকে অনুগ্রহ করিয়া অবিলম্বে পাঠাইয়া দিবেন।

আপনাদের
শ্রীক্ষীরোদচন্দ্র রায়

৫৮

The Hermitage,
Cuttack
28. 8. 13

My dear Bez,

Congratulations for Aruna's vocal and Ratna's instrumental music. Who from did they inherit the qualities? Thanks for আমিষ নিৰামিষ first part new edition. Will you kindly write a note upon it for me? I want to say something practical. I don't want to trust.. ...any more.

Yours sincerely,
Khirod Ch. Roy

স্বৰ্ণলতা দেৱীয়ে লেখা

৫৯

Hermitage, Cuttack
18. 5. 29

শ্ৰদ্ধাস্পদেষু,

আজি বহুত দিনৰ পাছত আপোনালৈ চিঠি লেখিব বহিছোঁ! প্ৰায় আপোনালৈ চিঠি লেখিম বুলি ভাবোঁ কিন্তু আপুনি বেয়া পাব বুলি আৰু লেখা নাই। আমালোকৰ ভিতৰত এটা misunderstanding হই থকাত ময় সময়ে সময়ে বৰ বেয়া পাই থাকো। বিশেষ আৰু আমাৰ আগৰেপৰা ঠিক আছিল যে এইটো ঘটোক বা নঘটোক আমাৰ আগৰ সম্পৰ্ক যেন আমাৰ সদায় থাকে ও দুই পৰিবাৰৰ ভিতৰত যেন ভুল বুঝাবুঝি নহয়। কিন্তু কালচক্ৰত তাকে হল। সেইটো ময় ইচ্ছা নকৰোঁ। ময় আপোনাক ভুল বুজিছোঁ, আপুনিও মোক ভুল বুজিছে। মোৰ কথাটো শুনক। যেতিয়া আপোনাৰ শেষ চিঠিখন পাওঁ অৰ্থাৎ সফল নহ'লোঁ বুলি ঠিক সেই সময়ত আপোনাৰ জোঁৱাইৰ এজন বঙ্গালী বন্ধু আমাৰ ইয়াত কলিকতাৰপৰা আহি কিবা কামৰ নিমিত্তে কেদিনমান আছিল। তেওঁৰে মুখতে ময় শুনিলো যে বঙ্গাৰ সইতে তেওঁৰ এজন অসমীয়া বন্ধুৰ বিয়াৰ ঠিক হইছে। ময় শুনি আচৰিত হলো যে আপুনি মোক জনোৱা নাই সেই কথা। মোৰ সহজে বৰ খং

উঠিল আপোনাৰ ওপৰত ও সহজে মনত হল যে আপুনিয়েই ঠিক কৰিছে অথচ মোক নজনালে। যদি আপোনাৰ চিঠিত আগেয়ে খবৰ পালোঁ হয়, মোৰ অলপো খং নুঠিল হয়। খং উঠি ময় আপোনাক এখন চিঠি লেখোঁ। তাৰ পাছত যদিও ময় সেই চিঠিৰ উত্তৰ পাইছিলো কিন্তু ময় আৰু ইমানদিন আপোনালৈ চিঠি লেখা নাই। যাওক এতিয়া আশা কৰোঁ আপুনি ও প্ৰজ্ঞা সকলো কথা বুজিব। আপোনালোকৰ শৰীৰ কেনে আছে? তাত কেনে গৰম পড়িছে? ময় বেলাক লই ৰাঁচীত ধুনুৰ তাত দুমাহ গই আছিলো। সম্প্ৰতি আহিছো। টুনুৰ ছোৱালী এটা হৈছে, এতিয়া ৮ মাহ হইছে। ইলাৰ ল'ৰা এটি হইছে, ৪ মাহৰ হইছে। বেলাই এইবেলি I. A. পাস কৰিছে। মুনুৱে জেমসেদপুৰতে কাম কৰিছে। এতিয়াও বিয়া কৰোৱা নাই। বহুত ঠাইৰেপৰা সম্বন্ধ আহি আছে, মুনুৱে সইতে ময় কিন্তু ঠিক কৰিব পৰা নাই। ৰুণুৱে চাঁইবাসাৰ ওচৰত শুয়া বুলি এঠাইত metal miningঅত কাম কৰিছে। ধুনু এই এবছৰ হ'ল ৰাচীলৈ বদলি হই গইছে। অৰুণাই M A. পাস কৰিছে বুলি শুনিছো। ৰত্না আশা কৰোঁ আসামত ভালে আছে সকলোকে লই। দীপিকাই B. A. পাস কৰিছে বোধ হয় এই বছৰ নহয়নে? প্ৰজ্ঞাৰ শৰীৰ কেনে আছে? আশা কৰোঁ আপুনিও আটাইকে লই ভালে আছে। জ্ঞানৰ চিঠি মাজে মাজে পাই থাকোঁ। মনোৰে matric পাছ কৰিছে বুলি আজি খবৰ পাইছো। যদি চিঠিৰ উত্তৰ নাপাওঁ, বুজিম, খং এতিয়াও আছে। আজি ইমানতে। সেৱা জানিব। প্ৰজ্ঞাক মৰম জনালো। দীপিকাক আশীৰ্ব্বাদ। ইতি

স্বৰ্ণ

বাণীকান্ত কাকতিয়ে লেখা

৬০ গুৱাহাটী

২৭।৯।২০

শ্ৰদ্ধাস্পদেষু,

'বাঁহী'লৈ দিয়া সক প্ৰবন্ধটো বোধ কৰোঁ পাইছে। 'প্ৰদীপিকা' পোৱা নাই। বোধ কৰোঁ 'অসমীয়া'ত ছপোৱা আপোনাৰ সমালোচনাৰ

শেষ পৰ্য্যন্ত অপেক্ষা কৰিছে। দামোদৰদেৱৰ early life সম্বন্ধে মোক এটি কথাই বৰকৈ সন্দেহ জন্মাইছে। ৺নীলকণ্ঠৰ দামোদৰ চৰিত এখন মোৰ হাতত পৰিছে, তাত আছে দামোদৰদেৱ পাটবাউসীত আহি বহুদিন খেতি-বাতি কৰি আছিল। শঙ্কৰদেৱৰ লগত তেওঁৰ বহুত পিছতহে অইনৰ হতুৱাই পৰিচয় হয়। 'সৎসম্প্ৰদায়' নামৰ অশ্লীল কিতাপখনতো হাজাৰ সত্য গোপনৰ চেষ্টাৰ ভিতৰেদিও এটি কথা ফুটি ওলাইছে। কিতাপখনৰ versionমতে শঙ্কৰদেৱে চৈতন্যৰ ওচৰৰপৰা ফিৰি আহি সত্ৰ পতাতো দামোদৰদেৱে ওচৰ নাচাপে। চৈতন্যৰ message দামোদৰদেৱৰ আগত কোৱাতো 'দামোদৰে বোলে গোমস্তা আতা আমাৰ তিনটি প্ৰাণীক বোলে পুষিবেক; শঙ্কৰে বোলে মহাপ্ৰভু পুষিবেক। এই শুনি দামোদৰ প্ৰসঙ্গে বসিলা।' এই account শঙ্কৰ-চৰিতত থকা কথাৰে সৈতে word by word মিলে। Damodardeva's first thought was all for livelihood and Sankar had to convince him about the force and truth of religion. তাত বাজেও বৰ্ত্তমান কামৰূপৰ ভিতৰতে নলচা নামে গাওঁ এখন আছে, নগাঁৱত এই নামে কিবা ঠাই আছে জানো? কামৰূপীয়া কিছুমান দামোদৰীয়াৰ মতেও এই নলচাই দামোদৰৰ নলচা। দামোদৰদেৱ নামে এটি প্ৰবন্ধত এই দৰৰ ভিন্নমত এটিৰ উল্লেখ আছে। মোৰ ধাৰণা (সঁচা-মিছা আপুনি বিচাৰ কৰি চাব) যে পাটবাউসীলৈ অহাৰ আগে শঙ্কৰ-দামোদৰদেৱৰ চিনা-পৰিচয় নাছিল। ৰামৰায়ৰ চৰিতত শঙ্কৰদেৱৰ দামোদৰদেৱৰ নাম দিয়া আদি কথাবোৰ দামোদৰদেৱৰ পূৰ্ব্বগৌৰৱ দেখুৱাবলৈ জোৰা দিয়া কথা যেন লাগে। At first these things seem to have been invented only to give Damodardeva a certain prominence by associating him with the name of Sankar Deva মূঠৰ ওপৰত শঙ্কৰ-চৰিতত থকা কথাবোৰ exaggeration যেন নেলাগে। এই বিষয়ে আপোনাৰ কি মত জনাব। কিয়নো বিশেষ প্ৰমাণ অন্যপক্ষে নহলে এইভাবেহে subjectটো pursue কৰিম যেন লাগিছে।

তাত বাজেও শঙ্কৰদেৱ সম্পৰ্কে কিছুমান কথা আজি সুধিব ওলাইছো। ৰামচৰণ ঠাকুৰৰ শঙ্কৰ-চৰিত এখন হাতত পৰিছে।

মোৰ হাতত পূৰ্ব্ব-খণ্ডহে পৰিছে। এই ৰামচৰণ মাধৱদেৱৰ ভাগিনীয়েক হয়নে নহয়? বহুতে সন্দেহ কৰে। হয় বুলি ভাবিবৰ কি কাৰণ আছে? যদি হয়, ৰামচৰণ ঠাকুৰৰ পুতেক দৈত্যাৰিৰ আৰু এখন চৰিত লিখিলে কিয়? দৈত্যাৰিয়ে পিতাকৰ চৰিতৰ কথা কোনোবা ঠাইত উল্লেখ কৰা বুলি আছেনে? মোৰতো মনত নপৰে। মোৰ হাততপৰা ৰামচৰণ চৰিতত নৰনাৰায়ণৰ নিগ্ৰহৰ কথাখণ্ড শঙ্কৰদেৱে চুম্বকভাৱে নাৰায়ণ subsequently মাধৱদেৱৰ মিতাকৰ আগত কোৱাভাৱে direct narrationঅতহে আছে। আপোনাৰ পুঁথিতো এইদৰে আছেনে? আপোনাৰ 'শঙ্কৰদেৱ আৰু মাধৱদেৱ' পুথিৰ authority কি কি? অৱশ্যে কিছুমান কথা ৰামচৰণৰ লগত মিলে আৰু কিছুমান আপোনাৰ পুথিত বেছিকৈও আছে, যেনে কোন গীত কোন ঠাইত ৰচিত হ'ল, ইত্যাদি। ৰামচৰণৰ শেষখণ্ড মোৰ হাতত নাই। কিন্তু দৈত্যাৰিৰ account of Sankara's deathৰ লগত আপোনাৰ আৰু current account নিমিলে। দৈত্যাৰিয়ে কয় 'নাপৰা' হৈ শঙ্কৰদেৱৰ তিৰোভাৱ হয়। আপোনাৰ 'শঙ্কৰদেৱ মাধৱদেৱ'ত দুয়োটা কিভাৱে reconcile কৰা আছে? Was his illness and voluntary death a mere coincidenee? শঙ্কৰ-মাধৱদেৱে যদি ৰজাক শৰণ নিদিছিল, তেনেহ'লে ৰামচৰণত আছে যে এসময়ত শঙ্কৰদেৱে মাধৱদেৱ আৰু নাৰায়ণ ঠাকুৰক জয়ন্তাৰ ৰজাক শৰণ দিবলৈ পঠাইছিল, এইটো কিভাৱে ল'ম?

'চিহ্নযাত্ৰা'ৰ ভাৱনা কেতিয়া হয়? তীৰ্থলৈ যোৱাৰ আগেয়ে নে পিছত? ৰামচৰণত আছে, আগেয়ে। আপোনাৰ 'শঃ মাঃ'-তো আছে, আগেয়ে। আৰু আপোনাৰ 'শঙ্কৰদেৱ' পুথিত আছে, পিছত। এইটো বৰ turning point, যদি আগেয়ে হয়, তেনেহলে 'ভাৱনা litre' শঙ্কৰদেৱে independently develop কৰে; যদি পিছত হয়, তাত বাহিৰা elementতো থাকিব পাৰে। তাত বাজেও এইটো correct নে যে শঙ্কৰদেৱে প্ৰথমে yogic religionহে start কৰোঁ বুলিও ভাবিছিলে? Sankardevaৰ starting point in religion কি? অৰ্থাৎ কি গ্ৰন্থক আশ্ৰয় কৰি প্ৰথমে ধৰ্ম্ম-ব্যাখ্যা আৰম্ভ কৰে? প্ৰথম তীৰ্থ-যাত্ৰাৰ আগেয়ে তেওঁ এজন ধৰ্ম্মাত্মা পুৰুষহে

আছিল, সে ধৰ্ম্মশিক্ষাও দিছিল? যদি ধৰ্ম্মশিক্ষাও দিছিল what was the... form of his teachings? ৺জগদীশ মিশ্ৰৰপৰা ভাগৱত পোৱাৰ আগেয়ে তেওঁ কি formঅত শিক্ষা দিছিল? তাৰ আগেয়ে তেওঁ ভাগৱত পঢ়াই নাছিল, এনে অনুমান জানো যুক্তি-সঙ্গত হয়? এইখণ্ড বৰ chaotic. অসমত ভাগৱত শাস্ত্ৰ নাছিলনে? নাইবা did S. Deva carry his inspiration from abroad while on pilgrimage or did he evolve it independently of any accidental circumstances? শঙ্কৰদেৱৰ গ্ৰন্থৰ ভিতৰত ভালেমান পুৰাণৰ উল্লেখ আছে, কেৱল ভাগৱত পাবলৈ জগদীশ মিশ্ৰলৈ বাট চাব লগাত পৰিছিলনে?

এই খণ্ড অতি বিশদভাবে বুজাই দিয়ক। মই নিজেই একো মীমাংসা কৰিব নোৱাৰোঁ, অথচ এইখণ্ডই crucial point.

১ম তীৰ্থ-যাত্ৰাত ৰূপ-সনাতনক লগ পোৱাৰ কথা আছে। সেইটো কেনেকৈ সম্ভৱ হয়? ৰূপ-সনাতনৰ religious awakening হয় চৈতন্যদেৱৰপৰা। তেওঁলোকৰ বৰ্ত্তমান নামো চৈতন্যদেৱে দিয়া বুলি কয়। চৈতন্যদেৱ তেতিয়া দেখোন সন্ন্যাস-দীক্ষা গ্ৰহণ কৰাই নাছিলে। ৰূপ-সনাতনক লগ পোৱা কথাটো anachronism নহয় জানো? আপোনাৰ 'শঃ মাঃ' পুথিৰ ৩২ পৃষ্ঠাত আছে শঙ্কৰৰ আদিপুথি 'গোপী-উদ্ধৱ-সম্বাদ' ১০ম স্কন্ধৰপৰা ৰচিত। তেনেহ'লে জগদীশ মিশ্ৰৰপৰা পুথি পোৱাৰ আগতেই দেখোন ভাগৱত পঢ়াৰ কথা পোৱা যায়। একো বুজিব নোৱাৰিলো।

দামোদৰদেৱ সম্পৰ্কে যিটো theory উল্লেখ কৰিছে সেইটো যদি আপোনাৰ অনুমোদিত হয়, তেনেহ'লে, সেইটো develop কৰি অন্য পক্ষৰ criticismঅৰ নিমিত্তে present কৰিমনে ভৱিষ্যৎ ব্যৱহাৰৰ নিমিত্তে silently work out কৰিম, লিখিব।

আজিলৈ ইমানতে। আশা কৰোঁ ঈশ্বৰে আপোনাক মঙ্গলে ৰাখিছে। ইতি

বিনীত

শ্ৰীবাণীকান্ত কাকতি

৬ গুৱাহাটী
১।১০।২০

শ্ৰদ্ধাস্পদেষু,

'প্ৰদীপিকা' কালি পালো। আমাৰ অনুমানমতেই আহিছে অৰ্থাৎ আপোনাৰ সমালোচনাৰ শেষ পৰ্য্যন্তই অপেক্ষা কৰিছিল। ইবাৰ শঙ্কৰদেৱৰ চৰিত আলোচনাত হাত দিছে। বোধ কৰোঁ দামোদৰ-চৰিতো আলোচনা কৰিব। বেছিভাগ কথা গা-ঢকা দিয়েই লেখিছে। তাত বাজেও আপোনাৰ position অলপ দুৰ্ব্বল কৰিবলৈ মহাপুৰুষীয়া-দামোদৰীয়া, কামৰূপ-উপৰ অসমীয়া ভাষাৰ বিৰোধ সৃষ্টি কৰা বুলি কিছুমান দোষাৰোপ কৰিছে। এই দুটি প্ৰশ্নৰ উত্তৰ মই দিম। আৰু দুটিমান কথাৰ, যেনে আহোম ৰাজসভাত ব্ৰাহ্মণৰ আধিপত্য আৰু হৰি জোঁৱাইৰ মৃত্যুৰ লগত সেই আধিপত্যৰ সম্ভাব্য সম্বন্ধ। কোচ-ৰাজসভাত ভূঁয়াসকলৰ আধিপত্য আছিল, কিন্তু শিৱবংশী বুলি 'যোগিনীতন্ত্ৰ' পুথিত পৰ্য্যন্ত কোচ ৰজাক বামুণসকলে স্তুতি কৰিছিল সেইবোৰৰ উল্লেখ কৰা নাই। এইবোৰ আৰু general observations কিছুমান টোকা আকাৰত 'বিজুলী' বুলি heading দি ২।৪ দিনতে পঠাম। ইবাৰ কিন্তু pseudonym এটিহে ল'ম। যদিও disguiseঅত নৈতিক দুৰ্ব্বলতাহে দেখুৱা হয়, তথাপি কৰিব লগাত পৰিছো। নাম দিলে লোকে বেয়া পাব সেইটো নহয়, যেতিয়া সময় আহে তেতিয়া প্ৰকাশ্যে ওলামেই। গীতা-ভাগৱত আদি শাস্ত্ৰীয় কথাত মোৰতো বিশেষ পঢ়া-শুনা নাই, কাজেই 'আলগা আলগা' ভাবেই মাজে মাজে দুই-চাৰিআষাৰ কথা ক'ম। আৰু ইতিমধ্যে আপুনিও আদেশ কৰা কামবোৰ কৰিবলৈ অলপ অলপ সাজু হ'বৰ চেষ্টা কৰিছো।

আগেয়ে দিয়া চিঠিখনত উল্লেখ কৰা কথাবোৰৰ সুযোগমতে মীমাংসা কৰি দিব। মই সামান্য শক্তিৰে যি দুই-চাৰিআষাৰ কথা লিখিম সেইটো কোনোক্ৰমেই not meant as a substitute for what you have to say by way of criticism of 'প্ৰদীপিকা'। মোৰ কথাবোৰ বহুত সময়ত insufficient'ও হ'ব পাৰে আৰু to the point'ও নহ'ব পাৰে।

বিনীত
শ্ৰীবাণীকান্ত কাকতি

৬২ গুৱাহাটী
৫।১০।২০

শ্ৰদ্ধাস্পদেষু

ইয়াৰ লগতেই 'বিজুলী' প্ৰবন্ধ এটি পঠালো আৰু মাধৱদেবৰ 'চোৰধৰা' নাট। দুয়োখন চাই মতামত দিব অনুগ্ৰহ কৰি। প্ৰবন্ধটো বৰ scathing কৰিছো। আপুনি বৰ carefully চাব যেন libellious একো নেথাকে। প্ৰবন্ধটো অহা সংখ্যা 'বাঁহী'ত উলিয়াব পাৰিলে 'দীপিকা'ৰ যি ঔদ্ধত্য, সোনকালে sufficient retort নিদিলে বাঢ়িহে যাব। যদি অহা সংখ্যাত দিবলৈ সুবিধা নহয়, 'অসমীয়া'তে দিব, পিছতো 'বাঁহী'লৈ transferred কৰিব পৰা যাব। অৰ্থাৎ অহা সংখ্যা 'দীপিকা' ওলোৱাৰ আগতেই এই প্ৰবন্ধটো উলিযাব পাৰিলে ভাল। যি হওক, আপোনাৰ যেনে ইচ্ছা কৰিব। হ'ব পাৰে, কোনো কোনো কথা আপোনাৰ মতৰ লগত নিমিলিব পাৰে। সেই বুলি বেয়া নেপাব। মোৰ covert policy অৱশ্যে আপুনি বুজিব। আপুনি অনুমতি দিলে এই 'বিজুলী' seriesটো কিছুমান দিনলৈ continue কৰিম।

মই ইচ্ছাকৈয়ে তৰ্কত wider range লৈছো। বৰদলৈদেউৰ শাস্ত্ৰীয় hand to hand fightঅত মোৰতো টিকিবৰ উপায় নাই। সেইটো আপোনালৈ থাকিল। ইয়াৰ পিছৰ articleবোৰত Buddhist influence upon modern Hinduism & the history of many Brahminic gods like সত্যপীৰ বা সত্যনাৰায়ণ। আপুনি কেৱল চাব যাতে কোনো ৰকমে আইনৰ libel নহয়। যিবোৰ কথাত আপোনাৰ সম্মতি নাই, সিবোৰত opinion reserved বুলি দিব। আপোনালৈ এইবোৰ লিখা মোৰ পক্ষে ধৃষ্টতা মাথোন।

লগতে মাধৱদেৱৰ নাট দুখনো পঠিয়াই দিলো। সুবিধামতে প্ৰবন্ধ আৰু নাট দুখনৰ ওপৰত অনুগ্ৰহকৈ আপোনাৰ মতামত জনাব। ইতি

বিনীত
শ্ৰীবাণীকান্ত কাকতি

পুঃ

ঠায়ে ঠায়ে wording ভুল থাকিব পাৰে। ভাষাৰ ওপৰত আপোনাৰ সম্পূৰ্ণ অধিকাৰ। শাস্ত্ৰীয় points দুটিমান noticeable আছে, আপুনি দৰকাৰ বুজিলে উত্তৰ দিব। যশস্পতিয়ে লেখিছে, পূজাৰ মন্ত্ৰও হৰিৰ নাম, এতেকে 'কলৈৰ হৰেৰ্নাম', ইত্যাদি। অন্য যুগত যিবোৰ পূজাৰ মন্ত্ৰ আছিল সেইবোৰ হৰিনাম নহয়নেকি? যদি হয়, তেনেহ'লে 'কলৌ' বুলিবৰ সাৰ্থকতা কি? বৈদিক মন্ত্ৰবোৰ হৰিনাম নহয়নে? তেনেহ'লে সত্যযুগতও 'হৰেৰ্নাম' ইত্যাদি injunction নাছিল কিয়?

বৰদলৈয়ে কৈছে, 'বাঁহীৰ কৃষ্ণলৈ ভক্তৰ দাসত্ব সম্বন্ধহে গাইছে' ইত্যাদি। তাৰপৰা conclusion কৰিছে গুৰু-শিষ্যবো দাসত্ব-সম্বন্ধহে থাকিব লাগে বুলি। কৃষ্ণৰ লগত মধুৰ সম্বন্ধৰ যিবোৰ অন্যদেশীয় বৈষ্ণৱ মতত কথা আছে, সেইবোৰতো গুৰু-শিষ্যৰ ভিতৰত দাস্য-সম্বন্ধ নেথাকেনে? চৈতন্যৰ লগত শিষ্যসকলৰ দাস্য-সম্বন্ধ নে মধুৰ সম্বন্ধ? যদি কৃষ্ণলৈ মধুৰ সম্বন্ধ থাকিলেও গুৰু-শিষ্যৰ দাস্যৰ সম্বন্ধ থাকিব পাৰে, তেনেহ'লে 'বাঁহী'ৰ প্ৰতি বক্ৰদৃষ্টি নিৰৰ্থক। শুনিছো বল্লভাচাৰী গোসাঁইসকলে গুৰু-শিষ্যৰ মাজত মধুৰ সম্বন্ধ স্থাপনা কৰিবলৈ গৈ এনে এটি নিলাজ ঘটনা ঘটাইছিল যে বোম্বাই হাই কোৰ্টত মোকৰ্দ্দমা উঠিলগৈ, ইত্যাদি।

মোৰ কথাবোৰত যদি কিবা সাৰ্থকতা থাকে, তেনেহ'লে আপোনাৰ লেখিবৰ মন নহ'লেও টোকা হিছাপে এই চিঠিৰপৰাই (অৱশ্যে মোৰ নাম নিদিয়াকৈ) তুলি দিব। লেখিবলৈ বহুত আছে। আজিলৈ ইমানতে। ইতি

বিনীত
শ্ৰীবাণীকান্ত

অনুগ্ৰহকৈ সোনকালে উত্তৰ দিব। ইতি

শ্ৰীবাণী

৬৩ গুৱাহাটী
২৮।১১।২০

শ্ৰদ্ধাস্পদেষু,

বিয়াৰ কাম অতি সুন্দৰৰূপে সম্পন্ন হৈ যোৱা বুলি কাকতে-পত্ৰে পাই অতি সুখ পালো। আশা কৰোঁ আপুনিও ভালে কুশলে ফিৰি আহিছে।

এইবাৰৰ 'বাঁহী' অতি সোনকালে ওলাইছে। 'প্ৰবন্ধ'বোৰো ছপা হৈছে। 'দীপিকা' এতিয়াও ওলোৱা নাই। কি চাইছে, ক'ব পৰা নাই। উজনিৰ সত্ৰবোৰত 'গণ্ডগোল' লাগিছে। ঠায়ে ঠায়ে 'গোসাঁই'-বৰ্জ্জন সভা-সমিতি হ'ব লাগিছে বুলি শুনিছো।

তৃতীয় প্ৰস্তাৱ 'বিজুলী' লেখা হৈ গৈছে। আপোনাৰ উত্তৰ পালেই পঠিয়াই দিম। এইবাৰ বৰ bold line adopt কৰা হৈছে। ব্ৰহ্মবিদ্যা বা উপনিষদ যে আদিতে ক্ষত্ৰিয়ৰ দ্বাৰা প্ৰকাশিত এইটো উপনিষদ-বোৰৰ ভিতৰত থকা কথাবোৰ উলিয়াই সংগ্ৰহ কৰি প্ৰবন্ধ এটি কৰিছো। আৰু ৰাস যে মূল কৃষ্ণ-চৰিতৰ অংশভূত নহয়, তাৰো নতুন প্ৰমাণ এটি দিছো। ৰামানুজ-চৰিতৰপৰা আকৌ নতুন বস্তু ওলাব লাগিছে। যদি শঙ্কৰদেৱৰ 'দাস্যভক্তি'ৰ কিবা historical precedent আছে, মোৰ ধাৰণা হয়, সেইটো Ramanuja system, কিয়নো ৰামানুজে 'দাস্যভক্তি'ত ইয়াৰ last developmentঅলৈ নিয়া যেন লাগে। যথাসময়ত আপোনাৰ মতামত লৈ লিখিম।

সম্প্ৰতি ভালে আছো। আপোনাৰ মঙ্গল কামনা কৰোঁ। ইতি

বিনীত
শ্ৰীবাণীকান্ত কাকতি

৬৪ Gauhati
8. 12. 20

শ্ৰদ্ধাস্পদেষু,

আপোনাৰ ৩।১২।২০ তাৰিখৰ চিঠি পালো। বিয়াৰ কাম ঈশ্বৰৰ ইচ্ছাত ভালকৈ সম্পন্ন হৈ যোৱা বুলি শুনি বং পাইছো।

'বিজুলী' ত্ত্তয় প্ৰস্তাৱ কালিৰ ডাকত পঠিয়াই দিছো। বোধ কৰোঁ ঠায়ে ঠায়ে কিছু strong হৈছে। objectionable কিবা থাকে যদি smooth down কৰি দিব। অকণো spare কৰিবৰ মন নাই বুলিহে লেখাবোৰ বৰ strong হৈ যাব লাগিছে। ঢিলাই দিলেও কাম নচলে; তেওঁলোকে মুখত একো নক'লেও পেটে সদায় খুহখুহাই থাকেই। একেবাৰে বক্তব্যবোৰ কৰি পেলোৱাই ভাল, নহ'লে বাৰে বাৰে কোনে চুপতি কৰি থাকিব ?

যোৱা 'বাঁহী'ত ওলোৱা আপোনাৰ প্ৰবন্ধবোৰৰ humourous অংশবোৰ এনে interesting লাগিছে, মনত পৰিলে অকলে অকলেই হাঁহিব লগাত পৰিছে। 'কৃপাবৰৰ ওভতনি'ৰ পিছত এনে fresh আৰু delicious play of humour কমহে পঢ়িব পাইছো। তৰ্কৰ খাতিৰত নহ'লেও humourৰ খাতিৰতে সময়ে সময়ে আপোনাক লিখিবলৈ খাটো। অৱশ্যে সকলো কথা আপোনাৰ বিচাৰাধীন।

বৰদলৈদেৱেযে তেওঁৰ শাস্ত্ৰত অধিকাৰ-অনধিকাৰ বিষয়ে দুই-এখন 'সৎশাস্ত্ৰ' চাবলৈ কৈছিল, তেওঁৰ বিষয়ে কিছুমান বৰ interesting কথা পাইছো। বৃহৎধৰ্ম্মপুৰাণত তেওঁৰ বিষয়ে বৰ damning কথা আছে। ইবাৰেই উলিয়াই দিওঁ বুলি ভাবিও নিদিলো। উলিয়াই দিলেই in many quarters wild sensation হ'ব। বৰদলৈয়ে provocation আৰু কিছু বেছি আমাক দিয়ক। ওপৰত কোৱা পুৰাণত আছে —'দেবলাৎ ··· জাতো বৈশ্যায়াং বাদকোপি চ।' যশস্পতিয়ে সূতক গায়ক বুলি কৈ এধাসিজা humour কৰিবলৈ গৈছিল, পিছে বৰদলৈ-সম্প্ৰদায়েই দেখো 'বাদক' বা 'বায়ন'ৰ শাৰীত পৰেগৈ। বৰদলৈৰ মতে সংস্কৃতত লেখা পুথি মাত্ৰেই 'শাস্ত্ৰ'। এইবোৰ কথা উলিয়ালেনো তেওঁ কিভাৱে interpretation দিয়ে, চাব পৰা যাব।

ৰামানুজৰ systemৰ লগত আমাৰ বহুত principles মিলে। ৰামানুজৰো 'এক দেৱ এক সেৱ।' এনে কি, এঠাইত শিৱ-মূৰ্ত্তি হঠাৎ দেখি তেওঁ এদিন লঘোনে কটাইছে। তেওঁৰো নাৰায়ণৰ লগত চিৰ-সম্বন্ধ 'কৈঙ্কৰ্য্য'। শঙ্কৰদেৱক 'শূদ্ৰ' বুলি 'অমানী' বুলি গালি পৰা সহজ (তেওঁলোকৰ পক্ষে), ৰামানুজক কি কয়, দেখিব লগীয়া কথা হ'ব।

আজিলৈ ইমানতে। ভালে আছো। আপোনাৰ মঙ্গল কামনা কৰোঁ। ইতি

বিনীত
শ্ৰীবাণীকান্ত কাকতি

৬৫

গুৱাহাটী
২৩-৭-২২

শ্ৰদ্ধাস্পদেষু,

আপোনাৰ ১৭।৭।২২ তাৰিখৰ চিঠি আৰু বৰদলৈৰ চিঠি পাই ভালেমান দিনৰ মূৰত আৰু এবাৰ হাঁহি ল'লো। এইবাৰৰ 'বাঁহী'ত ৺বংশীদেৱৰ চৰিতৰ শেহ খণ্ড তুলি দিয়া হৈছে। তেওঁৰ নিজ চৰিত-সংক্ৰান্ত যিবোৰ বহুল কথা আছিল সেইবোৰ তেনেই এৰি দি আমাৰ তৰ্কৰ ওপৰত bearing থকা কথাবোৰহে তুলি দিছো। দামোদৰদেৱৰ পুথি-পূজাৰ বিষয়ত যি কথা তুলি দিয়া পৰিছে, ইয়াৰ পিছত বৰদলৈয়ে যদি আপোনালৈ আকৌ কিবা লেখে, সেইটো বৰ ৰহস্যৰ কথা হ'ব যেন ভাবিছো। আপুনি কোৱাৰ দৰে 'ভাসমান' বৰদলৈৰ কৰুবকনি বৰ interesting। বাসুদেৱ পাণ্ডাযে কেনেকৈ চৈতন্যদেৱ হয়, হাঁহিবৰ কথা। আৰু বাসুদেৱৰপৰা দামোদৰদেৱে 'শৰণ' লোৱা কথাটো চৰিতত নাই। তেওঁৰপৰা উপদেশ পাইছিল মাত্ৰ। আচল কথা এতিয়াৰ দৰে আগৰ দিনতো উৰিষ্যাৰ পাণ্ডাবোৰে অসমীয়াৰ ঘৰে ঘৰে ফুৰিছিল। (আপোনাৰ সাঃ কঃ কুকিৰ গুৰিতেই এই বিষয়ৰ কৰুণ ঘটনা এটি আছেই।) সাধাৰণভাৱে এই দৰৰ কোনোবা পাণ্ডাৰপৰা দামোদৰদেৱে অলপ-অচৰপ উপদেশ পাইছিল আৰু শঙ্কৰদেৱে পাটবাউসীত ভাগৱত ধৰ্ম্ম প্ৰচাৰ কৰোঁতে শঙ্কৰৰপৰা এই প্ৰামাণিক ধৰ্ম্ম লৈ তেওঁক 'অঞ্জনা গুৰু' বুলি মানিছিল। ৺ৰমানন্দ দ্বিজৰ শঙ্কৰ-চৰিতত ৰামৰাম গুৰুৱে দামোদৰদেৱক শৰণ দিয়াৰ ... ... কথাটো এইদৰে—'শৰণ কৰাইল পুনু হৰিমন্দিৰত।, বোধ কৰোঁ আগেয়ে পাণ্ডাৰপৰা উপদেশ লোৱাকেই লক্ষ্য কৰি 'পুনু' শব্দ ব্যৱহাৰ কৰা হৈছে। দামোদৰদেৱে দুবাৰ শৰণ হৈছিল তেনে নহয়। আৰু এইটোও নহয় যে, শঙ্কৰৰ লগত

মিলি-জুলি দামোদৰদেৱে ধৰ্ম্মৰ সোঁত বোৱাইছিল। শঙ্কৰৰ ধৰ্ম্মৰ যি সোঁত বৈছিল, দামোদৰদেৱ তাত উটি গৈছিল মাথোন। তেওঁৰ একো কৰ্তৃত্ব নাছিল। বৰদলৈয়ে বিহুগীত আৰু 'ফুচুৰি'ত লগা বুলি শুনি ভাল পাইছো। কিয়নো সেয়ে তেওঁৰ proper element. 'প্ৰদীপিকা'ত নেলাগি তাতে লাগি থাকিলে ভালেই আছিল।

৺বংশীদেৱৰ চৰিত ওলোৱাৰ পিছত লেখিবলৈ আৰু বিশেষ pointed কথা নাই। সুন্দৰীদিয়া সত্ৰৰ ভাগৱতী শ্ৰীকৃপানাথ শৰ্ম্মাই… … লেখি মোলৈ পঠিয়াই দি এখন চিঠি দিছে। আৰু তেওঁ এটি series লেখিব খোজে। বৰ্ত্তমান প্ৰবন্ধত যদিও fresh point বিশেষ একো নাই, তথাপি মহাপুৰুষীয়া orthodox বামুণ এজনে লেখিছে বুলি যদি কিবা importance দিব পাৰি, ভাবি চাব। প্ৰবন্ধ দুটি আপোনালৈ পঠাই দিলো। পণ্ডিতে মাজে মাজে দুই-এটি অবান্তৰ কথাও লেখিছে। সকলো কথা হুবহু ছপাব লাগিলে আমাৰ position নিটিকিবও পাৰে। অনেক ঠাইত ঘৰুৱা শব্দ ব্যবহাৰ কৰিছে, সেইবোৰ সলাই দিব লাগিব। লগতে তেওঁৰ চিঠিখনো পঠালো। তেওঁ মহাপুৰুষীয়া মহন্ত কেউলীয়াসকলকো আক্ৰমণ কৰোঁ বুলিছে। সেইটো কৰিবলৈ হাক দিম। expose কৰিব লাগিলে বামুণ-শূদ্ৰ কোনেও টিকিব নোৱাৰে। তেনে স্থলত নিজ সম্প্ৰদায়ৰ ওপৰত অনাহকতে হাত দিয়াটোযে ভাল নহয়, তেওঁলৈ লেখিব। প্ৰবন্ধ দুটি পঢ়ি আপোনাৰ মতামত জনাব। তেওঁ সেইটো খুজিছে। পণ্ডিতে বামুণৰ positionটো well-fortified কৰিছে আন কথা লেখিব খোজা যেন লাগে। যদি কোনো কথা বাদ দিব লগীয়াত পৰে, তেনেহ'লেও তেওঁক আগেয়ে জনাম। তেওঁ যদি সম্মত হয়, তেনেহ'লেহে যদি pressঅত দিয়া যুগুত হয়। যি হওক, প্ৰবন্ধ দুটা ভালকৈ পঢ়ি আপোনাৰ মতামত জনাব।

সম্প্ৰতি ভালে আছো। আপোনাৰ মঙ্গল কামনা কৰোঁ। ইতি

বিনীত

শ্ৰীবাণীকান্ত কাকতি

৬৬ গুৱাহাটী
১৮-১-২৩

শ্ৰদ্ধাস্পদেষু,

আপোনাৰ চিঠি যথাসময়ত পাইছো। বিজয় বাবুৰ চিঠি কেইবাখনো পালো। তেওঁ ভালেমান কথা সুধি পঠিয়াইছিল। মই যি জানো সেই অনুসাৰে তেওঁক materials যোগোৱা পৰিছে।

'বাঁহী' ওলাইছে। অসমীয়া 'চৈতন্য' চৰিতৰ বিষয়ত আপোনাৰ 'হেজাৰমুৰীয়া বাৰণৰ' লগতময়ো 'চৈতন্য'ৰ অসম-ভ্ৰমণৰ বিষয়ত অলপ লেখিছিলো। শ্ৰীযুত প্ৰতাপ গোস্বামী নিজে চৈতন্য-পন্থী মানুহ আৰু অসমীয়া ছিছাপত 'বামুণীয়া' দলৰ লগত যোগ থকা মানুহ। সেই কাৰণে প্ৰকাশ্যে লিখিবলৈ সাহ নেপাই তয়াময়া (?) কৰিছে।

আপুনি এটি বিষয়ত অলপ সন্দেহ কৰিছে। মোৰো অলপ সন্দেহ আছে। কিন্তু কথাটো ধৰিব পৰা নাই। ৰূপ-সনাতনৰ প্ৰচাৰিত ধৰ্ম্ম চৈতন্যদেৱৰ প্ৰচাৰিত ধৰ্ম্মৰ লগত বোধ কৰোঁ ভালেমান কথাত নিমিলে। আপোনাৰ সুযোগ অনুসাৰে সোনকালে 'বাঁহী'ত লেখে যদি ভাল হয়। গুৱাহাটীত এজন বঙালী Sanskrit Professarঅৰ হাতত এখন ৰূপ-সনাতনৰ সংস্কৃত পুথি আছে। পুথিখন বৰ ডাঙৰ, মই এতিয়াও ভালকৈ পঢ়ি চোৱা নাই। ওপৰে ওপৰে এবাৰ চাইছিলো। বহুত revolutionary কথা আছে যেন লাগে। আপোনাৰপৰা অন্ততঃ সাধাৰণভাৱে main lines of difference থকা প্ৰবন্ধ পালে সেই অনুসাৰে আগলৈ মিলাই চাব পাৰোঁ।

সম্প্ৰতি মোৰ আহৰি অলপ কম বুলিহে প্ৰবন্ধ আদি লেখা স্থগিত কৰা যেন হৈছে। লেখিবলৈ মন নোহোৱা নহয়। আহৰি পালেই চেষ্টা কৰিম।

আপোনাৰ 'তেজাল বুঢ়াৰ ছবি' পাহৰিব লগীয়া নহয়। সেই 'ছবি' সদায় চকুৰ আগত আছে, থাকিবও। 'বুঢ়া'ৰ সৌৰৱণি-পৰ্ব্বাধ্যায় মোৰ হ'লে পুথিবোৰৰপৰা 'ছবি'টো analyse কৰি চাবৰ মন ভালেমান দিনৰপৰা আছে।

আমাৰ ক্ষুদ্ৰ জীৱনতো হয়তো বহুত পৰিৱৰ্ত্তন আহিব। কিন্তু আশীৰ্ব্বাদ কৰিব যেন আপোনাৰ spirit & energy সহায় থাকে। ইতি

বিনীত
শ্ৰীবাণীকান্ত কাকতি

৬৭

Gauhati
12. 6. 23

শ্ৰদ্ধাস্পদেষু,

আপুনি আহিল গ'ল। লগ ধৰিবলৈ গৈও লগ নেপালো। মই এফালে বিচাৰোঁ, আপুনি আনফালে পলায়। লগ পোৱা নহ'ল।

মই আকৌ তিনি মাহমানৰ মূৰত মুকলিমূৰীয়া হ'ম। এটি 'বাজে' কামত লাগি থাকিব লগাত পৰিছো। নটেশন কোম্পানীয়ে শঙ্কৰ-চৰিতৰ sketch ছপাব লাগিছে। *Indian Review*ত (April & May) খণ্ড খণ্ডকৈ ছপাই উলিয়াইছে। স্বতন্ত্ৰ পুথিৰ আকাৰত সোনকালে ওলাব যেন পাওঁ। কামৰূপ-অনুসন্ধান সমিতিত থকা দ্বিজ ৰমানন্দৰ গুৰু চৰিতত শঙ্কৰ, মাধৱ আৰু গোপালদেৱৰ group painting এখন আছে। তাৰপৰা ফটো লোৱাই Natesanৰ পুথিৰ ওপৰ পাতত block ছবি দিয়াবলৈ এখন ছবি পঠাই দিছো। আপোনালৈও এখন ছবি পঠালো। শ্ৰীযুত অবনীন্দ্ৰনাথ ঠাকুৰে review কৰা পুৰণি Indian paintingৰ ধৰণ থকা যেন লাগে। শ্ৰীযুত হেম গোসাঁয়ে কিন্তু ছবিখন একেবাৰে ফুচুৰি বুলি কয়। তেওঁৰ লগত মোৰ মত নিমিলে। আপুনিও চাব। যদি গুণ থকা যেন পায় চিত্ৰকৰ ঠাকুৰক refer কৰিব পৰা যায়।

কামৰূপত এটি বৰ ডাঙৰ সামাজিক সমস্যা উঠিছে। কামৰূপ জিলাত নলবাৰী অঞ্চলত বামুণৰ সংখ্যা বেছি আৰু আন জাতিৰ মানুহবোৰো বেছিভাগেই বামুণীয়া। তাৰ ভিতৰত কলিতাৰ সংখ্যা সৰহ। তেওঁলোকে বামুণৰ 'খামখিয়ালি' সহি থাকিব নোৱাৰি আজি ১০।১২ বছৰমানৰপৰা 'ক্ষত্ৰিয়ত্ব' দাবী কৰি আহিছিল। সম্প্ৰতি ভালেমান গাঁৱৰ 'কলিতাসকলে' ক্ষত্ৰিয় হৈ লগুণ পিন্ধি

১২-দিনীয়া অশৌচ পালন কৰিছে। বামুণসকলে উপায় নেপাই কাশীৰপৰা ভাৰালৈ পণ্ডিত আনি এটি যজ্ঞ কৰাই পইছা গোটাই লৈ বেলশৰ-নামক গাঁৱৰ ক্ষত্রিয় হোৱা কলিতা পাইক কেতবোৰৰ ওপৰত মোকৰ্দ্দমা কৰিছে—তেওঁলোকক যেন মন্দিৰত সোমাব নিদিয়া হয়। গুৱাহাটীতে বহুত গণ্যমান্য কলিতা ভদ্রলোক ক্ষত্রিয় হৈছে। মই কলিতাসকলক মহাপুৰুষীয়া হ'বলৈ মাতিছিলো। তেওঁলোক ৰাজি, কিন্তু তেওঁলোকে এতিয়া ইমান excited হৈ আছে যে, তেওঁলোকে কয় যে, মহাপুৰুষীয়ায়ো বামুণ মানে। তেওঁলোকে বামুণৰ নামকে শুনিব নোখোজে। তেওঁলোকক support কৰিছে ৺শাৰদা মঠৰ ভূতপূৰ্ব্ব শঙ্কৰাচাৰ্য্যই। এখেতে গুৱাহাটীত এটি মঠ স্থাপন কৰিছে।

মই নিজে ক্ষত্রিয় হোৱাৰ বিশেষ পক্ষপাতী নহওঁ। কিন্তু অন্ততঃ কেতবোৰে যদি ক্ষত্রিয় হৈ পৌৰোহিত্যৰ autocracy ভাঙিব পাৰে, তেনেহ'লে বেয়া নেপাওঁ। আকৌ এজন কলিতা ভদ্রলোকে (তেওঁ ছব-ডেপুটী কাম ইস্তফা দি n. c. o. কৰি জেল খাটি আহিছে) নদীয়াল বৃত্তিয়াল আদিসকলক লগুণ দি ফুৰিব লাগিছে। ইবাৰ কামৰূপত লগুণৰ যুদ্ধ!

বামুণীয়া দলৰ প্ৰকাশ্য নেতা আপোনাৰ পুৰণি 'বন্ধু' শ্রীতাৰানাথ চক্রবর্ত্তী ('আসাম বান্ধব'ৰ সম্পাদক) আৰু শ্রীপ্রতাপচন্দ্র গোস্বামী (অসমীয়া চৈতন্য-চৰিত লেখোঁতা)। গুৰিত অৱশ্যে প্ৰায় এটাইবোৰ বামুণেই আছে। কিন্তু কলিতাৰ দলতো কিছুমান আছে। situation বৰ interesting, কিন্তু 'মল্লযুদ্ধ' হবৰ আশঙ্কা আছে।

আশা কৰোঁ আপোনাৰ গা এতিয়া সম্পূৰ্ণ ভাল। ইতি

বিনীত

শ্রীবাণীকান্ত কাকতি

৬৮

Gauhati
11. 1. 24

শ্রদ্ধাস্পদেষু,

আপুনি বৰপেটাৰপৰা চিঠি পাব পায়। অহা মাঘ মাহত বৰপেটাত 'মহাপুৰুষ ধৰ্ম্ম-সংঘ'ৰ প্ৰথম অধিৱেশন পাতিবৰ যো-বা কৰিব

লাগিছে। আপুনি আহিব পাৰিলে বৰ আনন্দৰ কথা হ'লহেঁতেন; কিন্তু আপুনি কামত যেনে ব্যস্ত আপোনাৰ উপস্থিতি আশা কৰা টান। যদি আহিব নোৱাৰে তেনেহ'লে বিশেষ পৰামৰ্শ আৰু যুক্তি দিব। আমাৰ ভিতৰত ধৰ্ম্ম আৰু সমাজ আদি বিষয়ত দূৰদৰ্শী মানুহ বৰ কম। সেই কাৰণে কেনেকৈ কি কৰিলে ভাল, সকলো কথা বহলাই লিখিব।

শ্ৰীযুত কালিৰাম মেধি E. A. C. ডাঙৰীয়া সম্প্ৰতি গুৱাহাটীত আছে। এই বিষয়ত তেওঁ বৰ উদ্যোগী; তেওঁৰপৰা উৎসাহ পাইহে সংঘ পাতিবৰ মন কৰিছে।

সম্প্ৰতি বৰপেটাৰপৰা শ্ৰীশঙ্কৰদেৱ আৰু তেওঁৰ অনুবৰ্ত্তীসকলৰ এখন গদ্য-চৰিত পাইছো। পুথিখন সাঁচিপতীয়া আৰু ১৫০টা পাত আছে। পুথিখনত সকলো কথাৰ detailed বিৱৰণ আছে। তাৰ ভালেমান কথা আপোনাৰ 'শঙ্কৰদেৱ আৰু মাধৱদেৱ' পুথিৰ লগত মিলে। আৰু আনবোৰো পদ্য-চৰিতবোৰৰ এখন নহয় এখনৰ লগত মিলে। পুথিখন উজনি অঞ্চলত ৰচিত। লেখকৰ নাম নাই। ভাষা বৰ মনমোহা। মই আধাখিনিমান পঢ়িছো। নকল কৰাই এখন copy ৰাখোঁ বুলি ভাবিছো।

মোৰ সম্প্ৰতি ভাল। আশা কৰোঁ আপোনাক ঈশ্বৰে মঙ্গলে ৰাখিছে। ইতি

বিনীত
শ্ৰীবাণীকান্ত কাকতি

৬৯ গুৱাহাটী
১৩।২।৩৪

শ্ৰদ্ধাস্পদেষু

আপোনাৰ চিঠি আৰু বৈষ্ণৱ ধৰ্ম্মৰ বক্তৃতা কেতিয়াবাই পাইও মনৰ হাবিয়াহ পলুৱাই পঢ়িব পৰা নাছিলো। মাজতে কলেজৰ মাহেকীয়া পৰীক্ষাই আহি ভেটা দিলে। এতিয়া মনৰ ইচ্ছা পূৰণ কৰি পঢ়ি আনন্দত আপ্লুত হ'লো। It is so beautiful & penetrating

in its simplicity.—ক'তো অনৰ্থক কথাৰ আড়ম্বৰ নাই, ক'তো ভাবৰ ছঁয়াময়া খেলিমেলি নাই, সকলো যেন আত্মাৰ অনুভূতিৰপৰা ওলাইছে —বাইবেলৰ সৰল আৰু গূঢ় কথাৰ দৰে। নহ'লেনো অস্তাচলৰ দেশী ৰজাই উঠি আহি সম্ভাষণ জনায়নে? মোৰ অকণি পুথিখনিত যি অফুট বা কুঁৱলিময় আছিল, আপুনি সকলোকে অনুভূতিৰ স্নিগ্ধ পোহৰেৰে জ্যোতিৰ্ম্ময় কৰি তুলিছে। আমাৰ কাকতে-পত্ৰে আপোনাৰ যহৰ যি প্ৰতিধ্বনি উঠিছে, তাৰ ভিতৰতে মোৰো ক্ষীণ কণ্ঠধ্বনি আছে। যথাসময়ত আগৰৱালাৰপৰা 'ৰাস'ৰ প্ৰবন্ধটো আনি পঢ়িম।

শ্ৰীযুত অমিয় দাসে ব'হাগৰপৰা 'বাঁহী' উলিয়াব বুলি শ্ৰীযুত আগৰৱালাৰ লগত বন্দোবস্ত কৰিছে আৰু ইয়াৰ বহুল প্ৰচাৰৰ বাবে এতিয়া উজনি অঞ্চলত ঘূৰি ফুৰিছে। আপোনাৰ গা অলপ বেয়া বুলি শুনিছিলো আৰু মনত বেয়া লাগি আছে। এতিয়া ভাল পাইছে বুলি খবৰ পালে সুখী হ'ম। অহা শনিবাৰ ১৭ তাৰিখে কলিকতালৈ যাম। তাত বোধ কৰোঁ সকলো শুনিম।

মোৰ একৰকম ভাল। আপোনাৰ মঙ্গল কামনা কৰোঁ। ইতি

বিনীত
শ্ৰীবাণীকান্ত কাকতি

৭০

Gauhati
16.'8.35

শ্ৰদ্ধাস্পদেষু

আপোনাৰ মৰমৰ চিঠি পালো। মোৰ কাম আপোনাৰ 'পদাঙ্ক' অনুসৰণত বাজে আন একো নহয়। আপুনিয়েই পহিলে অসমীয়া ভাষাৰ অস্তিত্ব লৈ আগৰণুৱা হৈ যুঁজ কৰে। আপোনাৰ তেজেৰে অনুপ্ৰাণিত হৈ অসমীয়া ভাষা সম্পৰ্কে এইখিনি আলোচনা কৰা হ'ল।

যদি ঈশ্বৰে গা-মন ভালে ৰাখে আপোনাৰ আন এটি অন্তৰৰ কথা আলোচনা কৰি থূপ কৰি থ'বৰ মন আছে। শঙ্কৰদেৱ আৰু অসমীয়া বৈষ্ণব আন্দোলনৰ ইতিহাস। আশীৰ্ব্বাদ কৰিব যেন সুকলমে কৰিব পাৰোঁ।

আমাক বাট দেখুৱাই সাহ-পিত দিবলৈ ঈশ্বৰে নিৰ্ব্বিঘ্নে আপোনাক দীৰ্ঘজীৱী কৰি ৰাখোক, এয়ে কামনা। ইতি

বিনীত

শ্ৰীবাণীকান্ত কাকতি

জগন্নাথ বেজবৰুৱাই লেখা

শ্ৰীৰাম

৭১ শিৱসাগৰ

১৭।১২।২৩

পৰম কল্যাণীয় শ্ৰীমান লক্ষ্মী বাপা,

পত্ৰে আশীৰ্ব্বাদ।

তোমাৰ ৩ ডিসেম্বৰৰ চম্বলপুৰৰ পত্ৰ এখনি পাই সন্তোষ পালো। তুমি আসামৰ আমাৰ পুৰণি ভেটি চাবলৈ কোনদিনা আহিবা পত্ৰ প্ৰাপ্ত মাত্ৰে লিখিবা, ১০ দিন মাত্ৰ spare কৰিলে হ'ব।* ... ...

৭২ শ্ৰীৰাম

শিৱসাগৰ

১১ আগষ্ট ২৮

শ্ৰীমান লক্ষ্মীনাথ বাপা

আশীৰ্ব্বাদ।

তোমালৈ পত্ৰ দিলে উত্তৰ পোৱা নাযায়, কাৰণ বা কি ৺ৰে জানে। আশা কৰোঁ তোমাক সপৰিবাৰে ৺য়ে মঙ্গলে ৰাখিছে।

মই এখন কাগজ দিলো 'বাঁহী'ত ছপাই দিবাঁ। কিবা শুধৰিব লাগে যদি শুধৰি দিবাঁ। বৰ দৰ্কাৰ কাৰণে লিখিলো।

---

* নিতান্ত পাৰিবাৰিক সমস্তাৰ কথা ইয়াত আছিল; সেয়েহে সেয়া বাদ দিয়া গ'ল।

'অসমীয়া' আমাৰ public কাগজ বুলি শ্ৰীমান বিৰিঞ্চিয়ে কেবাবছৰ লৈছে। তেওঁ এখন আমাৰ নামঘৰৰ সবাহৰ প্ৰতিবাদ পঠালে। তাইতে নছপালে। এইবোৰ অন্যায় কাম। কিবা দোষ হলে লিখকৰ গাত হব। সম্পাদকজনৰতো একো নহয়। আকৌ শ্ৰীমানে পত্ৰ দিলে, উত্তৰ নিদিয়ে। ইংৰাজী কৰি Eng.মেনলৈ পঠাবলৈ ভাবিছো।

তুমি এটা বাট ল'লা সকলোএ জনাশুনা ন্যায্য কাম। শ্ৰীমান বিনন্দে মোৰ লগৰপৰা ৰাধিকাৰ লগত যোগ হই বিধবা বিবাহৰ সভাপতি হ'ল তাৰ পৰ......একেলগ কৰি ৰাধিকা ও আন ডেকাইত আনন্দ পুতেকক হাতত লৈ আমাৰ নামঘৰৰ গুটা অটাই তাতে টিনৰ ৰভা দি সবাহ কৰি মাহ-প্ৰসাদ খালে। আমাৰ শ্ৰীযুত মোমাইয়ে তাক সুধিছে এনে কাম যদি কৰিলে তাৰ বাবে প্ৰায়শ্চিত্ত কিয় নহ'ব। এইবোৰ কাম আমাৰ লগত থাকি জানো কৰা উচিত? নামঘৰত ··· আগত বিনোদে কয় wording "দিননাথ বেজবৰুআ এতিয়া নাই"—চি চি বৰ ঘৃণাজনক।

গোবিন্দে কি কৰিছিল জানো। তথাপি সদায় আমাৰ প্ৰে··· ৰাখি চলিছিল ল'ৰাহতক লগুণ দিলে গোসাঁইঘৰত শৰণ লগালে বেৰিএও গোসাইক সদায় খবৰ কৰে ভকতটো খবৰ ৰাখে ভিতৰি যি আছে আছে। আমাক বাহিৰে পত্ৰিকত লাগে এনে কাম শ্ৰীগোবিন্দেও কৰা নাই, তুমিও কৰা নাই, আমাৰ হৃদয়ৰপৰা বাক হোআ নাই। মোৰ শেষ পত্ৰ দেউতাৰ হৰিকীৰ্ত্তনৰ বাবে লিখাতে তুমি জানিব পাৰা। বেয়া পৰ ভাব হোৱা হলে কেলেই তেনে চিঠি তোমালৈ লিখিলোহেঁতেন? এতিয়া শ্ৰীবিনন্দ বপাইতৰ সহিত কেনেকৈ ব্যৱহাৰ চলে চোআ। ইমানদিন এই বয়স পালেহি। এতিয়া এইবোৰ জই পৰিছেহি আৰু বা কি হয়! তোমালৈ লিখিলেনো কি কৰিবা? একো কৰিব নোৱাৰা, লিখা মনপতিওা। জীয়াই আছো দেখি এইবোৰ ভোগ হইছে। 'অচমীয়া'ক খুজি প্ৰতিবাদখন চাবাঁচোন।

শ্ৰীজগন্নাথ

'বাঁহী'ৰ শ্ৰীযুত সম্পাদক মহাশয়,

আমাৰ তলত লিখা কথা কেইষাৰ যেন অনুগ্ৰহ কৈ 'বাঁহী'ত ছপায়।

মোৰ ভাই-ভতিজা পো-নাতি ও সেইসকলৰ সমবয়স্ক বন্ধুসকল,

আসামৰ ভিতৰত অসমীয়া সাহিত্যিক বুলিলে শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুআক বুলিব পাৰি। সাহিত্যচৰ্চ্চা কৰিছে বুলি তেও কোনো ধৰ্ম, অৱতাৰ, গুৰু, গোসাঁই, ৰাম, কৃষ্ণ, জগন্নাথ, শংকৰ, মাধব, চৈতন্য, ৰমানন্দ, হৰিব্যাস, শঙ্কৰাচাৰ্য্য আদি কোনো সম্প্ৰদায়কে তুচ্ছ-তাচ্ছিল্য কৰি কোনো কাগজত ব্যাখ্যা কৰা পঢ়িবলৈ পোৱা নাই। কিন্তু আধুনিক কিছু বি.-এ, এম্-এ. পাছ কৰি আহি হিন্দু ডেকাই এটাইবোৰৰ নাম গীতা ভাগবতাদি শাস্ত্ৰখনিৰ নাম উল্লেখ কৰি তাৰ ভিতৰৰপৰা সাৰ উদ্ধাৰ কৰি মনত ... নোৱাৰি নিজৰ বিদ্বানতা প্ৰচাৰ কৰিবৰ কাৰণে ... ... বোৰৰ চিৰকাল চিন্তা-আৰাধনা কৰা ভাববোৰ কুতৰ্ক দ্বাৰা আঘাত কৰিছে, হিন্দুৰ বাহিৰে অন্য জাতিৰ আৰাধ্য অবতাৰকো এৰা নাই। সন্তবিলাকে ধৰ্মগ্লানি এৰি অন্য সাহিত্যিক শাখাবোৰ লৈ পুৰাণবোৰ, আয়ুৰ্বেদ গ্ৰন্থবোৰ, গণিতবিছা ও জ্যোতিষাদি পুথিবোৰ অসমীয়াত তৰ্জমা কৰি দেশত প্ৰচাৰ কৰক (ছাপাৰ খৰচ সস্তা কৰি এটা টকাৰ ... স্থাপন কৰক)। কুতৰ্ক একেবাৰে এৰক। সেইটো কেৱল পৰিতাপৰ বিষয়, তেনে কামত হাত দি পণ্ডিতালি বুজাবলৈ আগ বঢ়া ভাল নেদেখোঁ। কোনো সম্প্ৰদায়ৰ বিশ্বাস-গঠিত ধৰ্মভাব হেয় কৰিব নাপায়। বিছা-শিক্ষাৰ এই অভিপ্ৰায় উদ্দেশ্য এইবোৰ কামলৈ আয়োজন কৰা নাছিল। তেওঁবিলাকে ভবিষ্যতলৈ নিজ নিজ ঘৰৰ উন্নতি সাধন কৰা উদ্দেশ্যেহে শিক্ষা দিয়া অভিভাৱকসকলৰ হেপাহ আছিল।

শ্ৰীজগন্নাথ বেজবৰুআ

গোবিন্দচন্দ্ৰ বেজবৰুৱাই লেখা

৭৩ Notes by G. Bezbaroa

The biography of the Bezbaroa family has been embodied in puthi (book), written by my father, Dinonath Bezbaroa, in the year 1766 Sak.

One Brahmin by the name of Kalibor (কলিবৰ), the founder and ancestor of the Bezbaroa family, originally came from Kanouj, on pilgrimage to Kamakhya and other sacred places in Assam. This gentleman, Kalibor, was a very learned man. He was well-versed in the Vedas, science and other branches of learning. His intimate knowledge of the medical science attracted the attention of the king of Assam, Bura Bhogonia Rajā, or Joyadhaj Singha, who reigned for 9 years from 1654 A.D. Thereupon King appointed him (কলিবৰ) to the post of Bezbaroa or the chief of the physicians and gave him 1,000 Puras or 4,000 Bighas of rent-free land in...places--Lakhimpur, Sibsagar and other places.

The above information is [based] upon the records of the puthi called বেজবৰুৱাৰ বংশাৱলী, written by Dinonath Bezbaroa (our father) in 1766 [Sak]=1844 A.D. The above is the [copy] of what I sent to Major Gurdon, who was compiling for Govt. one book called—.

G. Bezbaroa
31-8-08

Sent to my brother, Lakhi.

GB

I will send you our বংশাৱলী with Dewta's horoscope tomorrow or day after. GB

৭৪ Jorhat
1-9-08

My dear Lakhi,

I send you our বংশাৱলী and Dewta's কোষ্ঠী. Do make the best use of them. Dewta died in 1895 A.D. (month Jeth).

Ys affly,
G. Bezbaroa

৭৫ *Confidential*

Jorhat
13-9-08

My dear Lakhi,

Please return the enclosed letters from Benond & Sarukakaideu after your perusal. I think I must keep myself aloof from those affairs. What do you say? Advise me.—Urgent.

Ys affly,
G. Bezbaroa

Dewta wrote the life of Sankordeb, but it was not printed. Manuscript copies of it were presented to Komolabari, Bordoa, Borpeta & Cooch Behar Satras.

Dewta also wrote one book called আচাৰ্য্য সংহিতা. It was printed. I have got a copy of it. So Dewta was author of books.

G. Bezbaroa

Notes about Dewta

Dewta was serving under the British as Civil Serestadar under Principal Assistant Commr., subsequently called Deputy Commr. of Sibsagar, till 1861. Dewta was appointed Munsiff in 1861 and posted to Nowgong, thence transferred to Barpeta, thence to Tezpur, thence to North Lakhimpur, thence to Gauhati, and the designation of Munsiff having been changed into that of Extra Asstt. Commr. in 1871 or 1872, Dewta was called Extra Asstt. Commr.

From Gauhati Dewta returned as a pensioner Extra Asstt. Commr. in the year 1873.

G. Bezbaroa

দেউতা আসাম ৰাজাৰ আজ্ঞাধীন জোৰহাটৰ যাদু অধ্যাপকৰ বিদ্যালয়ত শিক্ষা পাই, সেই বিদ্যালয়ত ১৬ বছৰ বয়সত ২য় শিক্ষকৰ কামত ভৰ্ত্তি হই কিছু দিন শিক্ষা দিছিল ও ৰাজাৰ চিকিৎসা-শিক্ষালয়ত শিক্ষা পাই আয়ুৰ্ব্বেদীয় শাস্ত্ৰত পাৰগতা লাভ কৰি ৰাজাই মনোনীত কৰি ১৮ বছৰ বয়সত কামাখ্যাৰ মন্দিৰৰ ভিতৰত শপত কৰাই শ্ৰীশ্ৰীযুত পুৰন্দৰসিংহ মহাৰাজাৰ নিজৰ চিকিৎসাৰ কাৰণে প্ৰধান বেজবৰুআ পদত নিযুক্ত কৰি ল'লে। অন্য বেজবৰুআসকলে ৰাজাৰ বেমাৰ চাই ঔষধাদি

প্রয়োগ করিলে সেই ঔষধ ডাঙৰীয়াই হাতেরে ছুই পরীক্ষা করি দিলেহে রজাই খায়। এইপ্রকারে আসাম রাজার দিনত রাজার বেজবরুআ কার্য্যত নিয়োজন থাকি সুখ্যাতিরে ক্ষেম করি আছিল। রাজার রাজ্য কোম্পানিয়ে লোআত গবর্ণমেণ্টর কিছুকাল দেওানি সেরেস্তাদার কাম করি থাকন্তে যেতিয়া চিচিল বিডন সাহাব শিবসাগরত আহিছিল কমিশনার হটন সাহাবক কলে যে এনে উপযুক্ত মানুহে মুন্সেফি কাম কিয় পোআ নাই? হটন সাহাবে খালি হ'লে পাব বুলি সেই মাহতে নগাঁওৰ মুন্সেফ কামত মকরর করে তার পর অনেকদিন মুন্সেফি কাম ডিপুটী কলেক্টর কাম করি নতুন রিভিজনত একস্ত্রা এঃ কঃ নাম পাই বহু কাল, প্রায় ৩৭ বছর, গবর্ণমেণ্টর কার্য্য করি ২৭ বছর পেঞ্চন ভোগ করি ১৮৯৫ সনর ২৭ মেই বাঙ্গালী ১৮৯৭ শক জেঠ মাহত।* গবর্ণমেণ্টর পদত থকাতো ও তেওঁর শেষ কাল পর্য্যন্ত ঔষধাদি চিকিৎসা কার্য্যত সকলোকে সহায় করিছিল। শিবসাগর জিলাত তেওঁর দিনত ধর্ম্মবিষয়ক আলোচনা আদি সদ্কর্ম ও দেশর উন্নতির বিষয়ে তেওঁ প্রধান সভাপতি কার্য্যত নিযুক্ত আছিল। গবর্ণমেণ্টর অফিচরসকলে তেওঁক বর আদর করিছিল। আসামর তেওঁ এক ধরণী আছিল। তেওঁর পরকালরপৰা শিবসাগর জিলার ধর্ম্মকার্য্যাদির প্রায়ে হ্রাসতা প্রকাশ পাইছে। যুবাদলর ভিতরত ধর্ম্ম-সংক্রান্তে চাকোন নাইকিয়া হ'ল। এইতো সকলোৱে স্বীকার নকরি নোআরে। শিবসাগরত ধর্ম্মসভা বাল্যাশ্রম স্থাপন করি সকলোকে শিক্ষা দিছিল। তেওঁ গবর্ণমেণ্টর বিরুদ্ধে কোনোদিন কোনো কামতে অনুমতি নিদিছিল। সরল অন্তঃ-করণেরে সকলোৱে আদরণীয় হই এই সংসার পরিত্যাগ করিলে।

জোরহাটত ১৭৩৫ শকত জন্ম (? GB)

পিতা ৺কৃষ্ণরাম বেজবরুআ

পিতামহ অঙ্গদদেবশর্ম্মণ বেজবরুআ

প্রপিতামহ জগন্নাথ বেজবরুআ

এইসকলে রাজার ঘরত বেজবরুআ পদত আছিল অতি শৈশবাবস্থাতে ডাঙ্গরিয়াৰ পিতার মৃত্যু হয়। জ্যেষ্ঠ ভ্রাতা ৺হলিরাম বেজবরুআ ডাঙ্গরিয়াৰ সাবধানত ডাঙর হ'ল।

* ৭ বজাত ৺কমলাবাৰী গ্রাণ্টৰ সত্রত স্বর্গীয় হ'ল।

শ্ৰীনাথ বেজবৰুৱাই লেখা

৭৬ Golaghat

25. 8. 09

মৰমৰ শ্ৰীমান এল্ বাপা,

তোমাৰ বহুত দিন পত্ৰ পোৱা নাই—মই জানিছোঁ, মই চিঠি দিয়া নাই দেখি খং কৰি মোলৈ আখৰ এটাকে দিয়া নাই। মোৰ এলাহৰ কাৰণেই তুমি মোক খং কৰি বেজাৰ কৰি মোক মাত লগোৱা নাই—এতিয়া কাবৌ কৰি কইছোঁ, মোৰ ওপৰত বেজাৰ নকৰিবাঁ, খং নকৰিবাঁ। চিঠি দিবাঁ। শ্ৰীযুতাৰ গা বৰ ভাল নহয়। ক্ৰমে দুৰ্ব্বল।

বৌৱাইত, ভতিজাহঁত ভালে আছে। বৌৱাৰ জ্বৰ হৈছিল এতিয়া ভাল কৰিছে। শ্ৰীমতী বৰ বেবিক ও শ্ৰীমতী সৰু বেবিক মোৰ মৰম সাদৰ ক'বাঁ। শ্ৰীমতীক মোৰ আশীৰ্ব্বাদ ও শ্ৰদ্ধা জনাবাঁ। তুমি মোৰ বিশুদ্ধ স্নেহ ও সাদৰ গ্ৰহণ কৰিবাঁ।

বংশাৱলী মই নিলিখি থকা নাই। নানা ঠাইৰপৰা নানা কথা গোটাই আনি এতিয়াও লিখি আছোঁ। তুমি হেলা কৰিছোঁ বুলি নেভাবিবাঁ। কাৰ্য্যটো সম্পূৰ্ণ হওক। বিলম্ব হোৱা বাবে বেয়া নেপাবাঁ। শ্ৰীযুত তুলসী বাবুৱে শ্ৰেষ্ঠসকলৰ নাম-বংশ উল্লেখ কৰিব নেপায় বুলিয়েই মোৰ লাগতিয়াল কথা দিব নোৱাৰোঁ বুলিলে। তথাপি মই আন সূত্ৰেৰে আনিছোঁ। যিমান সোনকালে পাৰোঁ শেষ কৰি আকৌ শুধৰাব লাগিব। বেলি হোৱাত খং নকৰিবাঁ। বেজবৰুৱাৰ বংশ অপাৰ।

ইয়াৰ স্কুলৰ 3rd মাষ্টৰজনাই ইস্তফা দিলে। তেওঁ আগত ৩১ তাৰিখে যাবগৈ। এতেকে এই পত্ৰ পোৱামাত্ৰে একেবাৰেই এজন graduate তেওঁৰ ঠাইলৈ পঠাই দিয়াঁ। শ্ৰীযুত গোবিন্দ ককাইদেওৱে মোলৈ লিখিছে, "তুমি কেনেকৈ পাৰা এজন graduate আনি লোৱাঁ, মই বিচাৰি হাইৰাণ হৈছোঁ। যদি লক্ষী ও হৰিলৈ লিখি সিহঁতক ধৰি এটা graduate আনি স্কুল ৰাখি ভাত খাব নোৱাৰা, স্কুল ধ্বংস কৰা, যি কৰা কৰাঁ।"

এতেকে তেওঁ কাণসাৰ এৰিলে। তুমি অতি শীঘ্ৰে এটা graduate পঠোৱাঁ। নহ'লে বৰ বিপৰীত কথা হ'ব। মকৰৰ কথি wire কৰিবাঁ ও বেগেতাই ৰাওনা কৰি পঠাবাঁ। অতি আচৰিত—মানুহ নাই পোৱা।

এই পত্ৰৰেই শ্ৰীমান হৰি বাপাকো মৰম-সাদৰ জনালোঁ। graduate সোনকালে পঠাবলৈ বৰকৈ খাটিলোঁ।

মৰমৰ

শ্ৰীশ্ৰীনাথ

এই বেলি মাঘ-ফাগুন মহীয়া ৺দেৱতাৰ হৰি-কীৰ্ত্তন পাতিব লাগিব। মনত ৰাখিবাঁহক।

SnB

৭৭ Golaghat

5. 1. 11

মৰমৰ শ্ৰীমান এল্ বাপা,

মোৰ চিঠি পাব পোৱা। G. B. ইয়াতে আছে। কাইলৈ যাবগৈ।

গত কালি তেওঁ মোৰ মাটিবাৰী ও তেওঁৰ বঙলা সহ মাটি মুঠ ৫০০৲ টকাত ব্ৰহ্মানন্দ ও কমলেশ্বৰীক বিক্ৰী কৰি ৰেজিষ্টৰী কৰি দিলে। মই সিহঁতলৈ নটিশ দিছিলো, সিহঁতে গ্ৰাহ্য নকৰিলে। মোৰ মাটি ব্ৰহ্মানন্দে, G. B.ৰ মাটি কমলেশ্বৰীয়ে ল'লে। কমলেশ্বৰী ব্ৰহ্মানন্দৰ বায়েক।

শ্ৰীযুত ঘনশ্যাম বৰুৱা ও শ্ৰীযুত গোপিকাবল্লভ গোসাঁইয়ে পৰামৰ্শ দিছে যে, আপুনি এতিয়া একো আপত্তি কৰিব নেলাগে। যদি সিহঁতে trespass কৰেগৈ আপুনি সিহঁতক খেদাই দিব, সিহঁতক courtলৈ যাবলৈ দিব, মাটি এৰি নিদিব। ডাক্তৰ বেজবৰুৱাৰ মাটি এওঁ পট্টা কৰি লৈছে, সুতৰাং এজমালি মাটি, এই মাটিত আপোনাসকল এটাই-কিজনৰ স্বত্ব আছে। আৰু আপুনি বহুত দিন দখল কৰি আছে। এই বুলি উকিলসকলে কোৱাত এতিয়া ৰেজিষ্টৰী কৰাত objection কৰা নহ'ল। এতিয়া পৰম্পৰে শুনিছো ব্ৰহ্মানন্দে ejection suit কৰিবলৈ মনে মনে পাতিছে; কি হয় পৰে লিখিম। G. B.-এ মোৰ কামটোও নিলে, এতিয়া মোক নোসোধাকৈয়ে মই থকা মাটি

ডোখৰও ব্ৰহ্মানন্দক বিক্ৰী কৰিলে। ব্ৰহ্মানন্দে অৱশ্যে মোক বাধ্য হৈ দিগদাবি কৰিব; তাতকৈ তাৰ মাক জনীহে …। এই মাটিৰ-পৰা মই মকৰ্দ্দমালৈ যাব লাগিব যেন দেখিছোঁ। ইয়াত সকলোৱে G. B.ক থু পেলাইছে। ঈশ্বৰে তেওঁক অৱশ্যে দণ্ডিব। স্কুল বেচি ৬,০০০৲ টকা পাইছে; বাৰী-মাটি বেচি ৫০০৲ টকা পাইছে, পুতেকহঁতে পটি পাস কৰিছে। ভয়ঙ্কৰ অহঙ্কাৰতে মত্ত হৈছে। ধৰ্ম্ম-অধৰ্ম্ম ন্যায়-অন্যায় একো কাণ কৰা নাই। কোনো এদিন মোক মোৰ মাটি ডোখৰ বেচা সম্পৰ্কে সুশুধিলে। উকিলহঁতে কয় যে, সকলোকিটা ভাই ককাইয়ে G. B.-লৈ একোখন নটিশ দিয়া উচিত যে এই মাটি এজমালি, তেওঁৰ অকলে বিক্ৰী কৰিবৰ অধিকাৰ নাই। এতেকে তোমালোক দুইও তেওঁলৈ জাননী দিয়া ভাল। মই উকিলৰ সহিত পৰামৰ্শ কৰি আৰু কি কৰিব লাগিব, লিখিম।

শ্ৰীমতীহঁতক স্নেহ সাদৰ জনাবাঁ। বৰ্ত্তমান ভালে আছোহক।

মৰমৰ

শ্ৰীশ্ৰীনাথ

শ্ৰীমান হৰি বাপা,

এই পত্ৰতেই সকলো বুজিবাঁ। পিছত পঠোৱা History আদি কিতাপৰ পাৰ্শেল বিল ও তোমাৰ পত্ৰ পালো। বিক্ৰী হৈছে, টকা পঠাম।

ব্ৰহ্মানন্দই মোৰ মাটি ল'লে।

মৰমৰ

শ্ৰীশ্ৰীনাথ

বিনন্দচন্দ্ৰ বেজবৰুৱাই লেখা

৭৮ শিৱসাগৰ

১৬।৬।২০

শ্ৰীমান লক্ষ্মী বাপা,

তোমাৰ আজি বহুদিন পত্ৰ নেপাই চিন্তিত আছো। বিগত পত্ৰ এখান ও তোমাৰ পটাৰ খাজনা শোধোৱা ৰচিদ পঠাইছিলো,

তাৰো পোৱাৰ খবৰ নেপালো, আশা কৰো তোমালোক সকলোটি ভালে আছা। শ্ৰীমতী অৰুণাৰ পৰীক্ষা উত্তীৰ্ণ খবৰটি অতি শীঘ্ৰে জানিবলৈ দি সন্তোষ দিবাঁ, শ্ৰীমতীহঁতক মোৰ আশীৰ্বাদ ক'বাঁ।

বিশেষ শ্ৰীমান আনন্দ 2nd Dn.অত I. A. pass হল, result ওলাল, এতিয়া তাক কি কৰোঁ নিৰুপায়। বুদ্ধিবান ল'ৰা সকলোএ পঢ়াবলৈ কয়, নপঢ়ালেও নহয়, B. A.লকে পঢ়াবলৈ মন, এতিয়া ধনো বেছি……ও কিতাপো লাগিব।……পেঞ্চন ২২॥ টকাৰে দিও আক……টকামান লাগিব, যদি শ্ৰীবেবিএ……দৰে দশ টকা দিএ তাকো দশ টকামান লগা হ'ল, কি কৰোঁ! নিৰুপায়, অতএব তোমাৰ কি মত লেখিবাঁ। মোৰ পঢ়াবৰ প্ৰায় শক্তি নাইকিয়া হল, বুঢ়া হলো, বেমাৰী। জেঠৰ ১৩ তাৰিখে সক মাজু ছোৱালীজনী শান্তি দি উলিয়াই দিলো।

গ্ৰাণ্টই হল কলি। ব্ৰহ্মানন্দৰ মতে গ্ৰাণ্টৰ ভাগত মই মঞ্জুৰ নোহোৱা বাবেই সকলোএ হিংসাত দেখিব পৰা নাই। তোমালক সকলো ৰাজি আছা, কেবল……পেছ কৰিব পৰা নাই। শ্ৰীদেবেন ও কৃষ্ণৰ……হৈছে। অতএব তোমালকে যি কৰা, মই হ'লে নদীত চিন ৰাস্তা নাইকিয়া গ্ৰাণ্টৰ ভাগ এৰিলো। পত্ৰৰ উত্তৰ দিবাঁ।

মৰমৰ

বিনন্দ

৭৯ শিৱসাগৰ

২৬।৭।২৮

মৰমৰ শ্ৰীমান লক্ষীবাপা

আঃ।

কালি তোমাৰ চিঠিখান পাই অতি সন্তোষ পালো। শ্ৰীমতীহঁতৰ পাছ হোৱা ও মোৰ মৰমৰ শ্ৰীমতী ৰত্না আইদেউ বি. এ. পাছ ও ভেওঁৰ আমাৰ দেশত আমাৰ অসমীয়া সুপাত্ৰৰ সহিত সম্বন্ধ ঠিক হোৱা সম্বাদ পাই নথৈ আনন্দত পাগল হইছো। ৮ৰে উভয়েরে হৰগৌৰী-কান্তি কৰি দীৰ্ঘজীবী হ'ব, ইয়াকে ভগবানৰ ওচৰত প্ৰাৰ্থনা

করি আশীৰ্ব্বাদ করিছো আমি দুই বুড়াবুড়ীএ। নবৌয়াও বড় সন্তোষ পাইছে, তেওঁ তোমালক ও মাককো দেখিবলৈ পাম বুলি। যা হউক তোমাক ঈশ্বরে ইমান দিনর মূরত জন্মভূমিলৈ আনিলে জানিবাঁ। আমি আশা করিছো শুভকাৰ্য্য শীঘ্রে সমধা করিব লাগে। মোর আশীৰ্ব্বাদ শ্ৰীমতী প্রজ্ঞাক দিবাঁ। ও নাতিনীয়াকিটাক মোর বাবে চুমা দিবাঁ। ভগবানে শ্রীমতী অৰুণারো পরীক্ষার সুফল অতি শীঘ্রে দিব।

আগে তুমি ছোৱালীহঁতর পরীক্ষার খবর দিয়া নাই। এই পত্রর দ্বারাহে জানিবলৈ পাইছো। আমালোক এক প্রকার আছো। শ্রীমান আনন্দই তোমার অনুগ্রহত পেটে-ভাতে খাইছে। ইয়াত বহু উকিল, মহকুমা কোনোমতে মোক এরিব নোৱারি আছে। শ্রীমান মাধই Class Xঅত পঢ়িছে।

মাজে-সময়ে নিজ মঙ্গলাদি দি থাকি মোক সন্তোষ দি থাকিবাঁ। ইয়াকে থাটিলো। শ্রীমতী নবৌয়াইও এই পত্রে আশীৰ্ব্বাদ দিছে, উভয়ে গ্রহণ করিবাঁ। বিশেষ আৰু কি লেখিম ?

মরমর

শ্রীবিনন্দ ককাইয়া

যতীন্দ্রনাথ দুৱৰাই লেখা

৮০ The Tomory Memorial Hostel,
5, Badurbagan Row,
Calcutta, 5. 1. 14

My dear Sir,

Allow me to thank you most heartily for your very kind letter & the nice new year card which were duly to my hand. I have treasured up your new year's blessings with the utmost respect in my heart and may these be an impetus to my work in the world.

I think you have already heard from Sarat Babu that I was a bit indisposed & yet I never failed to do the work entrusted to me. But I am sorry to say that the printers are

not at all caring to hurry up the work. I corrected & returned the first proof on the 30th December & got the proof of the 2nd forme & 2nd proof of the first forme only on 3rd January when I went to your office at about 2 P.M. I corrected them there and sent them to the press on that very day. I expected a proof today but have not yet got it. I don't know how in the midst of these irregularities I shall be able to finish *Banhi*'s work punctually. I write these to you only to inform you that I cannot be held responsible for the late publication of *Banhi* this time.

Re : Sibsagar Co-operative Stores. I met Sj. Kuladhar Chaliha, brother of Sj. Premadhar Chaliha, & told him all about the affair asking him to advise for an early payment of the deficit.

I am glad that you are enjoying the climate very much. May the change do you some good. You wrote to me that water would freeze if you keep it outside for the night. Really I am very much afraid to hear of it for I don't like that the cold would freeze your imagination. I do not care if you be frozen into ice, but I would particularly request you to take care of your imagination.

A rumour is already afloat here that you are writing a book there. I don't know the truth of it, but they say that it is an ideal historical drama. Only the other day a friend of mine told me that you would write, after your return, a history of Assam dealing with not of dynasties but with the social, literary & religious developments from the beginning of the ancient times to the modern age. I am really glad to hear the news & I am pretty sure that I shall soon see these books. Regarding the history I know it would require time, but at the same time I should say that you are the only man to take up the work. No doubt it would be a pretty big volume, but what's of that to you ? Of course, these are only rumours & I don't know who is responsible for it.

Am well. Hope this finds you hale & hearty with your family. Herewith goes my good wishes to Aruna & Ratna. With my best respects to you & to yours,

I am affectionately yours,
Jatin

P.S. Excuse me please for the long letter.

৮১

The Ogilvie Hostel,
31/2, Hurtukibagan Lane,
Calcutta, 4. 4. 15

My dear Sir,

Now, you see, I have scored the point. I have taken myself the aggressive step of thrusting myself before your presence with this short note of mine. Indeed, I find it a pleasant task to write to you, for whenever I take my pen for the purpose, your presence & bearing float before mine eyes, making me realise all the charm and sweetness of your enchanting company.

Of course, it is impossible for me to infuse into my note that jovial strain which is the keynote of Mr. Bezbaroa the man and Mr. Bezbaroa the author. Sad melancholy has asked me for her own ; if you search for light in the thick of dismal cloud your enquiry will be baffled—it is dead certain. Even in the bosom of melancholy there is spread for me a soft bed of roses, without its thorns, where I can find eternal rest and consolation which to outward view seems ever repulsive and unattractive.

You are in Elysium, so to say, where roses bloom, cuckoos sing, and doves warble their amorous note to the gently blowing southern breeze. I doubt whether this note of mine flowing from a heart saddened with melancholy, will find a fitting reception in that blissful bower. Yet I venture, on the strength of your affection for me, to send it to you and thereby presenting a contrast [ing] picture before your mind. As to the cause of the sad tone which generally pervades. Through my letter, I can only say with Shelley, "Our sweetest songs are those that tell of saddest thought." To this I can also even add another line from Victor Hugo which runs thus "Man respires, aspires and then expires."

I am sure you will excuse me for writing such a note to you. I wish I could have written more but *"Ispiation"* fails & so I must stop too.

The Hon'ble Mr. Barua is arriving to-day and I shall see him this evening. I had been to yours yesterday and spent a most pleasant evening there. Regarding *Banhi* I have already sent Mr. Bose's advertisement to the press. I have not yet

received the proof of the last forme. You need not at all be anxious for *Banhi,* for everything will work on smoothly.

Am well. Hope this finds you hale & hearty. I am pretty sure, Aruna is quite well. Kindly give her my best wishes.

With respectful regards to you,

I remain
Ever yours affly,
Jatindra

৮২

The George Institution
Dibrugarh, 19.4.20

শ্ৰীচৰণেষু,

বিহু আহিল গ'ল—অসমীয়াৰ প্ৰাণ আনন্দত বুৰ গৈছিল—খন্তেকলৈ দুখ-বেজাৰ পাহৰি হাঁহিছিল তাৰ পাছত পানীৰ বুৰবুৰণিৰ দৰে সেই আনন্দৰ কণা কেনিবাদি লয় পালে। ফুল কলি ফুলিল, ভোমোৰা আহিল, কাণে কাণে কথা ক'লে, হৃদয়ৰ বীণ বজালে—কলি মৰহি সৰি গ'ল—ভোমোৰাও উৰি গ'ল, কিন্তু প্ৰকৃতি একেদৰে ৰ'ল। মানুহে নতুন আশাৰে বুকুত নতুন বল বান্ধি কাৰ্য্যক্ষেত্ৰত আগুৱাবলৈ সাজু হৈছে, মনত নতুন আনন্দ আৰু নতুন উৎসাহ। কিন্তু হায়! ভৱিষ্যতৰ পেটত কি আছে কোনে জানে—কতবাৰ ভিজিছে-বুৰিছে, শিকিছে—তেও সকলো পাহৰি আকৌ এবাৰ ভৱিষ্যতলৈ ব্যগ্ৰভাৱে চাইছে। কিন্তু সকলোলৈকে আওকাণ কৰি কাৰো দুখ-সুখলৈ চকু নিদি মহাকাল প্ৰবল সোঁতেৰে মহাবেগেৰে যাবলৈ ধৰিছে—কেনি গৈছে ক'ব নোৱাৰে—ক'ত অন্ত হ'ব তাৰো ঠিক নাই—কিন্তু গৈয়ে আছে—কত সাগৰ মৰুভূমি হৈছে, কত মৰুভূমি সাগৰ হৈছে—কত প্ৰাণী সোঁতত উটি গৈছে আৰু কত প্ৰাণী সেই সোঁতৰ মাজৰপৰাই উঠি মহা আনন্দেৰে কাল নিয়াইছে—তালৈ চাবলৈ কাৰো সময় নাই। কুমাৰৰ চাকত কত চৰু-কলহ সজা হৈছে, তাৰ ভিতৰত কেইটা বেয়া হৈছে বা কেইটা ভাগিছে, তালৈ চাবলৈ সময় নাই—চালে যে তাৰ কাম নহ'ব—তাৰ যিকেইটা থাকে, সেয়ে বহুত। আমিও ঠিক সেই কালচক্ৰৰ

খেলাৰ পুতলা। আমাক যেনেকৈয়ে চলাইছে, চলিছোঁ—তাৰ বাহিৰলৈ যাব পৰা নাই আৰু নোৱাৰোঁও। এই মহাশক্তিৰ আগত কন্দাও যি, হঁহাও সি; গালি পৰাও যি, প্ৰশংসা কৰাও সি। কাৰণ মানুহৰ উপায় নাই। তাৰ পিছত চাওঁতে চাওঁতে খেলা অৱসান—সামৰণী গীত—বিদায়—যৱনিকা-পতন। মাথোঁ দুদিনৰ কাৰণেই সুখ, দুদিনৰ কাৰণেই দুখ। এই দুদিনৰ কাৰণেই সব গণ্ডগোল। বিষাদময় পৃথিৱীত সাৰ পাই দুদিনৰ কাৰণে সুখ বিচাৰি উত্‍ৰাৱল হৈ কোঢ়াল লগাই দিছোঁ। অভিনয়-অন্তত যেতিয়া আঁতৰি যাব লাগিব, তেতিয়া কি থাকিব পৰি ?—মাথোন ফুটুকাৰ ফেনসোপা। তোমাৰ শূন্য ঠাই আহি আকৌ অইন এজনে অধিকাৰ কৰিব। তোমাৰ ওমোলা ঠাইত আহি তেঁৱেই উমলিব। এয়েতো নিয়ম—মানুহে জানো এই শক্তিক ঠেলি যাব পাৰিছে ? নোৱাৰে। তেন্তে শোকেইনো কি, আনন্দইনো কি? বিহুৱেইনো কি—বিহেইনো কি ! সেই দেখি মানুহৰ বিহুৰ আনন্দ মই বুজিব নোৱাৰোঁ। নুবুজিলেও লেঠা—মানুহে ক'ব ফুটনি হ'ল। মই বিমোৰ, দুই নাও দুই ভৰি।

বহুত দিন চিঠি লেখা নাই—যিহঁতক মন যায় তাকে লেখিলোঁ। বিহুৰ নমস্কাৰ জানিব। আৰু শ্ৰীযুতা Mrs. Bezbaroaকো মোৰ বিহুৰ প্ৰণাম জনাব। অৰুণা, ৰত্না, দীপিকাকো মোৰ বিহুৰ স্নেহ-সম্ভাষণ জনাব। অৱশ্যে আগেয়ে জনাব লাগিছিল—কিন্তু মইতো এইবোৰ এৰিয়ে দিছোঁ—সেই কাৰণে বেলি হ'ল, ক্ষমা কৰিব।

'বাঁহী'ৰ ১ম ফৰ্ম্মা ছপা হ'ল। 'বাঁহী'ৰ কামবিলাকত বৰ বেমেজালি ঘটিছে। অসমীয়া প্ৰেছত এটা machine থাকিলে নিয়মমতে 'বাঁহী' উলিয়াব নোৱাৰিব বুলি মোৰ বিশ্বাস। দেখা যাওক, আগৰৱালা ডাঙৰীয়াই কি কৰে। কিন্তু আপোনাৰ লগত 'বাঁহী'ৰ অলপ-অচৰপ কাম কৰি সি সুখ পাইছিলোঁ, সেই সুখ পোৱা নাই, আৰু নাপাওঁ—মন একেবাৰে ভাগি গৈছে। দেখা যাওক, কি হয়। আপুনি নতুন বছৰৰ কাৰণেও একোকে 'বাঁহী'ত নেলেখিলে। বৰ বেজাৰৰ কথা যে, 'বাঁহী' আপোনাৰ লেখাৰপৰাও বঞ্চিত হ'ব লগা হ'ল। আপুনিয়ে যদি 'বাঁহী'ত নেলেখে, তেন্তে 'বাঁহী'নো আৰু কিটো হ'ব। চাৰিওফালে—আন্ধাৰ আৰু নিৰাশা।

কোনোমতে জীয়াই আছোঁ বুলিলে মোৰ বিষয়ে যথেষ্ট কোৱা হ'ব। আশা কৰোঁ আপোনালোক সকলোটিৰে মঙ্গল। মোৰ সেৱা জানিব। ইতি

আপোনাৰ মৰমৰ
যতীন্দ্ৰ

পুঃ

শ্ৰীযজ্ঞেশ্বৰ শৰ্ম্মা নামে এজন মানুহে 'বাঁহী'ৰ কাৰণে মোলৈ দুটা টকা পঠাইছে। মই সেইটো 'বাঁহী'ৰ অফিচত জমা দিম। তেখেতক 'কদমকলি' এখন লাগে। 'কদমকলি' মোকো এখন দিব নোৱাৰেনে? মোৰ নাই। আৰু আপানাৰ কেবাখনো কিতাপ মোৰ নাই। ইতি

শ্ৰীযতীন্দ্ৰনাথ দুৱৰা

Kindly excuse haste.

৮৩

The George Institution
Dibrugarh, 31. 5. 20
Assam

শ্ৰীচৰণেষু,

আপোনাৰ চিঠি যথাসময়ত পালোঁ, পঢ়ি বৰ ভাল লাগিল। ফুকনলৈ দিয়া চিঠিও দেখিলোঁ। যি হক আপুনি এবাৰ আহিলে বৰ ভাল হয়। মহাপুৰুষ শঙ্কৰদেৱৰ তিথি অৱশ্যে সাধ্যমতে চেষ্টা কৰা যাব। আমাৰ স্কুল এতিয়া বন্ধ। সম্প্ৰতি মই ইয়াতে আছোঁ। অলপ ইফালে-সিফালে, অৱশ্যে দাঁতি-কাষৰতে, ফুৰিবৰ মন আছে। কিমানদূৰ কৃতকাৰ্য্য হওঁ ক'ব নোৱাৰোঁ। 'বাঁহী' বোধ হয় পাৰ পায়। দ্বিতীয় সংখ্যাৰ দুই-তিনি ফৰ্ম্মামান ছাপা হ'ব পায়। এইবাৰ articleৰ বৰ নাটনি। ভাল article পোৱাই নাই। যিবিলাক হাতত আছে, সেইবোৰ দিব নোৱাৰি। দেখা যাওক, কি হয়। ইয়াতে দুজন-এজনৰ হাতে নতুন article লেখাইছোঁ। ইয়াতো গৰম পৰিছে। অৱশ্যে আপোনাৰ তাৰ দৰে নহয়। কাৰণ ইয়াৰ গৰম কোনোমতে টানি-টুনিহে 90°ৰ ওচৰ পায়গৈ। আৰুবেলি মাথোন এদিন 99° আৰু এদিন প্ৰায় 95° হৈছিল। সাধাৰণতে 90°ৰ ওপৰ নেপায়গৈ।

শ্ৰীযুত চন্দ্ৰকুমাৰ আগৰৱালালৈ দিয়া আপোনাৰ চিঠিখন পঢ়িলোঁ। বৰ বেয়া লাগিল। আপোনালোক সকলোৰেই বিষাদৰ সুৰ ধৰিছে, মাথোন মোৰ বেলাহে জগৰ! কি কৰিম। যি হৈছে হৈ থাওক। কৈবৰ্ত্ত সম্মিলন হৈ গ'ল। বহুত ঠাইৰ delegates আহিছিল, প্ৰায় ৪০০/৫০০মান মানুহ গোট খাইছিল। Presidential speechটো বৰ সুন্দৰ হৈছিল। বোধহয় ছপা হৈ ওলাব। আশা কৰোঁ আপোনালোক সকলোটি ভালে আছে। মোৰ সেৱা শ্ৰীযুতা Mrs. Bezbaroaক জনাব। আৰু অৰুণা, ৰত্না, দীপিকাক মোৰ মৰম জনাব। নমৰি জীয়াই আছো। ইতি

আপোনাৰ মৰমৰ
যতীন্দ্ৰ

P.S.

ফুকনক ৰজনী বড়দলৈৰ চিঠি দিলোঁ। আপুনি ইয়ালৈ অহাৰ বাতৰি শুনি সকলোৱে ৰং পাইছে। J.D.

৮৪

The George Inst.
P. O. Rehabari
Dibrugarh, 19. 12. 21

শ্ৰীচৰণেষু,

টকা পালোঁ—ক'বলৈ কথা নাই—কি ক'ম। বুজি ল'ব। মোৰ সেৱা গ্ৰহণ কৰিব।

আপোনাৰ মৰমৰ
শ্ৰীযতীন্দ্ৰ

Xmas বন্ধৰ ভিতৰতে যাম।
J.D.

৮৫

Lady Jane Dundas Hostel
71/1 Cornwallis Street
Calcutta 27. 6. 24

শ্ৰীচৰণেষু,

মোৰ আগৰ চিঠিখন বোধ হয় পাব পায়। কালি খবৰ পাইছো যে, 'শঙ্কৰদেৱ'খন B. A.ৰ কাৰণে মনোনীত হ'ল। এতিয়া মাথোন

ছপাবলৈ দিব লাগে। ছপোৱাৰ আগতে মই দুআষাৰমান কথা সুচাই দিব খুজিছোঁ। আশা কৰোঁ দোষ যেন মাৰ্জ্জনা কৰে। মোৰ দুই-এজন বন্ধুৱেও মোৰ মতত মত দিছে। অৱশ্যে আপোনাৰ কিতাপত আমাৰ নিচিনা মানুহৰ সূচনি ধৃষ্টতা মাত্ৰ; তত্ৰাচ আগ বাঢ়িছোঁ; দোষ যদি হয়, ক্ষমা কৰিব। 'শঙ্কৰদেৱ'খন সৰ্ব্বাঙ্গ-সুন্দৰ হোৱাটোৱেই আমাৰ বাঞ্ছনীয়। প্ৰথমতে, সেই অনন্ত কন্দলি আৰু ৰাম সৰস্বতীৰ বিষয়ে মই Universityএ publish কৰা দ্ৰোণ-পৰ্ব্বৰপৰা ৰাম সৰস্বতীৰ আত্ম-পৰিচয় তুলি দিলোঁ।

গোপীনাথ পাঠক

দ্ৰোণ-পৰ্ব্ব

আত্ম পৰিচয়

পাটচৌৰা নামে আছে এক গ্ৰাম
ছিলাকোন নাম যাৰ
অতি বিতোপন সৰ্ব্বসুসম্পন্ন
দুই হেন স্বৰ্ণহাৰ।
সেহি গ্ৰামেশ্বৰ মহা দেশঙ্কৰ
ভীমসেন দ্বিজবৰ
যাৰ যশোৰাশি অদ্যাপি প্ৰকাশি
যেন পূৰ্ণ শশধৰ।
কুলশীল সন্ত শ্ৰীমন্ত মহন্ত
মহাজ্ঞানী ক্ৰিয়ানিষ্ঠ
যাৰ দান ধৰ্ম্মে জগত জুৰিল
অপৰ যেন বশিষ্ঠ
তাহান সন্ততি ৰাম সৰস্বতী
পাঠক গুৰুপ্ৰবৰ
যৈন শুক শুক অভিনৱ তুম্বৰু
আনো সুহি পটন্তৰ।

তাহানে তনয় অতি শিশুনয়
গোপীনাথ দ্বিজবৰে
হ্ৰস্ব দীৰ্ঘ ছন্দে ৰচিলা প্ৰবন্ধে
কথা মহাভাৰতৰে।

ইয়াৰপৰা জানো বুজিব নোৱাৰি যে, অনন্ত কন্দলি আৰু ৰাম সৰস্বতী দুজন মানুহ? এজনৰ ঘৰ হাজোত আৰু আনজনৰ বৰপেটাৰ পাটচোৰা গ্ৰামত। বাণীকান্ত কাকতিৰো এই মত। সেই কাৰণে সেইটো chapter omit কৰিলে বেয়া হ'ব জানো? ৰাতিখোৱা সম্প্ৰদায়ৰ বিষয়ে আৰু শঙ্কৰদেৱৰ দীক্ষাগুৰু সম্বন্ধে (14th & 15th Chap.) এই দুটা body of the bookঅৰ পৰা বাদ দি appendix বা ওপৰঞ্চি কৰি দিলে কেনে বোধ কৰে? মোৰ এইষাৰ কথা কোৱাৰ কাৰণ হৈছে এই যে, Universityএ এইখন কিতাপ মনোনীত কৰিছে শঙ্কৰদেৱ as a writer and to some extent reformer অৰ্থাৎ তেওঁবিলাকৰ মতে এইখন কিতাপ Raleighৰ Shakespeare আৰু Miltonঅৰ দৰে ধৰি লৈছে। সঁচা কথা ক'বলৈ গ'লে 'শঙ্কৰদেৱ'খন সেই কিতাপৰ শাৰীতহে থ'বৰ উপযুক্ত। আসামত আৰু এনে এখন কিতাপ সতকাই ওলোৱা টান, সেই কাৰণে যাতে কিতাপখন একেবাৰে criticism on literatureঅৰ দৰে হয়, তাৰ চেষ্টাতহে ওপৰৰ সূচনি দিয়া হৈছে। তাৰ পাছত আৰু এটা chapter include কৰিব লাগে। সেইটো হৈছে শঙ্কৰদেৱৰ গীত সম্বন্ধে। আপোনাৰ বাহিৰে আন আৰু লিখোঁতা নাই। দহোকুৰি যেন লেখি পঠায়; তেনেহ'লে কিতাপখন একেবাৰে complete হ'ব। আপোনাৰ কিতাপ মানুহে অসম্পূৰ্ণ বুলিলে মোৰ মৰিবৰ সমান খং উঠে। সেই কাৰণে এই সূচনি দিবলৈ সাহ কৰিছোঁ। তাৰ পিছত তেতিয়া সেই সময়ত কিতাপখন কিছুমান প্ৰশ্নৰ উত্তৰ স্বৰূপে লেখা হৈছিল নহয় জানো? তাৰ কাম হৈ গ'ল। সেই কাৰণে এতিয়া কিতাপখন অলপ re-model কৰি দিলেই অসম-সাহিত্যৰ এটা যুগমীয়া বস্তু হ'ব। আৰু 18th chapterটো যেন এবাৰ পঢ়ি চায়। শঙ্কৰদেৱৰ গীত সম্বন্ধে আমাক এটা chapter লাগে —লাগে—লাগে। আপুনি দিব—দিব—দিব। নিশ্চয়—নিশ্চয়—নিশ্চয়। summer vacationঅত লেখা চিঠিখন এই বিষয়ে লেখিছিলোঁ

—দুখৰ বিষয় হেৰাই থাকিল। আপোনাৰ বোধ হয় 'শঙ্কৰদেৱ'খন এবাৰ চকু ফুৰোৱা ৩।৪ দিনৰহে কাম। যদি কয় ফিৰত ডাকত কিতাপখন আপোনালৈ registered parcel কৰি পঠাব পাৰোঁ। যদি যেনেই আছে তেনেই ছপাবলৈ কয়, তাকো লেখিব। যিমান সোনকালে পাৰোঁ ছপাই শেষ কৰিম। কিতাপ ৫০০ ছপামনেকি? মই কাইলৈ বা পৰ্শুলৈ pressঅলৈ যাম। য'তে সুবিধা আৰু সস্তা আৰু কামো ভাল হয়, তাতে দিম। বোধ হয় নৱবিভাকৰ Pressঅত দিবৰ মন আছে—তাত সস্তা আৰু কাম সোনকালে দিয়ে বুলি শুনিছোঁ।

শেহত মাথোন ইয়াকে কওঁ যে, আমাৰ সূচনিবিলাক যেন এবাৰ ভাবি চায়, আৰু শঙ্কৰদেৱৰ গীত সম্বন্ধে আপোনাৰ লেখা পঠাই দিয়ে। আৰু এনে কথা মোৰ কবিতাটো পাতনিৰ পিছতে বা আগতে দিলে বেয়া হ'ব জানো? আপুনি ক'ত দিবলৈ কয়?

আশা কৰোঁ আপোনাৰ মঙ্গল। মোৰ সেৱা গ্ৰহণ কৰিব। শ্ৰীযুতা Mrs. Bezbaroaকো মোৰ সেৱা জনাব। ইতি

আপোনাৰ মৰমৰ
যতীন্দ্ৰ

৮৬

Lady Jane Dundas Hostel,
71-1 Cornwallis Street,
Calcutta, 13. 12. 1924

শ্ৰীচৰণেষু,

আপোনাৰ দুয়োখনি চিঠি যথাসময়ত পালোঁ। ইমানদিন আপোনাৰ address লৈ বৰ ব্যস্ত থকাত উত্তৰ দিব পৰা নাছিলোঁ—আশা কৰোঁ দোষ ক্ষমা কৰে যেন। addressখন বৰ বিতোপন হৈছে। সবাইতে কৈছে যে, ইমান comprehensive address অসম সাহিত্য সভাত কেতিয়াও পঢ়া হোৱা নাই। সেই কাৰণে ছপোৱাৰ অনুমতিৰ কাৰণে অনুমতি বিচাৰিছিলোঁ। কাৰণ ই এটা piece of literature হ'ব। আৰু ইয়াৰ প্ৰত্যেক pointsবিলাকৰ ওপৰতে ভৱিষ্যত লেখকসকলে একো একোখন নতুন ৰচনা লেখিব পাৰিব। addressটো অলপ

দীঘল হৈছে যদিও মানুহ tired নহয়। ছপোৱাতহে বৰ দিগদাৰত পৰিলোঁ, কাৰণ দুটা প্ৰেছত ছপাবলৈ দিলোঁ, এটাই সাহ নকৰে। আপোনাৰ ৭৫ পৃঃলৈকে সকলো ঠিক আছে। তাৰ পাছত য'ত চাকৰী সম্বন্ধে আৰু অসম-প্ৰৱাসী বঙালীসকলৰ সম্বন্ধে বৰ দীঘলকৈ লেখা আছে, সেইটো অলপ digression হোৱাত আৰু আচল বিষয়ৰ লগত সম্বন্ধ নথকাত আৰু প্ৰেছেও ছাপিব নোৱাৰোঁ বোলাত সেই দুটা points মই অলপ touch কৰি conclusionটো নিজে লেখিব লগীয়া হ'ল—নিজে মানে আপোনাৰ পুৰণা লেখাবিলাকৰপৰা permutation combination কৰি দিয়া হ'ল। কাৰণ আপুনি conclusion একেবাৰে নেলেখিলে। সেইটো মোলৈকে থৈছিলনেকি? আৰু এটা কথা, অসম সাহিত্য সভাৰ প্ৰায়বিলাকেই চাকৰিয়াল মানুহ —presidential speechঅত তেওঁলোকৰ মনত বেজাৰ দিয়াত কি আৱশ্যক—অসমবাসী বঙালী সম্বন্ধে বিশেষ কি আৱশ্যক? আচল বিষয়টোৰপৰা বহুত বাহিৰত পৰেগৈ। মই সেই points দুটা বিশ্লেষণ নকৰাকৈ মাথোন touch কৰি conclusion কৰি থৈছোঁ—আপোনাৰ লেখাত হাত দিবৰ শকতি নাই আৰু দিয়াও মোৰ পক্ষে ধৃষ্টতা—কিন্তু you should be above criticism. দোষ যদি হৈছে ক্ষমা কৰিব। সঁচাকৈয়ে addressখন বৰ মনোৰম হৈছে। মই, অমিয়, লখী, হেম বৰুৱা এটাইকেইজনে মিলি সকলো কাম কৰিছোঁ। আমাৰ সকলোৰে ইচ্ছা আপুনি যেন সকলোৰে ওপৰত থাকে।

আপুনি ২০ তাৰিখে আহিব বুলি শুনাত ৰং পালোঁ। অৱশ্যে ২১ তাৰিখে পুৱা stationঅলৈ যাম—যদি mixedঅত আহে—কিহত আহে জনাব। ২১ তাৰিখেই Assamese studentsবিলাকে A. S. L. Clubঅৰ এটা বিশেষ অধিবেশন পাতিছে—তাত যোগ দিব লাগিব।

মোৰ যোৱাৰ সম্বন্ধে কি ক'ম? ক'লেও আয়ে মাৰ খায়, নক'লেও বোপায়ে চুৰাতে খায়। যাওক, আপোনাৰ ওচৰত সকলো খুলি কোৱাই উচিত। গুৱাহাটীলৈ গ'লে শিৱসাগৰলৈ শ্ৰীযুতা আইতাক চাবলৈ যাব লাগিব—কাৰণ গুৱাহাটীৰপৰা শিৱসাগৰলৈ নোযোৱাটো অন্যায় হ'ব। Sibsagarঅলৈ গ'লে বোধ হয় Dibrugarh-অলৈকো যোৱাটো উচিত—অৱশ্যে সেইটো optional. কিন্তু গুৱাহাটীৰ-

পৰা Sibsagarঅলৈ নগ'লে অন্যায় হ'ব। অইন কি, মোৰ গুৱাহাটীলৈ যোৱাটোৱেই কেনেকৈ সম্ভৱ হ'ব ক'ব নোৱাৰোঁ। স্কুলত কাম কৰোঁ, পাওঁ Rs 60/-, Hostel allowance পাওঁ Rs 15/-, ইয়াৰ Rs 25/- মাহে মাহে কলেজত পঢ়া মাউৰা ভতিজা ল'ৰাটোলৈ পঠাওঁ—নহ'লে তাৰ পঢ়া নহয়। বাকী টকাৰে নিজৰ খোৱা-বোৱা ইত্যাদি আছেই। Octoberঅত Sambalpurঅলৈ গৈছিলোঁ, কাৰণ সেইবাৰ College বন্ধ থকাত তালৈ টকা পঠাব নেলাগিছিল। তাৰ উপৰি provident fundঅত মাহে ৫৲ টকা কৰি কাটে। আপুনিয়ে কওকচোন, মইনো কেনেকৈ জোৰা মাৰোঁ? সাতে-সোতৰে ভাবি মনে মনে আছোঁ—আপোনাৰ লগত যাবলৈ মোৰ কিমান হেঁপাহ—আপোনাক সভাপতি-ৰূপে চাবলৈ কিমান মন—আপোনাৰ speech শুনিবলৈ কিমান ধাউতি, সেইটো ঈশ্বৰে জানে—মই নক'লেও হ'ব। কিন্তু ঈশ্বৰে জানো উপায় দিছে?—সেই কাৰণে মনৰ হেঁপাহ মনতে মাৰিব লাগিব। ইয়াৰ উপৰি আপুনি যদি মোক দোষী কৰে, মই নিৰুপায়। সকলো কথা খুলি লেখিলোঁ—আৰু কি ক'ম? যদিও Xmas concession, তত্ৰাচ নিৰুপায়।

আপুনি অহাৰ আগতে আমাৰ ছপা হৈ যাব। আপোনাৰ লগতে পঠাই দিম। আপুনি শুনি ৰং পাব যে, লখীধৰে M. A.ত first class পাইছে আৰু universityত first হৈছে।

আহি ক'ত থাকে, বেন জানিবলৈ দিয়ে। মোৰ সেৱা গ্ৰহণ কৰিব। আশা কৰোঁ আপোনাৰ মঙ্গল। মোৰ গা লাহে লাহে ভাল পাই আহিছোঁ। অৱশ্যে আপুনি changeঅত মোৰ উপকাৰ হ'ব বুলি কৈছে, মইও কওঁ সঁচা, কিন্তু 'মাছে বোলে মাতে, পানীয়ে ভুই কোৱাৰি ভেটে।' অমিয় ইয়াতে বেমাৰ পৰি আছেহি। ২০ তাৰিখে ঢকৰ ঢকৰ আহিব। ইতি

আপোনাৰ মৰমৰ
শ্ৰীযতীন্দ্ৰ

পুঃ চিঠিৰ উত্তৰ যেন খুব সোনকালে পাওঁ।

যতীন্দ্ৰ

৮৭

The Lady Jane Dundas Hostel
71/1 Cornwallis Street
Calcutta, 28. 1. 25

শ্ৰীচৰণেষু,

আজি প্ৰায় উভতি আহিবৰ দহ-বাৰ দিন হৈ গ'ল। তথাচ আপোনালৈ এখনো চিঠি লেখিব পৰা নাই। জানিছোঁ দোষ হৈছে। আশা কৰোঁ ক্ষমা কৰিব। মই অহাৰ পিছদিনাখনৰেপৰা Hostelঅৰ ল'ৰাবিলাকে social পাতিবলৈ যোজা কৰিলে আৰু লাভৰ ভিতৰত সেই দহ-বাৰদিন খোৱা-শোৱাৰ একোৰে ঠিক নাছিল। যি হক, এতিয়া অলপ আহৰি পাইছোঁ।

এইবাৰ conferenceযে সৰ্ব্বাঙ্গসুন্দৰ হৈছে, তাত অকণো সন্দেহ নাই। মই য'লৈকে গৈছোঁ তাতেই ইয়াৰ সুখ্যাতি। মুঠৰ ওপৰত ই এটা huge success। তাৰ কাৰণ আপুনিয়েই। তেও নেযাওঁ নেযাওঁ কৰে! চাওকচোন আপোনাৰ কি অন্যায়! অইন ঠাইৰ মানুহবিলাকে আপোনাৰ ওপৰত অভিমান কৰিছে, কাৰণ আপুনি হেনো গুৱাহাটীকে মোৰ বুলি তেওঁবিলাকলৈ পিঠি দিলে। মই হলে কৈ আহিছোঁ যে, অহা পূজাৰ বন্ধৰ আগতে অৰ্থাৎ August-September মাহতে আপোনাৰ আসাম-ভ্ৰমণ ঘটিব। এতিয়া আৰু আপুনি above criticism—সঁচাকৈয়ে আৰু কোননো আছে?

তাৰ পাছত আমাৰ আৰু আপোনাসকলৰ ঘৰৰ সকলোৰে ভাল। শিৱসাগৰৰ মানুহসকলে আপোনাক এইবাৰ চাবলৈ বৰ আশা কৰিছিল। সেই কাৰণে মোক বুঢ়াসকলে আপোনাক লৈ যাব নোৱৰাৰ কাৰণে ডবিয়াইছে—বিশেষকৈ আপোনাৰ ককাইদেৱেকে (B. C. Bezbaroa)। তেখেতে কয় যে, আপুনি হেনো তেওঁলোকক এৰিলে। মই কিবা তাৰ বিৰুদ্ধে ক'ব খুজিলে মোক কয় যে, কালিৰ ল'ৰাই কি পশু'ৰ গীত গায়—কাজে কাজে মই নিমাত।

শিৱসাগৰখনলৈ সঁচাকৈয়ে বেজাৰ লাগে—একেবাৰে Deserted Village, গৱৰ্ণমেণ্টেই townখন খালে। মোৰ motherএ আপোনাৰ কথা সুধিছিলে কিমান ডাঙৰ হল—চুলি পকিলনে? ইত্যাদি। আৰু কৈছে, আপুনি বৰ ভাল, কাৰণ আপুনি হেনো তেখেতক সকলতে

চাৰিচকুৱা মেকুৰী পোৱালি এটা দিছিল আৰু হেনো দুটা ভাটৌৰ পোৱালি দিছিল। তেখেতৰ মইনা, ভাটৌ, মেকুৰী ইত্যাদিয়েই সম্পত্তি, এতিয়াও তাকে লৈ থাকে। আৰু সুধিছে যে, সম্বলপুৰত ভাটৌৰ পোৱালি, মইনা চৰাইৰ পোৱালি আৰু মেকুৰী-পোৱালি পোৱা যায়নে নেযায়। তাৰ মানে যদি পোৱা যায় ঠাইখন ভাল, নহ'লে বেয়া (সেইটো অৱশ্যে ডাঙৰকৈ নকয়)। মই যেতিয়া ক'লোঁ, আপোনালোকে মেকুৰীক ডিঙিত জৰী দি বান্ধি থয়, তাৰ উত্তৰত তেখেতে কয় যে সেইটো বৰ বেয়া আৰু পাপ। কৈছে যে, মেকুৰীক পীৰা এখনৰ ওপৰত কাপোৰ পাৰি সেন্দুৰৰ ফোঁট দি থ'ব লাগে, তেহে মেকুৰীয়ে ঘৰ লয় আৰু 'গৃহস্থৰ ঘৰত লাগ দিয়ে'—ইত্যাদি।

ৰত্না-দীপিকাৰ লগত এতিয়াও দেখা কৰিব পৰা নাই। এইবাৰ আপুনি আসাম জয় কৰি আহিলে—সেই কাৰণেই মোৰ আনন্দ। Mr. Mukherjee আৰু অৰুণা যদি তাত আছে, মোৰ কথা ক'ব। Mrs. Bezbaroaক মোৰ সেৱা জনাব। আপুনি মোৰ সেৱা গ্ৰহণ কৰিব। আজিলৈ ইমানতে। এইবাৰ আপোনাক চিঠিৰে পৈপুৱা লগাম।

আপোনাৰ মৰমৰ

শ্ৰীযতীন্দ্ৰ

৮৮

The Lady Jane Dundas Hostel
71/1 Cornwallis Street
Calcutta 7. 6. 25

শ্ৰীচৰণেষু,

আপোনাৰ মৰমৰ চিঠিখনি যথাসময়ত পালোঁ, সকলো কথাই বুজিলোঁ। মই আগেয়ে ভাবিছিলোঁ যে, অলপ কিবাকিবি হ'ব। যাওক সেইবোৰ কথা—মোৰ একো আৱশ্যক নাই। আজি আপোনাক এটা কথা জনাবলৈহে এইখন চিঠি লেখিছোঁ—কথাটো এই যে, কালি দিনৰ ১০॥ মান বজাত মোৰ *Omar Khayam* শেষ অৰ্থাৎ complete হ'ল। ১০৫টা stanza বা ৪২০ লাইনত শেষ কৰিলোঁ—এইবাৰবপৰা এলেহুৱা

তুষ্ট ল'ৰা বুলিব জানো? সঁচাকৈয়ে আপুনি এইবাৰ কলিকতালৈ নহাহেঁতেন মোৰ 'ওমৰ-তীৰ্থ' শেষ নহ'লহেঁতেন। যদি কেতিয়াবা প্ৰকাশ হয়, তেন্তে সি আপোনাৰ বস্তু, আপোনাকে দিম। তাৰ উপৰি আপুনি এখন পাতনি লেখি দিব লাগিব। সেইবোৰ অৱশ্যে ভবিষ্যতৰ কথা। কলিকতালৈ অসমীয়া ল'ৰা আহিলে তেওঁলোকৰ এজনৰ হতুৱাই নকল কৰাম। আৰু আপুনি যেন অনুগ্ৰহ কৰি হাত ফুৰাই দিয়ে। অসমীয়া ভাষাতো *Omar Khayam* ওলাল—সেয়ে মোৰ আনন্দ। মোৰ সেৱা গ্ৰহণ কৰিব আৰু Mrs. Bezbaroaক মোৰ সেৱা জনাব। ৰত্না, দীপিকাক মোৰ মৰম জনাব। মোৰ কালি ইমান ৰং লাগিছিল যে, কিতাপখন শেষ হ'ল বুলি আপোনালৈ telegraph কৰিম বুলি ভাবিছিলোঁ—কিন্তু বলিয়া বোলে বুলি ভয়তে নকৰিলোঁ। কিতাপখন শেষ কৰোঁতে ৬ দিন লাগিল—এই কেইদিন মই ক'ত আছিলো নিজেই কব নোৱাৰোঁ। বৰ ভাগৰ লাগিছে—এতিয়া শোৱা যাওক, কি বোলে?

আপোনাৰ মৰমৰ

যতীন্দ্ৰ

৮৯

The Lady Jane Dundas Hostel.
71-1 Cornwallis Street,
Calcutta, 18. 4. 1926.

শ্ৰীচৰণেষু,

আপোনাৰ মৰমৰ চিঠিখনি পাই বৰ ৰং পালোঁ। মোৰ বিস্তৰ সেৱা গ্ৰহণ কৰিব আৰু শ্ৰীযুতা Mrs. Bezbaroaকো জনাব। আশা কৰোঁ আপোনালোকৰ মঙ্গল। পৃথিৱীত সকলোৱেই মৰম-ভিখাৰী, মাথোন অলপ কম-বেছি—যাৰ সংসাৰত নিজৰ বুলিবলৈ এখনি ঘৰ আছে, মৰমৰ থলি আছে, গোটেই দিনটো অনাই-বনাই ফুৰি গধূলি এষাৰ মিঠা মাত শুনি দিনৰ ভাগৰ পলুৱাবলৈ যি তেনে এখনি ঠাইলৈ লৰি যাব পাৰে, যি জানে তেওঁৰ সুখ-দুখৰ কাৰণেও ভবা এজন নহয় এজন প্ৰাণী পৃথিৱীত আছে, তেনেকুৱাসকলৰ মনত হয়তো তেওঁলোকৰ প্ৰতি আনৰ মৰমৰ টান সিমান অনুভৱ কৰিবৰ বাগী নেথাকিব পাৰে,

কিন্তু তেওঁলোকো মৰম-ভিখাৰী। ইকালে যাৰ ঘৰত টেকেলি উদং, পৰত ঘি ভিখাৰী, বাটত ব'ৰাগী, যাৰ য'তে ৰাতি ত'তে কাতি, যাৰ 'ৰ' বুলিবলৈকো কোনো নাই আৰু 'যা' বুলিবলৈকো কোনো নাই...... অহা-যোৱা সকলো......নিচিনা ভিকহু বাটৰ বলিয়াই যদি কেনিবা অকণো মৰমৰ জিলিকনি দেখিবলৈ পায়, তালৈকে তেওঁলোকে যে সাত দিন সাত ৰাতি বাটকুৰি যাব পাৰিব, তাত কাৰবাৰ অকণো সন্দেহ থাকিব পাৰেনে? সেই কাৰণেই কৈছোঁ যে, সকলোৱেই মৰম-ভিখাৰী—মাথোন কাৰোবা ভাগ্যত ফলিছে সপোন কাৰোবা ভাগ্যত একোৱেই নাই। বহুতে ক'ব পাৰে যে, মৰম বিচৰা ভাবটো মানুহৰ এটা বৰ ডাঙৰ দুৰ্ব্বলতা। হ'ব পাৰে দুৰ্ব্বলতা, সঁচা, কিন্তু ইয়াতেই সুখ, ইয়াতেই সাধনা, ইয়াৰ বুকুতেই সিদ্ধি। লগতে এইটো ক'লেও বেছি কোৱা নহ'ব যে, এই দুৰ্ব্বলতাৰ ওপৰতেই সংসাৰ চলিছে।

শ্ৰীযুত লখীধৰক মাথোন ছঁয়াময়াকৈ stationঅত লগ ধৰিছিলোঁ। তেওঁতো আপোনালোকৰ কথা কৈয়ে অন্ত নেপায়। তাহানিখন বৰবকৱাই চিঠিত লেখাৰ দৰেই হৈছে "ঈশ্বৰেনো Dickঅৰ মুখ দুখন নিদিলে কিয় কাৰণ.........গৰাকীৰ মনত.........। ঈশ্বৰে যদি লখীক চাৰিখনমান মুখ দিলেহেঁতেন, আৰু মোক যদি চাৰিখন হাত দিলেহেঁতেন, তেহে আপোনালোকৰ কথা তেওঁ কৈ আৰু মই লেখি অঁতাব পাৰিলোঁহেঁতেন। দৰাচলতে ক'বলৈ গ'লে, তেওঁ আপোনালোকৰ মৰমতে পোত গ'ল। আকৌ August মাহত যাব বুলি মোৰ কাষত প্ৰতিজ্ঞা কৰি গৈছে। মোৰ লগত stationঅত প্ৰায় ২০।১৫ মিনিট-মানহে দেখা হৈছিল।

আপুনি লেখিছে, "তুমি নাহিলা কিয়?" মইনো কেনেকৈ যাওঁ, আপুনি কওকচোন। বছৰৰ শেষ Hostelঅৰ sessionঅৰ শেষ হ'ব লগীয়া হৈছে—হিছাপ-কিতাপ দিব লগীয়া হৈছিল—তাৰ উপৰি স্কুল যদিও বন্ধ আছিল, তত্ৰাচ কেতিয়া খোলে, ঠিক নাছিল। সেই কেইদিন যে Hostel attack কৰে......ভাবত দিন গৈছিল......কালে মাৰপিট আৰু মাজে মাজে blank fire। ৰাতি হ'লেই উৎপাত বেছি হয়। studentবিলাকে মন্দিৰ-মসজিদ ৰক্ষা কৰাৰ কাৰণে rioteerবিলাকৰ তেওঁবিলাকৰ ওপৰত বেছি আক্ৰোশ আৰু কেইবাঠাইতো students'

mess attack কৰিছিল্। তেনে গণ্ডগোলৰ অৱস্থাত মই Hostel এৰি কেনেকৈ যাওঁ? যদিও যাবৰ বৰ ইচ্ছা আছিল—কিন্তু নোৱাৰিলোঁ।

আৰু বিশেষ কি লেখিম? এতিয়া লাহে লাহে সকলো ঠাণ্ডা হৈ গ'ল। আৰু আকৌ আগৰ নিচিনাকৈ কাম চলিছে। কিন্তু মানুহৰ panic এতিয়ালৈকে যোৱা নাই। লখীয়ে লৰালৰিৰ বেগত টকা দিবলৈ বোধ হয় পাহৰি গ'ল আৰু মোৰো শুধিবলৈ লাজ লাগিল। যাওক সেইবোৰ কথা। সেৱা গ্ৰহণ কৰিব। মোৰ গা ভালে আছে। দীঘল চিঠি……। ইতি

যতীন্দ্ৰ

৯০

Sibsagar
14. 5. 26
Assam

শ্ৰীচৰণেষু,

আপোনাৰ মৰমৰ চিঠিখনি যথাসময়ত পাই বৰ ৰং পালোঁ। আজিকালি বিষাদৰ কথা বৰকৈ নেলেখোঁ আৰু মোৰ আগৰ চিঠিখনত সিমান বোধ হয় নাছিল—মাথোন অকল লেখিছিলোঁ যে, ৰোহিণীকো সেইবিধ ৰোগে (অৱশ্যে আপোনাৰ মতেহে) ধৰিছে। অকল তেওঁৰ কথা কওঁ কিয়? ইয়াত যত আমাৰ লগৰ মানুহক দেখিছোঁ সকলোৱেই সেই একে গুৰুঘৰৰে সেৱক। এওঁবিলাকতকৈ মই বহুত গুণে ভালে আছোঁ। মোক বোধ হয় আপুনি বৰ বেছি বুলি ভাবিছে। কিন্তু এওঁবিলাকক দেখিলে যে আপুনি কি কৰিব ক'ব নোৱাৰোঁ। অন্ততঃ একুৰি এটা বক্তৃতাৰ ঠাইত চাৰি কুৰি চাৰিটামান দিব লাগিব।

যাওক সেইবোৰ কথা। ইয়াত হ'লে বৰ ঠাণ্ডা, ৰাতি বৰষুণ আৰু দিনত অলপমান ৰ'দ। Sambalpurৰ November মাহতকৈও ইয়াত বেছি ঠাণ্ডা। ইয়াত আহি দুঠাইত বক্তৃতা দিব লগীয়া হৈছিল—ওমৰ খায়ামৰ সম্বন্ধে, এখন……Town Hallৰ public meetingত আৰু আন এখন কালি Bezbaroa Schoolত। আজি ক'ত হয় ক'ব নোৱাৰোঁ। অৱশ্যে মোৰ এই সকলোখিনিৰে গুৰি আপুনিয়েইহে।

যদি মানুহে কিবা ভাল পাইছে, সেইটো আপোনাৰ কাৰণেহে—অৱশ্যে অক্ষমতা হ'লে মোৰ নিজৰ, তাত আপোনাৰ অকণো ভাগ নাই। সঁচা-সঁচিকৈয়ে এতিয়া শিৱসাগৰ দেখিলে বৰ বেজাৰ লাগে। আগৰ ডাঙৰ মানুহৰ সতি-সন্তানসকলৰ অৱস্থা বৰ শোচনীয়। তেওঁলোকৰ ঘৰবাৰী আগতকৈতো ভাল নহয়, বৰঞ্চ দিনকদিনে তললৈহে গৈছে। শিৱসাগৰ দেখিলে Goldsmithৰ Deserted Villageৰ কথা মনত পৰে। কিন্তু ইয়াৰ vitality এতিয়াও মাৰিব পৰা নাই। Govt. Headquarter তুলি নিয়েই ইয়াৰ এনেকুৱা জুকলাজুপুৰা অৱস্থা কৰিলে, কিন্তু vitality হ'লে মাৰিব নোৱাৰিলে—সেইটো ইয়াৰ climateৰ গুণ। এতিয়া সকলোৱেই মুক্তকণ্ঠে স্বীকাৰ কৰে যে আসামৰ অইন সকলো ঠাইতকৈ (অৱশ্যে Shillongৰ বাহিৰে) ইয়াৰ climate ভাল। বৰ্ত্তমান ৰেল হৈছে, লগে লগে ইয়াৰ importance আকৌ বাঢ়ি আহিছে। দীঘল টোপনিৰপৰা যেন সাৰ পাইছে। কিন্তু দুখৰ বিষয় এই জাগৰণত ইয়াৰ অসমীয়া মানুহে যোগ দিব পৰা নাই। তেওঁলোক কঁকাল-ভগা মানুহৰ দৰে পৰি আছে—সমুখতে যি এটা struggle for existence আহিছে, তাত এওঁলোক টিকিব নোৱাৰিব, চিটিকি উফৰি পৰিব—হয়তো গাঁৱে-ভূঞে পলাব লাগিব। যদিও সময়ত শিৱসাগৰ আকৌ ৰমক-জমক হৈ উঠিব, আৰু এখনি health resort হ'ব, কিন্তু ই আৰু আমাৰ আগৰ পুৰণি চিনাকি ৰংপুৰ হৈ নেথাকে। বাহিৰৰ মানুহ আৰু আন আন বিদেশীসকলেৰেই ভৰি যাব। আমাৰ চিনাকিৰ ভিতৰত বিচাৰিলে কাচিৎহে দুজন-এজন দৰবত দিবলৈ ওলাব।

কালি ৺তুলসীৰাম শৰ্ম্মা বৰুৱাৰ পুতেক শ্ৰীযুত আনন্দৰাম বৰুৱাই আপোনালৈ এখন চিঠি লেখিছে। তেওঁ শ্ৰীযুত চন্দ্ৰকুমাৰ আগৰৱালাক 'হেমকোষ'ৰ দ্বিতীয় ডাঙৰণ উলিয়াবলৈ লেখিছে আৰু আপোনাকো তেওঁক অনুৰোধ কৰিবলৈ কৈছে। এতিয়াও বপুৰীয়ে দেখিলে যে তেওঁ মুখখন বৰকৈ মেলাত অসম সাহিত্য সভাই সেই ডাঙৰ আঁটো জবাব নোৱাৰি অইন ফালেহে গতি ল'লে—ফলত 'চন্দ্ৰকান্ত অভিধান'ৰ কামৰ আৰম্ভণ। কালি মোৰ ওচৰলৈ তেওঁ আহিছিল। মই বেছকৈ দুখাৰমান কথা শুনাই দিলোঁ। আৰু ক'লোঁ যে, তেওঁ যি mischief

ধনৰ লোভত কৰিলে, সেইটোৰ ক্ষতিপূৰণ হোৱা বৰ টান। এতিয়াও যদি সোনকালে 'হেমকোষ'খন ওলায়, তবু মঙ্গল। মই 'হেমকোষ'খন ওলাবলৈ ইমান আগ্ৰহ কিয় কৰিছোঁ, তাক বুজিবই পাৰিছে; যথা— 'চন্দ্ৰকান্ত অভিধান'ৰ ভাষাৰ নমুনা শুনক—অকলশৰে, অকলশৰীয়া— আকালছাৰ, ইত্যাদি। সেই কাৰণেই আকৌ 'হেমকোষ' ওলোৱাত মই ভাষাৰ মঙ্গল বুলিছোঁ। মই কাইলৈ Dibrugarhঅলৈ যাম আৰু আগৰৱালাৰ লগত দেখা কৰি এই বিষয়ে ক'ম। আপুনিও তেওঁলৈ লেখিব। আৰু ৺তুলসী বাবুৰ পুতেকলৈকো লেখিব যে, মুখৰ আঁটো যেন সৰু কৰে। কাৰণ যদিও এতিয়া তেওঁৰ আঁটো সৰু হৈছে, তত্ৰাচ আগৰৱালা ডাঙৰীয়াই যদি ছপাবলৈ আগ্ৰহ দেখুৱায়, হয়তো তিলিকতে আঁটো ডাঙৰ হৈ যাব। সঁচাকৈয় এনে মানুহবোৰক মোৰ দেখিবৰ মন নেযায়।

আমাৰ ইয়াত সকলোৰে ভাল। কালি আপোনাৰ ককাইদেৰেক শ্ৰীযুত বিনন্দ বেজবৰুৱাক লগ পাইছিলোঁ। আৰু আপোনাৰ কথা কলোঁ। তেখেতৰ গা ভাল। আমাৰ শ্ৰীযুতা আইতাই এতিয়াও আপোনাৰ কথা কয়। কালি কৈছে যে, আপুনি বৰ ভাল ল'ৰা, কাৰণ চাৰি-চকুৱা বেঘা লোৱা মেকুৰী-পোৱালি এটা দি কলিকতালৈ যোৱাৰ সময়ত বিদায় লৈছিল। আৰু দুটা-তিনিটা হেনো ভাটৌ-পোৱালি দিছিল। আজিকালি হেনো সংসাৰখন উলটিল, কাৰণ কোনেও আগৰ দৰে তেখেতক আৰু মেকুৰীপোৱালি আৰু ভাটৌ-শালিকা ইত্যাদি নিদিয়ে। মোৰ এই চিঠিৰ উত্তৰ C/o Raibahadur Sadananda Dowerah, B.L., M.L.C., P.O. Rehabari, Dibrugarh বুলি পঠাব। সেৱা গ্ৰহণ কৰিব। শ্ৰীযুতা Mrs. Bezbaroaকো দিব। আশা কৰোঁ ভালে আছে। ইতি

আপোনাৰ মৰমৰ
যতীন্দ্ৰ

৯১

The Lady Jane Dundas Hostel,
71/1, Cornwallis Street,
Calcutta, 27.9.26

শ্ৰীচৰণেষু,

আপোনাৰ মৰমৰ চিঠিখনি যথাসময়ত পালোঁ। আপুনি ইয়াৰপৰা যোৱা দিনাখনৰেপৰা মোৰ গা বেয়া হ'ল আৰু শেহত সেয়ে বৰ বিষমভাৱে dysentery হ'লগৈ। অৱশ্যে আপুনি বেমাৰ হোৱা দেখিয়েই গৈছিল। ৫টা injectionৰ পাছতহে ভাল হইছে। এতিয়ালৈকে গাত আগৰ দৰে বল পোৱা নাই, তবু লাহে লাহে ভাল হই আছিছোঁ। injection দিয়াৰ পাছতো পেট কামুৰি আছিল, শেহত থেকেৰাৰ জোলেহে সম্পূৰ্ণৰূপে ভাল কৰিলেগৈ।

আপুনি Dhubriলৈ যোৱাটো বৰ ভাল কাম হৈছে। বহুত কথা ভাবি চাবলৈ গ'লে আপোনাৰ Dhubriৰ Conferenceঅত যোগ দিয়াটো বৰ বাঞ্ছনীয়। মোৰ বিশ্বাস Goalparaত অসমীয়া ভাষা ভালকৈ চলা বিষয়ে এই Conferenceৰ ওপৰত বহুত নিৰ্ভৰ কৰিছে। ঈশ্বৰে যি কৰে ভালেই কৰে। মইতো কেতিয়াও Dhubri Conferenceঅলৈ যাম বুলি নেভাবিছিলোঁ আৰু যাবৰ ইচ্ছা নাছিল। কাৰণ অসুখৰপৰা উঠি এতিয়া routineৰ দৰে চলিছোঁ। বিদেশত তাৰে লৰচৰ হ'বৰ ভয়। যি হওক, আপুনি যেতিয়া ওলালে মই যাবই লাগিব আৰু যামো। পিছলৈ ভাবিবলৈ আৰু সময় নাই। আপুনি ক'ত থাকিবগৈ? বোধ হয় শ্ৰীযুত আনন্দচন্দ্ৰ আগৰৱালাৰ তাতে। অৱশ্যেময়ো তাতেই থাকিবগৈ লাগিব। কিন্তু বেছি মানুহৰ ভিড় হলে অইন ঠাইলৈ পলাব লাগিব। আপোনাক এৰি অইন ঠাইলৈ নেযাওঁ। আপুনি শ্ৰীযুত আগৰৱালালৈ লেখিব। ময়ো আজি লেখিম। মোৰ বোধ হয় আমি দুদিনমান আগেয়ে গ'লে ভাল, কাৰণ সেই সময়ত ৰেলত বৰ ভিড় হ'ব। আগেয়ে berth reserve কৰি থ'ব লাগিব। আপুনি যেনে ভাল বুজে কৰিব। গুৰুদাসৰ দোকানৰপৰা টকা আনি বন্ধুক দিলোঁ। তেওঁবিলাকৰ তাত আৰু কিতাপ নাই। মানুহ আহি আহি উভতি গৈছেহি। তিনিটা পোকে খোৱা আৰু

একেবাৰে লেতেৰা কিতাপ ওভোতাই দিছে—মোৰ হাতত সেইকেইটা পৰি আছে। তাক কোনোৰকমে উদ্ধাৰ কৰিব নোৱাৰি। মোৰ সেৱা গ্ৰহণ কৰিব। আৰু শ্ৰীযুতা Mrs. Bezbaroaকো মোৰ সেৱা জনাব। তেখেতৰ চিঠিৰ উত্তৰো দিছোঁ।

পৃথিৱীত ভুল মোৰ অকলে নহয়—আপোনাৰো হয়। লগত পঠোৱা envelopeটোৱেই তাৰ প্ৰমাণ। মোৰ এনেদৰে বহুত চিঠি গাৰু তলতে post হয়।

আশা কৰোঁ ভালে আছে।

আপোনাৰ মৰমৰ
যতীন্দ্ৰ

৯২

The Lady Jane Dundas Hostel,
71-1 Cornwallis Street,
Calcutta, 22.11.1926

শ্ৰীচৰণেষু,

ইমানদিন চিঠি লেখোঁ লেখোঁ বুলি আৰু লেখিব পৰা নাছিলোঁ। কিন্তু আজি স্কুলৰপৰা আহি তেখেতৰ এখন চিঠি পাই দেখিলোঁ যে, নেলেখিলে আৰু ভদ্ৰতা নেথাকে। আশা কৰোঁ চিঠি নেলেখাৰ কাৰণে যেন ক্ষমা কৰিবলৈ ক'ব আৰু আপুনিও যেন ক্ষমা কৰে। কালি বন্ধু আৰু দীপিকাৰ লগত দেখা কৰিছিলোঁ। তেওঁলোকৰ গা ভাল। কি কৰিলেনো [আপোনালৈ] নিয়মমতে চিঠি লেখিব পাৰি মোক শিকাই দিব পাৰেনে? মোক এই কাৰণেই আটায়ে অসভ্য বুলি গালি পাৰে আৰু মানুহৰ সমাজৰপৰা বাদ দিবলৈ বিচাৰিছে—কি কৰিম, দিব খুজিছে, দিয়ক। সিদিনাখন সদা ভুৱৰা আহি মোৰ ইয়াতে এৰাতি থাকি ৰেঙ্গুনলৈ গ'লগৈ। তেখেতে কইছিলে প্ৰায় ৬।৭ হেজাৰ মানুহে এইবাৰ আপোনাক Dibrugarhত দেখা পাবলৈ আশা কৰিছিল। সঁচাকৈয়ে আপুনি বৰ আপুৰুগীয়া বস্তু হৈ পৰিছেগৈ। সুবিধা বুজি ছেগ চাই এটা Upper Assamঅলৈ trip ল'ব। পৰাপক্ষত সকলোৰে

মনত সন্তোষ দিব পাৰিলেই ভাল। সেইফালৰ সকলোবিলাকেই আপোনাক চাবলৈ হেঁপাহ কৰি আছে। মোৰ সেৱা গ্ৰহণ কৰিব। সময় থাকিলে চিঠিৰ উত্তৰ দিব। ইতি

আপোনাৰ মৰমৰ
যতীন্দ্ৰ

৯৩

The Lady Jane Dundas Hostel,
71-1 Cornwallis Street,
Calcutta, 10.3 27

শ্ৰীচৰণেষু,

বহুত দিন আপোনালৈ কোনো চিঠি দিব নোৱাৰি বৰ দোষৰ ভাগী হৈছোঁ—আশা কৰোঁ দোষ ক্ষমা কৰে যেন। বংশাৱলীৰ proof বোধ হয় পাব পায়। ইমানদিন তেওঁবিলাক question paper ছপোৱাৰ কামত বৰ ব্যস্ত আছিল। সেই দেখি আপোনাৰ কাম হাতত ল'ব পৰা নাছিল। যি হওক, এতিয়া আৰু বিশেষ লেঠা নাই কাম নিয়মমতে হ'ব বুলি আশা কৰিছো। pressখন আমাৰ কাষতে বুলিলেই হয়, নিয়মমতে তাগিদা দি থাকিব পাৰিম। মোৰ মনেৰে কাগজ ২৮ পাউণ্ডৰ antique (বিলাতী) আৰু limp binding কৰিলেই ভাল হ'ব। Managerএ এই বিষয়ে আপোনাৰ লগত correspondence কৰিম বুলি মোৰপৰা আপোনাৰ address লৈ গৈছে।

আমাৰ ইয়াত এতিয়াও গৰম পৰা নাই। আপোনালোকৰ তাত চাগে বৰ গৰম। আপুনি এতিয়া কামত বৰ ব্যস্ত আছে, নহয় জানো? কিন্তু বৰ আচৰিত কথা যে ব্যস্ত থকা মানুহবিলাকেই অইন সকলো কামৰ কাৰণেই সুবিধা উলিয়াব পাৰে—কিন্তু অইনবিলাকে দেখোন নোৱাৰে। কাম কৰোঁ কৰোঁ বুলি পেলাই থওঁতেই কাম খোপোৰা লাগে। লগে লগে সমাজৰ অপদস্থ হ'ব লাগে আৰু বহুত ক্ষেত্ৰত অমানুহো হ'ব লাগে। পোনতে দুবাৰ-এবাৰ বৰ লাজ লাগে; শেহত যেতিয়া অভ্যাসত পৰেগৈ অৰ্থাৎ দগধা হয় তেতিয়া মনে মনে সকলো-বিলাককে গিলি জীণ নিয়াই থৈ দিয়ে। কলোত কয় যোলে, যাৰ এখন কাণ কটা, তাৰ অলপ লাজ থাকে, আৰু যাৰ দুখন কাণ কটা, তাৰ

আকৌ কিহৰ লাজ? সঁচাসঁচিকৈয়ে অভ্যাস এবাৰ হ'লে একুওৱা বৰ টান। তাহানিখন 'বাঁহী'ত দেখিলোঁ বিনাকষ্টে পইছা এৰাৰ জাননী—ইয়াৰো কিবা তেনে এটা বুধি নাইনে এবাৰ বৰবৰুৱাক শুধি চাবচোন। সঁচাসঁচিকৈয়ে ক'বলৈ গ'লে মোৰ এই চিঠিখন লেখোতে ইমান লাজ লাগিছে, কি ক'ম! আপুনি হয়তো ভাবিছে যে, মই আপোনাৰ কথালৈ কাণসাৰ নকৰোঁ—কিন্তু ঈশ্বৰে জানে—এনে এটা দিন নেযায় যিদিনা আপোনাৰ কথা বাদ যায়। পাৰ্ব্বতীয়ে আহি সদায় সোধেহি, "বেজবৰুৱা ডাঙৰীয়াৰ চিঠি ক'তা?" মই আৰু সেমেনা-সেমেনি কৰি মনে মনে থাকোঁ, কাৰণ দোষ মোৰ গাত। এই কাৰণে সকলোৱেই মোক দোষ দিয়ে। আৰু বাটত অসমীয়া ল'ৰাৰ লগত দেখা হ'লেই আপোনাৰ কথা সোধে আৰু খবৰ মইও কই দিওঁ "বেছ আছে, নিয়মমতে চিঠিপত্ৰ পাওঁ," ইত্যাদি।

আশা কৰো ভালে আছে। মোৰ সেৱা গ্ৰহণ কৰিব। শ্ৰীযুক্তা Mrs. Bezbaroaকো মোৰ সেৱা জনাব। ইতি

আপোনাৰ মৰমৰ
যতীন্দ্ৰ

৯৪

শ্ৰীচৰণেষু,

ইয়াৰ আগেয়ে আপোনালৈ এখন চিঠি লিখিছিলোঁ; আপুনি বোধ হয় বিশেষ ব্যস্ত বুলি তাৰ সমিধান দিব নোৱাৰিলে। পাছত পাৰিলেহেঁতেন যদিও এই চিঠিখন লিখি তাৰ বাট বন্ধ কৰি দিলোঁ।

সিদিনাখন শ্ৰীযুত বাণীকান্ত কাকতিৰ মুখে শুনিলোঁ হেনো আপোনাৰ নামতে আঁউজি 'বাঁহী'ত ৰাজনীতি সুমুৱাবলৈ যো-জা কৰিছে। আপুনি কি মত দিছে ক'ব নোৱাৰোঁ। মই হ'লে কওঁ—'বাঁহী'ত যেন ৰাজনীতি নুসুমুৱায়। কিয়নো, মোৰ মনেৰে প্ৰকৃত ৰাজনীতি স্বাধীন দেশত আছে যদিও, আমাৰ এই অভিশপ্ত গোলামৰ দেশত নাই। ইয়াত আছে মাথোঁ নকলনবিচৰ হেঁপাহৰ-কামধেনু মৰা গৰুৰ ছালেৰে ছোৱা পলিটিক্‌ছৰ জুমুধিটো আৰু তাৰে ভাৱনা পাতি যত

দানৱৰ প্ৰহসন আৰু দেৱতাৰ চকুৰ লোতক সৰা the most stupendous tragedy in the whole range of human activities। তাৰ উপৰি যিটো কেঁকোৰাৰ মূৰ নাই, তাৰ মূৰ-কামোৰণিৰ দৰৱ 'বাঁহী'ৰ পাতত উলিয়াই আৰু ইমান দিনৰ মূৰত হঠাতে আপুনি যদি ইমান দূৰৰপৰা তাৰ গুৰি ধৰিবলৈ যায়, তেনেহ'লে এই কান্ধুলি মাছৰ দৰে ছল পালেই ইপিঠি ছল পালেই সিপিঠি কৰা, ঔ-বিজলীয়া বিষয়টো আপুনিযে চম্ভালিব পাৰিব সেইটো মোৰ পক্ষে আশা কৰা বৰ টান। ইয়াৰ মানে ৰাজনীতি-ক্ষেত্ৰতযে আপোনাৰ কলমৰ জোৰ নেথাকিব তাক কোৱা নাই, বৰং আপুনি নিজে চলোৱা হ'লে পলিটিক্‌ছৰ নামতো সাৰ্ব্বজনীন ভাব আনিব পাৰিলেহেঁতেন বুলিহে মোৰ বিশ্বাস। কিন্তু এইটো মই ডাঠি ক'ব পাৰোঁ যে যি ঠাইত আৰু যাৰ হাতত আপুনি 'বাঁহী'ক গতাই দিব সেই ঠাইত আৰু সেইসকলৰ মানত ৰাজনীতি মানে এখনি সঙ্কীৰ্ণ ক্ষেত্ৰ—দলিয়া-দলিৰ ঠাই।

সকলোতকৈ ঘাই কথা এই যে, ইমান দিনে আসামত 'বাঁহী'যে এটা স্বকীয়া স্বতন্ত্ৰীয়া সুৰ বজাই আহিছে; আৰু আজি যদি সেই সুৰ বিকৃত হয়, তেন্তে 'বাঁহী'ক সঁচাসঁচিকৈ ভাল পোৱা কোনো পাঠকে তাক সহ্য কৰিবলৈ টান পাব। কাৰণ তেওঁৰ মানত 'বাঁহী'ৰ সুৰ সলোৱা মানে 'বাঁহী'ৰ অস্তিত্ব একেবাৰে লোপ হোৱা। কিন্তু মই জানো যে, 'বাঁহী'ৰ অস্তিত্ব লোপ হ'ব নোৱাৰে। কিছু দিনলৈ নিমাত হৈ ধোঁৱাচাঙত পৰি থাকিলেও ভৱিষ্যতে যে 'বাঁহী'ৰপৰা ভাল সুৰহে ওলাব তাক আশা কৰিব পাৰো; কিয়নো মোৰ বিশ্বাস যে, আপোনাৰ পাছতো 'বাঁহী'ৰ অস্তিত্ব ৰখাব পৰা বা পুনৰ্ব মাত উলিয়াব পৰা উপায় 'বাঁহী'য়ে নিজে গঢ়ি আহিছে কিজানি।

ল'ৰালিৰেপৰা 'বাঁহী'ৰ লগত একেলগে ডাঙৰ-দীঘল হোৱা বুলি মোৰ ক'ব লগীয়া এই কেআষাৰ ক'লোঁ।

আশা কৰোঁ আপোনালোকৰ মঙ্গল। শ্ৰীযুতাৰপৰা এখন চিঠি পাইছিলোঁ। তেখেতক মোৰ সেৱা জনাই ক'ব যে তেখেতে কিতাপখন পঠাই দিলে চেপাখানাত সুধি তাৰ এটা হিছাপ পঠাইহে তেখেতৰ মতামত জানিব পাৰিম। মই সেইখন কিতাপ আমাৰ associationৰ হতুৱাই চেপাবলৈ যত্ন কৰিম। তেতিয়া হ'লে কাম সুকলমে হৈ উঠিব

বুলি মোৰ বিশ্বাস। আপোনাৰ বংশাৱলীৰ প্ৰুফ নিয়মমতে পাব পায়। চেপা মোৰ মনেৰে ভাল হব বুলি বিশ্বাস।

মাজে-সময়ে চিঠি-পত্ৰ লিখিব (মই নিলিখিলেও লেখিব, কাৰণ মোৰ সময় নাইতো জানেই দেখোঁ।) আপোনাৰ চিঠি আমাৰ বৰ হাবিযাহৰ বস্তু। বাৰু, আজিকালি ওচৰ-চুবুৰীযাৰ হাঁহ বিশেষকৈ আমৰলীয়া, চোতালত চৰি ফুৰিলে আপোনাৰ খাবৰ মন যায নে নেযায? খায় যদি মোলৈকো টোপোলা এটা বান্ধি টেকেলিত ভৰাই থ'ব; কাৰণ মোৰো আজিকালি 'মঙহ' খাবৰ মন যায়—যদিও ভয় লাগে।

আৰু নাই—আজিলৈ ইমানতে।

মোৰ সেৱা ল'ব।

আপোনাৰ মৰমৰ

লেডী জেন ডাণ্ডাজ হষ্টেল, যতীন

৭১-১ কৰ্ণৱালিচ ষ্ট্ৰীট,

২০ মাৰ্চ, ১৯২৭

৯৫

The Lady Jane Dundas Hostel
71-1 Cornwallis Street,
Calcutta 7.7.1927

শ্ৰীচৰণেষু,

আজি বহুত দিন আপোনালৈ চিঠি লেখিব পৰা নাই। আশা কৰোঁ খং নকৰিব। Hostelঅৰ admission ইত্যাদিত বৰ ব্যস্ত থকাৰ কাৰণে উশাহ ল'বলৈকো সময় নোপোৱাৰ দৰে। আপোনাৰ কিতাপ limp binding হ'ব। তেওঁলোকে দপ্তৰীৰ ঘৰলৈ পঠাইছে। আৰু ইখন কিতাপৰ 3rd proof আজি পঠাইছোঁ। আপোনাৰ গা কেনে আছে? মাজুতে শুনিলো যে আপুনি ৬ তাৰিখে ইয়ালৈ আহিব। সঁচানে? এইবাৰ Darjeeling চাই আহিলোঁ। শিলিগুৰিৰ অলপ আগৰপৰা মানুহবোৰৰ গঢ়ন, ঘৰবাৰী ইত্যাদি দেখিলে অসমীয়া বুলিহে মনে ধৰে। সেই ইকৰাৰ বেৰ আৰু চকোৱা, আন কি মাটিতো কচু-ঢেকীয়া। ৰেলেদি যাওঁতে মোৰ মনত খেলাইছিল যেন অসমীয়া গাঁৱৰ মাজেদিহে আহিছোঁ। তাৰ পাছত Darjeelingঅত থকা নেপালী ধৰণৰ মানুহ-

বিলাকৰ খোৱা-বোৱা ইত্যাদি দেখি বোধ হয় যে, অসমীয়া culture এবাৰ নহয় এবাৰ ইয়াত সোমাইছিলহি। অসমীয়াৰ কচু ঢেকীয়া Darjeelingঅৰ বজাৰত বেচে, অৱশ্যে তাৰ বাসিন্দাৰ কাৰণে। তেওঁলোকে বানবাটিত চাহ খায়, আমাৰ দৰে কাঁহী-বান ইত্যাদিও দেখিবলৈ পোৱা গ'ল। আন কি তেলত ভজা ঘিলাপিঠা, তিল দি কৰা সুতুলি-পিঠা ইত্যাদিও তাৰ interiorঅৰ মানুহবোৰৰ দোকানত দেখিছিলোঁ। আৰু দেখিলোঁ, পিঠাবিলাক পিঠাগুৰিৰহে। ময়দা বা আটাৰ নহয়। অসমীয়াৰ দৰে শলাকানি দি গোসাঁই ঘৰত ঘিউ আৰু তেলৰ চাকি দিয়ে। এটা Buddhist monasteryতো তাকে দেখিলোঁ। কি ক'ম! এসময়ত অসমীয়াই চাৰিওফালে নিজৰ culture বিলাইছিল। কিন্তু এতিয়া ৰণত পৰি ক'লীয়া হোৱাৰ দৰে অৱস্থা দেখি বৰ বেয়া লাগিল। যাওক সেইবোৰ কথা। মোৰ সেৱা গ্ৰহণ কৰিব।

ইতি

আপোনাৰ মৰমৰ

যতীন্দ্ৰ

৯৬

Lady Jane Dundas Hostel
71-1 Cornwallis Street
Calcutta, 24. 6. 1928

শ্ৰীচৰণেষু,

বহুত দিন আপোনাৰপৰা কোনো চিঠি-পত্ৰ পোৱা নাই আৰু ময়ো লেখিব পৰা নাই। কাজে কাজে কটাকটি গ'ল। আপুনি rubber stamp পাব পায় আৰু আশা কৰোঁ বস্তুটো ভালেই আৰু আপুনি বিচৰাৰ দৰেই হৈছে। আজি বত্না পাচ হৈছে বুলি খবৰ পাইছোঁ—যদিও পৰীক্ষাৰ খবৰ ওলাবলৈ আৰু এসপ্তাহমান পলম আছে। অৱশ্যে বত্নাই এই খবৰ ৫।৬ দিনৰ আগেয়ে বুজ পোৱা বুলিও আজিহে খবৰ পাইছোঁ। আমি শুধিলে tabulatorএ বহিটোকে পাহৰি আছে, মনত নেথাকে, ইত্যাদি। কাৰণ এইজন নতুন tabulator। মই আগৰজন আছে বুলিহে আপোনাৰপৰা rollটো আগেয়ে অনাইছিলোঁ

—আৰু ভাবিছিলোঁ যে competitionঅত প্ৰথম হৈ ময়েই পোন খবৰটো ৰত্নাক দিম, কিন্তু নোৱাৰিলোঁ, আৰু নিজৰ অক্ষমতাৰ বাবে নিজেই তলমূৰ কৰিছোঁ। আপোনাক একেবাৰে নতুন খবৰ দি চঁক্ খুৱাই দিম বুলি ইমানদিন মনে মনে আছিলোঁ। কিন্তু মোতকৈ অইনহে আগ হ'ল। নিশ্চয় সেইজনৰ বাহাদুৰি আছে।

ইয়াত মাজতে বৰ বৰষুণ হৈছিল। পোনপ্ৰথম যিদিনা বৰষুণ হয় সেইদিনা মোৰ বৰ দুৰ্গতি হৈছিল। বতৰ ফৰকাল আছিল। সেই কাৰণে ছাতি নোলোৱাকে tramঅত এজন ভদ্ৰলোকৰ তালৈ যাম বুলি উঠিছিলোঁ—Bethune Collegeৰ Hostelঅত এটা seat ঠিক কৰিবলৈ। লগতে সেই ভদ্ৰলোকজন এজন মোৰ student আছিল। বাটত নামিব নোৱাৰি ভাবিলোঁ যে tramঅতে ঘূৰি আহোঁগৈ আৰু বৰষুণ ৰ'লে আহি নামিম। Dalhousie Square পাওঁতে নৌ পাওঁতেই পানীৰ কাৰণে tram বন্ধ। ডেৰঘণ্টামান বহিও যেতিয়া tram এৰিবৰ আশা নেদেখিলোঁ, তেতিয়া ওপৰে বৰষুণ তলে এঅাঁঠুৱা পানীত নামি এখন bus ধৰিলোঁ। সেই busখন কালীঘাটলৈ গৈছিল। ভাবিছিলোঁ যে, কালীঘাটৰপৰা Shambazarঅলৈ আহিব। নাহিল, Esplanadeঅতে বন্ধ হ'ল। উঠিলো taxiত। Central Avenueৰ প্ৰায় একঁকলীয়া পানীত taxi বন্ধ হ'ল। উঠিলোঁ rickshawত। অলপমান আগ বাঢ়ি এবুকুৱা পানীত rickshaw যাব নোৱাৰিলে। অন্ততঃ যোৱা-নোযোৱা সমান হ'ল। কাষতে এখন ম'হৰ গাড়ী দেখি তাৰ ওপৰতে থিয় হৈ এডোখৰ আহিলোঁ। বাটতে মুটিয়া এটাই হাঁহি পেলাই কইছিল যে এটকা দিলে পাচিৰ ওপৰত তুলি নিব। মোৰ লগত studentজন আছিল। নোহোৱাহেঁতেন উঠিলোঁহেঁতেন কিজানি। অলপ আগ বাঢ়ি এখন ঘোঁড়াগাড়ী যোৱা দেখি তাতে উঠি কোনোমতে ৰাতি দহমান বজাত Hostel পালোঁহি।

'বাঁহী'ত ৰৰবৰুৱাৰ উত্তৰ দেখিছোঁ। proceeding চলিয়েই থাকিব। আমি ৰৰবৰুৱাক এনে অন্যায় কাম কৰিবলৈ এৰি দিব নোৱাৰোঁ। এইবাৰ মই (সুদৰ্শন শৰ্ম্মা তাহানিখনৰ) ৰৰবৰুৱালৈ আৰু এখন চিঠি পঠাম। ৰৰবৰুৱাৰ কি অন্যায়—কিছুমানক মাৰে, কিছুমানক তাৰে! সেৱা গ্ৰহণ কৰিব। আশা কৰোঁ ভালে আছে। শ্ৰীযুতা Mrs.

Bezbaroaক মোৰ সেৱা জনাব। ৰত্না-দীপিকাক মোৰ কথা ক'ব। অৰুণাক লগ পাইছিলোঁ, ভালে আছে। ইতি

আপোনাৰ মৰমৰ
যতীন্দ্ৰ

৯৭

Lady Jane Dundas Hostel,
71-1 Cornwallis Street,
Calcutta, 26.7.1928

শ্ৰীচৰণেষু,

আপোনাৰ চিঠি পালোঁ। মোক চাৰিওফালৰপৰা বিপদৰ ধুমুহাই আহি বেৰি ধৰিছে। Dr. Ewanৰ মৰণৰ পাছত Hostelৰ গোটেই কামবোৰ মূৰৰ ওপৰত পৰিছে। তাৰ পাছত যোৱা সাত দিনৰ বেমাৰত শ্ৰীযুত বিষ্ণুপ্ৰসাদ দুৱৰাৰ বৰ ল'ৰাটি Medical Collegeত ঢুকাল। তেওঁ 4th yearত পঢ়িছিল। তাৰ পাছত ইফালে Bethune College Hostelত তেওঁৰ ভনীয়েকৰ সেইদিনাখনৰ-পৰাই বৰ জ্বৰ। পেটত একোকে নেথাকে, মাথোন বমি আহে। এই সকলোবিলাক লেঠা মোৰ মূৰৰ ওপৰত পৰি মোক জুমুৰি দি ধৰিছে। আপোনালৈ চিঠি লেখিবলৈ সময়কে পোৱা নাই। ৰত্নাৰ বিয়াৰ ঠিক হোৱা শুনি ভাল পালোঁ। ঈশ্বৰে যি কৰে ভালেই কৰে। ইয়াৰ বাহিৰে আৰু কি ক'ম? মই ৰোহিণীক এসময়ত Dibrugarhত চিনি পাইছিলোঁ। এতিয়া চিনি পায়নে নেপায় ক'ব নোৱাৰোঁ। বোধ হয় পাব। আপুনি নিশ্চয় আগৰৱালা ইত্যাদি যিসকল আপোনাৰ বন্ধু আছে তেওঁলোককো এই বিষয় জনাইছে। আপোনাৰ এগৰাকী ছোৱালী আসামত পৰিব। ইয়াতকৈ আৰু আনন্দৰ বিষয় কিবা হ'ব পাৰেনে?

মোৰ সেৱা গ্ৰহণ কৰিব। শ্ৰীযুতা Mrs Bezbaroaক মোৰ সেৱা জনাব। Ratnaক মোৰ মৰম জনাব। ইতি

আপোনাৰ মৰমৰ
যতীন্দ্ৰ

পুঃ

আপোনাৰ ফটো পালোঁ। আপোনাৰ মৰমৰ দান শিৰ দৌৱাই গ্ৰহণ কৰিলোঁ।

৯৮

The Lady Jane Dundas Hostel
71-1 Cornwallis Street
Calcutta
১৯২৮

শ্ৰীচৰণেষু,

আপোনাৰ চিঠি পোৱাত পলম হ'ল। কাৰণ এইবাৰো সিবাৰৰ দৰে বেয়াৰিং হৈ আহিল। কাৰণ কি—বোধ হয় কোনোবাই আপোনাৰ চিঠিৰ লেফাফাৰ ওপৰৰপৰা টিকিট খুলি নিছে—Post officeঅত নে ক'ত enquire কৰিব। সেই কাৰণেই লগতে envelopeটো পঠাই দিলোঁ।

Dhubriলৈ Second Class Puja concession পাইপতি ২৯/০ কৰি পৰিব। ticket আগেয়ে কিনিলেহে berth reserve কৰিব, নহ'লে নকৰে। আপুনি ১৬ তাৰিখে কলিকতাৰপৰা যাব খুজিছে কিন্তু সেই দিনাখন যোৱা সুবিধা নহ'ব। কাৰণ সেইদিনা Bijoya, গাড়ীত ভিড়; ইয়াৰ উপৰিও আচল কথা হৈছে, গুপুততে আপোনাক কওঁ, সেই দিনাখন ইয়াত খুব riot হ'বৰ সম্ভাৱনা—সকলোৱেই কৈছে যে, সেই ·· কোনোমতে······taxi পোৱাও টান ·· · বা নিজৰ মন··· ··আপোনালৈ মুখে মুখে এই কথা। যদি ···তেন্তে কিমান দিন ·····কোনে জানে? সেই কাৰণে মই আপোনাক ১৫ তাৰিখে ইয়াৰপৰা যাবলই খাটিছোঁ। মাথোন এদিনৰ আগ। আপোনাৰপৰা চিঠি পালেই মই ১৫ তাৰিখে berth reserve কৰিম। ৪।৫ দিনৰ আগেয়ে berth reserve কৰিব লাগিব।

ৰত্না যে যাব মই ইয়াতেই জানো। আপোনাৰ ঘৰ চাগে এতিয়া 'গুলজাৰ' হৈ আছে—কাৰণ ৰত্না, দীপিকা, বুবুক লই বেছ ৰঙেৰে দিন কটাইছে। তেওঁলোকক মোৰ সাদৰ সম্ভাষণ দিব। শ্ৰীবুতা

Mrs. Bezbaroaক মোৰ সেৱা জনাব। একৰকম আশা কৰোঁ। আশা কৰোঁ আপুনি ভালে আছে। মোৰ সেৱা গ্ৰহণ কৰিব। ইতি

আপোনাৰ মৰমৰ
যতীন্দ্ৰ

৯৯ [জানুৱাৰী ১৯৩০]

......,

আপোনাৰ ইংৰাজী বছৰৰ ইংৰাজী আশীৰ্ব্বাদ মূৰ দোঁৱাই ল'লোঁ আৰু তাৰ কাৰণে অন্তৰৰ শলাগ আৰু ধন্যবাদ গ্ৰহণ কৰিব।

কলিকতাৰ অসমীয়া ল'ৰাবোৰে বেজবৰুৱা সমিতি নে বেজবৰুৱা পৰিষদ কিবা এখন পাতিব খুজিছে—বোধ হয় শেক্সপিয়েৰিয়ান সভাৰ দৰে। সিদিনাখন তেওঁলোক আহি আপোনাৰ সম্বন্ধে মোৰ কিবা লিখা আছেনে নাই বুলি শুধিছিল। মই ক'লো, তেখেতক মই চিনি পাওঁ—মোৰ লগত ঘনিষ্ঠ সম্বন্ধ—তেখেতে মোক মৰম কৰে আৰু জোকায়, মই ওফোন্দ পাৰোঁ, খং কৰোঁ। আৰু মাজে মাজে গৈ সম্বলপুৰত ভ্ৰমণ কৰি খাই আহোঁগৈ। কিন্তু তেখেতৰ সম্বন্ধে কিবা লেখিব লাগে মোৰ মনত নেখেলায়। সিহঁতে হাঁহিবলৈ ধৰিলে। আপুনিয়ে কওকচোন বাৰু, হাঁহিবৰ কিবা কাৰণ আছে জানো? আপোনাৰ সম্বন্ধে কি লেখিব লাগে, মোক কওক, আপুনি নিজে লেখি দিয়ক, মই চহী কৰি দিম। ভয় নাই, আমি আপুনি লিখা বুলি নকওঁ।

গৌহাটীলৈ গৈছিলোঁ। তাতে বাণীকান্তৰ লগ পাই এই বিষয়ত কথা হ'ল। বাণীকান্তই সমিতিৰ ভাৰ লৈছে আৰু কিজানি কাকতিৰ প্ৰবন্ধৰে পহিলা সমিতি খোলা হ'ব।...

১০০

The Ogilvie Hostel
(Scottish Church College),
31/2 Hurtuki Bagan Lane,
Calcutta 17.4.1935

শ্ৰীচৰণেষু,

আজি আপোনালোকলৈ শ্ৰীমান কৰুণা ব্যানাৰ্জ্জীৰ হাতত অলপ-মান 'সোনামুগেৰ ডাল' আৰু গোন্ধোৱা 'সুপাৰি' পঠালোঁ। আশা কৰোঁ ভাল লাগিব। সিদিনাখন বন্তাৰ তাত শুনিলোঁ যে, তেখেতে হেনো ইয়াৰপৰা মগুমাহ কিনি নিছিল। তেতিয়াই মই ভাবিলোঁ যে মই সকলোতকৈ ভাল বিধৰ মগুমাহ আপোনালৈ পঠাম। কেনে পায়, জনাব। ইয়াত বৰ গৰম পৰিছে, আপোনালোকৰ তাত চাগে কথাই নাই। আশা কৰোঁ সেইদিনাখন ভালে-কুশলে পালেগৈ। সঁচাকৈয়ে সেইদিনাখন আপোনালোকক তাত এৰি থৈ আহি মোৰ বৰ বেয়া লাগিছিল। কিয় ক'ব নোৱাৰোঁ। মোৰ সেৱা জানিব। তেখেতকো মোৰ সেৱা জনাব। আশা কৰোঁ ভালে আছে। ইতি

আপোনাৰ মৰমৰ
যতীন্দ্ৰ

১০১

Ogilvie Hostel
31/2, Hurtoki Bagan Lane
Calcutta, 18.3.1938

শ্ৰীচৰণেষু,

কালি আপোনাৰ চিঠিৰপৰা আহিব নোৱৰা বুলি জানি বেজাৰ পালোঁ। হঠাতেনো আকৌ কি হ'ল? যি হওক, এতিয়া নিশ্চয় ভাল পাইছে। সোমবাৰে আপোনাৰ চিঠিখন পাই আহিব বুলি জানি সকলো ঠিকঠাক কৰি থৈছিলোঁ—অৰ্থাৎ আপোনাক Howrahৰ waiting roomঅলৈ নপঠিয়াই শ্ৰীমান ভবেশ বৰুৱাৰ flatঅতে আপোনালোকক দিনটোৰ কাৰণে ৰাখিবলৈ বিৰিঞ্চি আৰু মই ঠিক কৰিছিলোঁ। ভবেশৰ flat ground floorঅত, room পাঁচোটা, মানুহ

তেওঁ আৰু আন এজন অসমীয়া ল'ৰা—বোধ কৰোঁ আপোনাৰ একো অসুবিধা নহ'লহেঁতেন। যাওক, সেইবোৰ কথা।

এতিয়া গা কেনে পাইছে—সভায়-সমিতিয়ে বক্তৃতা দি ফুৰা দেখি ভাবিছোঁ যে, আগতকৈ নিশ্চয় ভাল পাইছে। আপুনি Aprilঅত আহিব খুজিছে—Sambalpurঅৰ গৰমে জানো suit কৰিব? অৱশ্যে সেই বিষয়ে আপুনি মোতকৈ বেছি জানে। যি ভাল বুজে কৰিব। মাথোন অহাৰ কেবাদিনমানৰ আগতে জনাব—আপোনাৰ জুৰণিৰ ঠাই এডোখৰৰ বন্দবস্ত কৰিব লাগিব। দেওবাৰে কলিকতা পালেহি মোৰ পক্ষে যে বিশেষ সুবিধা, সেইটো নক'লেও হ'ব। বিৰিঞ্চি আছে—তেওঁ আপোনাৰ বিষয়ে সকলো কামতে আগবঢ়ুৱা।

বহুত দিনৰ মূৰত আপোনাৰ চিঠি পাই বৰ বং পালোঁ। মই ইচ্ছা কৰিয়েই আপোনালৈ লেখা নাছিলোঁ—কাৰণ আপোনাৰ বিশ্ৰামৰ সম্পূৰ্ণ আৱশ্যক। Dibrugarhঅৰ climateএ যেন আপোনাক সম্পূৰ্ণ-ৰূপে নিৰাময় কৰি তোলক, এযে মোৰ ঈশ্বৰৰ কাষত প্ৰাৰ্থনা।

শ্ৰীযুতা Mrs. Bezbaroaৰ গা কেনে? তেখেতক মোৰ সেৱা জনাব আৰু আপুনিও ল'ব। বত্না-ৰোহিণীক মোৰ মৰম জনাব—আশা কৰোঁ তেওঁলোকৰ মঙ্গল। একৰকম আছোঁ—ভালে-বেয়াই মাজতে—যাওক আজিলৈ ইমানতে। ইতি

আপোনাৰ মৰমৰ
যতীন্দ্ৰ

১০২*

Suite No. 20
123-1-1 Upper Circular Road,
Calcutta, 6 .12. 1944

শ্ৰীচৰণেষু,

............পর আপন.........নার খুব ভাল লেগেছে। আশা করি মাজে মাজে এরকম করে খোজ-খবর একটু নেবেন। বড়ই একলা হয়ে পরেছি, আর কিছুই ভাল লাগে না। আমি শুনেছিলুম যে আপনারা নাকি কোনও একটা Stateএ চলে গেছেন। একদিন

* এইখনি চিঠি প্ৰজাসুন্দৰী দেৱীলৈ লেখা। চিঠি-পাতৰ মাজে মাজে একোটুকুৰা নাই।

দীপিকার সঙ্গে দেখা হওয়াতে সে আপনার ঠিকানা বলেছিল কিন্তু আমি আনতে ভুলে গেলুম। সেজন্য লিখ্‌তে পারিনি। আমার শরীর ভাল যাচ্ছে না। গত বিজয়া দশমীর দিনে খুব অসুখে পরলুম। হঠাৎ গা খুব গরম হয়ে গেল এবং প্রায় ঘণ্টা তিনের পর আবার ভীষণ কাঁপুনি আরম্ভ হল, সঙ্গে সঙ্গে জ্বর, মাথা ধরা, purging এবং vomitting। প্রায় ৩।৪ দিন ·· ··· চলেছিল— ········ conscious ············এখনও··· ···· ····· পাচ্ছি · ··········· মাজে মাজে মুখের ভিতর·········· এবং বমি হবার মতন লাগে। কিছু টোটকা জানেন যদি লিখবেন। আপনি হয়তো কাছে থাক্‌লে অনেক আগেই অসুখ সেরে যেত। যাক ওগুলো কথা। আমার কাছে ওঁর চিঠি কিছুই দেবার মতন নেই। কতকগুলো Hostelএর ছাদ থেকে জল পরে নষ্ট হয়ে গেছে আর খান কয়েক শ্রীমান বিরিঞ্চির হাতে আছে—আর দু-একজন আমার কাছ থেকে কতকগুলো নিয়ে গেছে—তখনতো ওর মূল্য বুজতুম না। আপনি একটা খুব ভাল কাজ করছেন। আমাকে Mr. J. Borooah লিখেছিলেন। আমাকে 'যদু' বলে ডাক্‌বার মধ্যে ············তিনিই আছেন। তাঁর········ ·· চিঠি পেয়েছি কি ··········· পাচ্ছিনা···। ··········· এবং Test ··· ·····। আমার যতদূর ········ আপনাকে সাহায্য করব। কিন্তু বড় দুঃখের সঙ্গে বলতে হচ্ছে যে আমাদের লোকেরা কি আপনার শ্রমের মূল্য বুজবে? তবে অসমীয়া সাহিত্যতে একটা বিশিষ্ট স্থান অধিকার করবে—সেজন্যই এটা খুব বড় কাজ হবে। J. Borooah আমাকেও কতগুলো তাঁর সঙ্গে হওয়া কথা স্মৃতিচিহ্নের মতন লিখ্‌তে বলেছিলেন। কিন্তু লিখ্‌লুম না, কারণ আমাদের লোকগুলো যা—মনে করবে কি জানেন, যে আমি নিজের ঢাক বাজাবার জন্য চেষ্টা করছি। আমিও বড় বীতশ্রদ্ধ হয়ে পড়েছি—আর কিছু লিখব না। নানা কারণে মন খারাপ হয়ে গেছে আমার প্রতি দেশের লোকের ব্যব[হার] ···· · থাক ওসব······ · ভাল হবে ······কারণ······না। আমার প্রণাম নেবেন। বড় দুর্ব্বল হয়ে পড়েছি —অনেক কথা লিখ্‌বার ছিল, পারলুম না। পরে লিখব। আশা করি ভাল আছেন—চিঠি দেবেন, একেবারে একলা ছেড়ে দেবেন না। ইতি

আপনার স্নেহের যতীন্দ্র

চন্দ্ৰধৰ বৰুৱাই লেখা

যোৰহাট

১০৩ ১০. ৩. ৩৬

শ্ৰদ্ধাস্পদেষু,

সিদিনা সাহিত্য সভালৈ দিয়া টেলিগ্ৰাফত আপোনাৰ গা বেযা বুলি জানি দুঃখিত হ'লোঁ। আশা কৰো এতিয়া ভাল পাইছে।

এইবাৰ অন্য এটা অনুৰোধ কৰোঁ। মই লিখা এক প্ৰস্থ 'নতুন পাঠ' পঠাইছিলোঁ। আপুনি দেখিছে। সম্প্ৰতি হাইস্কুলৰ Class V আৰু VIঅৰ কাৰণে দুখন সাহিত্য পাঠ্য যুগুত কৰিব খুজিছোঁ। তাত আপোনাৰ কিবা দুটা প্ৰবন্ধ দিবলৈ পালে কৃতাৰ্থ মানিম। অনুগ্ৰহ কৰি দুটি উপযোগী প্ৰবন্ধ শীঘ্ৰে পঠাবলৈ সানুনয়ে প্ৰাৰ্থনা কৰিলোঁ।

আপোনাৰ স্বৰ্গীয় পিতৃদেৱৰ আপুনি লিখা জীৱনীটিকে দিব খুজিছিলোঁ। কিন্তু অলপ দীঘল দেখি কোঁচ খাইছোঁ। তাকে অলপ চমু কৰি কাটি-কুটি দিলে এটি সেয়ে হ'ব। বিশেষতঃ পুৰণা শ্ৰেণীৰ ডাঙৰীয়া এগৰাকীৰ জীৱনী এটি পাঠ্যপুথিত থকাটো যুগুত কথা। সেই প্ৰবন্ধটিকে যদি কাটি-কুটি দিয়ে, তেন্তে ১৬-পেজীয়া ক্ৰাউন ছাইজৰ কিতাপত দিব পৰা তেখেতৰ ছবিৰ ব্লক এটিও পাবলৈ আশা কৰিলোঁ। আপুনি কৰাই পঠালে ব্লকটো ভাল হ'ব। যদি ব্লক পঠাবলৈ নিতান্ত আহুকাল পায় তেন্তে ছবি এখনিকে পঠাব।

মুঠতে দুটা শ্ৰেণীলৈ দুটা প্ৰবন্ধ লাগে। তাৰে এটা আপোনাৰ দেউতাকৰ জীৱনী হ'লে ভাল হয়। সেয়ে হ'লে সম্প্ৰতি 'জীৱনী-সংগ্ৰহ'ত থকা প্ৰবন্ধটোতকৈ অলপ সৰু হব লাগে আৰু তাৰ লগতে ব্লক্ বা ছবি এটাও লাগে। ইয়াকে এমাহমানৰ ভিতৰতে পাবলৈ পৰম আশা কৰিলোঁ। এই আশাত যেন নিৰাশ নকৰে।

আপোনাৰ লিখাবিলাকৰ ভিতৰত শিশু পাঠ্যৰ উপযোগী কিবা প্ৰবন্ধ পোৱা হ'লে এনেদৰে আমনি নকৰোঁ।

এই চিঠিখনিৰ শীঘ্ৰে উত্তৰ পাবলৈ আশা কৰিলোঁ। মোৰ ভক্তিপূৰ্ণ নমস্কাৰ গ্ৰহণ কৰিব।

অনুগত

শ্ৰীচন্দ্ৰধৰ বৰুৱা

ৰঘুনাথ চৌধাৰীয়ে লেখা

১০৪ দৌল-পূর্ণিমা
২৪।৩।২৯
উজান বজাৰ

শ্ৰদ্ধাস্পদ ডাঙৰীয়া !

মোৰ সেৱা গ্ৰহণ কৰিব। আজি ভালেমান দিন হ'ল আপোনালৈ দ্বিতীয় তাঙৰণৰ 'কেতেকী' এখন পঠাইছিলোঁ। পুথিখনিৰ দোষ-গুণ সম্বন্ধে আপোনাৰপৰা একো জানিব নোৱাৰিহে দুখিত হৈছোঁ। মোৰ বিদ্যা-বুদ্ধি নিচেই কম। বহু চিন্তা আৰু গৱেষণাৰ মাজেদি পুথিখনি লিখা হৈছে। ই মোৰ প্ৰায় ৩ বছৰৰ সাধনাৰ ফল। মই কৃত্ৰিম ৰঙীন অলঙ্কাৰেৰে ভাবৰ প্ৰতিমা সাজিবলৈ চেষ্টা কৰা নাই। আগঢ়ী হ'ব পাৰে আৰু সজোৱাত পাৰিপাট্য নাথাকিব পাৰে, কিন্তু যিমানখিনি পৰা যায় নিখুঁত কৰাবহে ঐকান্তিক চেষ্টা। কিমানদূৰ কৃতকাৰ্য্য হ'ব পাৰিছোঁ, পৰমপিতা ভগৱন্ত পুৰুষেহে জানে। মানুহে নিজৰ মুখখনো নেদেখে আৰু পিঠিখনো নেদেখে। অৰ্থাৎ নিজৰ দোষ-গুণ নিজে গম ধৰিব নোৱাৰে, সুধীজনৰ চকুতহে ধৰা পৰে। আপোনাৰ নিচিনা সাধক এজনৰপৰা এটি নিৰপেক্ষ বিচাৰ পাম বুলি আশা কৰি আছিলোঁ। আজিলৈকে তাৰ একো সমিধান নাপালোঁ। বোধ কৰোঁ সাংসাৰিক বেমেজালিত থাকি পুথিখনি পঢ়িবলৈ সময় কৰিব পৰা নাই, আহৰি পালে ইয়াৰ ভিতৰতে ভালকৈ পুথিখনি চাই, আপোনাৰ মূল্যবান 'বাঁহী'ৰ সুৰত এষাৰ মাত লগাব বুলি বাট চাই থাকিলো। ইতি

বিনীত
শ্ৰীৰঘুনাথ চৌধাৰী

১০৫ **The Chitralekha Movietone Company**
P. & T.O. GOHPUR
ASSAM

Calcutta
The 1st March/35
The Great Indian Hotel
Mirzapure Sq IV

নিবেদন,

আপুনি শুনি বিশেষকৈ ৰং পাব যে, আজি ডেৰ বছৰৰ আগতে হাতত লোৱা 'জয়মতী' ফিল্ম এতিয়া ৰাইজৰ আগত দিবলৈ সম্পূৰ্ণৰূপে তৈয়াৰী হ'ল। এই সোমবাৰে Board of Censorsত দিয়া হ'ব। তাৰ পাছত আমি এই ছবিখনি প্ৰথমতে কলিকতাতে দেখুৱাবলৈ ইচ্ছা কৰিছোঁ। আৰু সেই উপলক্ষে আপোনালৈ এই খাটনি জনালোঁ। 'জয়মতী'ক প্ৰথম দিনাই যেন আপুনি ৰাইজক চিনাকি কৰি দিয়েহি আৰু আপোনাৰ ডালিমীক আশীৰ্ব্বাদ দি যায়হি। অহা সপ্তাহতে আমি ছবি কলিকতাতে open কৰিবলৈ দিহা কৰিছোঁ। এই বিষয়ে আপোনাৰপৰা telegraphঅৰে জানিবলৈ বাট চাই থাকিলোঁ। মোৰ ভক্তি আৰু শ্ৰদ্ধা গ্ৰহণ কৰিব। ইতি

আপোনাৰ
বিনীত
শ্ৰীজ্যোতিপ্ৰসাদ আগৰৱালা

১০৬ তেজপুৰ
২২।৪।৩৬

পূজ্যবৰেষু,

'জয়মতী' নাটকখন Senola Co.এ গ্ৰামোফোনৰ ৰেকৰ্ড কৰাব খুজিছে। আৰু সেই বিষয়ে ময়েই কাম হাতত লৈছো। 'জয়মতী'

filmঅত storyটো দিয়াৰ দৰেই তাতো দিয়া হ'ব। আপোনাৰ ডালিমী আৰু ডালিমীৰ গান মোৰ এই নাটকত সমাৱেশ কৰিব খুজিছোঁ। এই বিষয়ে আপোনাৰ অনুমতি পাবলৈ আশা কৰিলোঁ।

'জয়মতী' ফিল্মৰ এতিয়া সকলো খৰচ উঠা নাই। আসামৰ প্ৰায় সকলো চহৰতে দেখুৱা হ'ল। এতিয়াও অৱশ্যে গাঁওবোৰ বাকী আছে।

আশা কৰোঁ আপোনাৰ কুশল। মোৰ শ্ৰদ্ধা-ভক্তি গ্ৰহণ কৰিব। সোনকালে উত্তৰ পাবলৈ বাট চাই থাকিলোঁ। ইতি

শ্ৰীজ্যোতিপ্ৰসাদ আগৰৱালা

বেণুধৰ শৰ্ম্মাই লেখা

১০৭ গৌৰীসাগৰ, শিৱসাগৰ

মাঘৰ বিহু-দিনা

১৮৪৬ শক

শ্ৰীচৰণেষু,

বোধ কৰোঁ, আপোনাসকল সকলোটি বাটত একো অপায়-অমঙ্গল নোহোৱাকৈ সম্বলপুৰ পাবগৈ পায়। আজি মাঘৰ বিহু, অসমত হোৱা হ'লে একো কথাই নাই, সম্বলপুৰ হেন দূৰণি ঠাইত থকা বাবে মে-জিৰ কাষত ঘূৰি ঘূৰি গোৱা নামৰ ধ্বনি মিহলাই তাতে অলপ আমাৰ জকাইচুকীয়া ম'হৰ দৈ গাখীৰৰ ছাট দি আপোনা-সকললৈ ওলগ জনালোঁ। ডাকঘৰৰ মোহৰ পৰি, বহুত হাত আৰু ঠাই বাগৰি সোন্দাকল মৰহাদি মোৰ এই নিঃকিনৰ ওলগকেৰা মৰহি যোৱাৰ আশঙ্কা আছে যদিও আপোনাৰ সেইখিনি পালেগৈ দূবৰি বনৰ দৰে ঠন ধৰি উঠিব বুলি মোৰ ধ্ৰুব বিশ্বাস।

শ্ৰীযুত সূৰ্য্য ভূঞাৰ 'বৰফুকনৰ-গীত' নপঢ়াকৈ থকা নাই। যদিহে সেইটো পঢ়িলে আৰু পঢ়ি যদি তাৰ বিষয়ে সমালোচনা কিবা লিখিব খুজিছে, তেন্তে মই এবাৰ কথা ক'ব খোজোঁ। আশা কৰোঁ, কথাবাৰ

জুখিব। একাদশ বছৰৰ ৭ম সংখ্যা 'বাঁহী'ত মই লিখা 'মধুপর্ক' নামৰ সংগ্ৰহ-প্ৰবন্ধত 'বৰফুকনৰ গীত' এছোৱা ওলাইছিল। ভূঞাদেওৰে 'বাঁহী'ৰ নাম ল'বলৈ ভাল নাপাই গুণেইনেকি তেওঁৰ 'বৰফুকনৰ গীত'ত তাৰ একো উল্লেখকে নকৰিলে। অথচ, তেওঁ উলিওৱা গীতটোতকৈ প্ৰকাশিত গীতছোৱা শ্ৰুতিমধুৰ। ভূঞাই বহুত ঠাইত নতুন শব্দ সুমুৱাই দিছে। 'কালিলৈ' 'হিতকাৰী' 'অনেক' ইত্যাদি। সেইবোৰৰ দ্বাৰায় গীতৰ মাধুৰ্য্য আৰু মৌলিকত্বহে নষ্ট হৈছে। 'বৰফুকনৰ গীত'ৰ ভাল সমালোচনা কৰিব বুলি বিশেষকৈ অনুৰোধ কৰিলোঁ।

আপুনি লেখা কিতাপ আপোনাৰ তাত যি যি দিব পৰা হৈ আছে, সেই আটাইবোৰৰে একো কপি পঠাব। বৰ্ত্তমানে মোৰ হাতত 'সুৰভি', 'কুঃ ওভতনি', '৺দাননাথ বেজবৰুৱা ডাঙ্গৰীয়াৰ জীৱনী' আৰু 'জুনুকা' নাই। আপোনাক সোঁৱৰাই দিবলৈ কৈছিল দেখি সোঁৱৰালো।

'অ' মোৰ আপোনাৰ দেশ'ৰ স্বৰলিপি এটা লেখি 'বাঁহী'ত উলিয়াবলৈ শ্ৰীমতী ৰত্নাক কৈছিলোঁ। বোধ কৰো, আপুনি ধৰিলে সেই কাম সোনকালেই হ'ব। এই গানটোতযে ইমানবোৰ মৌকোঁহৰ গোপা আছে তাক ডিব্ৰুগড়ত বহা সাহিত্য-অধিবেশনৰ আগলৈকে জনা নাছিলোঁ।

আৰু ২০ দিনমানৰ মূৰত গাবো হিলৰ ফালে যাম। যাওঁতেই প্ৰচাৰকৰ কামও কৰি যাব পাৰিম বুলি আশা কৰিলোঁ। আজিকালি য'তে ত'তে 'টকা চাই', 'Money, money, sweeter than honey', অকল সাহিত্য-চৰ্চ্চাতে মন-গা ঢালি দিলে ইফালে দেখোন 'টেকেলি কাতিয়েই।'

আকৌ কওঁ, আজি বিহুৰ বাবে মোৰ ওলগ, ভক্তি-শ্ৰদ্ধা গ্ৰহণ কৰিব। ইমান দীঘলীয়া চিঠি আপোনাৰ পঢ়ি ভাল নেলাগিব পাৰে, কিন্তু লেখিলোঁ যেতিয়া আৰু আপুনি পঢ়িবই পঢ়িব। ইতি

আপোনাৰ মৰমৰ
শ্ৰীবেণুধৰ শৰ্ম্মা

১০৮ গোৰীসাগৰ
১৫।৬।২৫

শ্ৰীচৰণেষু,

আপোনাৰপৰা চিঠি এখন পাবৰ আজি এমাহমান হ'লহি, তথাপি কোনো ফালৰপৰা পুনচ একো লিখালিখি হোৱা নাই। চিঠি-পত্ৰ দিয়াদিই নেথাকিলে আজিকালি matter-of-fact বিজ্ঞানৰ দিনত মানুহে মানুহক পাহৰাটো স্বাভাৱিক। আপুনি মোলৈ আপোনাৰ তাত থকা আপোনাৰ কিতাপবোৰ পঠিয়াম বুলি লৈখিছিল। অৱশ্যে আপুনি আজৰি পোৱা হ'লে মোৰ আশা আহৰি হ'বলৈ নেপালেহেঁতেন। আপোনাৰ কামৰ ভিৰ কিমান মোৰ জনা অ'ছে। তেনেস্থলত আকৌ আপোনাক দিগ্ দিয়াত আপুনি চাগৈ বেয়াহে পাব পাৰে। যদি কিবা স্বৰূপত বেয়া পাযহে, তেন্তে মই মাতিছোঁ, বেয়া নেপাব।

আজিকালি 'পদুম কুঁৱৰী'খন কিতাপ আকাৰত পাবলৈ নোহোৱা হ'ল। মই এজন প্ৰকাশক পাইছোঁ। ভট্টাচাৰ্য্য এজেঞ্চিৰ লগত সেই কিতাপ প্ৰকাশ কৰাৰ কিবা binding আছেনেকি? যদি নাই, তেন্তে আপোনাক সেই কিতাপখন মোক প্ৰকাশ কৰিবলৈ দিব পাৰিবনে? যদি দিব পাৰে, কি কি বন্দৱস্তত দিব পাৰিব তাকো লিখিব। এই ছলতে, আপোনাৰ তাহানিখনৰ 'অসমীয়া ভাষা' বক্তৃতাটোও প্ৰকাশ কৰিবৰ মন আছে। 'সুৰভি', 'কাকতৰ টোপোলা', 'জুনুকা' এইকেইটা কিতাপো প্ৰকাশ কৰিবলৈ মন আছে।

আপুনি বোলে মাজতে শিৱসাগৰলৈ আহি গ'লহি। আমাৰ দুৰ্ভাগ্য গতিকে দেখা নাপালোঁ।

মোৰ অশেষ শ্ৰদ্ধা-ভক্তি গ্ৰহণ কৰিব। বোধ কৰোঁ শ্ৰীমতী ৰত্না আৰু দীপিকা তাতে আছে। তেওঁবিলাকলৈও প্ৰীতি-সম্ভাষণ পঠালোঁ। ইতি

আপোনাৰ মৰমৰ
শ্ৰীবেণুধৰ শৰ্ম্মা

১০৯

আপোনাৰ চিঠি······কিতাপ পালো ···· খনত বহুত কথা অসম্পূৰ্ণ ····· গল। মই যি জানো তাতে জোৰা দি থৈছোঁ। সময়ত লাগিবগৈ পাৰে। সোনকালে দহখন পঠাব—ভিঃ পিঃ কৰি পঠাব। মোক 'সুৰভি' এখন লগা হৈছিল—নেপালোঁ আৰু। এইবোৰ কাৰবাৰী কথা ইমানতে থক।

পিছে 'বাঁহী'খন কেলেই মৰিবলৈ দিলে? গুৱাহাটীত দেখোন কৈছিল আৰু হাওৰাৰ ৰজমেৰী লেনতো এদিন কোৱা মনত পৰে যে, আপুনি সশৰীৰে থকা কেইটা দিনত 'বাঁহী' কলঢোপ কলঢোপকৈ থাকিব পাৰে কিন্তু সি নমৰে। এতিয়ানো কিয় মৰিবলৈ দিলে? শ্ৰীযুত যতীন দুৱৰাৰে সৈতে কিবা এটা 'পোৰামাচ' পৰামৰ্শ) কৰি কলিকতাৰপৰা উলিয়াটো কেনে বোলে? অৱশ্যে পুনপাক্ আৰু আগপিছ কৰা দুযোৰো সহায় পালে সেইটো কৰিবলৈ টান নহ'ব হ'বলা? সিদিনা পুৰণি 'বাঁহী' এখন লৈ সঁচ'ৰাচকৈয়ে মোৰ চকু-পানী ওলাল। এতিয়া আৰু সেই ৺উমেশ বৰুৱাও নাই, ৺প্ৰেমধৰ চলিহাও নাই, তথাপি জানো 'বাঁহী'ক সৰবৰহী কৰিব নোৱাৰি? গুৱাহাটীলৈ অহাৰপৰা 'বাঁহী'ৰ সৰবৰহী গুণটো অলপ কমি আহিল—শলিতাত তেল নাছিল যদিও, সুমোৱা নাছিল। ··· ··· শ্ৰীযুত ··· ··· কথাটো ··· ··· ছোৱাইছিলোঁ, আপোনাৰ তালৈও যোৱাৰ কথা আছিল। কিন্তু সাংসাৰিক ধুমুহাই পাই সেই ভাব ক'ৰবালৈ উৰুৱাই নিলে। বাৰু, কলিকতাৰপৰা 'বাঁহী' উলিয়ালে ছপাৰ খৰচৰ বাহিৰেও আপুনি অন্ততঃ ৮০৲ টকা ৰূপ খৰচ কৰিবলৈ গাত ল'ব পাৰিবনে? যদি পাৰে, মই এইফালে ১০০মান নতুন গ্ৰাহক কৰি লৈ যাওঁ। কাকত ওলোৱা মাত্ৰকে সেই গ্ৰাহকবিলাকলৈ পঠিয়াই ৰৱঙ্গণিৰ কাৰণে হাত পাতিম। তাৰ পিছত আমি চলাম। অৱশ্যে, পৰত আশ বনত বাস; সেই বুলি নৈৰাশ নহওঁ। দাঁত সৰিলত মানুহে দাঁতৰ মোল বুজা হৈছে। 'বাঁহী' নোহোৱা হ'লত আৰু-তাক বহুতক কোৱা শুনো 'বাঁহী'খন বৰ ভাল কাকত আছিল বুলি। বৰ্ত্তমানে আমাৰ মাহেকীয়া কাকত নায়েই। যিবা এখন বা আধখন আছে সিও দায়িত্ব-বিহীন, বিশেষকৈ ভাষাৰ পিনে। ভাষাৰ কথা এৰিছোঁয়েই।

আমাৰ দেশলৈ বিদেশী সভ্যতা, লগে লগে বিদেশীৰ আবৰ্জ্জনাবোৰ যিদৰে সোমাবহি লাগিছে, আমি ইমানতে বৰ কোবেৰে, অশেষ যত্নেৰে ... ... আজীৱন কৰি অহা যুজৰ যি সাম্ফল নহ'বইনে, আমাৰ যে এটা স্বকীয়া অস্তিত্ব আছে, সিও মৰি যাব। তাৰ চিন অলপ-অচৰপ পাইছোঁ আৰু আপুনিও পাইছে।

গুৱাহাটীৰ অধিৱেশনতে সাহিত্য সভাই প্ৰস্তাৱ গ্ৰহণ কৰিছিল, আমাৰ ঠাইবোৰৰ নামবাচক শব্দবোৰ যিদৰে কওঁহক সেইদৰে লিখিবলৈ (অৱশ্যে প্ৰস্তাৱটো Rly & Steamer Coক খাটিবলৈ কৰা হৈছিল)। কিন্তু এতিয়া দেখিছোঁ কি—তাৰ প্ৰধান সম্পাদকৰ দ্বাৰায় লিখিত (শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামিনা লিখিতং) ভূগোলৰ 'চৰাইদেও'ৰ ঠাইত 'চৰাইডো', 'গুৱাহাটী'ৰ ঠাইত 'গৌহাটী', 'শালনাৰ' ঠাইত 'চালনা' ইত্যাদি এইবিলাক কথা বাতৰি কাকতলৈ লেখিলেও কাকতে কোনো কাৰণত নছপায়। এনেবোৰ মইমতালি কাম কৰা দেখিও চুপ মাৰি থকা সাহিত্য সভাৰপৰা মই আঁতৰ হৈছোঁ বা গা-এৰা দিছোঁ। এই আটাইবোৰ কথা হা-হুমুনিয়া মাথোন।

অহা বছৰলৈ আমাৰ আচামত আকাল হ'ব। ৰূপ টকা দি এটেমি চাউল পায়নে নেপায সন্দেহ। এইবেলি অচমীয়া মানুহ তিষ্ঠা টান দেখিছোঁ। আৰু নেলেখোঁ। মোৰ শ্ৰদ্ধা-সম্ভাষণ ল'ব। ইতি

আপোনাৰ মৰমৰ
শ্ৰীবেণুধৰ শৰ্ম্মা

১১০ *Private*

Diocesan Mission,
17, Lansdowne Road,
Elgin Road P O.,
Calcutta,
Aug. 21st 1935

Dear Mr. Bezbaroa,

Please read Dipika's letter first. I think you know that Dipika has been, as it were, training for the Religious Life which she so much desires. The sister who has given her much time is recalled home & I suggest that Dipika goes with her & stays in our Convent in England where she will get further opportunities for study for testing her desire in many ways. If this desire is *true* she will gain a good deal . if in the end she feels it is not true, she can come back to India She has saved enough money for a return passage and if she is once in England she could take some course of training there if she desired. I hope you understand that she is *free* still, & will be free until at least two years are over.—All of us sisters have a long time of training & testing.

Owing to circumstances this sister has to start home on Sep. 14 & it will [be] easy for Dipika to go with her. You will, I am sure, like to see her. She can come to you for about a week I think. We must get her outfitted & so on I suggest her coming to you about Sept. 2nd & returning here after a few days.

I am afraid you will naturally *feel* as if we had pressure on her will but I think you *know* really that no human being, developed & alert as she is, could attempt such a life of restraint & loneliness unless the impulse came from God.

I shall gladly write again & explain anything.

Yrs. sincerely,
Dorothy Francis
Sister Superior (S. S.)

তৰুণচন্দ্ৰ বৰুৱাই লেখা

১১১ 5, Royal Exchange Place,
Calcutta, 15th. April 1924

To

Mr. L. N. Bezborooah,
Sambalpur, B. N. Ry.

Dear Sir,

Estate B. Borooah deceased.

I beg to enclose herewith a cheque for Rs. 5000/- in payment of the legacy left to you by late Mr. B. Borooah.

Kindly sign and return me the accompanying receipt.

Yours faithfully,
T. C. Borooah,
EXECUTOR TO THE ESTATE
OF B. BOROOAH DECEASED

দেৱেন্দ্ৰনাথ বেজবৰুৱাই লেখা

১১২ Jorhat
30.4.20

My dear Dodaideu,

I am in receipt of your kind letter of the 22nd instant. During his recent tour at Jorhat Bishnu Dodaideu, who as usual stays elsewhere, called on me once and asked me to contribute Rs. 200/- for the Harikirtan. I told him, on principle I should not contribute anything because the so-called orthodox brothers and step-brothers of my father have openly joined my anti-party in denouncing me and because they had proclaimed to the people in prison(?) that they did not observe অশৌচ when my father had died and excommunicated people who attended my father's sradh. But told him that out of veneration for my deceased father I would contribute half of what

a son of "Ghaidewta" would pay. Perhaps it is known to you that at Sibsagar Sj. Jagannath Bezbaroa as Vice-President, Mr. G. G. Phukan (now known as Sj. Ganga Gobinda Sarmah Phukan) as President of Brahmin Sabha convened a meeting to enquire into my status & caste. Jorhat too under the leadership of late Narayan Bezbarua's sons meetings were convened to the same effect. Our Gossain was taken to task for allowing his *bhakats* to join my father's sradh and perform *bhaona*. In fact, I am an outlander here so far as our society is concerned. It will neither be possible for me nor will it be compatible with their dignity and sacred cause to allow me to take up the matter in hand. Bishnu Dodaideu told me that if I could contribute Rs. 300/- I would be taken into their fold, but I had to decline the favour extended to me. In fact, I prefer to remain where I am—at a safe distance from their orthodox Brahmin society.

I hope my views are quite clear and you will kindly think over the matter before sending any remittance to Bishnu Dodaideu.

With seva to Khurideu & yourself and affection to the sisters,

I remain,
Yours affly,
Deven

P.S.

Kindly reply and favour me with your decision. I am not in favour of joining in this movement —DB

সত্যব্রত মুখাৰ্জীয়ে লেখা

১১৩ 12. Jan. 24
Novsari

My dear Dadajiban (of Khoka),

What has absolutely shaken me out of my unconquerable lethargy is the vision of that stupendous bison. How I envy you & how I wish I was with you! Vithalrao is coming to dine with us tonight & we shall tell him about your exploits with the gun.

You must be wondering why we are still in Novsari ; It's *kismet*. When Aruna was wired for, Mr. Manilal, my chosen successor, was to have come on the 7th of this month , as I am helpless about packing, I at once sent for Aruna. Now I feel very repentant for having been so selfish. Manilal is not coming now till after the 20th If in the meantime he is called away to Madras to give evidence on behalf of this State before the Indian Mercantile Marine Committee, he will probably have to defer his coming by a week longer Evidently, he is trying his hardest not to come—so much is his *khatpat*. He does not want to face the Kalipanaj situation—which by the way is very much quieter now. After the first storm, there is absolute calm now.

Aruna is frightfully sick that the bison incident did not happen in her time. I hope the tiger will be the next victim.

By the way, Aruna wants to go back for a week & return before I have to leave ! !

The Baby *is* a creature It is wonderderful how quietly he has cottoned to his surroundings in Novsari. He does talk about his Dada daily, also Didima. But he has got two other substitute Mashimas here, so that Ratna & Dipika are at present reposing in quietness in his memory , not forgotten at all, but ready to be revived at the least provocation. We have just concluded two life policies on the little fellow—one for Rs 16,000 payable in his 16th year & then for 4.000 Rs. payable in this 20th That is the only way we can save for him.

We are all right. It is warm weather for the season. We have had hardly any winter this year.

Our pranams to you & Mater. Love to the fagile beauties,

Yours affly,
Satyavrata

১১৪

Census Office
Baroda
23. 1. 32

My dear father,

I have read your letter with great pleasure. It is great for one full of years & honours to have a whole people's un-

alloyed homage at his feet. We are really so glad & so proud at the thought of what you have done & how nobly you have done & how nobly you have borne the buffetings of fortune & kept the torch of knowledge & art bright & untarnished through all these splendid years It is given to few of us to find, like you have done, oneself as the most honoured living name in one's literature. You have raised Assamese from the lowly position of a vernacular- relegated to life's menial uses - to a most honoured place in Indian letters. No fairer service man can do to man. Live long, keep smiling & think as radiantly as ever !

Yours ever affly,
Satyavrata

P S

I am working at high pressure trying to finish this damned Census Report I am looking to ..

ৰোহিণীকুমাৰ বৰুৱাই লেখা

১১৫

Rajabhetta Tea Estate
P & T O Rehabari,
Dibrugarh, the 16th January 1929

My dear Dad,

What with looking after your darling daughter (she needs looking after as she is inclined to work overhard) and putting the house & grounds in order (it's no easy job I tell you when Ratna with her superb aesthetic stand-point tries to get everything geometrically correct), my brain, as if in a whirlpool, has been so busy moving that, though not quite forget, I have had to neglect my dear old 'Dad' & mother for sometime, for which act of unkindness I hope you will kindly forgive. However, in spite of my not writing to you, I don't think you have quite been missing me as your dutiful daughter, has been regularly feeding you with the latest news.

Besides being busy with the above I have also been busy enjoying my loot (now look straight). So far our married life has been one complete dream of happiness. Between our-

selves, Ratna is just a sweet darling. With her winning ways she is winning the hearts of everyone that she has come across and particularly in our family she is the centre of attraction now. Best of it all is that Ratna herself seems quite happy when she is amongst the family circle. You hear nothing but giggles & laughter when the five বোৱাৰীs get together. You may know that she even forgets me when she goes to the old house. Now that's something to be jealous of, isn't it?

That's what I had to say in favour of Ratna but I have a lot to say against her too. Grievances, which I put before you in order that you may give her due warning & reform her, or else I will take serious steps—I will start loving her furiously. The grievances are : (1) She locks up my cigarettes and counts as I smoke them. (2) She doesn't behave in the dining table, feeds me as if I have never been fed before. (3) She insists on cooking too many sweet things for the afternoon tea. (4) She tries বুঢ়া শালিকিক মাত ল'বলৈ—fancy me learning to sing at this old age ! (5) She stays too long in the store—never done measuring food-stuffs. (6) [She] makes me jump up from my bed even in a cold morning just to wash my [mouth] for a mere cup of tea.

This leaves us both very happy & healthy. With much love & kindest regards from us both to you both,

Y's affly,
Rohini

আসাম সাহিত্য সভাৰপৰা

আসাম সাহিত্য সভা
১১৬ যোৰহাট
তাৰিখ ১২।৯।২৬

পৰম মাণ্যবৰেষু,

ধুবুৰী সম্মিলনলৈ আপুনি নাহিলে কিজানি সময়ত আমাৰ মুখ ৰক্ষাই নপৰে ! সেই দেখি অসমীয়াৰ গৌৰব আৰু স্বাৰ্থ ৰক্ষাৰ অৰ্থে আপোনাক আমি অতি আশা আৰু আদৰেৰে আহ্বান কৰিছোঁ। আশা কৰোঁ নিৰাশ নকৰিব।

আমি এইবাৰ হয় ধুবুৰী জয় কৰিব লাগিব, নহয় শত্রুৰ হাতত এৰি দিব লাগিব। সেই দেখি আমাৰ সুদক্ষ সেনাপতিসকলৰ অতি আৱশ্যক। ইতি

আপোনাৰ
শ্রীশৰৎচন্দ্র গোস্বামী
আসাম সাহিত্য সভা

১১৭

চন্দ্রকান্ত সন্দিকৈ হল
যোৰহাট
তাৰিখ ১৩।৯।২৬

বিহিত সম্মানপূৰ্ব্বক নিবেদন,

আসাম সাহিত্য সভাৰ ৯ম সম্মিলন অহা ১৯ আৰু ২০ অক্টোবৰত ধুবুৰীত বহিবলৈ স্থিৰ হোৱা কথা বোধ কৰো আপুনি জানে।

ধুবুৰীত অসমীয়া ভাষা ভাল পোৱা লোকৰ সংখ্যা বৰ কম। তথাপি তাত থকা অসমীয়া-প্ৰিয় লোক কেইজনে সম্মিলনৰ সফলতাৰ অৰ্থে যিমান যত্ন কৰা শুনো, সম্ভৱতঃ অন্য ঠাইতকৈ কোনো বিষয়ে চকুত লগা নহৈ নাথাকিব।

কিন্তু বাহিৰৰপৰা যোৱা যোগ্য সভা সংখ্যাৰ ওপৰতহে সম্মিলনৰ গৌৰৱ বেছিকৈ নিৰ্ভৰ কৰে বুলি ভাবোঁ। সময় আৰু অৰ্থৰ বাবে বহুত সভ্য ইচ্ছা থকাতো ধুবুৰী সম্মিলনত উপস্থিত হ'ব নোৱাৰাৰ বেছি সম্ভৱ।

তদুপৰি আপোনালোকৰ দৰে······আৰু মাতৃভাষাৰ যোগ্য সেৱক ······নহলে সম্মিলনৰ সৌন্দৰ্য্য নাবাঢ়ে······কাৰণত এইবাৰ সম্মিলনত আপোনাৰ উপস্থিতি বিশেষকৈ আমি কামনা কৰিলোঁ।

আশা কৰোঁ বিশেষ এৰাব নোৱাৰা কাৰণ নঘটিলে আপুনি সম্মিলনত উপস্থিত নহৈ নাথাকিব। ইতি

বিনীত
শ্রীশৰৎচন্দ্র গোস্বামী
প্ৰধান সম্পাদক
আঃ সাঃ সঃ

১১৮

অসম সাহিত্য সভা
যোৰহাট
Dated the 15th Sept, 1928

বন্ধুমানাস্পদেষু,

'আসাম সাহিত্য সভা পত্ৰিকা' ওলাবৰ আজি দুবছৰ পূৰ হ'ল। ইয়াৰ ভিতৰত আপুনি ইযাত ছপাবলৈ ক'লীয়া আখৰ এটাও নপঠালে —ই আমাৰ পক্ষে বৰ দুৰ্ভাগ্যৰ কথা। মাজে সময়ে আপোনাৰ দুটা-এটা প্ৰবন্ধ ওলালে কাগজখনৰ বহুত মোল বাঢে, ঐই কথা সকলোৱে স্বীকাৰ কৰিব লাগিব। সাহিত্য সভাৰ কাগজ এখন উলিযাই তাত আপোনাৰ প্ৰবন্ধ ছপাবলৈ নোপোৱাটো আমাৰ অকল দুখৰ কথাই নহয়, বৰ লাজৰ কথাও। কাগজখন চলোৱাৰ বিষয়েও, আপোনাৰপৰা সদায বুধি-ভাৰসা পাই থাকিম বুলি আশা কৰিও আজিলৈকে একো পোৱা নাই। এইবিলাক কথাৰ বাবে, কোনোবাই এই কাগজৰ লগত আপোনাৰ সহানুভূতি নাই বুলি ক'লেও আমি উত্তৰ দিবলৈ বিচাৰি একো নেপাওঁ।

সেই দেখি বিশেষৰূপে খাটিছো, অহা সংখ্যাত ছপাবলৈ অনুগ্ৰহ কৰি যেন যেনে তেনে প্ৰবন্ধ এটাকে পঠাব। আগলৈকো প্ৰতি সংখ্যাত একোটাকৈ প্ৰবন্ধ পাবলৈ নথৈ আশা কৰিলো। কাগজখনিৰ যি যি দোষ তাকো যেন জানিবলৈ দিয়ে। কাগজ চলোৱাত মোৰ অভিজ্ঞতা সমূলি নাই। সেই বাবে, আপোনাৰ পৰামৰ্শ পাবলৈ বৰ আশা কৰিলো।

'প্ৰান্তবাসী' দেখিব পায়। আপোনাক, 'অসমীযা' কাকতক আৰু সেই চলতে সাহিত্য সভাকো আক্ৰমণ কৰিছে। ইয়াৰ উত্তৰ দিবলৈ আপুনিহে উপযুক্ত মানুহ। এই সম্পৰ্কেই সম্প্ৰতি এটা প্ৰবন্ধ পঠালে ভাল হয়। যদি আপুনি 'প্ৰান্তবাসী' পোৱা নাই, মোলৈ লিখিলেই পঠাই দিম। চুঙ্গা চাই সোপা দিবৰ বৰ প্ৰয়োজন হৈছে।

ভালে আছোঁ। আপোনাৰ মঙ্গল বাতৰি পালে সুখী হ'ম।

আপোনাৰ মৰমৰ
শ্ৰীচন্দ্ৰধৰ বৰুৱা

পুঃ 'প্ৰান্তবাসী' ইয়াৰ লগতে পঠালোঁৱেই। সাহিত্য সভাৰ যে একো ৰাজনৈতিক উদ্দেশ্য নাই, উত্তৰত এই কথা ভালকৈ ওলাব লাগে।

১১৯

আসাম সাহিত্য সভা
চন্দ্ৰকান্ত সন্দিকৈ হল
যোৰহাট
তাৰিখ ২৯।১১।৩৪

শ্ৰদ্ধাস্পদেষু,

সাহিত্য সভাৰ পঞ্চদশ সন্মিলন মঙ্গলদৈত পাতিবলৈ যো-জা কৰা হৈছে। ডিচেম্বৰৰ ২৭ আৰু ২৮ তাৰিখে সন্মিলন বহিবৰ কথা। আপোনাক অতি সাদৰ আৰু পৰম [illegible] নিমন্ত্ৰণ জনালোঁ। সভাৰ অৱস্থা বৰ দুখ লগাত পৰিছেহি। গতিকে হলাৰ সকলো গুৰিয়াল গোট খাই ইয়াক ৰখাবৰ উপায় পৰামৰ্শ কৰিবৰ নিতান্ত প্ৰয়োজন হৈছে। সেই দেখি এই নিমন্ত্ৰণ শুদা (formal নিয়ম ৰক্ষাৰ বাবেহে কৰা হৈছে বুলি নধৰিব। প্ৰকৃততে সভাৰ সঙ্কটৰ সময়ত, দেশৰ বন্ধু আৰু সাহিত্য ক্ষেত্ৰৰ কৃতী নায়ক হিচাপে আপোনাক হেপাহেৰে আহ্বান কৰিছোঁ। আৰু এই আহ্বান অকল মোৰে নহয়; গোটেই কাঃ নিঃ সমিতিৰ বুলি জানিব। তাৰ লগতে ময়ো ব্যক্তিগতভাৱেও জনাইছো। মুৰামুৰি সময়লৈ বাট নেচাই এতিয়াই আগ বঢ়ৰতে জনাই থ'লো।

ভালে আছোঁ; আপোনাৰ সৰ্ব্বাঙ্গীন কুশল কামনা কৰিছোঁ।

আপোনাৰ মৰমৰ
শ্ৰীচন্দ্ৰধৰ বৰুৱা

১২০ নম্বৰ ৮৫৪-৬৯

আসাম সাহিত্য সভা
চন্দ্ৰকান্ত সন্দিকৈ হল
যোৰহাট
তাৰিখ ১৫।১১।৩৪

সবিনয় নিবেদন,

যোৱা চতুৰ্দ্দশ সম্মিলনত গৃহীত হোৱা ৫ম প্ৰস্তাৱৰ নকল এটি ইয়াৰ লগতে আপোনালৈ পঠোৱা হ'ল।

উক্ত প্ৰস্তাৱ অনুসৰি 'অসম', 'আসাম' আৰু 'অসমীয়া' আদি বানান আৰু উচ্চাৰণৰ লগত সামঞ্জস্য নথকা শব্দবোৰৰ লিখা উচ্চাৰণ আৰু বানান সম্পৰ্কে যি বেমেজালি আছে, সেই বেমেজালি গুচাই উচ্চাৰণ আৰু বানানৰ মাজত মিল ৰাখি এটি উচিত গঢ় দিবলৈ এখন সমিতি গঠন কৰি দিয়ে। আপুনি এই সমিতিৰ এজন সভ্য। এতেকে এই প্ৰস্তাৱত উল্লেখ কৰা শব্দবিলাকৰ সম্পৰ্কে আপোনাৰ মতামত অহা ডিচেম্বৰ মাহৰ ১৫ তাৰিখৰ ভিতৰতে আমাৰ হাতত পৰাকৈ পঠাবলৈ যেন হেলা নকৰে। আপোনালোকৰ মতামতখিনি অহা সম্মিলনত উত্থাপিত কৰিব লাগিব। গতিকে কথাটো অতি জৰুৰী বুলি ভাবি, যিমান সোনকালে পাৰে আপোনাৰ মতামত আমালৈ পঠায় যেন।

বিনীত
শ্ৰীচন্দ্ৰধৰ বৰুৱা
প্ৰধান সম্পাদক,
আসাম সাহিত্য সভা

৫। 'অসম', 'আসাম' আৰু 'অসমীয়া' আদি বানান আৰু উচ্চাৰণৰ লগত সামঞ্জস্য নথকা শব্দবোৰৰ লিখা উচ্চাৰণ আৰু বানান সম্পৰ্কে যি বেমেজালি আছে, সেই বেমেজালি গুচাই উচ্চাৰণ আৰু বানানৰ মাজত মিল ৰাখি এটি উচিত গঢ় দিবলৈ তলত লিখা সমিতি গঠিত হওক। উক্ত সমিতিৰ সদস্যসকলৰ যুক্তিপূৰ্ণ সম্মত সংগ্ৰহ কৰি অহা সম্মিলনত উপস্থিত কৰিবলৈ প্ৰধান সম্পাদকক ভাৰ দিয়া হওক।

সভ্য ঃ

শ্ৰীযুত সৰ্ব্বেশ্বৰ কটকী
„ সোণাৰাম চৌধুৰী
„ বাণীকান্ত কাকতি
„ বেণুধৰ শৰ্ম্মা
ৰায় বাহাদুৰ পদ্মনাথ গোহাঁই বৰুৱা
„ „ আনন্দচন্দ্ৰ আগৰৱালা
শ্ৰীযুত কৃষ্ণকান্ত সন্দিকৈ
„ দেবানন্দ ভঁৰালী
„ সৰ্ব্বেশ্বৰ বৰুৱা
„ ৰজনীকান্ত বৰদলৈ
„ হিতেশ্বৰ বৰবৰুৱা
„ লক্ষ্মীনাথ বেজবৰুৱা
„ সূৰ্য্যকুমাৰ ভূঞা
„ চন্দ্ৰধৰ বৰুৱা
ৰায় বাহাদুৰ ৰাধানাথ ফুকন
মৌঃ ময়িদুল ইচ্‌লাম বৰা
প্ৰধান সম্পাদক এই সমিতিৰ সম্পাদক হ'ব।

১২১

অসম সাহিত্য সভা
চন্দ্ৰকান্ত সন্দিকৈ হল
যোৰহাট
তাৰিখ ১৫. ১১. ৩৫

শ্ৰদ্ধাস্পদেষু,

সাহিত্য সন্মিলনৰ সভাপতিৰ বিষয়ে এতিয়ালৈকে যিখিনি ভোট আহিছে, তাৰপৰা বুজা যায় সম্ভৱতঃ আপুনিয়েই নিৰ্ব্বাচিত হ'বগৈ। কিন্তু বাতৰি কাকতত আপোনাৰ চিঠি দেখি আমি চিন্তিত হৈছোঁ।

এইবাৰ পাকৈত সভাপতি নহ'লে সমূহ বিপদৰ সম্ভাৱনা দেখিহে আপোনাক এইদৰে আজুৰিবলৈ বাধ্য হৈছোঁহক। আৰু ইমান কম সময়ৰ ভিতৰত আপোনাত বাজে এই ভাৰ ল'বলৈ আগ বাঢ়োঁতা আৰু সমৰ্থ লোক পোৱা নেযায়। গতিকে আপোনাৰ অনেক অসুবিধা দেখিও আপোনাক আমনি নকৰিলে গা নবয। এই মাহৰ ২০ তাৰিখে সভাপতি নিৰ্ব্বাচন কৰা হ'ব। আপোনাৰ নাম নিৰ্ব্বাচনত উঠিলে পাছদিনাই আপোনালৈ টেলিগ্ৰাফ কৰিম, আৰু আপুনি এই ভাৰ গ্ৰহণ কৰিবলৈ এতিয়াই ভিতৰি খাটি থলো। আপুনি এই জাতীয কামৰ বাবে নিজে অসুবিধা সহিও আৰু দহ বন কাতিকৈ হ'লেও কষ্ট স্বীকাৰ কৰিব - ইযাকে থিৰাংকৈ জনা বাবেহে সকলোৱে আপোনালৈ ইমানকৈ হেঁপাহ কৰিছে। আশা কৰোঁ অত ৰাইজক আপুনি পৰাঙ্মুখ নকৰিব। সাহিত্য সভাৰ অৱস্থা সম্প্ৰতি সম্পূৰ্ণ শোচনীয। আপুনি সাহিত্যৰ বিষয়ে দেশৰ প্ৰধান গুৰিয়াল। এই সঙ্কটৰ সময়ত আপুনি আমাক এইফেৰা সহায নকৰিলে আমি অতি বিপাঙ্গত পৰিব লাগিব। বৰোদালৈ যাবলৈ হ'লেও, যথাসময়ত ভাৰ-পৰাও আহিব পাৰিব। সম্মিলন ২৬।২৭ ডিচেম্বৰত তেজপুৰত বহিব। তাহানি এবাৰ সঙ্কটৰ আন্ধাৰ যুগত আপুনি 'জোনাকী' উলিযাই আমাক বাট দেখুৱাইছিল। এতিযাও দেশৰ এই সন্ধিক্ষণত আপুনি আমাক সুবাট দেখুৱাই বাট লগাই দিবলৈ যেন পাছ নোহোঁহকে, ইয়াকে আমি সবিনযে খাটিছো।

ভালে আছো; আপোনাৰ সৰ্ব্বমঙ্গল কামনা কৰিছোঁ। আমনি কৰাৰ বাবে দোষ ক্ষমা কৰিব।

আপোনাৰ অনুগত
শ্ৰীচন্দ্ৰধৰ বৰুৱা
প্ৰধান সম্পাদক,
আসাম সাহিত্য সভা, যোৰহাট

শ্ৰদ্ধাস্পদ, শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা ডাঙৰীয়াৰ
সমীপেষু

সম্বলপুৰ

অভিনন্দন-পত্ৰ

ডিব্ৰুগড় মহিলা সমিতিৰ

শ্ৰদ্ধাস্পদ শ্ৰীযুক্ত লক্ষ্মীনাথ বেজবৰুৱা
ডাঙৰীয়ালৈ অভিনন্দন

আজিৰ এই শুভক্ষণত বাণী দেৱীৰ সুসন্তানক হৃদয়ৰ ভক্তি অৰ্ঘ্য নিবেদিবৰ সুবিধা পোৱাত ডিব্ৰুগড় মহিলা সমিতি সচাঁকৈয়ে ধন্য।

হে অসম ভাষাৰ দেহ, মন, প্ৰাণ, আপুনি সৰস্বতী দেৱীৰ কৃপা বিন্দু লাভ কৰি স্বৰ্গলোকৰ অপূৰ্ব্ব কাব্য কাননৰ মনোৰম সুগন্ধি পাৰিজাত আনি এই বিস্মৃতি-সাগৰত বুৰ গৈ থকা প্ৰকৃতি দেৱীৰ বৰ জীয়াৰী আসামক মনোমোহা কৰি তুলিলে।

হে সাহিত্য যজ্ঞৰ পূজাৰি! আজি এনে সাহিত্য সেৱাত উছৰ্গা কৰাৰ ফলতেই আজি অসমীয়া সাহিত্যই নৱ প্ৰেৰণা, নৱ চেতনা লাভ কৰি দেশ বিখ্যাত। আপোনাৰ জ্ঞান প্ৰভাৱৰ বলতেই জগতৰ উন্নতি জখলাত পিছ পৰি থকা এই দুৰ্বল, অজ্ঞান, বিমূঢ় অসমীয়া জাতিয়ে নিজক আৰ্য্য গৌৰৱৰ বংশধৰ বুলি জানিবৰ শক্তি পাইছে।

একালে আপোনাৰ লেখা আৰু বাক্যাৱলী যেনে হাস্যৰসৰ উচ্ছল প্ৰৱাহত চিৰচঞ্চল, আনফালে আপোনাৰ ৰচনা আৰু জীৱন হিমালয়ৰ দৰে মহত্ত্ব আৰু গাম্ভীৰ্য্যপূৰ্ণ। আপুনি একাধাৰে কাব্যৰসৰ আধাৰ আৰু জাতীয় ভাৱৰ উদ্দীপনাময়ী শক্তিৰ নিজৰা।

হে অসম ভাষাৰ জ্ঞান-প্ৰদীপ! আজি আপোনাক দিবৰ যোগ্য আমাৰ একো সমল নাই; তথাপি আপোনাৰ ওচৰত আমাৰ যি মহান ঋণ তাক আজি আমাৰ হৃদয়ৰ এই অকৃত্ৰিম শ্ৰদ্ধা আৰু ভক্তিৰ অঞ্জলি নিজ মহানুভৱতাৰে গ্ৰহণ কৰক।

ডিব্ৰুগড় — ডিব্ৰুগড় মহিলা সমিতি

৭।১০।৩০

শিৱসাগৰীয়া মহিলাসকলৰ

১২৩

স্বনামধন্য সাহিত্যিক শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা ডাঙৰীয়াৰ

কৰকমলেষু,

দুখুনী অসম আইৰ আঁচলৰ ধন, শিৱসাগৰৰ অমূল্য ৰতন আপোনাক আজি দুকুৰি বছৰৰ পিছত আমাৰ মাজত পাই আমাৰ অন্তৰৰ আবেগ জনাবলৈ ভাষা বিচাৰি পোৱা নাই। আজি আপোনাৰ শুভাগমনত শিৱদ'লৰ কলচিয়ে উলাহৰ জেউতি বিলাইছে, সাগৰৰ ঢৌবোৰে বাহু মেলি সাদৰ অভ্যৰ্থনা জনাইছে, জয়সাগৰৰ বনদেৱীসকলে নিফুট আৱাহন-গীতি গাইছে।

হে নিঃস্বাৰ্থ স্বদেশ-প্ৰেমিক! আপুনি বিদেশত থাকিও সদায় স্বদেশত, প্ৰৱাসত থাকিও ঘৰত, দূৰত থাকিও সততেই ওচৰত, আৰু বাহিৰত থাকিও যথাৰ্থতে আমাৰ অন্তৰত। দেশ-বিদেশত ফুৰি অইনবিলাক জাতিয়ে উন্নতিৰ জখলাত দোপতদোপে আগ বঢ়া দেখি, অইনবিলাক সাহিত্যই বাছকবনীয়া সম্ভাৰেৰে দিনকদিনে চহকী হোৱা সম্ভেদ পাই আপুনি নিজৰ জন্মভূমি অসমৰ অতীত গৰিমাৰ তুলনাত বৰ্ত্তমান একোৱেই নাই বুলি অনুভৱ কৰি দেশৰ অভাৱ দূৰ কৰিবলৈ যথাশক্তি যত্ন কৰিছে। আপোনাৰ জীৱনৰ ব্ৰত হৈছে মাতৃভাষাৰ সেৱা, আপোনাৰ সাধনা হৈছে মাতৃ-ভূমিৰ গৌৰৱ অটুট ৰখা। এই গৌৰৱ ক্ষুণ্ণ কৰিবলৈ কোনোবাই আগ বাঢ়িলে আপুনি খড়গহস্ত হৈ তুমুল সংগ্ৰাম কৰি বিপক্ষক পৰাস্ত কৰি জ্বলন্ত স্বদেশ-প্ৰেমৰ আৰ্হি দেখুৱাইছে। 'মাতৃ-ভাষাৰ উন্নতিয়েই স্বদেশ আৰু স্বজাতিৰ উন্নতিৰ সিংহদুৱাৰ'—আপোনাৰ এই সুগভীৰ মৰ্ম্মবাণী অসম-বাসীৰ হৃদয়-ফলিত যাউতিযুগীয়াকৈ সোণালী আখৰেৰে অঁকা থাকিব।

আপোনাৰ সাহিত্য-প্ৰতিভা সৰ্ব্বতোমুখী। আপুনি কেতিয়াবা 'কৃপাবৰ বৰবৰুৱা'ৰ মুখা পিন্ধি চোকা লেখনী-ৰূপী সোকা লৈ সমাজৰ কপটতা-আৱৰ্জ্জনা আৰু কুসংস্কাৰবিলাক জাবি খেদাবলৈ চেষ্টা কৰিছে। আকৌ কেতিয়াবা নিজ সৌম্যমূৰ্ত্তি ধৰি শ্ৰীমন্ত শঙ্কৰে পাৰ ভাঙি দিয়া

হৰিনাম-ৰসৰ প্ৰেম-অমৃতৰ নদীৰ সোঁত পুনৰ অসমত শতধাৰে বোৱাই অসমবাসীক পৱিত্ৰ সলিলেৰে অভিষিক্ত কৰিছে।

আপুনি অকল মুখেৰে নহয়, কাৰ্য্যেৰেও স্ত্ৰীশিক্ষাৰ পক্ষপাতী। স্ত্ৰীজাতি শিক্ষিতা নহ'লে যে কোনো পৰিয়ালৰ বা কোনো জাতিৰ প্ৰকৃত উন্নতি নহয়, আৰু স্ত্ৰীশিক্ষাই যে ঘৰুৱা কাৰ্য্যত ব্যাঘাত নজন্মাই বৰং দুগুণে সহায়তাহে কৰে, এই কথাৰ প্ৰমাণ আপোনাৰ ঘৰুৱা জীৱনতে সুন্দৰকৈ দেখুৱাইছে। আপোনাৰ সহধৰ্ম্মিণী এগৰাকী সুশিক্ষিতা আৰু গৃহস্থালী কাৰ্য্যত সুনিপুণা মহিলা। আপোনাৰ তিনিওটি কন্যা বিশ্ববিদ্যালয়ৰ উচ্চ উপাধি পোৱা আৰু গুণালঙ্কৃতা। তেখেতসকলকো আজি আমাৰ মাজত পাই আমাৰ আনন্দ অসীম।

আমাৰ কি আছে, কি দিম! আন্তৰিক শ্ৰদ্ধা-ভক্তি কৃতজ্ঞতাৰ চিন-স্বৰূপে অতি সন্তৰ্পণে আপোনালৈ এখনি অভিনন্দনৰ শৰাই আগ বঢ়াইছোঁ। সৰ্ব্বনিয়ন্তা পৰমেশ্বৰৰ চৰণত প্ৰাৰ্থনা জনাওঁ, আপোনাক সপৰিবাৰে কুশলে ৰাখক, অসম-আইৰ মুখ পোহৰাবলৈ আমাৰ মূৰৰ চুলিৰ সমান আয়ুষ দিয়ক, আপোনাৰ জীৱন মধুময় আৰু জয়যুক্ত কৰক। ইতি

শিৱসাগৰ — একান্ত বিনীতা

৫ কাতি, ১৮৫২ শক — শিৱসাগৰীয়া মহিলাসকল

গুৱাহাটী আৰ্ল ল কলেজৰ ছাত্ৰসকলৰ

১২৪

অসম আইৰ কৃতী সন্তান,

অসমীয়া সাহিত্য-আকাশৰ উজ্জ্বল জ্যোতিষ্ক,

পৰম শ্ৰদ্ধাভাজন শ্ৰীযুক্ত লক্ষ্মীনাথ বেজবৰুৱা ডাঙৰীয়াৰ

কৰকমলেষু,

হে স্বনামধন্য সাহিত্যৰথি!

অসমীয়া সাহিত্যৰ 'জোনাকী' যুগৰপৰা আৰম্ভ কৰি আজিলৈকে প্ৰায় ডেৰ কুৰি বছৰ আপুনি একাগ্ৰচিত্তভাৱে অসমীয়া ভাষা আৰু সাহিত্যৰ নিঃস্বাৰ্থ সেৱা কৰি মাতৃভাষাৰ মঙ্গল-মন্দিৰৰ যি অপূৰ্ব্ব

জেউতি চৰাইছে তাৰ তুলনা নাই। অৰ্দ্ধমৃত অসমীয়া জাতিৰ কাণত সুমধুৰ 'বাঁহী'ৰ সঞ্জীৱনী সুৰ ঢালি দি অসমীয়া সাহিত্য-জগতত নতুন যুগৰ সূচনা কৰি নতুন ভাবৰ স্বদেশানুৰাগ-ৰঞ্জিত যি স্ৰোত-প্ৰৱাহৰ সৃষ্টি কৰিছে, সেই স্নিগ্ধ পুণ্য-প্ৰৱাহত অসমীয়া সাহিত্যৰ যি হিল্লোল উঠিছে, সি আমাৰ কৰ্ণ-কুহৰত অবিৰাম ললিত লযেৰে বাজিব লাগিছে। কাব্য, নাট, সঙ্গীত, হাস্যৰস আৰু গভীৰ ধৰ্ম্মমূলক ৰচনাৱলীত আপোনাৰ সৰ্ব্বতোমুখী প্ৰতিভাৰ যি জ্যোতি বিকীৰণ হৈছে, সি অসমীয়া জাতিৰ অন্তৰত প্ৰতিবিম্বিত হৈ উঠিছে।

হে স্বদেশানুৰাগি!

আপোনাৰ সুগভীৰ স্বদেশানুৰাগ আৰু স্বদেশ-প্ৰীতিৰ ৰসেৰে অভিষিক্ত ৰচনাৱলীযে অসমীযাৰ জাতীয় ভাব-মণ্ডলত মাতৃভূমিৰ যি মূৰ্ত্ত ছবি আঁকি দিছে, সি আজি অসমীয়া জাতিক জাগ্ৰত কৰি তুলিছে আৰু তাৰ বাবে প্ৰত্যেক অসমীয়াই আপোনাৰ ওচৰত ঋণী।

হে বৰেণ্য!

আজি আপোনাৰ গুণ-গান কৰিবলৈ আমাৰ অন্তৰ উপচি পৰা ভাব আছে। কিন্তু তাক প্ৰকাশ কৰিবলৈ ভাষা নাই। কেৱল মাথোন ভক্তি-ভৰা হৃদযৰ অৰ্ঘ্য সজাই আপোনাৰ কৰকমলত অকৃত্ৰিম শ্ৰদ্ধাৰ পুষ্পাঞ্জলি অৰ্পণ কৰিছোঁহক। ইতি

গুৱাহাটী — আপোনাৰ গুণমুগ্ধ
১২ কাতি, ১৮৫২ শক — গুৱাহাটী আইন-বিদ্যালয়ৰ ছাত্ৰবৃন্দ

গুৱাহাটী এ. এছ্. এল্. ক্লাবৰ ছাত্ৰসকলৰ

১২৫

শ্ৰদ্ধাস্পদ শ্ৰীযুক্ত লক্ষ্মীনাথ বেজবৰুৱা ডাঙ্গৰীয়াৰ
শ্ৰীকৰকমলেষু,

অসম আইৰ সুসন্তান,

দীৰ্ঘকাল ব্যাপী অন্তৰৰো অন্তৰত জ্বলি থকা আশা-কণিকা-সমষ্টিৰ পৰিপূৰ্ণতা সাধনৰ সন্ধিক্ষণত আপোনাক আজি আমাৰ মাজত পাই হৃদয়েৰে সৈতে অভিনন্দন জনাইছোঁ।

হে অক্লান্ত সাহিত্যসেৱী,

আজীৱন কাল সাহিত্য-সেৱা কৰি আপুনি অসমীয়া সাহিত্যত যি নতুন ভাবৰ জাগৰণ আনিলে, অসমীয়া জাতীয় ভাব-মণ্ডলত যি নতুন দান দিলে, তাক আমি ক্ষুদ্ৰ শক্তিৰে বৰ্ণনা কৰিবলৈ টান পাইছো। এই নৱজাগৰণ আৰু নতুন দানৰ বাবে অসমীয়া ভাষা আপোনাৰ ওচৰত চিৰঋণী। আজি তাৰ কৃতজ্ঞতাৰ চিন-স্বৰূপে আমি আপোনাক অভিনন্দন জনাইছো।

হে স্বদেশ প্ৰেমিক,

দুৰ্ব্বল অসমীয়া ভাষাক স্বদেশ-প্ৰীতিৰ আমোঘ অস্ত্ৰেৰে বিদেশীৰ প্ৰবল আক্ৰমণৰপৰা ৰক্ষা কৰি আপুনি মুষ্টিমেয় অসমীয়াৰ গৌৰৱ আৰু সম্মানৰ বিজয় নিচান উৰুৱালে। অসমীয়া ভাষাৰ মূলভেটি প্ৰাচীন অসমীয়া সাহিত্যৰ বহুমূলীয়া সমালোচনাৰে আপুনি জাতীয় জীৱনত যি এটি নতুন বলৰ সঞ্চাৰ কৰিলে, তাৰ বাবে আজি আমি আপোনাক অভিনন্দন জনাইছোঁ।

নিৰ্খুঁত অসমীয়া শব্দ-যোজনাৰে আৰু আপোনাৰ তন্ময়তা ৰচনা-পদ্ধতিৰে আমাৰ সাহিত্যত যি নিভাজ ঘৰুৱা চিনৰ অৱতাৰণা কৰিলে, তাৰ কাৰণেও আপোনাক অভিনন্দন জনাইছোঁ।

হে ৰসিকপ্ৰৱৰ,

অসমীয়া সাহিত্যত হাস্যৰসৰ স্ফুৰণ ফুটাই আমাৰ কৰ্ম্মপীড়িত জীৱনত অন্ততঃ এবাৰ অকপট হাঁহি এটিৰ সুবিধা দিয়াৰ কাৰণেও আমি আপোনাৰ ওচৰত ধৰুৱা। এই হাস্যৰসৰ মাজেৰেই আপুনি সমাজৰ আবৰ্জ্জনা দূৰ কৰিবলৈ যি নিঃস্বাৰ্থ পৰিশ্ৰম কৰিছে, অসমীয়াৰ অন্তৰত জাতীয় আনন্দৰ সোঁত বোৱাইছে তাৰ বাবে আমি আপোনাক অভিনন্দন জনাইছোঁ।

হে সাহিত্যৰথী,

'জোনাকী'ত আপোনাৰ স্ফুৰণ, 'বাঁহী'ত আপোনাৰ বিকাশ আৰু আপোনাৰ গ্ৰন্থৰাজিত আপোনাৰ পৰিপূৰ্ণতা। আপোনাৰ জাগ্ৰত আৰু অকপট স্বদেশানুৰাগ, অসাধাৰণ ৰচনা-পদ্ধতি, বিমল হাস্যৰস

ৰাৰু অপূৰ্ব্ব সমালোচনা এই সকলোটি উপাদান লৈ গীত, নাট, কবিতা, গল্প, উপন্যাস, চৰিত্ৰ ৰচনা আদিত বৈশিষ্ট্য ফুটাই তুলি আমাক যি বিমল আনন্দ দিছে, তাৰ বাবে আমি আপোনাক অভিনন্দন জনাইছোঁ।

হে সুধীবৰ,

আহক, আজি অসমীয়া ছাত্ৰ সমষ্টিৰ হৃদয়ৰ আবেগ সনা অভিনন্দন গ্ৰহণ কৰকহি।

বিনীত

কটন কলেজ
১৯৩০

এ-এচ-এল ক্লাবৰ ছাত্ৰবৃন্দ
গুৱাহাটী

বেজবৰুৱা সমিতিৰ

১২৬

শ্ৰদ্ধেয় শ্ৰীযুক্ত লক্ষ্মীনাথ বেজবৰুৱা ডাঙৰীয়াৰ কৰকমলেষু

দেৱ !

আজি সন্ধিয়াৰ এই শুভ লগনত আপুনি আমাৰ অতি চেনেহৰ আলহী। প্ৰতি অসমীয়াৰে হিয়া জয় কৰি আপুনি আজি যশৰ মুকুট শিৰত পিন্ধিছে। জাতিৰ প্ৰাণ ভাষা, সাহিত্য, তাৰ সুৰ। সেই সুৰৰ সমাবেশ আপোনাৰ 'বাঁহী'ত। সেই সুৰৰ কঁপনিত আজি অসমীয়াৰ জীৱন-বীণা বাজি উঠিছে—সেই আনন্দৰ বাবে আমাৰ এফেৰি সমল ভক্তি-ভৰা অভিবাদন গ্ৰহণ কৰক।

দূৰ প্ৰৱাসত থাকিও আপুনি আমাৰ চেনেহী অসমী আইক খন্তেকৰ কাৰণেও পাহৰিব পৰা নাই। নীৰৱে নিজানত যিদৰে আপুনি তেওঁক হিয়াত থাপি লৈ একমনে সেৱা কৰিছে, তাৰ তুলনা অসমত বিৰল। জীৱনৰ আগভাগৰেপৰা আপুনি অসমীয়া ভাষাক নানান সমলেৰে যোগান ধৰিছে। সেই সমল সদায় নতুন, তাত সদায় যৌৱনৰ উলাহী ভাব। আজি আপোনাৰ জীৱনৰ ভাটী বেলিকাও তাৰ এফেৰিও হীন-ডেঢ়ি ঘটা নাই। আপোনাৰ জীৱনৰ এই চিৰ-যৌৱনেৰে

যি প্ৰাণৰ সঞ্চাৰ আমাক দিছে, তাৰ বাবে আমাৰ ধন্যবাদ গ্ৰহণ কৰক।

অশেষ বিঘিনি আৰু বেমেজালিৰ মাজেদি আপুনি আমাক ধীৰভাৱে কৰমৰ পথ দেখুৱাই দিছে। সাহিত্য জাতীয়তাৰ ভেঁটি, এয়ে আমাৰ মিলন-মন্দিৰ। শৰতৰ নীল আকাশত থকা তৰাটিৰ দৰে স্নিগ্ধ জেউতিৰে আপুনি সেই মিলনৰ বাটত আমাক আগ বঢ়াইছে। এই পৱিত্ৰ সঙ্কেতৰ বাবে আমাব শ্ৰদ্ধা গ্ৰহণ কৰক।

আপুনি আমাৰ বৰ আপোনাৰ। আপোনাৰ আখৰে আখৰে অসমীয়াৰ বুকুৰ কথা জিলিকি পৰিছে। চিৰ চেনেহী আই 'অসমৰ সুৱদি মাত' আপোনাৰ লিখাত মউ বৰষাদি বৰষি থাকে। শুৱলা-সুফলা, অসমী আইৰ আপুনি আদৰৰ সন্তান। আপোনাৰ সফলতাত আমাৰ গৌৰৱ। আপোনাৰ জয়গীতত আমাৰ আনন্দ। আজি এই শুভ মিলনৰ মুহূৰ্ত্তত আমাৰ একেটি মাথোন কামনা, আপোনাৰ ভৱিষ্যৎ জীৱন যেন আৰু গৌৰৱময় হৈ উঠে, আপোনাৰ লিখাত স্বৰগৰ সুৰভিৰ সৃষ্টি হৈ আমাক তাৰ অমিয়া পান কৰিবলৈ দিয়ে। তাকে কৰিবলৈ ঈশ্বৰে আপোনাক শকতি দিয়ক আৰু দীঘলীয়া জীৱন দিয়ক। ইতি

কলিকতা — প্ৰণত

৫ আঘোণ, ১৮৫২ শক — বেজবৰুৱা সমিতিৰ সভ্যসকল

অসম সাহিত্য সভাৰ অভিনন্দন

৯২৭

চেনেহী অসম জননীৰ সুসন্তান,

সুৱদী মাতৃভাষাৰ কৃতী সেৱক,

সাহিত্যৰথী শ্ৰীল শ্ৰীযুক্ত লক্ষ্মীনাথ বেজবৰুৱা ডাঙৰীয়াৰ

কৰকমলেষু,

হে মাননীয় ডাঙৰীয়া!

এই 'চিকুণী অসমী আই'ৰ অতীতৰ গৌৰৱেৰে ভৰপূৰ, অহম ৰজাসকলৰ ৰাজধানী আৰু আপোনাৰ অতি মৰমৰ ওপজা ঠাই

শিৱসাগৰত লালিত-পালিত হোৱা সেই ছাত্ৰ-জীৱনৰেপৰা, সুদূৰ সম্বলপুৰত ব্যৱসায়-সূত্ৰত আবদ্ধ থকা এই ভাটী বয়সলৈকে, পচোঁতে পমি যোৱা, শুনোতে শাঁত লগা, মৌ বৰষা মাতেৰে, অসমীয়া সাহিত্যৰ আশাশুধীয়া চৰ্চ্চা আৰু বিতোপন বিকাশ কৰি আপুনি মাতৃভাষাৰ জেউতি চৰাই আছে।

তাহানিৰ বিদেশীসকলে আমাৰ ভাষাৰ ওপৰত নিগ্ৰহ-আন্ধাৰৰ ছাঁ পেলোৱা কালত আপুনি আপোনাৰ সহযোগী সুযোগ্য বন্ধুসকলেৰে সৈতে 'জোনাকী'ৰ পোহৰেৰে আমাৰ ভাষাৰ মুখ উজ্জ্বল কৰি থৈছে।

আপোনাৰ বহুমূলীয়া জীৱনৰ কৰ্ম্মশীল ডেকাকাল আৰু চিন্তাশীল ভৰবয়স বিদেশত অনেক জঞ্জালৰ মাজত কটাব লগীয়া হৈও আপুনি এই দুখুনী অসম দেশলৈ আৰু নিঃকিন অসমীয়া প্ৰজাসকললৈ নিজৰ মৰম অটুট ৰাখি নানা-তৰহৰ গীত, কবিতা, নাটক, উপন্যাস আদি সাহিত্যৰ বাছকবনীয়া আভৰণেৰে মাতৃভাষাক সজাই আছে।

অসমীয়া সমাজৰ মাজত স্বদেশ-প্ৰীতিৰ প্ৰচাৰ কৰিবলৈ, মাতৃভাষাৰ প্ৰতি জনসাধাৰণৰ অনুৰাগ বঢ়াবলৈ আৰু অসমত জাতীয় জাগৰণৰ উদগনি দিবলৈ আপুনি কলিকতাতে তাহানিখনেই প্ৰতিষ্ঠা কৰা 'বাঁহী'ৰ সুললিত সুৰেৰে লুইতৰ ইপাৰ-সিপাৰ ঢৌৱাই এতিয়াও অসমীয়া ৰাইজৰ মন মুহি আছে।

অসমীয়া ভাষাৰ মধ্য-যুগৰ ধৰণী, অসমীয়া পুৰণি সাহিত্যৰ গুৰিয়াল আৰু প্ৰকৃতিৰ কাম্যভূমি কামৰূপত বৈষ্ণৱ ধৰ্ম্মৰ প্ৰৱৰ্ত্তক মহাপুৰুষ-সকলৰ জীৱনীৰ সম্যক সমালোচনা কৰি, আপুনি তেখেতসকলৰ বহুবিধ কীৰ্ত্তি যুগমীয়া কৰিবলৈ সমুচিত যত্ন কৰি স্বদেশৰ আৰু স্বজাতিৰ গৌৰৱ অক্ষুণ্ণ ৰাখিবলৈ সমৰ্থ হৈছে।

হে মহানুভৱ!

আপোনাৰ অশেষ সুকৃতিৰ আদৰ কৰিবৰ উদ্দেশ্যেৰে অসমীয়া গুণগ্ৰাহী ৰাইজসকলৰ হৈ, সাহিত্যানুৰাগী সুধীসকলৰ হৈ, আসাম সাহিত্য সভাই আপোনাক অতি আনন্দেৰে আন্তৰিক সম্বৰ্দ্ধনা কৰিছে আৰু অভিনন্দনৰ এই আভাস মাথোন জনাইছে; আৰু আগলৈকো আপুনি নিজৰ ভাষাৰ আৰু দেশৰ নাম যাউতিযুগীয়া কৰিবলৈ সমৰ্থ হ'ব,

ইযাকে সাহিত্য সভাই আশা কৰিছে আৰু সেই উদ্দেশ্যেৰে আপোনাৰ দীর্ঘ আৰু সুস্থ জীৱন কামনা কৰি জগদীশ্বৰৰ চৰণত প্ৰাৰ্থনা জনাইছে। সাহিত্য সভাৰ অশেষ ত্ৰুটীলৈ লক্ষ্য নকৰি, সমজুৱাসকলৰ আন্তৰিক স্নেহ আৰু শ্ৰদ্ধাৰ আদৰ দেখুৱাই এই অকিঞ্চন অভিনন্দন গ্ৰহণ কৰি আপুনি আসাম সাহিত্য সভাক যেন কৃতার্থ কৰে। ইতি

আপোনাৰ গুণ-মুগ্ধ আসাম সাহিত্য সভাৰ সভ্যসকলৰ হৈ

শ্ৰীদেৱেশ্বৰ চলিহা,

প্ৰধান সম্পাদক,

আসাম সাহিত্য সভা, যোৰহাট

শিৱসাগৰ সাহিত্য সম্মিলন,

১৩ পুহ, ১৮৫৩ শক

ইং ২৯ ডিচেম্বৰ, ১৯৩১

ওপৰক্তি

হাওড়া মেজিষ্ট্ৰেটিবপৰা প্ৰশংসা-পত্ৰ

১

Extract from paras 10 and 11 from letter No. 3446 G dated the 4th February 1914 from the District Magistrate of Howrah to the Commissioner of the Burdwan Division.

10 The following Hon'y Magistrates deserve special commendation for their good and regular attendance on the Bench during the year :

Bench	*Name*	*Call*	*Attendance*	*Absence with leave*
Howrah	Babu Lakhi Narain Bezbaroa	28	28	nil

11. I have to convey my thanks to each of these gentlemen for the regularity with which they have attended the Courts.

Memo No. 833*
Howrah Magistracy
The 5th June 1914

Forwarded to Babu Lakhi Narain Bezbaroa,
Hy Magte, Howrah, for information.
Rosemary Lane, Salkea

... ...

Joint Magistrate in-charge

P. K.
2/6/14

জয়মতী কুঁৱৰী সম্পৰ্কে যতীন্দ্ৰনাথ দুৱৰাৰ পত্ৰ

২*

J. Dowerah

Amolapati, P. O. Rehabari
Dibrugarh, (Assam)
Dated the 13th Nov. 1956

মৰমৰ মহেশ্বৰ,

তোমাৰ express চিঠিখন পাই 'জয়মতী কুঁৱৰী' নাটকখন পঠালোঁ। এইখন কিতাপ তেখেতৰ প্ৰথম সংস্কৰণৰ 'জয়মতী' নহয়। প্ৰথমখন তেখেতে লিখি Howrahত ছপাইছিল। সেইখনত তেখেতৰ নিজস্ব ভাবধাৰা আৰু ৰচনা-ৰীতি ইত্যাদি সকলো বিশদভাৱে ফুটি ওলাইছিল। এইখন ২য় সংস্কৰণ আৰু তেখেতৰ জোঁৱায়েকে লগতে হেনো য'ত dramatic technique-অৰ অভাৱ আছিল, লগাই-মেলি দিছিল। এইখনৰ সম্বন্ধে মই একো নকওঁ। তুমি যদি ক'ৰবাত ১ম সংস্কৰণখন পোৱা মিলাই চাবলৈ চেষ্টা কৰিবাঁ। ইয়াত তেখেতৰ এটা অতি প্ৰিয় গানৰ অভাৱ দেখিছোঁ—যেনে, "সোণবৰণীযা কেতকী ধুনীয়া; গোন্ধতে আমোলমোল, পদুম বুলি ভাবি পৰিলে ভোমোৰা, কি ভুল, কি ভুল, ভুল। কণা কৈলে ৰেণু, কেনেকৈ উৰিবি, কাঁইটে বিন্ধিব পাও ..," ইত্যাদি। যদি প্ৰথম সংস্কৰণ ক'ৰবাত পোৱা, মিলাই চালে ভাল হ'ব বুলি মোৰ বিশ্বাস। আৰু বিশেষ নকওঁ। তোমালোকে যেনে ভাল দেখা কৰিবাঁ।

---

* আমাৰ পুৰণি চিঠিৰ টোপোলাৰপৰা আপোনা-আপুনি আমালৈ দিয়া এই চিঠিখনি ওলাই পৰিছিল। সেইহে, বেজবৰুৱাৰ 'জয়মতী কুঁৱৰী'ৰ বিষয়ে দুটি জানিব লগীয়া কথা থকা বাবে ইয়াত সন্নিৱিষ্ট কৰা গ'ল। 'সোণ-বৰণীয়া' গীতটি আমি 'চক্ৰধ্বজসিংহ' নাটকৰহে বুলি জানো। দুৱৰাদেৱৰপৰা 'জয়মতী কুঁৱৰী' বিচৰা হৈছিল আকাশবাণীৰ ভাৰতৰ সকলো কেন্দ্ৰৰপৰা প্ৰচাৰ হ'ব লগীয়া ৰাষ্ট্ৰীয় কাৰ্যক্ৰমৰ বাবে তাক যুগুত কৰিবলৈ।

ম.নে.

গুৱাহাটীত বোধ হয় সেইখন পুথি পোৱাৰ অসুবিধা নহ'ব। ইয়াত তেখেতৰ জীয়েক ৰত্নাৰ হাতত থাকিব পাৰে। পিছে তেওঁৰ ঘৰত কুকুৰ থকাৰ কাৰণে মই যাবলৈ ভয় কৰোঁ, কাৰণ মোক এবাৰ কামুৰিছিল। ইয়াৰ ৫ম অঙ্কৰ প্রথম দর্শনৰ মীৰাৰ গানটো মোৰ লগত এজন বঙালী বন্ধু তেখেতৰ তালৈ যাওঁতে গাইছিল, ইত্যাদি বহুত কথা মোৰ মনত পৰিছে। যদি ক'ৰবাত প্রথম সংস্কৰণ Howrahত ছপা হোৱাটো পোৱা চেষ্টা কৰি চাবাঁ। তোমাৰ বহুত সময় নষ্ট কৰিলোঁ। বেয়া নেন নোপোৱা। আশা কৰোঁ ভালে আছা। মৰম আৰু সাদৰ সম্ভাষণ ল'বাঁ। একৰকম চলিছে। ইতি

তোমাৰ মৰমৰ

শ্রীযতীন্দ্রনাথ দুৱৰা

P S : Nabin Ch Hallত সিচাৰি চাব পাৰা। মোৰ ইমানবোৰ বকলা মেলাৰ কাৰণ যাতে তোমালোকৰ কিতাপখন ভাল হয়। ইতি

JD

বেজবৰুৱাই হেমচন্দ্র গোস্বামীলৈ লেখা পত্র*

৩

38, Dobson Road
Howrah April 3, 1901

My dear Gossain,

Your . . . . . . excuse . .

The . . . . with & print

.. . .

I am . . . . confident it is & treasures. .... certainly induce my ..... here & try to find sales for it.

I am extremely sorry to learn about your misfortune. I met Jagat—heard from him. May this be the last of the

* ইয়াৰপৰা পিছৰ চিঠিখিনি পদমকৈ আমাৰ হাতলৈ অহাত পৰিশিষ্টহে সন্নিবেশ কৰা সম্ভৱ হ'ল।

troubles. Why can't you come down to Calcutta once for change? Come during the Pooza if practicable.

I meant that small group who had the pleasure of working for the ...... of this Assamese & ..... which .. ... Calcutta ...

You .. .. the great Assamese dictionary. Your labour & energy in bringing the work to light is certainly commendable, and you have surely earned the gratitude of your countrymen, Your Assamese friend's personal, — intimate — ....

Hope this finds you in health with Mrs. & children.

With kindest regards,

Ys,
Bez

৪

38, Dobson Road.
Howrah, 28. 10. 1901

Gossain Dear,

It is with a great delight I am to acknowledge receipt of your very kind letter. Your kindness in writing me a long letter and frankness in saying your say regarding my book *Litikai* are really refreshing. Your criticisms are valuable and I am bound to acknowledge the force of them. To speak the truth, I could not take the trouble of revising *Litikai* and the pressman copied almost literally from the pages of *Jonaki*— all what he could find. ... ...

Yours affectionately,
'Bez'

৫

38, Dobson Road
Howrah
[1901]

My dear Gossain,

I plead guilty and deserve the castigation. To speak the truth, "this, that, seven and five" have kept me busy and forgetful of my duty to my friends. I crave indulgence at your hands, old and fossilized as I am.

Well, I will be all attention to your friend Srijut Debeswar

Goswami and do my best to help him when he comes. At least, I am sure I will be able to put him on the right track.

How are you with Mrs Gossain and children ? I hope and trust, in capital health. I am so so.

With salaams to self and Mrs,

Ys. affly,
L. N. Bezbaroa

৬

8, Hare Street
Calcutta
18. 10. 09

My dear Gossain,

It is evident that you do not intend taking a trip to Calcutta during the Poozas and you have not dropped me a line to that effect till now. So I must leave Calcutta to go somewhere.

The Assamese boys are *nachorbandu* and they have compelled me to bring out a monthly magazine (Assamese). I am making preparation for it.

Now like a good boy send me your literary contribution. Every month an article from your pen must be in my journal. — It will be conducted on non-political lines, — So there cannot be any hitch in your contributing to it.

All well here---rather all well far away in the Central Provinces, where I have sent my wife and children and where I am going also within a couple of days. Trusting you are keeping well

Yours affectionately,
L. N. Bezbaroa

৭

22, Rosemary Lane
Howrah 18. 7. 13

My dear Gossain,

Is not it very strange that you have forgotten your friend and been keeping as silent as a dumb-bell ? Why ? You have not dropped me a line since you left Calcutta excepting a letter telling me something about your misfortunes an age ago. I was so sorry to be informed of all your troubles. I hope you have got over them now, and are comfortably located

in your old place, dear Nowgong. Please write me all about you, if you have got a grain of goodness left in you. Excuse my strong language, I feel your apathy, and that's why I become bitter.

I am sending you a copy of my latest production, *Joonukā* Kindly give it to one of your children for me.

All well here Trusting likewise at yours,

Ys. affly,
L. N. Bezbaroa

H G Esq

৮

L. N. BEZBAROA,
PROPRIETOR
TIMBER AND STORE AGENCY
SOLE AGENT
TAMULBARI STANDARD TEAS
AND
BANHI OFFICE
NO. ....

33, Canning Street
Calcutta, 1. 8. 1913

My dear Gossain,

Your letter of the 29. 7. 13 made me thoughtful and sad I knew something about your troubles. Thank God you are out of them and quite happy in the new sphere of your life Our so-called 'friends' or mean enemies in guise of friends abound all over. Only when time comes, they throw off their disguise and shine in their true colours. Such is the world, my good friend Pray, don't be disheartened and pessimistic. Our new generation of educated Assamese as a rule cannot possibly be without villainous rascals in their midst, or they would have been the harbingers of the Kingdom of Heaven on Earth. We are bound to meet these sweet-tongued villains everyday in our life. Give them go-by, and treat them with contempt, Gossain dear, and work with your eyes fixed above,—and you will be happy. In spite of your troubles, bitter experiences, abominable treatments at the hands of your so-called friends, who were even benefited by you at times, never lose heart, for the Giver

of Reward, Giver of Solace, and your true friend is High Above, and is not amidst these scurrilous, jealous cats and cads. So work, work and work hard, fixing your view above. Don't get disgusted with Assam and the Assamese. Other nations have not got all Jesuses in their midst. Since the time of my marriage and till now you know how I have been treated even by my dearest and nearest. The bitter experiences of my life were many, although they may not be like that of your recent ones. Yet I am not disheartened, because I am sent by Him to work for Him and Him alone; and in doing so, I will be working for Mother Assam, although she holds in her womb countless upstarts, villains, cut-throats along with countless pious persons and innocent children, as lofty and pure as God's angels. So cheer up, my Gosain. Bright day is in sight for us all

Excuse my long sermon I feel. That's why I speak

Ys. affly,
L N Bezbaroa

৯

L. N. BEZBAROA
PROPRIETOR
TIMBER AND STORE AGENCY
SOLE AGENT
TAMULBARI STANDARD TEAS
AND
BANHI OFFICE
NO ....

33, Canning Street
Calcutta, 13. 9. 1913

Gossain, dear,

You are silent. I wish all well with you.

I am posting to your address today a copy of my *Kadamkali*, my 'poetical' something. Kindly acknowledge receipt and let me know what you think of it.

With best regards and affection,

Yours,
L. N. Bezbaroa

H. C. Gossain, Esq.
Nowgong

১০

L. N. BEZBAROA

22, Rosemary Lane
Howrah, 3. 3. 1914

My dear Gossain,

I have followed your bad example badly and kept your letter dated 22. 12. 13 unreplied till now. See what an apt student of yours I am. The real cause, however, is that I was away from Calcutta for about a month during X'mas holidays, and returned after that period to fall ill and prolong my inactivity for another fortnight. To cap this, I left for Delhi and returned only yesterday. I had been to Delhi too see Mr B. Borooah, who had a very serious motor car accident. His escape from death was providential. You have not acknowledged my another new book—the latest, viz., চিকৰ্পতি নিকৰ্পতি. So I have again found you tripping. I, under the circumstances, command you to send me an acknowledgement with a suitable apology. Your 'Mohan Bāhi' and 'Muktāmālā' you must have noticed in the *Bānhi*. Send me more of your productions as quick as possible—or you will lose your head from your shoulders.

All well here. With love and salaam to you and yours,

Yours affly,
L. N. Bezbaroa

P.S.

N.B. : I have removed my office from Canning Street to my own place, Howrah.

L. N. B.

১১

22, Rosemary Lane
Howrah 9 .8. 15

My dear Gossain,

Extremely happy to receive your letter of the 7. 8.15 along with the receipt of Rs. 30/- given by the Bhaduri Press. I am glad you all arrived there without any trouble on the way. I hope and trust Mrs. Gossain is much better now with the little ones. I particularly miss your daughters, *Chila* and the little diplomat who thwarts her diplomat father with her superior diplomacy.

Well, the precious press of your choice is giving me untold trouble. They have given me only one forme up to now since you left. The sixth forme as you know was ordered to be printed on the eve of your departure. They printed it and printed it making a mess of it—viz., page 96 and then 93 and then 91 & so on. I had to refuse it, and had no other alternative. They have not printed it as yet. They have taken and the Rs. 30/- (thirty) from me in the meantime altogether Rs. 60/- promising to complete delivery a week ago. Now they have taken to lame excusing—such as absence of compositors and so on. I have never come across a lot like this. Yesterday I went to have some straight talk with them on the subject — but none was present excepting a compositor or two — and mind you, this was at 4 P.M. I don't know what would be the fate of my book. I may knock it out but not without considerable trouble. I will have to do it, as there is no help.

I have executed your other mission too, — viz., writing another drama depicting the downfall of Assam. It is a pity I could not do it while you were here to get it revised by you. Jotindra has taken it away from ...., in spite of my protest, to give it to a press -probably Kuntalini. I have named the book "বেলিমাৰ". I am sure it has not come up to the standard of your *Chakradhwaj* which was done under inspiration. So says Jotindra too. But be that as it may, I have done it, and executed the task you have imposed upon me — however badly — and there ends the matter.

Now, to tell you the truth, I am tired of writing these Ahom period things. The questions has cropped up, why should not I depict things of the glorious Hindu period that preceded the Ahom advent to Assam? So I am thinking of writing a drama entitled *Bhaskarvarman* whose reign seem to be the climax of the Hindu civilization in Assam, as far as chronicled history penetrates into. But without your help it is not quite practicable. Description and details, howsoever scanty, of the great Hindu pundits of deep Sanskrit lore of *Kamrup*—Kumārila Bhatta, our great Assamese Dāk and other great Sanskritists and .... are to be embodied to show the superior civilization of the period. You understand what I mean. So please carefully prepare a note—with suggestions,

and send anything you think fit to be included : Harshavardhan — the procession and so on and so on. It will be, if I succeed, a great Assamese Hindu National Drama that will not have to stand upon the events and exploits of the Shan invaders.

I will dedicate my *Chakradhwaj* to you, which you will kindly permit.

All well here — excepting my eldest daughter who is down with fever. Today better.

Yours affectionately,
L. N. Bezbaroa

১২

Sambalpur
18. 7. 18

My dear Gossain,

I won't apologize for the delay in replying to your very kind letter, and acknowledging the book you so kindly sent, because both of us—the Castor and Pollux[1] of yore—move slowly in their respective spheres. We understand each other ; we digest our feelings , we assimilate them ; and then, and then only we move for fresh provocation

I appreciate your kindness in presenting me with a copy of your latest publication. I have gone through it, and I am sure it has added to the wealth of our Assamese literature of the bygone period yet to see the light of modern print. Your introduction is splendid. Please accept my congratulations. The three-colour plate prints are also well-done. They remind me vividly of some of the old Assamese paintings on the margins of some of the puthis we possessed in Sibsagar. May God grant you long life to enrich our literature—both historical and antiquarian.

Aruna is in Calcutta now, reading for B.A. Ratna and Dipika are here with us. I am an exile here in the true sense of the word. An out and out Hindu like myself cannot but follow the dictates of our sāstras—both spiritual and temporal—and take to bānaprastha when the time comes. I am bordering on fifty. So it is apt and sastric. You are not ; so I cannot insist

[1] In the orignal, 'Astor & Pollocks'.

on your coming to join me in my exile. Therefore, go on, tell you are 50.

Will you kindly tender my namaskār to Gossaini and love to the children. By the by, don't tell her that I am whispering into your pious ears about the āshram that you will have to adopt when you come to 50. She will commence to dislike your friend then.

All well with us ; and trusting you are likewise,

I remain and subscribe,

Your
"Bez", the Bānaprasthi

১৩

Sambalpur
31 8. 18

My dear Gossain,

Thanks for your letter. I was always opposed to that sort of court remedy sought by the party who brought that case against Sj Laghanu. I wrote to the Barpeta party to compromise the case. It is a pity that the spirit of litigation is so rampant in Barpeta side. Please exert your influence upon the opposite party if you can, and see to the end of the muddle. No matter what the result of the case, the effect on the mind of the ordinary people of Assam would be disastrous for generations.

Have you seen Mr Chandra Kumar's paper, *Asamiya*? I like it. The look and the stuff inside are very promising.

All well here. Trusting likewise with you,

Ys. affly,
L. N. Bezbaroa

১৪

Sambalpur
8. 11. 18

My dear Gossain,

I am exceedingly grieved to learn of your serious mishap. May God bring you round quick and make you alright. Ah, what a calamity !

We are all down with the usual doses of influenza. I am still very weak and unfit for work, although fever has left me. My daughters are likewise.

Awaiting anxiously to hear of your complete recovery,

Ys. affly,
L. N. Bezbaroa

H. C. Gossain, Esq.
Gauhati

১৫ [1918]

My dear Gossain,

You must have noticed that Aruna has passed I.A. in the First Division and stood 3rd amongst the girl candidates of the Calcutta University. I expected a congratulatory letter from you, but as it has not come yet, I am congratulating myself and the girl on your behalf and notify the same to you, because congratulations from my Gossain is particularly necessary to fill the cup of happiness, and I cannot afford to miss it.

You are as silent as silence itself, — and why so? I cannot be brushed aside like this. Don't think that I will never come in contact with you, although I am far away from you now. Well then, look sharp. You will have to pay compound interest.

Wishing you a Happy New Year & Happy Bihoo, although both the functions have passed long long ago; but Better late than never, they say. I subscribe tendering my respectful affection to both (self & Gossaini) and love to the boys.

Yours affectionately,
L. N. Bezbaroa

বেজবৰুৱাই ৰত্নকান্ত বৰকাকতীলৈ লেখা পত্ৰ

১৬

প্ৰিয় বৰকাকতী,

তোমাৰ "শেৱালি" আৰু তাৰ ভিতৰত দিয়া ২৮৮৩৩ তাৰিখৰ চিঠি আজিহে পাইছোঁ। কিতাপটো অহাত ইমান দিন কিয় লাগিল বুজিব নোৱাৰিলোঁ। যি হক চিঠি পঢ়ি সকলো বুজিলোঁ, আৰু কিতাপ আৰু চিঠি পাই আনন্দ পালোঁ। ইয়াৰ আগেয়ে মই "শেৱালি" পোৱা নাছিলোঁ। 'বাঁহী'ত দুশাৰীমান লেখিম। অৱশ্যে সমালোচনা হিছাপে নহয়; কাৰণ পৰিক্ৰমাত যি সমালোচনা হৈছে, সেই সমালোচনাই মোৰ মনত খাই যোৱা হৈছে। বিশেষ নক'লেও হ'ব যে তোমাৰ কবিতা মই বৰ ভাল পাওঁ। তোমাৰ কবিতাত এটা নতুন সুৰ, নতুন ধাৰা আছে, আজিকালিৰ আন আন অসমীয়া কবিৰ কবিতাত নাই।

মই বুঢ়া হলোঁ। আগৰ তেজ-শক্তি আৰু মোৰ গাত নাই। এতিয়া টিমিক-টিমিককৈ কিছুমান দিন থকাৰ কথা মাগোন।

'বাঁহী' আগৰৱালা ডাঙৰীয়াৰ property, যদিও সম্পাদকৰ চকিত মই বহি আছোঁ। সকলো খৰচ তেওঁৰ, সকলো ব্যৱস্থা আৰু দায়িত্ব তেওঁৰ।

তুমি 'বাঁহী'ৰ বিষয়ে মোলৈ লেখা কথাবোৰ তেওঁক জনালোঁ, তেওঁ মান্তি হ'লে মোৰ আপত্তি নায়েই · বৰং আনন্দঃ এইটো একেবাৰেই নিকপটীয়া কথা।

তোমাৰ কবিতাকেইটা ছপা কৰিবলৈ পঠিয়াম। আশা কৰোঁ অন্ততঃ মাহে একোটাকৈ ওলাব।

মোৰ মৰম আৰু শ্ৰদ্ধা গ্ৰহণ কৰিবা। তোমাৰ মঙ্গল কামনা কৰি আজিলৈ মেলানি মাগিলোঁ। ইতি

শুভাকাঙ্ক্ষী

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা

বেজবৰুৱাই শ্ৰীলক্ষ্মীকান্ত দত্তলৈ লেখা পত্ৰ

১৭ Sambalpur

11. 10 36

নিবেদন,

'সংসাৰ-চিত্ৰ' পাই পঢ়ি সন্তোষ পালোঁ। ভাৱনা-ঘৰত দেখিবলৈ পোৱাহেঁতেন আৰু ভাল লাগিলহেঁতেন।

শুভ ইচ্ছা জনাই আজিলৈ মেলানি মাগিলোঁ। ইতি

বিনীত

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা

টোকা

ক. বেজবৰুৱাই লেখা চিঠি

১। ২৮শ বছৰ ২য় সংখ্যা 'বাঁহী'ৰপৰা লোৱা হৈছে।

২। ২৮শ বছৰ ২য় সংখ্যা 'বাঁহীৰ'পৰা লোৱা হৈছে। তেজপুৰৰ অ'সাম চেণ্ট্ৰেল প্ৰেছৰ শুৰিত ভট্টাচাৰ্য ডাঙৰীয়া আছিল আৰু তাৰপৰাই 'অসম-বন্তি' কাকত ওলাইছিল।

৪। 'বাঁহী'ৰ সহকাৰী সম্পাদক হ'বলৈ ডক্টৰ কাকতিক বিচৰাটো মন কৰিব।

৫। ৰোহিণীকুমাৰ বৰুৱা আৰু কুমাৰী ৰত্না বেজবৰুৱাৰ বিয়া হয় ১৯২৮ চনৰ ২২ নবেম্বৰ তাৰিখে। বিয়ালৈ আগৰৱালা গৈছিল। 'চিত্ৰ-লেখা'ত বাঁহী-বিয়াৰ দিনাৰ পোহৰ ছবি চাওক।

৬। 'কথাটো' কি বুজিব পৰা নগ'ল। আগৰৱালাৰ চিঠি (খ:১) চাওক। শ্ৰীকৃষ্ণকান্ত সন্দিকৈৰ ভায়েক শ্ৰীলক্ষ্মীকান্ত সন্দিকৈয়ে বিলাতত পঢ়ি তাতে বিয়া কৰি ঘৰলৈ ঘূৰে।

৭। বেজবৰুৱাই হেমচন্দ্ৰ গোস্বামীলৈ লেখা চিঠি ('ওপৰঞ্চি'ত থকা-খিনিৰে সৈতে) শ্ৰীবেণুধৰ শৰ্মাৰ হাতত ৰক্ষিত আছিল। তাৰে দুখনমান 'আমাৰ প্ৰতিনিধি'ত 'টোকোৰা বাহৰ কুটা' প্ৰবন্ধৰ বুকুত সামৰ খাই ছপা হৈছিল।

৮। ৮ৰপৰা ২৮লৈকে সকলোখিনি চিঠি দুৱৰাৰ ভতিজা শ্ৰীবসন্তলাল দুৱৰাৰ হাতত আছিল। সেইখিনি আগতে ডক্টৰ বিৰিঞ্চিকুমাৰ বৰুৱাই কবিৰপৰা আনি থৈছিল। কবিয়ে শ্ৰীমতী প্ৰজ্ঞাসুন্দৰী দেৱীলৈ দিয়া চিঠি (খ১০২) চাওক। বৰ্তমানখিনি চিঠি কবিয়ে ওগিলভি হোস্টেলত (৩১।২ হৰীতকী বাগান লেন) থকাত পাইছিল। শাহজাহানপুৰ উত্তৰ বেঙ্গলৰ এটা ষ্টেশ্যন। তাত বেজবৰুৱানীৰ সৰু ভনী সুদক্ষিণাৰ (জ্বালা-প্ৰসাদ আই. চি. এছ.ৰ পত্নী) ঘৰ। চিঠিখনত উল্লিখিত কবিতা তিনিটা অসমীয়াত লেখা নে ইংৰাজীত? সেইকেইটা ক'ত ওলাইছিল?

৯। ১৫শ বছৰ ৫ম সংখ্যাৰ (ব'হাগ, শাওণ, ১৮৭৮) 'অসম সাহিত্য সভা পত্ৰিকা'ৰপৰা লোৱা হৈছে। শ্ৰীবেণুধৰ শৰ্মাৰ মতে চিঠিখন চন্দ্ৰ-কুমাৰ আগৰৱালালৈহে লেখা। কৃপাবৰে বেজবৰুৱাৰ প্ৰথমা কন্যা স্বৰভিৰ কথা লেখা কথাটি বিশেষ লক্ষ্য কৰিব লগীয়া। 'আয় লো পেনপেনী' গানৰ শেষৰ শাৰীত 'মোবা জ্বালাইব' হ'ব লাগিছিলনেকি। কৃপাবৰৰ লভ ছং (love song) 'অনন্ত আকাশ মাজে দে ধোঁৱা উৰুৱাই' (ঝাৰসোগোৰাত, ১৯০৯ ছনত ৰচিত) 'কদমকলি'ত পোৱা যাব। ঘৰৰ ওচৰতে থকা পাদুৰীজন Horsborough হ'ব পাৰে; তেওঁৰ ভাৰা-ঘৰতে বেজবৰুৱা পোনতে সম্বলপুৰত আছিল।

১০। সম্বলপুৰৰ ৰ'দ-ঘাম লৈ বেজবৰুৱাই এটা বঙলা কবিতাকে (খ-১৩৫ চাওক) লেখি পেলাইছিল। তাত ১১৮°-১১৯° পৰ্যন্ত তাপ উঠে। সেই উত্তাপ উত্তৰ ভাৰতৰ দৰে শুকান। দিনৰ বেলা 'খস্‌খস্' তৰি ঘৰৰ ভিতৰত থাকিব লাগে আৰু ৰাতি শুব লাগে বাহিৰত; ভিতৰত শোৱাটি অসম্ভৱ হৈ উঠে।

১১। দুৰৱা এই সময়ত ডিব্ৰুগড়ৰ জৰ্জ ইন্‌স্টিটিউটৰ শিক্ষক। চিঠিখনৰ শেহৰ ফাকিৰ ফুকন হ'ল বাগ্মীবৰ শ্ৰীনীলমণি ফুকন। আগৰৱালাৰ 'অসমীয়া' কাকত তেতিয়া ডিব্ৰুগড়ৰপৰা ওলায়।

১২। দুৰৱা এতিয়া কলিকতাৰ লেডী ডাওাছ্‌ হোস্টেলত (৭১।১, কৰ্ণৱালিছ ষ্ট্ৰীট, এতিয়াৰ বিধান সৰণি)। B N R. হ'ল বেঙ্গল-নাগপুৰ ৰেলৱে। সেই ৰেলবাটেদিয়ে বেজবৰুৱা ঝাৰসোগোৰাৰপৰা সম্বলপুৰলৈ যায়।

১৩। 'আইতা' হ'ল দুৰৱা কবিৰ মাতৃদেৱী, যাক বেজবৰুৱাই কপালত ৰেঘা-লগা মেকুৰী আৰু শালিকী উপহাৰ দিছিল।

১৪। বেজবৰুৱাই এতিয়া অসমৰ হাবিত কাম কৰে আৰু মাজে মাজে গুৱাহাটীলৈ আহি অধ্যক্ষ জে. বৰুৱাৰ ঘৰত বা ক'ৰবাত উশাহ লয়হি।

১৬। Book Company—বোধ হয় গুৰুদাস চট্টোপাধ্যায় এণ্ড ছন্‌ছ।

১৮। এইখন চিঠিৰ কাটকুট ভৰা খচৰাটোও বেজবৰুৱাৰ কাকত-পত্ৰৰ মাজত পোৱা গৈছে। বেজবৰুৱাৰ সঙ্গীত সজ্জৰ কথা 'বৰবৰুৱাৰ ভাবৰ বুৰ্বুৰণি'ৰ প্ৰবন্ধতো আছে। ভালু সম্পৰ্কে ক-৬৯ৰ টোকা চাওক। বেজবৰুৱাই ৯ ফেব্ৰুৱাৰী ১৯২৬তো চামুণ্ডাৰ হাবিত এক বনৰীয়া বৰাহ মাৰিছিল।

১৯। চিকাৰৰ article—'মোৰ মৃগয়া' ২য় বছৰ (১৮৫২-৫৩ শক) 'আবাহন'ত ধাৰাবাহিকভাৱে ওলাইছিল। picketting—এই সময়ত দেশ জুৰি গান্ধীজীৰ আইন-অমান্য আন্দোলন। Elm Pressৰ প্ৰুফ —কিহৰ ?

২০। এইখন চিঠি কবিৰ ককাযেক কুঞ্জলাল দুৰৰা দিখৌৰ পানীত পৰি মৃত্যুৰ মুখত পৰাৰ সংবাদ পাই বেজবৰুৱাই ডাওাছ হোস্টেলত থকা দুৰবালৈ লেখিছিল।

২১। কিছু অংশ নষ্ট হোৱা চিঠিখনৰ তাৰিখ খামৰ ওপৰত মৰা ডাকঘৰৰ চাবৰপৰা উদ্ধাৰ কৰা হৈছে। লক্ষেশ্বৰ, বিৰিঞ্চিকুমাৰ— শ্ৰীলক্ষেশ্বৰ শৰ্মা, ডক্টৰ বিৰিঞ্চিকুমাৰ বৰুৱা, বেজবৰুৱা সমিতিৰ দুযোজন উদ্যোক্তা। উদ্যোক্তাসকলৰ প্ৰধান বিৰিঞ্চিকুমাৰ আৰু ৰোহিণীকান্ত বৰুৱা (পিছত গুৱাহাটী বিশ্ববিদ্যালয়ৰ)। ৭ মাৰ্চ ১৯৩১ত আশুতোষ বিল্ডিঙত সমিতিৰ অধিৱেশনত বেজবৰুৱা আছিল।

২২। ১৯৩২ চনত কলিকতাত কবি দুৰৰাৰ এক সাঙ্ঘাতিক মটৰ দুৰ্ঘটনা হয়। বিশ্ববিদ্যালয়ৰ কুলপতি ডক্টৰ আৰ্কহাটৰ চেষ্টাত মেডিকেল কলেজৰ আস্পতালত চিকিৎসাত কোনোমতে মৃত্যুৰপৰা ৰক্ষা পৰি কিছু দিন শ্বিলঙত থকা সময়ত কবিয়ে বেজবৰুৱাৰ এইখনি চিঠি পায়। ৫ এপ্ৰিল ১৯৩২ৰ দিনলেখাত বেজবৰুৱা ঝাৰসোগোৰাৰ ঘৰত গৈ থকা কথা লেখি লেখিছে : Evening phoned to Ratna at Cal. Rohini informed me of Jotindra's serious accident having been run over by a motor car ... Exceedingly upset.

২৩। এইখন আৰু পিছৰখন চিঠিৰ সময়ত দুৰৰা ওগিলভিত। এতিয়া 'বাঁহী' শ্ৰীঅমিয়কুমাৰ দাসৰ সম্পাদনাৰে ওলায়।

২৪। চিঠিখন মাজে মাজে কিহবাই কুটিলে। ৰোহিণী—জোৰহাট ৰোহিণীকুমাৰ বৰুৱা।

২৫। বেজবৰুৱাই দুৰৰাৰ চিঠিৰ (খ১০০) 'গৰম' শব্দটো অসমীয়া বুলি গ্ৰহণ নকৰি উৰ্দ্ধ কমাৰ মাজত থৈছে। C. O.—care of. বৰবৰুৱাৰ 'কেলেঙবীয়চ' চৰিত্ৰটি কি ?

২৬। Book Co—ক১৬ৰ টোকা চাওক। বাসু—বিমলাপ্ৰসাদ বাসু।

২৭। বুক কোম্পানী—ক১৬ৰ টোকা চাওক। ভজন ঘোষ—কবিৰ

লগুৱা। ভজনৰ মুখত ওৰণি দি বেজবৰুৱাই 'দুৰবাণী' পাতি কবিক খুবকৈ জোকাইছিল।

২৮। Darjeeling মেল—মুল চিঠিত 'Shillong মেলত'। বম্বে মেল—এই গাড়ীতে বেজবৰুৱাই প্ৰায় সদায় হাওড়াৰপৰা ঝাৰসোগোৰালৈ যায়।

২৯। ২৯ৰপৰা ৩৬লৈকে কেয়োখন চিঠি ডিম্বেশ্বৰ নেওগৰ আত্মবিৱৰণ 'অতীত-মাধুৰী'ৰপৰা লোৱা হৈছে।

৩০। Sir A. Choudhury—বেজবৰুৱাৰ 'ছাৰ আশুতোষ চৌধুৰী' প্ৰবন্ধটি 'বাঁহী'ত (১৪শ বছৰ, ২০১ পিঠি) ওলাইছিল।

৩১। Conference preside কৰিবলৈ—১৯২৪ ছনৰ ডিচেম্বৰত গুৱাহাটীত বহা আসাম সাহিত্য-সম্মিলনৰ বেজবৰুৱা সভাপতি আছিল।

৩২। 'জিলিঙনি'—ডিম্বেশ্বৰ নেওগৰ 'অসমীয়া সাহিত্যৰ জিলিঙনি'। বেজবৰুৱাৰ মুল চিঠিত 'জিলিকনি'। কাকতী—ডক্টৰ বাণীকান্ত কাকতি।

৩৩। এই চিঠিখনৰ শেহৰ ফালে দৈৱচন্দ্ৰ তালুকদাৰৰ বিষয়ে লেখা কেইশাৰীমান ইংৰাজী কথা আছিল। 'অতীত-মাধুৰী'ত সেয়া বাদ দিয়া হয়।

৩৪। 'আধুনিক অসমীয়া সাহিত্যৰ বিস্তৃত বুৰঞ্জী'—এই বিস্তৃত (comprehensive) বুৰঞ্জী পিছত 'আধুনিক অসমীয়া সাহিত্যৰ বুৰঞ্জী' নামে প্ৰকাশ পায়। এইখনি বেজবৰুৱাৰ নামে উছৰ্গা কৰা হৈছিল (ক৩৪ চাওক)। চিঠিৰ বাদ দিয়া অংশত বেজবৰুৱাই নিজৰ পুথিবোৰৰ এটি তালিকা দিছে।

৩৭। ১২ শাওণ ১৮৫৮ মঙ্গলবাৰৰ (২৪ জুলাই ১৯৩৬) 'দৈনিক বাতৰি'ত চিঠিখনি প্ৰকাশ পাইছিল।

৩৮। ৰোহিণীকুমাৰ বৰুৱা তেতিয়া সস্ত্ৰীক কলিকতাৰ বালিগঞ্জত বাস কৰে। বৰুৱাই ধৰমতলা স্ট্ৰীটৰ বোম্বে লণ্ড্ৰীখন কিনি লৈ যোগেন বৰদলৈ নামৰ এজনৰ হতুৱাই চলাইছিল। এই কাৰবাৰত পিছে তেওঁ অকৃতকাৰ্য হ'ল। এই সময়তে সৰুজন লৰ্ড সিংহৰ পৰিবাৰ ৰমলা দেৱীয়ে কিবা এটি সাহায্য পুঁজিৰ বাবে টকা তুলিবলৈ এম্পায়াৰ থিয়েটাৰত নে ক'ত ৰবীন্দ্ৰনাথৰ 'মায়াৰ খেলা'ৰ অভিনয়ৰ আয়োজন কৰোঁতে ৰত্না বৰুৱায়ো তাত ভাও লৈছিল। 'সোণৰ শিকলি'—সম্ভৱতঃ, বৰুৱাৰ প্ৰথমা কন্যা প্ৰণতি।

৩৯। এই চিঠিখন শ্ৰীমহন্ত কটন কলেজত আই· এ· শ্ৰেণীৰ ছাত্ৰ থকাত, ক৪০খন তেওঁ আইন কলেজৰ ছাত্ৰ থকাত আৰু ক৪:খন যোৰহাটত উকীল হোৱাৰ পিছত পোৱা।

৪১। 'বন্দে মাতৰম্' আমাক নেলাগে বোলাৰ শ্ৰীমহন্তৰ তেতিয়া যুক্তি আছিল তাত দেৱীৰ বন্দনা আছে, মহাপুৰুষীয়া দৃষ্টিভঙ্গিৰপৰা সেইটি সমৰ্থন কৰিব নোৱাৰি। ভৱানীপুৰীয়া গোপাল আতাৰ বিষয়ে 'শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱ' গ্ৰন্থত প্ৰথম সংস্কৰণত যি আছিল, দ্বিতীয়ত আৰু 'গ্ৰন্থাৱলী'তো একেই আছে; কাৰণ বেজবৰুৱাই জীৱৎকালত পুথিখনি নিজে সম্পাদন কৰি থৈ যাবলৈ নেপালে।

৪২। চিঠিখনি 'অসম সাহিত্য সভা পত্ৰিকা'ৰপৰা লোৱা হৈছে। লিখনি লেখা সময়ত বিৰিঞ্চিকুমাৰ বৰুৱা শিশুৰ আলোচনী 'অৰুণ'ৰ সম্পাদক।

৪৩। ছিস্টাৰ ডোৰোথি ফ্ৰান্‌চিছ ডায়োচেছান গাৰ্লছ স্কুল আৰু কলেজৰ অধ্যক্ষা। ১৯৩৫ চনত কলেজ অংশ উঠি যায়, স্কুল অংশ এতিয়াও ১৭ লেনছডাউন ৰোডত আছে। কুমাৰী দীপিকা বেজবৰুৱাই ১৯৩২ চনৰ নবেম্বৰত এঙ্গ্‌লিকান্ সম্প্ৰদায়ত খ্ৰীস্টধৰ্ম গ্ৰহণ কৰে। ১৫ জুন ১৯৩২-ত বেজবৰুৱা আৰু প্ৰজ্ঞাসুন্দৰীয়ে কলিকতালৈ ওলোৱা দীপিকাক ঝাৰসোগোৰাত ৰেলত তুলি দিয়েগৈ। সেইদিনাৰ দিনলেখা: Dipika went away without even প্ৰণাম কৰ to us, Why? God only knows what is in her mind. তেতিয়াই বোধহয় পিতৃৰ মনে গাজিছিল।

৪৪। Sudhida—সুধীন্দ্ৰনাথ ঠাকুৰ। Mā—প্ৰজ্ঞাসুন্দৰীৰ মাতৃ নীপময়ী দেৱী। ১৮৯১ চনৰ মাৰ্চত বেজবৰুৱা আৰু প্ৰজ্ঞাসুন্দৰীৰ বিয়া হয়। তাৰ পিছৰ যেই মাহত বেজবৰুৱা শিৱসাগৰলৈ আহে।

৪৫। চিঠিখনত তাৰিখ আৰু য'ৰপৰা লেখা সেই ঠাইৰ নাম নাই। বিয়াৰ পিছত কিছু দিন প্ৰজ্ঞাসুন্দৰী জোড়াসাঁকোত আৰু বেজবৰুৱা ককীয়া ভাবাঘৰত আছিল। চিঠিখন এই সময়ৰে হ'ব পাৰে। Goswami—হেমচন্দ্ৰ গোস্বামী। Harinath—হৰিনাথ বেজবৰুৱা। Amio Kaka—প্ৰজ্ঞাসুন্দৰীৰ দদায়েক। ·· from America—বেজবৰুৱাৰ ককায়েক ডাক্তৰ গোপালচন্দ্ৰ বেজবৰুৱা তেতিয়া দক্ষিণ এমেৰিকাত। Ave—

প্ৰজ্ঞাসুন্দৰীৰ প্ৰথম ভনীযেক অভিজ্ঞা। Ave Maria নামৰ অনুকৰণত তেওঁৰ নামটো Ave কৰা হৈছিল। ক্ষয়ৰোগত তেওঁৰ যৌৱনতে মৃত্যু হয়। Manisha—প্ৰজ্ঞাসুন্দৰীৰ দ্বিতীয়া ভনী। Bothan—বৌথান অৰ্থাৎ নবৌ, বোধ হয় হিতেন্দ্ৰনাথ ঠাকুৰৰ পত্নীক বুজোৱা হৈছে। তেওঁ অলপতে ঢুকাইছে।

৪৬। Pari—অপ্সৰাৰ দৰে সুন্দৰী প্ৰজ্ঞাসুন্দৰীক বেজবৰুৱাই পৰি (পৰী) নাম দি লৈছিল। তেওঁ বহুতক এইদৰে নিজে দিয়া নামেৰে মাতিছিল। Baby—সুৰভি।

৪৭। ৪৭ৰপৰা ৫০ পৰ্যন্ত চিঠিকেইখনৰ সময়ত বেজবৰুৱা সম্বলপুৰত অকলে মাজু জীয়েক ৰত্নাৰ লগত (তেৰেঁই চিঠিৰ 'নেন্তি মেয়ে')। অৰুণা আৰু দীপিকা (চিঠিৰ 'পটুলা ও হাবলি') কলিকতাত, প্ৰজ্ঞাসুন্দৰীও। 'আমাদের পাড়ার ঘোষ' ছাব-জজ্ আৰ্. কে ঘোষ।

৪৮। 'সেনেদের বাড়ী' মানে সম্বলপুৰৰ চৰকাৰী উকীল যোগেন্দ্ৰনাথ সেনৰ ঘৰ। 'মিত্তির' বোধ হয় চিভিল ছাৰ্জন ডাক্তৰ টি. এন্. মিত্ৰ (Mitter)। Inglis—সম্বলপুৰৰ উপায়ুক্ত এফ্. চি. ইংলিছ।

৪৯। 'সেনেদের বাপ-বেটা'—যোগেন্দ্ৰনাথ সেন আৰু তেওঁৰ দুই পুত্ৰ বডকু (শ্ৰীজ্যোৎস্নানাথ সেন) আৰু ছোটকু (সুকুমাৰ সেন)। হৰিনাথ—হৰিনাথ বেজবৰুৱা সপৰিবাৰে সম্বলপুৰত; হৰিনাথে মেগপালৰ হাবিৰ কাম চাইছিল। ৮ অক্টোবৰ ১৯২১ত তেওঁ সম্বলপুৰ একেবাৰেই এৰে।

৫০। বামাপদ বাবু—বামাপদ চেটাৰ্জী।

৫১। বৰোদাৰ পিয়লৰ উপায়ুক্ত সত্যব্ৰত মুখাৰ্জীৰ লগত জোড়াসাঁকোত অৰুণা বেজবৰুৱাৰ বিয়া হয় ১৭ নবেম্বৰ ১৯২০ত সেই বছৰৰে ৩০ আগস্ট তাৰিখে বৰোদাৰপৰা অহা সুপ্ৰকাশ গাঙ্গুলীৰ লগত মুখাৰ্জী সম্পৰ্কে ঝাৰসোগোৰাত কথা হয়। ১৭ ছেপ্টেম্বৰত বেজবৰুৱাই অৰুণাক লৈ বৰোদালৈ যাত্ৰা কৰে। ২০ত বৰোদা পাই গাঙ্গুলীৰ ঘৰত থকাতে মুখাৰ্জীয়ে বিয়াৰ ইচ্ছা প্ৰকাশ কৰে। পিছদিনা অৰুণাই সন্মতি দিয়ে। বাপেক-জীয়েক ২৮ত ঘৰমুৱা হয় বোম্বায়েদি। এই চিঠিত তাৰিখ দিয়া নাথাকিলেও ২৮ ছেপ্টেম্বৰৰ আগৰ হ'ব। দিদি, আশুবাবু—প্ৰতিভা আৰু আশুতোষ চৌধুৰী। Mrs. Khastgir—উপায়ুক্ত হেমেন্দ্ৰলাল খাস্তগিৰৰ পত্নী। সুপ্ৰকাশ আর তনু—সুপ্ৰকাশ গাঙ্গুলী আৰু তেওঁৰ

পত্নী। মুখাৰ্জী কলিকতালৈ আহোঁতে ঝাৰসোগোৰাত বেজবৰুৱা তেওঁৰ লগ হয়। তেওঁ কলিকতাত বালিগঞ্জত brother-in-law ফণী বেনাৰ্জীৰ ঘৰত থাকেহি।

৫২। আশুবাবু দিদি—আশুতোষ আৰু প্ৰতিভা চৌধুৰী। তিনধাৰীয়া—শিলিগুড়ি আৰু কাৰ্ছিয়ঙৰ মাজৰ এটা ৰেলস্টেশ্যন। BB—ভোলানাথ বৰুৱা। তৰুণ—তৰুণচন্দ্ৰ বৰুৱা। আমাৰ সন্দেহ নাই বেজবৰুৱাৰ দিবা-স্বপ্নৰ ৰুক্মিণী দেৱী হ'ল প্ৰজ্ঞাসুন্দৰী। ৫২ৰপৰা ৬৫ পৰ্যন্ত চিঠিৰ সময়ত প্ৰজ্ঞাসুন্দৰী জী-জোঁৱাইৰ লগত ঘৰোদাত। তেওঁ ১০ অক্টোবৰ ১৯২১ত সম্বলপুৰ এৰে।

৫৩। বুধা (ওড়িয়া)—পিতৃ। কচ্চি=কচ্ছী, কচ্ছৰ লোক, গুজৰাটী।

৫৪। Mrs Rout—ওড়িয়া খ্ৰীষ্টিয়ান ডিক ৰাউতৰ ভ্ৰাতৃ এছ্. কে. ৰাউতৰ পত্নী। গোলাপ—বেজবৰুৱাৰ বান্ধৈ, কটকৰ মুছলমান।

৫৫। ভোলানাথ বৰুৱাৰ তাঁৰবাৰ্তাৰ কথাটো মন কৰিব লগীয়া।

৫৬। 'আঙ্গা কাপল' (ওড়িয়া)—ফ্লাম ৰৰকাপোৰ।

৫৭। ৪ নবেম্বৰ ১৯২১ৰ পুৱা ৪'৩০ বজাত অৰুণাৰ ল'ৰা স্বৰূপ-কুমাৰৰ জন্ম হয়।

৫৮। ১৯২০ৰ ডিচেম্বৰৰপৰা ঝাৰসোগোৰাত বেজবৰুৱাই ঘৰ সজায় আৰু ১৯২৪ৰ ৫ মাৰ্চ পৰ্যন্ত সেই বাবদ ৭,১৫৭॥৬ পাই খৰচ কৰে। ১৯২১ৰ জুলাইৰপৰা ১৯২২ৰ জানুৱাৰীলৈকে তেওঁ ভোলানাথ বৰুৱাৰপৰা দুহেজাৰ টকা ধাৰে লৈছিল।

৫৯। অৰুণু আৰ রুণু—সম্ভৱতঃ অৰুণাকে বুজাইছে দুইটা শব্দই।

৬০। জুলী—সম্বলপুৰৰ এজন জজৰ (?) কন্যা। 'অগ্নিবাণ' কি বুজা নগ'ল; সি কেন্দুকাঠৰ গপ্‌গপীয়া জুই বা পানীয় বুজাব পাৰে। 'আমাৰ নাতি .....কেমন্তা আছ ?'—এইখিনি সম্বলপুৰীয়া ওড়িয়া ভাষা। নিমন্তে (ওড়িয়া)—নিমিত্তে।

৬২। ৰবীন্দ্ৰনাথৰ গানৰ শাৰীকেইটা হ'ব লাগে এনে :

আমি চঞ্চল হে,
আমি সুদূরের পিয়াসি
দিন চলে যায়, আমি আনমনে

তাৰি আশা চেয়ে থাকি বাতায়নে ·· ·
মোর ডানা নাই, আছি এক ঠাঁই
সে কথা যে যাই পাসরি।

৬৩। লডলডি—মেগপালৰ ওচৰৰ এই হাবিত এই সময়ত বেজবৰুৱাই বাৰ্ড কোম্পানীৰ কাম তদাৰক কৰিছিল।

৬৪। পাঞ্চি—হ'ব লাগে 'পান্‌সি' (সৰু নাও, পাঞ্চে)। বেজবৰুৱাই অসমীয়া জোঁটনিৰে তেওঁৰ খেলিমেলি হোৱাৰ কথা চিঠিখনতে উল্লেখ কৰিছে।

৬৬। ক১০ৰ টোকা চাওক। ডম্বৰু—স্থানীয় জনজাতীয় ল'ৰা ডম্বৰু বেজবৰুৱাৰ বন কৰা লগুৱা আছিল।

ভোলানাথ বৰুৱাৰ মৃত্যুৰ কথা ; ক১১২ত চাওক। ২৮ মেই ১৯২৩ৰ দিনলেখাত আছে—Saw B. Borooah in the evening, found him dying almost. He could not recognise me Had last look ৩০ মেইৰ দিনলেখা (ক'লা আঁকৰ মাজত): B. Borooah died at Howrah at 2.30 A. M. A great man and my friend gone.

৬৭। Jordan, Fibbi—ৰেল-কৰ্মচাৰী।

৬৮। ১১ নবেম্বৰ ১৯২৪ত প্ৰজ্ঞাসুন্দৰী বৰোদালৈ যায়। ইয়াৰ আগতে ছেপ্টেম্বৰৰ ৭ৰপৰা ২৫লৈ বেজবৰুৱা বৰোদাত থাকি আহিছে। দুৰ্গাবাবু—দুৰ্গা মিশ্ৰ, ওড়িয়া ব্যৱসায়ী লোক। ৰমেশচন্দ্ৰ – সম্বলপুৰৰ এছিস্টেণ্ট পুলিচ অফিচাৰ। হাম্-ইদ—হামিদ, সম্বলপুৰৰ ছেট্‌ল্‌মেণ্ট অফিচাৰ, কিছু দিন পিছত তাতে উপায়ুক্ত, আৰু পিছত পাটনাত বিহাৰ চৰকাৰৰ আণ্ডাৰ ছেক্ৰেটাৰী। speech—২৭ ডিচেম্বৰ ১৯২৪-ত আসাম সাহিত্য-সম্মিলনত পাঠ কৰা সভাপতিৰ অভিভাষণ। এই সুদীৰ্ঘ অভিভাষণ পঢ়োঁতে আঢ়ৈ ঘণ্টা লাগিছিল। অভিভাষণ আৰু সম্মিলন সম্পৰ্কে দুৰৱা কৰিব চিঠি (খ ৮৬, খ ৮৭) চাওক।

৬৯। ৬১ৰপৰা ৮৪লৈকে চিঠিত বাৰ্ড কোম্পানীৰ অধীনে বেজবৰুৱাই অসমৰ হাবিত পোৱা কষ্টৰ কথা আছে। ভাৰত-নেপাল সীমাৰ যোগবনি নামৰ ঠাইৰপৰা এজাক নেপালী কৰতীয়া সংগ্ৰহ কৰি তেওঁ অসমৰ কাঠৰ কামত লগায়। 'গৌহাটীতে Hq. quarter' দীঘলী পুখুৰীৰপৰা ওলোৱা কোম্পানী বাগান লেনত (য'ত ডক্টৰ সূৰ্যকুমাৰ ভূঞাৰ ঘৰ) আছিল বুলি

ডক্টৰ ভুঞাই কৈছিল। এই চিঠি কেইখনত উল্লিখিত Jotin কবি দুৰ্বৰা নহয়, সম্বলপুৰত থকা অলপ থীণকৈ এজন কাঠৰ কামৰ কৰ্মচাৰীহে। বেজবৰুৱাই অসমত কাম কৰা সময়ত তেওঁৰ ছাঁব দৰে আছিল লগুৱা, কিন্তু friend, philosopher and guide ভালু, যাৰ আচল নাম বালমুকুন্দ। এই ওড়িয়া মানুহটি সম্বলপুৰত থকাত বেজবৰুৱাৰ টাঙ্গা-চালক আছিল। দুৰ্বৰালৈ লেখা চিঠি (ক:৮) চাওক। motor—১৯২৭-ৰ প্ৰথম ভাগতে বেজবৰুৱাৰ নিজৰ মটৰ গাড়ী হয়। ৬ ফেব্ৰুৱাৰীত প্ৰথম নিজৰ গাড়ীত উঠা আৰু পিছদিনা পুৱা দুৰ্গাবাবুৰপৰা মটৰ ড্ৰাইভিঙৰ প্ৰথম পাঠ লোৱা কথা দিনলেখাত আছে। বোধ হয় এইখন ফোৰ্ড্ কাৰ্। সম্বলপুৰত তেতিয়া এইখনে সৈতে মাথোন দুখন মটৰ গাড়ী আছিল। ১১ ডিচেম্বৰত তেওঁ সম্বলপুৰ 'একেবাৰেই' এৰে। প্ৰবোধবাবু—প্ৰবোধ মজুমদাৰ। Jenner—বাৰ্ড কোম্পানীৰ ওপৰৱালা কৰ্মচাৰী।

৭৫। অৰ্জ্জুন্—সম্বলপুৰৰ বাৰ্ড কোম্পানীৰ কাৰবাৰৰ তলতীয়া কৰ্মচাৰী। হৰিনাথ বেজবৰুৱাই কাম এৰিলত সেই কামৰ ভাৰ অৰ্জ্জুনক দিয়া হৈছিল। স্বৰ্ণ—স্বৰ্ণলতা। কৃষ্ণ—বোধ হয় কৃষ্ণ বেজবৰুৱা, গোলেকিত হেডমাষ্টৰ।

৭৯। শৰৎ—শৰৎচন্দ্ৰ বৰুৱা। হৃদীন্দ্ৰ—হিতেন্দ্ৰনাথ ঠাকুৰৰ পুত্ৰ।

৮০। খুকী—ঋতা দেৱী, অৰুণাৰ কন্যা।

৮৪। ২৮ ফেব্ৰুৱাৰী ১৯২৮ত বেজবৰুৱাই স্মাৰ্টৰ হাতত ভাৰ শোধাই দিয়ে, ১ মাৰ্চত সম্বলপুৰমুৱা হয়।

৮৫। ২৩ আগষ্ট ১৯২৯ত ডিব্ৰুগড় বুলি প্ৰজ্ঞাসুন্দৰীয়ে সম্বলপুৰ এৰে। 'বাঁহী'ত (১৮শ বছৰ, ৭ম সংখ্যা, পিঠি ২৯৪-৯৬) প্ৰজ্ঞাসুন্দৰীৰ 'ডিবুৰুগড় মহিলা সমিতিত দিয়া বক্তৃতা' ওলায়। চাৰু—চাৰু সেন; এওঁ বেজবৰুৱাৰ ঝাৰসোগোৰাৰ ঘৰটো ভাৰা লৈ আছিল। আদি—বেজবৰুৱাৰ টাঙ্গাৱালা আছিল, কাঠৰ কাৰবাৰৰ কামো কৰিছিল। সোণা গোড়া—বাগ্ধনি গোলাপৰ ছোৱালী আৰু ল'ৰা। আমাৰ assessorই আছে—২ ছেপ্টেম্বৰৰ দিনলেখা: Attended as Assessor in a Sessions case at Smbp.

৮৬। দুৰ্বৰালৈ লেখা চিঠিৰ (ক:৮) টোকা, ক৮৮, ক৮৯ আৰু 'কৃপাবৰ বৰবৰুৱাৰ ভাবৰ বুৰ্বুৰণি' চাওক। মেদু—ওড়িয়া লগুৱা। সোণা গোড়া—ক৮৫ টোকা চাওক।

৮৮। 'জ্বেলে দে ···'—'বাল্মীকি-প্ৰতিভা' নাটকৰ ৩য় দৃশ্যত বাল্মীকিৰ উক্তি।

৮৯। দীপ—দীপিকা। এওঁ ২ অক্টোবৰ ১৯২৯ত ঘৰলৈ আহে। সাতকড়ি—বেজবৰুৱাৰ কেৰাণী। যতীন দুৱৰা—কবিযে ৭ অক্টোবৰত আহি ২৮ অক্টোবৰত সম্বলপুৰ এৰে।

৯০। ডাকমাসী—সম্বলপুৰৰ ডাকঘৰৰ পোস্টমাস্টৰৰ পত্নী। সুবোধ কুমাৰ ঘোষ—এতিয়া পাটনা বিশ্ববিদ্যালয়ৰ গৱেষণা অধ্যাপক।

৯১। ভগবতী—বেজবৰুৱাৰ গাই গৰু এজনী।

৯২। কানাই—ৰোহিণীকুমাৰ বৰুৱাৰ ঘৰত-মতা নাম কানু।

৯৩। প্ৰথমৰ ছবিটো হ'ল সম্বোধন। সেইটো 'পৰি' অৰ্থাৎ উৰণী অপেচৰাৰ চিত্ৰ। সেনাপতি—শ্ৰীনীলমণি সেনাপতি।

৯৪। এই চিঠিখন ১৯২৯ ছন বা তাৰ ঠিক পিছৰে হ'ব লাগে, কাৰণ তাত 'সঙ্গীত সঙ্ঘ'ৰ কথাই প্ৰধান।

৯৫। ৯৫ৰপৰা ১৩৪ সকলোখিনি চিঠিযে শ্ৰীমতী অৰুণা দেৱী মুখাৰ্জীৰ সৰু হ'লেও ধুনীয়া *Fragrant Memories* পুথিত আছে। তাৰে ৯৫ আদি দুখনমান চিঠিৰ মূল পাই আমি সেইমতে পাঠ আদি থিবাং কৰিছো। শ্ৰীমতী মুখাৰ্জীৰ পুথিত প্ৰায়বোৰ ব্যক্তিৰ নামৰে প্ৰথমৰ আখৰটোহে ৰাখি বাকী অংশ কাটি পেলোৱা হৈছিল। এই নামবোৰ নিৰ্ণয় কৰাত সেই দেখি আমি অসুবিধাত পৰিছো। ৯৫ চিঠি পোৱা সময়ত অৰুণা পৰীক্ষাৰ পিছত কাশ্মীৰত মাহীয়েক সুদক্ষিণাৰ (শ্ৰীমতী জ্বালা-প্ৰসাদ) লগত। Dr. Satya Ch. Mittra—বেজবৰুৱাৰ ঘৰুৱা ডাক্তৰ সত্যশৰণ মিত্ৰ; নামৰ মাজৰ অংশৰ পোনতে সেইদেখি Ch. হ'ব নোৱাৰে। Borooah—ভোলানাথ বৰুৱা। Tarun—তৰুণচন্দ্ৰ বৰুৱা। Gaity—চিনেমা-ঘৰ। Godadhar, Godai বন কৰা লগুৱা; ১৮৯৯ ছনত বেজবৰুৱাই মিছেলেনিয়াছ স্টোৰ আৰম্ভ কৰাৰ দিনতো তাত তেওঁ এক গদাধৰক ৰাখিছিল। Mr. & Mrs. Sen—যোগেন্দ্ৰনাথ আৰু পত্নী সৰোজকুমাৰী দেৱী। Borku & Chotku—শ্ৰীজ্যোৎস্নানাথ সেন আৰু সুকুমাৰ সেন।

৯৬। Jotindra—দুৱৰা কবি। Broja Babu, Manmatha Babu—সম্বলপুৰৰ উকীল ব্ৰজমোহন বাবু আৰু ডাক্তৰ মন্মথ বাবু। *Jaymati*—প্ৰজ্ঞাসুন্দৰীয়ে 'জয়মতী কুঁৱৰী' নাটকৰ বঙলা অনুবাদ এটি তৈয়াৰ কৰিছিল।

৯৭। Geeta—'শ্ৰীমদ্ভগৱদ্‌গীতা'। Dipti of the Patharpuri sojourn—এওঁ দ্বিজেন্দ্ৰনাথ ঠাকুৰৰ নাতিনী।

৯৮। অৰুণা এই সময়ত পুনৰ কাশ্মীৰত।

৯৯। নবেম্বৰত অৰুণা-সত্যব্ৰতৰ বিয়াৰ পিছত বৰোদালৈ এই চিঠি লেখা হৈছিল। ম—বোস—মন্মথ বসু? I—এফ্. চি. ইংলিছ, সম্বলপুৰৰ উপায়ুক্ত।

১০০। I—ইংলিছ। য—যতীন্দ্ৰনাথ দুৱৰা?

১০১। মিনি, ব্লেকি—মেকুৰী, কুকুৰ আৰু চৰাইৰ নাম। কুকুৰ ব্লেকি ২৬ ফেব্ৰুৱাৰী ১৯১১ ত মৰিল এটা মাথোন চিঞৰ মাৰি। R, বা—(এচ্. কে বা ডিক্ বাউত। P, প্ৰ—প্ৰবাল। N, নী—নীৰদবাবু, এজন অফিচাৰ। Dr. D, দে—দেবীবাবু। R—বড়গড়ৰ মহকুমাধিপতি আছিল। বড়গড় হীৰাকুডৰ ওচৰত।

১০৩। G—কোনোবা এজন ৰেলৰে অফিচাৰ, বোধ হয় Mr Gilmore

১০৪। বল—এছিস্টেণ্ট চিভিল ছাৰ্জন ডাক্তৰ বল। ডাঃ মিত্ৰ-টি এন্. মিত্ৰ। Town Hall—ভিক্টোৰিয়া ডিস্ট্ৰিক্ট হল। বৰ্তমানে নাম পৰিবৰ্তন কৰি ১৮৫৭ৰ শ্বহিদ সুৰেন্দ্ৰ সাইৰ নামে নাম দিয়া গৈছে।

১০৫। হ—বোধ হয় হৰিনাথ বেজবৰুৱা। ছো—বোধ হয় 'ছোট বউ', হৰিনাথ বেজবৰুৱাৰ পত্নী শ্ৰীমতী হেমপ্ৰভা দেৱী। অৰ্জুন—ক৮৯ আৰু ক৭৫ টোকা চাওক।

১০৭। নাতি—স্বৰূপকুমাৰৰ কাণ দুখন বোধ হয় দেখাত ককা-দেউতাকৰ নিচিনা।

১০৮। 'শান্তশীল'—ল'ৰাৰ নাম এইটি নিদি 'স্বৰূপকুমাৰ' দিয়া হ'ল।

১০৫। ছোট মামী—ঋতেন্দ্ৰনাথ ঠাকুৰৰ পত্নী।

১১১। Miss—? সু—সুপ্ৰকাশ গাঙ্গুলী?

১১২। বেজবৰুৱা ৩১ মেই ১৯২৩-ত শিলচৰপৰা পাইছি। Novsari—বৰোদাৰ এটা মহকুমা; সত্যব্ৰত মুখাৰ্জী ইয়াৰ কলেক্টৰ আছিল। শিলচ—২৭ এপ্ৰিল ১৯২৩-ত কাঁবসোগোৰাৰ নগেন্দ্ৰ চৌধুৰীৰ ঘৰত বেজবৰুৱাক বলিয়া কুকুৰে কামোৰে। সম্বলপুৰত এক কোল বৈদ্যৰ হতুৱাই কিছু দিন চিকিৎসা কৰি Pasteur Instituteত

ভাল চিকিৎসাৰ বাবে লগত ৰত্নাক লৈ বেজবৰুৱা শ্বিলঙলৈ আহে। তাতে ৰত্নাৰ সন্নিপাত ৰোগ হোৱাত প্ৰজ্ঞাসুন্দৰীয়ে লগত দীপিকা আৰু স্বৰূপকুমাৰক লৈ শ্বিলং পাগহি। এই সময়তে ৰবীন্দ্ৰনাথ ঠাকুৰো শ্বিলঙৰ Kenches Traceঅৰ Jitbhumi নামৰ ঘৰত আছিলহি। বেজবৰুৱাইত আছিল ওচৰৰ ঘৰতে। ঘৰটোৰ নাম Bothwell তেওঁলোকে ২৬ মেই ১৯২৩ত শ্বিলং এৰে। জ্ঞান—জ্ঞানদাভিৰাম বৰুৱা। অৰুদা—দ্বিজেন্দ্ৰনাথ ঠাকুৰৰ পুতেক আৰু জে. বৰুৱাৰ শহুৰেক অৰুণেন্দ্ৰনাথ ঠাকুৰ। এ. মজিদ—আব্দুল মজিদ, কলিকতাত পঢ়া কালৰেপৰা বেজবৰুৱাৰ বন্ধু। তেনে আন এজন বন্ধু ঘনশ্যাম বৰুৱা আৰু মজিদ ছাহেব প্ৰথম অসমীয়া মন্ত্ৰী। একটা play—কি নাটক জানিব পৰা নগ'ল। ৰাজু—'মৃণ্ময়ী'ৰ সম্পাদক ক্ষীৰোদচন্দ্ৰ ৰায়ৰ (ৰায়চৌধুৰী) প্ৰথম পৰিবাৰৰপৰা হোৱা পুত্ৰ, কটন কলেজৰ ইংৰাজীৰ অধ্যাপক শ্ৰীপ্ৰফুল্লচন্দ্ৰ ৰায়। ছোট—গুণাভিৰাম বৰুৱাৰ কন্যা স্বৰ্ণলতা আৰু ডাক্তৰ নন্দকুমাৰ ৰায়ৰ কন্যা আৰু অধ্যাপক প্ৰফুল্লচন্দ্ৰ ৰায়ৰ পৰিবাৰ। নন্দকুমাৰ ৰায়ৰ মৃত্যুৰ পিছত ক্ষীৰোদচন্দ্ৰ ৰায়ে স্বৰ্ণলতাৰ বিয়া হয়। উপেন—উপেন্দ্ৰনাথ বেজবৰুৱা, গুৱাহাটীত উকীল। Mr. B—ভোলানাথ বৰুৱা (ক৬৬ চিঠি আৰু তাৰ টোকা চাওক।)

১১৭। নাতনী—শ্ৰীমতী অৰুণা দেৱীৰ কন্যা ঋতাৰ জন্ম হয় ৫ ডিচেম্বৰ ১৯২৪ৰ দুই বাজিবলৈ সোতৰ মিনিট থকাত।

১১৯। ফোৰ্ড মোটৰ—ক৬৯ৰ টোকা চাওক।

১২২। শৰীৰ···ভাল হয়ে এসেছে—১৯ ছেপ্টেম্বৰ ১৯৩০ত বেজবৰুৱা অসুখৰ কাৰণে অসম-ভ্ৰমণলৈ যাত্ৰা কৰে। ২২-ত গুৱাহাটী পালত সেইদিনা কটন কলেজৰ ছাত্ৰসকলৰ হৈ অধ্যাপক ব্ৰাউনে তেওঁক অভিনন্দন প্ৰদান কৰে। ২৪ত ডিব্ৰু পায়গৈ। ২ অক্টোবৰত ডিব্ৰুগড়ীয়া-সকলে আৰু মহিলা সমিতিয়ে অভিনন্দন দিয়ে বুলি দিনলেখাত আছে। (কিন্তু খ১২২ চাওক।) ১৫ত বেজবৰুৱা শিৱসাগৰলৈ যায়। ১৬ত শিৱসাগৰৰ সাহিত্য সভা আৰু বিদ্যাপীঠে অভিনন্দন জনায়। ১৮ত চন্দ্ৰকান্ত সন্দিকৈ হলত তেওঁক আদৰা হ'ল, পিছদিনাও যোৰহাটে অভিনন্দন দিলে, তাৰ পিছদিনাও যোৰহাট বেজবৰুৱা স্কুলে। ২১ত গোলাঘাটীয়া ৰাইজে আদৰণি জনালে। ২২ত শিৱসাগৰ মহিলা সমিতি

আৰু স্কুলীয়া ছাত্ৰৰ অভ্যৰ্থনা। ২৯ত আৰ্ল ল কলেজ; ৩০ত কলেজিয়েট স্কুলত আদৰণি লৈ সেইদিনাই বেজবৰুৱা কলিকতামুৱা হ'ল।

১২৩। আমাৰ অভিধান—বোধ হয় 'হেমকোষ'। দ্বিতীয় তাঙৰণৰ বাবে আনন্দৰাম বৰুৱাই কিছু পৰিবৰ্তন-পৰিবৰ্ধন কৰি বেজবৰুৱাক চাবলৈ দিছিল। দুৰ্বা কবিৰ চিঠি (খ৯০) চাওক। দীপিকা ৰত্না—ৰত্না কিছুদিন সম্বলপুৰত আছিলহি। ১০ জানুৱাৰী ১৯৩১ত তেওঁ কলিকতাত ৰোহিণীকুমাৰ বৰুৱাই লোৱা নতুন ঘৰত (৭৯।২২ লোৱাৰ চাকুৰ্লাৰ ৰোড) থাকিবলৈ আৰু দীপিকা ডায়োচেছান কলেজলৈ গ'ল।

১২৫। স—সত্যব্ৰত? 'একে একে নিবেছে দেউটি'—'মেঘনাদবধ কাব্য', প্ৰথম সৰ্গ, ছত্ৰ ১১০: বাৰণৰ উক্তি: 'কিন্তু একে একে শুখাইছে ফুল এবে, নিবিছে দেউটি।'

১২৬। ৰত্নাৰ নতুন মেয়েটা—বোধ হয়, ৰোহিণীকুমাৰ বৰুৱাৰ দ্বিতীয়া কন্যা, ইৰা (এতিয়া শ্ৰীমতী ঘোষ)।

১২৭। দিনু—দিনেন্দ্ৰনাথ ঠাকুৰ। জগন্নাথ বেজবৰুৱা ৪ জুলাই ১৯৩৫ত শিৱসাগৰৰ নিজৰ ঘৰত ঢুকায়। তেওঁ ৰায় ছাহেব আৰু অনৰেৰি মেজিষ্ট্ৰেট হৈছিল।

১২৮। অথৰ্ববেদী—বেজবৰুৱাই প্ৰজ্ঞাসুন্দৰীক কিয় এই আখ্যা দিছিল? দীপি—দীপিকা।

১২৯। শ্ৰীমতী মুখাৰ্জী এতিয়া কাশ্মীৰ-ভ্ৰমণত।

১৩১। দীপিকা—এতিয়া বিলাতত। ক১৬১ টোকা চাওক।

১৩২। দীপিকা—ক১৬১ৰ টোকা চাওক। (এতিয়া ছিস্টাৰ) দীপিকা তেওঁৰ সন্ন্যাসিনীৰ খুড়োৱা মুৰৰপৰা সমস্ত গাত সৰ্বশুক্ল সন্ন্যাসিনীৰ (nun) বস্ত্ৰ পিন্ধি ১ ফেব্ৰুৱাৰী ১৯৩৮ত ডিব্ৰুগড় ওলায়হি আৰু তাত তিনি সপ্তাহ থাকে। ২১ ফেব্ৰুৱাৰীত বেজবৰুৱাই তেওঁক গাড়ীৰে নি তিনিচুকীয়াত ৰেলত তুলি দিয়া সময়ত মাত্ৰ কৈছিল: 'যা নিয়েছো ছেড়ো না।'

১৩৪। সাতকড়ি—কাঠৰ কাৰবাৰৰ কেৰাণী। 'আসবৰ্কি—গাড়ীৰ ড্ৰাইভাৰ। চন্দ্ৰকুমাৰ আগৰৱালা—২ মাৰ্চ ১৯৩৮, ১৮ ফাল্গুন ১৮৫৯ৰ দিনলেখাত বেজবৰুৱাই টুকি থৈছে—Chandra Kumar Agarwala

died today at 8-45. তেওঁৰ জীৱনৰ এইটোৱেই শেষ মৰ্মান্তিক আঘাত।

১৩৫। Vijapur, Kadi—বৰোদাৰ মফছল অঞ্চলৰ ঠাই।

১৩৬। Mehsana—বৰোদাৰ মফছল অঞ্চলৰ ঠাই। Ludladi—লডলডি, উৰিষ্যাৰ হাবি।

১৩৮। "toffygraphed"—photographedঅৰ ৰূপাবৰী ৰূপ।

১৪১। স্থ— ?

১৪৩। হামিদ—বিহাৰী ভদ্ৰলোক। তেতিয়া সম্বলপুৰৰ চেট্‌লমেণ্ট অফিচাৰ। অসমৰ এসময়ৰ মন্ত্ৰী শ্ৰীহামিদ এওঁৰ সম্পৰ্কীয়। ক৬৮ টোকা চাওক। চিঠিত উল্লিখিত চিকাৰ ২৭ ডিচেম্বৰ ১৯২৩ত চামুণ্ডা হাবিত হৈছিল।

১৪৪। ফ—ফণীন্দ্ৰ বেনাৰ্জী, সত্যব্ৰতৰ brother-in-law ? লী— ?

১৪৬। মুখাৰ্জীয়ে এটা ঘঁৰিয়াল মৰাৰ খবৰ পাই লেখা। Vanasi—বৰোদাত, য'ত ঘঁৰিয়াল বধ হৈছিল।

১৪৬। Tinie—মুখাৰ্জীৰ ঘৰুৱা নাম।

১৪৮। Miss C. D.—ডায়োচেছান কলেজৰ বুৰঞ্জীৰ অধ্যাপিকা কুমাৰী চাৰু দাস; তেওঁ খ্ৰীস্টিয়ান!

১৪৮। bechootiful—ৰূপাবৰী ভাষাত কিহবাৰে contamination বা মিশ্ৰণ হৈ beautiful শব্দৰ এই ৰূপ সিদ্ধ হৈছে। S.V.M.—সত্যব্ৰত মুখাৰ্জী। Sar-Suba—বৰোদা ৰাজ্যৰ ৰেভিনিউ কমিছনাৰ বা ৰাজস্ব আযুক্ত। Corinthian—চিনেমা-ঘৰ। *Pukar*—ছোহৰাব মোদীয়ে কৰা বোলছবি। Dr. G.—ডাক্তৰ ঘোষ।

১৪৯। স্বৰূপকুমাৰ মুখাৰ্জী—ক৫৭ চিঠি আৰু টোকা চাওক।

১৫০। the little.. pumpkin—চকলাকৈ মুখেৰে ধুনীয়া নাতিনী ঋতা।

১৫১। শ্ৰীমতী ৰত্না বৰুৱালৈ দিয়া চিঠি কেইখনি শ্ৰীমতী বৰুৱাৰ-পৰাই পোৱা হৈছে। ছোট মামাটি—ঋতেন্দ্ৰনাথ ঠাকুৰ। D. Lyngdoh—বোধ হয় Dr. Lyngdoh, যিজনে ৰত্না শ্বিলঙত টাইফয়ডত পৰোঁতে (ক১১২ টোকা চাওক) চিকিৎসা কৰিছিল। ডাঃ বিধানচন্দ্ৰ ৰায়েও এদিন চাইছিল। তাৰ আগতে ৰবীন্দ্ৰনাথ ঠাকুৰেও হোমিওপেথিক ঔষধ দিছিল।

১৫২। Jharsuguda-ৰ জমি—২৩ জুন ১৯২৩ৰ দিনলেখা: Returned

from JSG where I had been to attend my land boundary dispute. Some encroachments have been found এই বছৰটোতে বেজবৰুৱাই তাত বাৰী পাতে আৰু মালী এটা ৰাখে।

১৫৩। নাবাহলি—মধ্য বঙলাত শব্দটি পোৱা যায় বুলি শ্ৰীদীপক সেনে কৈছে। কিন্তু সিবৰ বিৰলপ্ৰয়োগ। অৰ্থ—প্ৰৱাহহীন।

১৫৪। এই পদফাকি শ্ৰীমতী বৰুৱাৰ অটোগ্ৰাফৰ বহীত বেজবৰুৱাই লেখি দিছিল।

১৫৫। নাত্‌নীটি—সম্ভৱতঃ, শ্ৰীমতী বৰুৱাৰ দ্বিতীয়া কন্যা ইৰা (এতিয়া শ্ৰীমতী ৰায)।

১৫৬। নতুনটি—শ্ৰীমতী বৰুৱাৰ তৃতীয়া কন্যা ললিতা (এতিয়া শ্ৰীমতী জোহাৰ)।

১৫৭। তৃতীয় চোখ—শ্ৰীমতী বৰুৱাৰ তৃতীয়া কন্যা ললিতা।

১৫৮। এই চিঠিত অবিৰলভাৱে সাধুভাষাৰ ব্যৱহাৰ দেখা যায়—কৰিবাৰ, চলিয়া, হইলে, হইতে, হইয়াছিল। অনন্ত কন্দলি—কিছু দিনলৈকে কন্দলি আৰু ৰাম সৰস্বতী একেজন লোক আছিল বুলি এটা ধাৰণা চলি আছিল, সেইহে বেজবৰুৱাই কন্দলিয়ে মহাভাৰতৰ ভাঙনি কৰা কথা লেখিছে। এই ধাৰণা আজি-কালি পৰিহাৰ কৰা হৈছে। দ্ৰষ্টব্য কৰিব চিঠি (খ৮৫) চাওক।

১৫৯। জ্যাঠা—ডাক্তৰ গোপালচন্দ্ৰ বেজবৰুৱা। এওঁ বিলাতত শিক্ষা লাভ কৰি দক্ষিণ এমেৰিকাত ডাক্তৰি কৰিছিল। ১৮৯৫ চনত এওঁ কলিকতালৈ ঘূৰি আহে আৰু হাওড়াৰ হেল্থ অফিচাৰ হয়। ৩ ডিচেম্বৰ ১৯০৭ চনত এওঁ হাওড়াৰ ১৯ বোজমেৰি লেনত ঢুকায়; তেওঁক লোৱাৰ চাকু‌লাৰ ৰোডৰ শ্মশানত দাহ কৰে এটি সমদল গৈ। এওঁৰ পত্নী অমু (খ্ৰীষ্টিয়ান) পিছদিনাই টিকিয়াপাৰাৰ মাকৰ ঘৰলৈ যায়। ৩০ ডিচেম্বৰত হৰিনাথ বেজবৰুৱাই ককায়েকৰ চিতাভস্ম কালীঘাটত গঙ্গাত লগায়।

১৬০। বেজবৰুৱাই বিখ্যাত 'বৰোদা বক্তৃতা' দিবলৈ গৈ বৰোদাৰপৰা চিঠিখন লেখিছে। বৰোদাত বেজবৰুৱাই বৈষ্ণব ধৰ্মৰ ইতিহাসৰ বিষয়ে বক্তৃতা দিয়ে ৭ ডিচেম্বৰ ১৯৩৬ত আৰু ৰাসলীলা সম্পৰ্কে ২৬ ডিচেম্বৰত। দীপিকা সংস্কৃতৰ ছাত্ৰী আছিল। এবাৰ তেওঁ বক্তৃ

সম্বলপুৰত থকাত ডায়োচেছান কলেজৰ সংস্কৃতৰ অধ্যাপক ঘটক তাত ওলাইছিলগৈ।

১৬১। ১৬১ৰপৰা ১৬৩লৈ তিনিওখন চিঠি ডাক্তৰ ভোলা চক্ৰৱৰ্তী-সম্পাদিত 'সূৰ্য্যপ্ৰণাম'ৰপৰা গৃহীত হৈছে। কুমাৰী দীপিকা বেজবৰুৱাই নবেম্বৰ ১৯৩২ত এঙ্গ্লিকান সম্প্ৰদায়ত (এতিয়া চাৰ্চ অব্ ইণ্ডিয়া এণ্ড পাকিস্তান) যোগ দিয়াৰ পিছত জানুৱাৰী ১৯৩৫ত সন্ন্যাসিনী (nun) হয় আৰু ছেপ্টেম্বৰ ১৯৩৫ত বিলাতলৈ যায়। তাত তেওঁ ছেইণ্ট জন্ দি বেপ্টিস্ট্ কন্ভেণ্টত নিৱাস কৰিছিল। জানুৱাৰী ১৯৩৮ত তেওঁ কলিকতালৈ ঘূৰে। ১৬১ৰপৰা ১৬৩লৈ তিনিওখন চিঠি বিলাতৰ ঠিকনাতে লেখা। বাসু—সম্ভৱতঃ, বি. পি বাসু (সম্বলপুৰ)। শুভো—সম্ভৱতঃ শুভো ঠাকুৰ।

১৬২। To the who dead again doest live—বোধ হয় হ'ব লাগে To the One who dead again doest live.

১৬৪। আই. চি. এছ্. অফিচাৰ শ্ৰীনীলমণি সেনাপতিয়ে (সম্বলপুৰৰ উপাযুক্ত) শ্ৰীমতী আচাৰ্যক বিয়া কৰিছিল। শ্ৰীআচাৰ্য আৰু আৰু শ্ৰীমতী আচাৰ্যৰ সন্ততি ডলি। শ্ৰীসেনাপতি আৰু শ্ৰীমতী সেনাপতিৰ (আগৰ শ্ৰীমতী আচাৰ্য) পুত্ৰ বুলা (ইণ্ডিয়ান্ এয়াৰ্ ফোৰ্চত কাম কৰে, শ্ৰীনৰেন্দ্ৰ-নাথ কাকতীৰ কন্যা খুকুক বিয়া কৰিছে) আৰু বাবুলা, আৰু কন্যা বেবী (অৰুণা, এতিয়া উত্তৰ বঙ্গৰ চাহ-খেতিয়ক শ্ৰীদাশৰ পত্নী)। Dady—শ্ৰীনীলমণি সেনাপতি।

১৬৬। ১৬৬-১৬৭ এখানি এখানি হ'লেও ব্যৱসায়ী বেজবৰুৱাৰ অৰ্থপূৰ্ণ চিঠি। প্ৰথমখনৰ শেষৰ চহীটো মন কৰিবলগীয়া—L. n. B. Borooah, পিছৰখনৰো Bezborooah লক্ষ্য কৰক। অতুলকৃষ্ণ ঘোষ কালীকৃষ্ণ প্ৰামাণিকৰ কেলিডনিয়া ডকৰ কৰ্মচাৰী আছিল। ১৮৯৯ ছনত তেওঁক ভোলানাথ লক্ষ্মীনাথৰ ব্যৱসায়লৈ অনা হ'ল। লক্ষ্মীনাথক Lucky সম্বোধন কৰাত এটা কথা মনত পৰে: ১৮৯৫-ত বেজবৰুৱা আদিয়ে এটা কোম্পানী আৰম্ভ কৰিছিল—Luckyman and Co.

১৬৫। ক১০ আৰু টোকা চাওক।

১৭৬। আশুতোষ চৌধুৰীৰ ভায়েক বিখ্যাত চিকাৰী কুমুদ চৌধুৰীৰ জীয়েক অলকা আৰু ডাক্তৰ সুহৃদ চৌধুৰীৰ কন্যা পূৰ্ণিমা চৌধুৰীক লৈ দ্বিজেন্দ্ৰলাল ৰায়ৰ এই পেৰডিটো লেখা হৈছে। এওঁলোকে বেজবৰুৱাক

'জপুদা' বুলি মাতে, কাৰণ বেজবৰুৱাই এবাৰ নিজে লেখা 'জপু' প্ৰহসনত জপু নামৰ এটা ভূমিকা লৈছিল—১২ অক্টোবৰ ১৯২৪—অলকা চৌধুৰীৰ জন্মদিন উপলক্ষ্যে।

১৭৭। ১৯২০ চনৰ দিনলেখাৰ শেষৰ ওপৰৰ্ক্ষি পাতত এই কোৰাছ্-গীতটি লেখা আছে। 'বাহী'ত ওলোৱা তাৰ ভাঙনি: 'বিয়া কৰ বিয়া কৰ হেৰ বুঢ়াৰ দল। বিয়া কৈলে পানি ভইতে লাত ভতৰাৰ বল।' ইত্যাদি।

খ. বেজবৰুৱালৈ লেখালৈ চিঠি

১। ক-১ চিঠিৰে মিলাই চাওক।

২। ডিম্বেশ্বৰ নেওগে ভট্টাচাযৰ এই সময়ৰ কথা লেখিছে : 'তেতিয়া তেখেতৰ আৰ্থিক দুৰৱস্থা প্ৰায শেষ সীমাত, কিন্তু এদিনৰ বাহিৰে তেখেতৰ মুখত দেশৰ দুৰৱস্থাৰ বাহিৰে নিজৰ কথা কোৱা শুনা নাছিলোঁ। তেখেতৰ পুৱা চাহ-জলপান আগৰৱালাৰ ঘৰত আৰু আবেলিৰ চাহ-জলপান ৺জ্ঞানদাভিৰাম বৰুৱাৰ বহাত; তাৰ বাহিৰে ঘৰৰ ল'ৰা ছোৱালীৰ খোৱা-লোৱাৰ কি সংস্থান আছিল, বোধ কৰোঁ তেখেতে নিজেও ভাবিব নোৱাৰিছিল।' (অতীত-মাধুৰী।) ৰোহিণীকান্ত বৰুৱা-ৰোহিণীকুমাৰহে হ'ব লাগিছিল।

৩। 'কলপ-সলনি' প্ৰবন্ধটি—চন্দ্ৰকুমাৰ আগৰৱালাৰ চিঠি (খ২২) চাওক।

৫। your brother in America--ডাক্তৰ গোলাপচন্দ্ৰ বেজবৰুৱা। এওঁ ১৮৯৫ চনত কলিকতালৈ ঘূৰি আহে। Krisna—সম্ভৱতঃ, কৃষ্ণপ্ৰসাদ আগৰৱালা। Bhola Babu—ভোলানাথ বৰুৱা। Kanak—কনকলাল বৰুৱা। বেজবৰুৱাৰ 'সাম্প্ৰদায়িক সংকীৰ্ণতা' প্ৰবন্ধ ১৭শ বছৰ 'বাঁহী'ত ৫ম সংখ্যাত ওলাইছিল।

৬। *Amis-o-Niramis Ahar*—বেজবৰুৱানীৰ পুথি 'আমিষ ও নিৰামিষ আহাৰ' তিনিটা খণ্ডত ওলাইছিল। এটা সংক্ষিপ্ত সংস্কৰণো প্ৰকাশ পাইছিল।

৭। Soka tekela—চোকা টেকেলা। AndrewYule—আধুনিক অসমত আসাম টি কোম্পানীৰো পূৰ্বে চাহ-খেতি প্ৰবৰ্তন কৰোঁতা। Col Sir Henry Yule হ'ল *Hobson-Jobson*-লেখকদ্বয়ৰ এজন, ইঞ্জিনিয়াৰ আৰু জিওগ্ৰাফাৰ। Atul Ch. (?) Ghosh & Kisori Babu—ভোলানাথ-লক্ষ্মীনাথৰ ব্যৱসায়ৰ লোক অতুলকৃষ্ণ ঘোষ আৰু কিশোৰীমোহন সিংহ। Pari—বেজবৰুৱাৰ 'পৰি', প্ৰজ্ঞাসুন্দৰী দেৱী। Mukta-prova—চন্দ্ৰকুমাৰ আগৰৱালাৰ পত্নী; শিৱসাগৰৰ দণ্ডধৰ বৰুৱাৰ কন্যা।

৯। Bomb conspiracy– এই সময়ত বঙ্গভঙ্গ আন্দোলন লৈ বঙ্গদেশ তৈলা।

১২। দিনৰ দিনটো খপি··· —এইটি 'প্ৰতিমা'ৰ আওহেলা' কবিতা। ছপাত তৃতীয় শাৰীৰ কুটা যোৱা শূন্য অংশ আৰু 'চাৰি'ৰ ঠাইত 'বিশ্ৰাম বিচাৰি' আৰু পঞ্চম শাৰী 'এন্ধাৰ নিৰাশে আহি আধা আনিৰলৈ' আছে।

১৩। Jnan, wife & baby & Konika—জ্ঞানদাভিৰাম বৰুৱা, তেওঁৰ পত্নী অৰুণেন্দ্ৰনাথ ঠাকুৰৰ কন্যা লতিকা, (সম্ভৱতঃ) তেওঁৰ কন্যা ইৰা, আৰু বৰুৱানীৰ ভনী। এই সময়ত বেজবৰুৱাই ভোলানাথ বৰুৱাৰ লগ এৰা হেতুকে তেওঁৰ অৰ্থসঙ্কট উপস্থিত হয়। সেইহে আগৰৱালাৰ দিহা-মতে তেও ধৰে তামোলবাৰীৰ চাহ ('তামোলবাৰীৰ তামোল নহয়, তামোলবাৰীৰ চাহ। তাক খাই সকলোৰে হবে গ্ৰাঃ আঃ॥') বেচিবলৈ। এই সময়ৰ চিঠি-পাতৰ শিৰোনামা চাব লগীয়া (গ৮, গ৯)

১৪। Nobin, Aroon, Taroon – আগৰৱালাৰ পুত্ৰ; মাজুটিয়ে বিলাতলৈ যাবলৈ নেপাই আত্মহত্যা কৰে। Timber & Stores Agency বেজবৰুৱাৰ কলিকতাৰ দোকান।

১৫। এই চিঠিত ৰবীন্দ্ৰনাথৰ 'বাল্মীকি-প্ৰতিভা' নাটৰ অভিনয়ৰ উল্লেখ মন কৰিব লগীয়া। বেজবৰুৱাই প্ৰথম ডকাইতৰ কথা আৰু গান উভয়তে পাৰিপাট্য দেখুৱাইছিল। দিনেন্দ্ৰনাথ ঠাকুৰে এই অভিনয়ৰ আয়োজন কৰিছিল এম্পায়াৰ থিয়েটাৰত। Sahjehanpur—ক৮ চিঠি আৰু টোকা চাওক। ইয়াৰ আগতে ২২ মেই ১৯১২ত আশুতোষ চৌধুৰীৰ বালিগঞ্জৰ ঘৰত এই নাট হওঁতে জে. বৰুৱা ডকাইতৰ ছৰ্দাৰ, অৰুণা-বত্না বনদেৱী হৈছিল। আগৰৱালাই ১৮৩৪ শকৰ জেঠৰ 'বাঁহী'ত তাৰ বৰ্ণনা দিছিল।

১৭। আগৰৱালাই ১৯২০ চনত খাৰঘুলিত লুইতৰ পাৰত নিউ প্ৰেছ পাতে। ভোলানাথ বৰুৱাইযে তেওঁৰ ইচ্ছাপত্ৰত বেজবৰুৱাক পাহৰা নাছিল, খ১১১ চিঠিৰপৰা জনা যাব। Jodu (যদু) হ'ল যতীন্দ্ৰনাথ দুৱৰা কবি। হাতী ডাঙৰীয়া—কমলাকান্ত ভট্টাচাৰ্য।

২১। বেজবৰুৱাৰ চিঠিত (ক৬) 'সেই কথাটো'ৰ উল্লেখ আছে। কিবা ৰহস্যজনক কথা! 'ৰচি মধুচক্ৰ ·' মাইকেলৰ কবিতা; ৰজিনাৰায়ণ দত্তৰ 'মৌ' কাকতৰ বাকলিৰ ওপৰতে ই উদ্ধৃত হৈছিল।

২২। নযন, মনু—জে· বৰুৱাৰ পুত্ৰ নযনাভিৰাম আৰু মনোভিৰাম।

২৩। পদ্মপতি—তেজপুৰৰ ৰজনীকুমাৰ পদ্মপতি। 'দ্বাৰজিলিঙ্গ', 'কাঞ্চনজিঙ্ঘ', 'শিৱলিঙ্গ'—কবি চন্দ্ৰকুমাৰৰ কাপত দাৰ্জিলিং, কাঞ্চনজঙ্ঘা আৰু শ্বিলং নামৰ এনে অনুপ্ৰাস ঘটিছে। 'পৌৰাণিক', 'সাহিত্যিক'ৰ লগতে কবিও 'কাব্যিতিক' হৈ পৰিছে। ৮ম বছৰ 'বাঁহী'ত বৰবৰুৱাৰ 'কাব্যিতিক যুদ্ধ' ওলাইছিল।

২৪। আগৰৱালাক সাহিত্য-সভাৰ সভাপতি পাতিবৰ বাবে বেজবৰুৱাই বৰ যত্ন কৰিছিল। আগৰৱালাৰ এই চিঠিখনিৰ শেষৰ পেৰাগ্ৰাফটি ক্ৰপাবৰে তেওঁ ভাবৰ বুৰ্বণিৰ মাজত (বাঁহী, ১৮শ বছৰ ষষ্ঠ সংখ্যা, পিঠি ২৬৫) তুলি দিছিল। 'আৱাহন' প্ৰতিষ্ঠাতা মেচপাৰাৰ জমিদাৰ নগেন্দ্ৰনাৰাযণ চৌধুৰীহে, সম্পাদক ডাক্তৰ দীননাথ শৰ্মা।

২৫। operation—দীপিকাৰ appendicitisঅৰ শল্যচিকিৎসা হৈছিল। ৰোহিনী—ৰোহিনীকুমাৰ চৌধুৰী। যদুৰে গদ্য-কবিতাৰ কিতাপ …—দুৱৰাৰ 'কথা-কবিতা' অধ্যাপক কাকতিৰ পাতনিযে সৈতে ওলায। মুখাৰ্জি—বেজবৰুৱাৰ জোঁৱাই। লক্ষ্মী ফুকনৰ 'নিপোটল খাছিযা ছোৱালী'—তেতিযাৰ 'অসমীযা'ৰ সম্পাদক শ্ৰীলক্ষ্মীনাথ ফুকনৰ 'অসম-বাণী'ত (২৬ জানুৱাৰী ১৯৬৮) ওলোৱা 'মহাত্মা গান্ধীৰ লগত সাক্ষাৎ' প্ৰবন্ধৰ তলৰ অংশত এই 'ছোৱালী'ৰ ৰহস্য ওলাইছে।—

"জৱাহৰলাল নেহৰুৰ সভাপতিত্বত লাহোৰত বহা কংগ্ৰেছৰ বাৰ্ষিক অধিবেশনে ভাৰতবৰ্ষৰ লক্ষ্য স্বাধীনতা বুলি ঘোষণা কৰিলে।…স্বাধীনতাৰ এই ঘোষণাৰ পিছত ব্যৱস্থাপক সভাবিলাক বৰ্জন কৰিবলৈ আৰু তাত সোমোৱা কংগ্ৰেছীসকলক তেওঁলোকৰ সভ্য পদ ইস্তফা দিবলৈ কংগ্ৰেছে নিৰ্দেশ দিলে। সেইমতে বেছি ভাগ সভ্যই পদ ইস্তফা দিলে, কমকৈ কিছুমানে নিদিলে বা দিওঁ-নিদিওঁকৈ পিছত দিলে। কিন্তু এনেকৈ ব্যৱস্থাপক সভাৰপৰা ওলাল যদিও এদল কংগ্ৰেছীয়ে তাৰ মোহ এৰিব নোৱাৰিলে। তেওঁলোকে আকৌ গাইগুটীযাভাৱে বা আন প্ৰকাৰে ব্যৱস্থাপক সভাত সোমাবলৈ মন মেলিলে।

"মই তেতিয়া গুৱাহাটীত 'অসমীয়া'ৰ সম্পাদক। কংগ্ৰেছৰ আদেশ এইদৰে উলংঘা কৰা 'কংগ্ৰেছী' সভ্যসকলক সমালোচনা কৰি মই ১৯০৮ ছনৰ ১ ফেব্ৰুৱাৰী তাৰিখৰ তিনিদিনীয়া 'অসমীয়া'ত সম্পাদকীয় প্ৰবন্ধ

লিখিলোঁ 'যাদুৰ পাহাৰ' নাম দি। পিছদিনা সাদিনীয়া 'অসমীয়া'তো প্ৰবন্ধটো ওলাল। সম্পাদকীয় প্ৰবন্ধটো মই এনেকৈ আৰম্ভ কৰিছিলোঁ, 'আগেয়ে শুনিছিলোঁ অসম দেশলৈ আহিলে মানুহ ভেড়া হয়, এতিয়া দেখিছোঁ ছিলং পাহাৰলৈ গ'লেহে মানুহ ভেড়া হয়, বিশেষকৈ ভেড়া হয় সেইবিলাক মানুহ যিবিলাকে নিজৰ গাঁঠিৰ পইচা নভঙাকৈ তালৈ যাব যে পাৰেই নে, ইচ্ছা কৰিলে আনৰপৰা পোৰা বাট-খৰচৰো কিছু ৰাহী কৰিব পাৰে। যোৱা ১৯২৯ চনত সাহিত্যৰ কাৰণে নোবেল পুৰস্কাৰ পাওঁতা তমাছ মেনৰ নাম নিশ্চয় অনেকে শুনিছে, মেজিক মাউণ্টেন অৰ্থাৎ যাদুৰ পাহাৰ নামৰ উপন্যাসখনেই তেওঁৰ সৰ্বোৎকৃষ্ট ৰচনা। তমাছ মেনকে অনুকৰণ কৰি ক'ব পাৰি যে আমাৰ ছিলং পাহাৰটোও এটা যাদুৰ পাহাৰ, আৰু ছিলং পাহাৰৰ নিপোটল খাছিয়া ছোৱালীবিলাকৰ যাদুত পৰিয়েই হওক বা তাত থকা ব্যৱস্থাপক সভাখনৰ যাদুত পৰিয়েই হওক অনেক মানুহযে তালৈ গ'লে ভেড়া হয়, তাক বাহুল্যকৈ কোৱাৰ সকাম নাই।' এই কথাখিনিয়ে অলপ চাঞ্চল্যৰ সৃষ্টি কৰিলে, কিন্তু লক্ষ্মীধৰ শৰ্মাই এই কথা লৈ মোক খেচ্ খেচ্ কৰি ধৰিছিলহি। ·

"··আপদীয়া প্ৰবন্ধটোৰ আপদীয়া কথাখিনি, অৰ্থাৎ খাছিয়া ছোৱালীৰ উল্লেখখিনি উদ্ধৃত কৰি মই মহাত্মা গান্ধী, পণ্ডিত মতিলাল নেহৰু আৰু লক্ষ্মীনাথ বেজবৰুৱালৈ তিনিখন চিঠি লিখিলোঁ তেওঁলোকৰ অভিমত বিচাৰি।···সময়মতে তিনিওজনৰপৰা উত্তৰ আহিল। সাহিত্য-ৰথী আৰু পণ্ডিতজী দুয়োজনেই কথাখিনি সমৰ্থন কৰিলে, বেজবৰুৱাই লগতে ফোৰণ দিলে যে খাছিয়া ছোৱালীৰ কথা উলিওৱাত কথাখিনি ৰসালহে হৈছে। মই ৰণ জিকিলোঁ যেন লাগিল। কিন্তু ·মহাত্মাজীয়ে লিখিলে যে সেই কথাখিনি বেমাৰী মগজৰপৰাহে ওলাব পাৰে।"

২৬। বিষ্ণু মেধি—শ্ৰীবিষ্ণুৰাম মেধি, কংগ্ৰেছ নেতা, শেহত মাদ্ৰাজৰ ৰাজ্যপাল। হেম বৰুৱা—ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱা। তৰুণ ফুকন—দেশভক্ত তৰুণৰাম ফুকন। নবীন বৰদলৈ—কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ। অমিয়—অমিয়কুমাৰ দাস, এসময়ত অসমৰ শিক্ষামন্ত্ৰী।

২৭। দীনেশ্বৰৰ শ্ৰাদ্ধ-গমিৰিৰ দীনেশ্বৰ আগৰৱালা।

৩১। শ্ৰীঅট্ট—শ্ৰীহট্ট, চিলট।

৩৩। কবীন্দ্ৰ মহাভাৰত—পৰাগলী মহাভাৰত; '১৯৩১ খ্ৰীঃত ধুবুৰীৰ

৺গৌৰীনাথ শাস্ত্ৰীদেৱৰ সম্পাদিত আৰু প্ৰকাশিত অষ্টাদশ পৰ্ব্ব মহাভাৰতে খৰচি মাৰি দেখুৱায় যে এই পুথি বচোঁতা মহাৰাজ নৰনাৰায়ণৰ মন্ত্ৰী আছিল আৰু পঞ্চদশ শতিকাৰ আগ ভাগতে ভাৰত-সম্ৰাট হোছেন শ্বাহৰ সেনাপতি পৰাগল খানৰ অনুৰোধ অনুসৰি তেওঁ এই সংক্ষিপ্ত মহাভাৰত ৰচনা কৰিছিল। পৰাগল খান চট্টগ্ৰামলৈ যাওঁতে লগত নিয়া বাবে এই পুথিৰ কোনো নকল চট্টগ্ৰামত ওলাব পাৰে।' (ডিম্বেশ্বৰ নেওগ, অসমীয়া সাহিত্যৰ বুৰঞ্জীত ভুমুকি।) এই বিষয়ে ডিম্বেশ্বৰ নেওগৰ প্ৰবন্ধ 'কবীন্দ্ৰ ৰচিত অষ্টাদশ পৰ্ব্ব মহাভাৰত চিনাকি' এই সময়ৰ 'বাঁহী'ত (২০শ বছৰ, ৮ম সংখ্যা, পিঠি ৩৪৩-৪৫; ৯ম সংখ্যা, পিঠি ৪১০) প্ৰকাশ পাইছিল।

৩৫। জ্যোতি—জ্যোতিপ্ৰসাদ আগৰৱালা। গিছেছৰ কিতাপ প্ৰজ্ঞাসুন্দৰীৰ অসমীয়া কিতাপ 'বন্ধা-বঢ়া'।

৩৬। 'হেন্দোলদোপ' দল—বোধ হয় অসম সংৰক্ষিণীৰ এটা স্তৰ যেতিয়া তাৰ এজন নেতাই শ্লোগান উলিয়াইছিল 'দলদোপ হেন্দোলদোপ'। তৰুণ—তৰুণ কুমাৰ ভট্টাচাৰ; তেওঁ এই বছৰতে (১৯৬৮) সিদিনা ঢুকাল।

৩৭। ইৰা বাচ্চু—জে বৰুৱাৰ কন্যা (বোলছবি জগতৰ বিখ্যাত শৰ্মিলা ঠাকুৰৰ মাতৃ) আৰু কনিষ্ঠ পুত্ৰ।

৩৯। অনিৰুদ্ধৰ চৰিত-পুথিখনৰ নাম 'গুৰু-বৰ্ণনা'। ইয়াৰ সাঁচিপতীয় নকল বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগত আছে।

৪১। P D Chaliha—ফণীধৰ চলিহা, তেতিয়া অসম কাউন্সিলৰ সদস্য। Anusandhan Samiti কামৰূপ অনুসন্ধান সমিতি বা Assam Research Society.

৪২। ঘনশ্যাম বৰুৱা—এ মজিদ প্ৰথম অসমীয়া মন্ত্ৰী। 'নিজৰ মাতৃভাষাৰ উপৰিও আৰবী, ফাৰ্চী ভাষাৰ অগাধ জ্ঞান থকাত পবিত্ৰ কোৰাণ শ্বৰিফ তেখেতে মূল ভাষাৰপৰা পঢ়ি ইমান সোৱাদ পাইছিল যে এই পৱিত্ৰ গ্ৰন্থক অসমীয়া ভাষালৈ তৰ্জমা কৰিবলৈ আগ বাঢ়িছিল।' (শ্ৰীমতী পুষ্পলতা দাস)

৪৩। মাধৱচন্দ্ৰ বৰদলৈ—নবীনচন্দ্ৰ বৰদলৈৰ পিতৃ, এওঁ মেজিষ্ট্ৰেট আছিল। মাধৱ কন্দলিৰ ৰামায়ণ সম্পূৰ্ণকৈ এবেঁ ছপাই উলিয়াইছিল। Dr Bez Barua & Mr J. Barua—ডাক্তৰ গোলাপচন্দ্ৰ বেজবৰুৱা

আৰু জগন্নাথ বেজবৰুৱা এই সময়ত কলিকতাত নৰিয়া পৰি আছিল। ৩ ডিচেম্বৰ ১৯০৭-ত ডাক্তৰ বেজবৰুৱা ঢুকায় আৰু বৰুৱা ঢুকায় ২১ এপ্ৰিল ১৯০৭ত পুৱা ৯-২০ত, ৫১ লোৱাৰ চাৰ্কুলাৰ ৰোডত। এই বছৰতে আৰু দুজন অসমীয়া মানুহ কলিকতাত ঢুকায়, ১৪ এপ্ৰিলত কৰ্ণেল ডাক্তৰ শিৱৰাম বৰা আৰু ৫ মেইত গোপীনাথ বৰুৱা (ভোলানাথ বৰুৱাৰ সম্পৰ্কীয় লোক)।

৪৪ক। ১৯১৮ চনতে ৰজনীকান্ত বৰদলৈয়ে ই এ. চি কামৰূপৰ অৱসৰ লয় আৰু পিছত চাহ-খেতিত ধৰে। বিজয়বাবু—সম্ভৱতঃ অসাম-পৰ্যটক বিজয়ভূষণ ঘোষচৌধুৰী।

৪৪। কানু প্ৰসন্ন—চাহ-খেতিয়ক প্ৰসন্নকুমাৰ বৰুৱা আৰু বেজবৰুৱাৰ জোঁৱাই ৰোহিণীকুমাৰ বৰুৱা।

৪৫। মায়ামৰীয়াসকল—আহোম বুৰঞ্জী আৰু সাধাৰণ ভাষাত 'মোৱামৰীয়া' বোলা হ'লেও অনিৰুদ্ধদেৱৰ পংক্তিৰ বৈষ্ণৱসকল হ'ল মায়ামৰীয়া। মোৱামৰা বিলৰ পাৰত সত্ৰ হৈছিল বাবে হেনো 'মোৱামৰীয়া'। "আনফালে ১৭০৪ শকৰ ৮ আহাৰ তাৰিখে কমলেশ্বৰ সিংহ স্বৰ্গদেৱে কলিকতাৰ গৱৰ্ণৰ জেনেৰেল বাহাদুৰলৈ লেখা বঙলা পত্ৰত দুঠাইত 'মায়ামৰিয়া' শব্দ ব্যৱহৃত হৈছে। চিঠিখনৰ যি ফাৰ্চী অনুবাদ দিল্লীৰ নেচনেল আৰ্কাইভত আছে, তাতো দুয়ো ঠাইতে 'মায়ামৰিয়া' শব্দই ৰহিছে।" (মহেশ্বৰ নেওগ, 'মায়ামৰীয়াৰ বুৰঞ্জী', ১৯৬৮)। বৰদলৈৰ এই সম্প্ৰদায় সম্পৰ্কীয় প্ৰবন্ধ 'আৱাহন'ত প্ৰকাশ পায় আৰু পিছত চিদানন্দদেৱ-ৰচিত 'অনিৰুদ্ধদেৱ আৰু মায়ামৰীয়া গোসাঁইসকলৰ চৰিত'ৰ পাছত সংযোজিত হৈ ওলায়। মন কৰিব লগীয়া, বৰদলৈদেৱে 'অসম-প্ৰদীপিকা'ত মহাপুৰুষীয়াক সমৰ্থন নকৰিছিল; কিন্তু এতিয়া ঘোৰ মহাপুৰুষীয়া মায়ামৰীয়াসকলৰ পক্ষ উদাৰ আন্তৰিকাৰে লৈছিল। দিনজয় মায়ামৰা সত্ৰ চাবুৱাৰ ওচৰত। 'আদিচৰিত' মহাপুৰুষ মাধৱদেৱৰ নামত চলোৱা অৰ্বাচীন পুথি, যাৰ উদ্দেশ্য মায়ামৰীয়া আদিক হেয় প্ৰতিপন্ন কৰা। 'কল্পতৰু' শাস্ত্ৰৰ সমস্ত কাহিনীটোৱেই সন্দেহৰ যোগ্য যেন লাগে।

৪৭। শ্ৰীমান বেণু—শ্ৰীবেণুধৰ শৰ্মাই উলিয়াইছিল, ৰবীন্দ্ৰনাথ ঠাকুৰৰ বংশ নৰনাৰায়ণ-চিলাৰায়ৰ দিনৰ পুৰুষোত্তম বিদ্যাবাগীশৰপৰা সম্ভূত।

৫২। জ্ঞানদাভিৰাম বৰুৱা দ্বিতীয় বাৰৰ কাৰণে বিলাতত পৰীক্ষা

সম্পূৰ্ণ কৰিবৰ বাবে যায়। 'মৃণ্ময়ী' কাকত কটকৰপৰা বৰুৱাৰ ভিনিহিয়েক ক্ষীৰোদচন্দ্ৰ ৰায়চৌধুৰীয়ে উলিয়াইছিল। খ৫৬-৫৭ চিঠি চাওক।

৫৩। DPT—? C.K.A.'s youngest son—শ্ৰীতৰুণকুমাৰ আগৰৱালা। 'কামৰূপ মহিলা সমিতিৰ কাৰ্য্যবিৱৰণী'ত (বাঁহী, ১৮শ বছৰ, ৫ম সংখ্যা, পিঠি ১৪৯) বৰুৱাই সমিতিক এখন 'ৰঙ্কাবঢা' উপহাৰ দিয়াটো উল্লিখিত হৈছে।

৫৫। বনীৰ—'বত্নাৰ' বা 'ৰত্নীৰ' (ৰত্না বৰুৱা) হ'ব লাগেনেকি। হেম গোসাঁই—Towards the end of April 1928 a diabetic carbuncle appeared on the face of Hemchandra and after two weeks of suffering, he breathed his last in the morning on May 2, 1928 (ডক্টৰ সূৰ্যকুমাৰ ভূঞা) জে বৰুৱাৰ বৰ্তমান চিঠি বোধহয় ১৯২৯ ছনৰ। এই চিঠি আৰু স্বৰ্ণলতা দেৱীৰ চিঠিৰ (খ৫৯) ভাষাত সম্পাদকীয় হাত দিয়া হোৱা নাই; ইসকলে অতি নিষ্ঠাৰে গুণাভিৰাম বৰুৱাৰ পুৰণি শৈলী ৰক্ষাৰ যত্ন কৰিছিল।

৫৬। ক্ষীৰোদচন্দ্ৰ ৰায়—ক১১২ চিঠিৰ টোকা চাওক।

৫৭। এইখনি প্ৰজ্ঞাসুন্দৰীয়ে লেখা চিঠি। ছপাশালৰপৰাহে ইয়াত স্বকীয়া ক্ৰমিক সংখ্যা বহিল।

৫৯। ক্ষীৰোদচন্দ্ৰ ৰায় আৰু স্বৰ্ণলতাৰ পুত্ৰ ঘনু, মুনু, কণু আৰু ধুনু, কন্যা ইলা আৰু বেলা। ইসকলৰ বৰ্তমান নাম-ধাম সংগৃহীত নহ'ল।

৬০। বেজবৰুৱাৰ 'বাঁহী' আৰু ৰজনীকান্ত বৰদলৈৰ 'অসম-প্ৰদীপিকা'ৰ যুঁজ ইতিমধ্যে আৰম্ভ হৈছে। অধ্যাপক কাকতিয়ে 'বাঁহী'লৈ 'সমালোচনা: বুৰঞ্জীৰ সম্ভাব্য আৰু সম্ভাবনা' নামে এটি প্ৰবন্ধ পঠাইছিল। সেইটি 'বাঁহী'ত (দশম বছৰ, ষষ্ঠ সংখ্যা, আহিন ১৮৪২) ওলায়। ইয়াৰ পিছত তেওঁ ভবানন্দ পাঠক নাম লৈ 'বিজুলী' শিতানত একধাৰা প্ৰবন্ধ (মুঠ ১৮টি প্ৰবন্ধ, বাঁহীৰ ১০ম বছৰ ৭ম সংখ্যাৰপৰা ১২শ বছৰ, ৩য় সংখ্যালৈ) লেখে। সৎসম্প্ৰদায়—এই 'অশ্লীল কিতাপ'-খনত শঙ্কৰদেৱ-মাধৱদেৱৰ অপবাদ ৰটা হৈছিল; পুথিখনৰ প্ৰচাৰ বন্ধ কৰা হয়। হেমচন্দ্ৰ গোস্বামীলৈ লেখা বেজবৰুৱাৰ চিঠিত এই সম্পৰ্কে প্ৰকাশক লম্বমুৰাম দাসৰ ওপৰত তৰা গোচৰৰ উল্লেখ আছে। 'চিহ্নযাত্ৰা' সম্পৰ্কে ভাবিব লগীয়া কথা এতিয়াও আছে।

৬২। যশস্পতি—'আসাম-প্রদীপিকা'ৰ প্ৰবন্ধ-লেখক এজনৰ ছদ্ম নাম।

৬৩। বিযাব কাম—অৰুণা আৰু সত্যব্ৰত মুখাৰ্জীৰ।

৬৫। ৺বংশীদেৱৰ চৰিত—ৰমানন্দ দ্বিজৰ বংশীগোপালদেৱৰ চৰিত আমি সম্পাদন কৰি প্ৰকাশ কৰিছো।

৬৬। বিজয বাবু—সম্ভৱতঃ আসাম পৰ্যটক বিজযভূষণ ঘোষচৌধুৰী। 'হেজাৰমুৰীয়া ৰাৱণ'—দ্বাদশ বছৰ 'বাঁহী'ত বেজবৰুবাৰ প্ৰবন্ধ। চৈতন্যৰ অসম-ভ্ৰমণৰ বিষয়ত অলপ লেখিছিলো—বোধ হয় এয়া 'ভৱানন্দ পাঠক'ৰ 'শ্ৰীচৈতন্য—বুৰঞ্জী নে লীলা-প্ৰকাশ' প্ৰবন্ধৰ (বাঁহী, ১২শ বছৰ ৯ম সংখ্যা, পৃষ্ঠ ৮০৩) উল্লেখ।

৬৭। মাদ্ৰাজৰ নটেশন কোম্পানীৰপৰা ওলোৱা কাকতিৰ *Sankara Deva* আৰু তাৰ ওপৰত দিয়া শঙ্কৰদেৱৰ চিত্ৰৰ ইতিহাস এই চিঠিখনিত পাব। সম্ভৱতঃ বেজবৰুৱাই কাকতিক সমৰ্থন কৰিছিল, কাৰণ ইযাৰ পিছত ছবিখন কাৰ্ত্তিৰ পুথিৰ বাকলিত ছপা হয়, আৰু ছবিখনৰ এটা স্কেচ্ পুনৰ দুৰ্গাধৰ বৰকটকী-সম্পাদিত ভূষণ দ্বিজৰ 'শঙ্কৰ চৰিত'ত ১৯২৫-ত ওলায আৰু বাঁহী'ত ওলোৱা চৰিতখনৰ সমালোচনাত বেজবৰুৱাই চিত্ৰখন সম্পৰ্কে কোনো আপত্তিকে তোলা নাছিল।

৬৮। শ্ৰীশঙ্কৰদেৱ গদ্য-চৰিত—শ্ৰীউপেন্দ্ৰচন্দ্ৰ লেখাৰুৰ দ্বাৰা সম্পাদিত হৈ 'কথা-গুৰুচৰিত' নামে পিছত প্ৰকাশিত।

৬৯। বৈষ্ণৱ ধৰ্ম্মৰ বক্তৃতা—বেজবৰুৱাৰ প্ৰথম বৰোদা-বক্তৃতা *The History of Vaishnavism in India.*

৭০। কাকতিযে *Assamese—Its Formation and Development* লেখি কলিকতা বিশ্ববিদ্যালয়ৰপৰা ১৯৩৫ত পি.এইচ্.ডি ডিগ্ৰী পায়। তাতে আনন্দ প্ৰকাশ কৰি বেজবৰুৱাই দিয়া চিঠিৰ সমিধান এই চিঠি। শঙ্কৰদেৱ আৰু অসমীয়া বৈষ্ণৱ আন্দোলনৰ ইতিহাস ডক্টৰ কাকতিৰ শেষলৈকে লেখা হৈ মুঠে আৰু সেই কামত 'পত্ৰলেখা'ৰ সম্পাদক নেওগক নিযোগ কৰে।

৭২। বিৰিঞ্চি—বিৰিঞ্চি বেজবৰুৱা, বৰ্ত্তমান ডিব্ৰুগড়ত থকা শ্ৰীবীৰেন্দ্ৰনাথ বেজবৰুৱাৰ পিতৃ। বিনন্দ—বেজবৰুৱাৰ ককায়েক বিনন্দচন্দ্ৰ বেজবৰুৱা (শিৱসাগৰ), শ্ৰীআনন্দচন্দ্ৰ আৰু মাধৱচন্দ্ৰ বেজবৰুৱাৰ পিতৃ। ৰাধিকা—ৰাধিকানাথ শৰ্মা, শিৱসাগৰৰ পৰম বিদ্যোৎসাহী

পুৰুষ, তাৰ বেজবৰুৱা স্কুল আৰু ফুলেশ্বৰী ছোৱালী স্কুলৰ প্ৰতিষ্ঠাপক শিক্ষক। আনন্দ—শ্ৰীআনন্দচন্দ্ৰ বেজবৰুৱা। বিনোদ—সম্ভৱতঃ, বিনন্দচন্দ্ৰ বেজবৰুৱা। গোবিন্দ—বিখ্যাত শিক্ষাবিদ্ গোবিন্দচন্দ্ৰ বেজবৰুৱা। *Eng* মেন—*The Englishman* পত্ৰিকা।

৭৫। গোবিন্দচন্দ্ৰ বেজবৰুৱাৰ চিঠিৰ শেষৰ অসমীয়া লেখাখিনি তেওঁৰ হাতৰ আখৰৰ নহয়। সম্ভৱতঃ সেইখণ্ড আন কোনোজন ভ্ৰাতৃৰ লেখা। কমলাবাৰী গ্ৰাণ্টৰ সত্ৰ বা খেৰাজী সত্ৰ দীননাথ বেজবৰুৱ ডাঙৰীয়াযে ছবকাৰৰপৰা মাটিৰ গ্ৰাণ্ট এটা দিয়াই পতাইছিল।

৭৬। শ্ৰীনাথ বেজবৰুৱা লক্ষ্মীনাথৰ সৰু ককায়েক, কান-সমনীয়া লগৰীয়া। তেওঁ দীননাথ বেজবৰুৱাৰ লেখা বেজবৰুৱাৰ বংশাৱলীৰ শেহৰ খণ্ড সম্পূৰ্ণ কৰে আৰু লক্ষ্মীনাথ বেজবৰুৱাই তেতিয়া সেইখনি কলিকতাৰপৰা প্ৰকাশ কৰে। শ্ৰীযুতা—শ্ৰীনাথ-লক্ষ্মীনাথৰ মাতৃ ঠানেশ্বৰী দেৱী, দীননাথ বেজবৰুৱাৰ দ্বিতীয়া পত্নী। বৰ বেবি, সৰু বেবি—অৰুণা আৰু ৰত্না। দীপিকাই অৰণ্যে ইযাৰ আগতে জন্মলাভ কৰে। তুলসী বাবু—বেজবৰুৱা-বংশৰে 'হেমকোষ'ৰ হেমচন্দ্ৰ বৰুৱা আদিৰ ঠাইৰ তুলসীৰাম বৰুৱা (খ৯০ চিঠি চাওক)। হৰি বাপা—হৰিনাথ বেজবৰুৱা তেতিয়া কলিকতাত।

৭৭। G. B.—গোবিন্দচন্দ্ৰ বেজবৰুৱা।

৭৮। দেবেন—সম্ভৱতঃ, গোবিন্দচন্দ্ৰ বেজবৰুৱাৰ পুত্ৰ, অসমীয়া ভাষা-সাহিত্যৰ বুৰঞ্জী-লেখক দেবেন্দ্ৰনাথ বেজবৰুৱা। কৃষ্ণ—সম্ভৱতঃ কৃষ্ণনাথ বেজবৰুৱা, গেলেকিৰ হেডমাষ্টৰ।

৭৯। মাধ—মাধৱচন্দ্ৰ বেজবৰুৱা, 'বাঁহী'ৰ শেষ সম্পাদক।

৮০। দুৱৰাই এই চিঠি লেখাদিনা শ্বাহজাহানপুৰত সুদক্ষিণাৰ (শ্ৰীমতী জ্বালাপ্ৰসাদ) আলহী হৈ গৈছিল থিয়েটাৰত 'বাল্মীকি-প্ৰতিভা' অভিনয়ত প্ৰথম দস্যুৰ ভাও দিছে। প্ৰজ্ঞাসুন্দৰী লক্ষ্মী আৰু দ্বিতীয় দস্যু, অৰুণা সৰস্বতী আৰু বালিকা, শোভনা (প্ৰজ্ঞাসুন্দৰীৰ ভনীয়েক) বাল্মীকি, ৰত্না আৰু দীপিকা বনদেৱী। দুৱৰাই এই সময়ত 'বাঁহী'ৰ কামত পাৰ্যমানে সহায় কৰিছিল। প্ৰেমধৰ চলিহা ফণীধৰ চলিহাৰ ৰবল'ৰা ৰৰমইনা। এওঁ 'বাঁহী'ৰ ওপৰ শ্ৰেণীৰ লেখক আছিল। এওঁ দুকাওঁতে বেজবৰুৱাই 'বাঁহী'ত বৰ দুখ প্ৰকাশ কৰিছিল। An

ideal historical drama—বেজবৰুৱাৰ ঐতিহাসিক নাটক 'চক্ৰধ্বজসিংহ', 'জয়মতী-কুঁৱৰী' আৰু 'বেলিমাৰ' পিছৰ বছৰত (১৯১৫) প্ৰায় একেলগে ওলায়। বেজবৰুৱাই ৩ জুন ১৯১৫-ত হাতেলেখা 'চক্ৰধ্বজসিংহ'খন হেমচন্দ্ৰ গোস্বামীৰ হাতত ছপাবলৈ দিয়ে। Sarat Babu—বেজবৰুৱাৰ কৰ্মচাৰী শৰৎচন্দ্ৰ আচাৰ্য; এওঁ ৩০ জুন ১৯১৮-ত বেজবৰুৱাৰ কাম এৰে।

৮১। Ispiation—বোধ হয়, inspiration, কাৰণ বেজবৰুৱাৰ মতে দুৰবাৰ বৰ্ণমালাত 'ৰ' উচ্চাৰণ নাযেই। Barua—ভোলানাথ।

৮২। 'বাঁহী' এতিয়া ডিব্ৰুগড়ৰপৰা ওলায় আৰু দুৰৰ'ও এতিয়া তাতে। 'কলমালি' ১৯১৩-ত ওলাইছিল।

৮৩। ফুকন—শ্ৰীনীলমণি ফুকন।

৮৫। 'শঙ্খনাদ' ১৯১১-তে ওলাইছিল। বহুত দিনলৈকে বহুতৰ ধাৰণা আছিল অনন্ত কন্দলি আৰু ৰাম সৰস্বতী একেজন কবি।

৮৬। বেজবৰুৱা অসম সাহিত্য-সম্মিলনৰ (গুৱাহাটী, ডিচেম্বৰ ১৯২৮) সভাপতিৰ অভিভাষণখনি সুদীঘ হৈছিল (৮৬৮ টোকা চাওক)। দুৰবাই তাৰ সম্পাদনাৰ কাম কৰাৰ নতুন খবৰ বৰ্তমানখনি চিঠিয়ে দিব। অমিয়, লখী, হেম বৰুৱা—শ্ৰীঅমিয়কুমাৰ দাস, লক্ষ্মীধৰ শৰ্মা আৰু ভাগিনীয়। লক্ষ্মীধৰ শৰ্মা, দুৰৰ, বৰুৱা আদি বেজবৰুৱাৰ লগত কলিকতাৰপৰা গুৱাহাটীৰ সন্মিলনলৈ আহে। ঘূৰোতে গুৱাহাটীৰপৰা পুনৰ শৰ্মা লগত গৈছিল।

৮৭। B C Bezbaroa—বিনন্দচন্দ্ৰ বেজবৰুৱা।

৮৮। দুৰবাৰ 'ওমৰ-তীৰ্থ' ১৯২৫ত প্ৰকাশিত হয়।

৮৯। লক্ষ্মীধৰ শৰ্মা ৮ৰ পৰা ১১ এপ্ৰিললৈকে সম্বলপুৰত থাকি আহিছে।

৯১। ১৯ আৰু ২০ অক্টোবৰ ১৯২৬ত ধুবুৰীত আসাম সাহিত্য-সম্মিলন বহে। বেণুধৰ ৰাজখোৱা সভাপতি। প্ৰথম দিনা পঢ়া সভাপতিৰ অভিভাষণ শুনি ৰুষ্ট হৈ বঙালীসকলে পিছদিনা অভ্যৰ্থনাৰ সভাপতি ৰবীন্দ্ৰনাথ চৌধুৰীৰ ঘৰত সভা পাতে। সেইদিনা সন্মিলনত বেজবৰুৱা আৰু তৰুণৰাম ফুকনৰ বক্তৃতাই অৱস্থা আয়ত্তাধীন কৰে। বেজবৰুৱা 'বিজনী হাউছ'ত আছিলগৈ। গুৰুদাসৰ দোকান—গুৰুদাস চট্টোপাধ্যায় এণ্ড্ ছন্‌ছ।

৯৩। বংশাৱলী—দীননাথ আৰু শ্ৰীনাথ বেজবৰুৱা-লিখিত

'বেজবৰুৱাৰ বংশাৱলী'। পাৰ্ব্বতী—পাৰ্ব্বতিপ্ৰসাদ বৰুৱা। 'বিনা কষ্টে পইছা এবা বৰি' 'জুগুলী'ৰ সম্পাদকীয় প্ৰবন্ধ ৮ম বছৰ 'বাঁহী'ত ওলাইছিল।

৯৪। এইখন চিঠি সম্পূৰ্ণ পাৰ্ব্বতিপ্ৰসাদ বৰুৱাৰ হাতৰ আখৰৰ। তাৰ কথাখিনিতো বোধ হয় তেওঁ হাত-উজনি দিছিল। ভাষাতো দুৱৰাৰ ভাষাতকৈ সৰহ চোক।

৯৫। আপোনাৰ কিতাপ—'বেজবৰুৱাৰ বংশাৱলী'।

৯৬। দুৱৰাইযে 'বাঁহী'ৰ 'সুদৰ্শন শৰ্মা', এই চিঠিত ধৰা পৰিছে। ৮ম বছৰ 'বাঁহী'ত ববৰুৱাই 'বলে নোৱৰা সুদৰ্শন' আৰু 'ববৰুৱা-সুদৰ্শন সংবাদ' লেখিছিল। এই বছৰতে '(সুদৰ্শন বিৰচিত কবিতা) মাথোন এটি কথা'ও ওলায়। লগতে '(ববৰুৱা বিৰচিত বঁটা)।'

৯৮। এই চিঠিখন ১৯২৬ ছনবহে হ'ব লাগে সম্ভৱতঃ। (খ৯: চিঠি চাওক)। বুবু—পূৰ্ণিমা চৌধুৰী। (ক-১৭৬ টোকা চাওক)।

৯৯। বেজবৰুৱাৰ চিঠি (ক:১৮ চাওক)। সম্ভৱতঃ বৰ্তমানখন চিঠি ৭।২।৩০ তাৰিখে লেখা. 'জানুৱাৰী ১৯৩০' আমি অনুমানতহে বহুৱাইছিলো। বেজবৰুৱাই সম্ভৱতঃ ঠিকেই ধৰিছে, বেজবৰুৱা সমিতি পতাত একো-নজনা-ভাও-ধৰা দুৱৰা 'পাতৰ আঁৰত লুকাই থকা ধানপুৰীযা কঁঠাল।' সমিতিৰ যে আদৰ্শ Shakespearian Society এই চিঠিৰপৰা স্পষ্ট জনা গৈছে। বাণীকান্ত কাকতিযে প্ৰথম সভাত বিখ্যাত 'বেজবৰুৱা' প্ৰবন্ধ পাঠ কৰিছিল। প্ৰবন্ধটি 'আৱাহন'ত (১ম বছৰ ৫ম সংখ্যা, ফাগুন ১৮৫১) প্ৰথম ওলাইছিল। সমিতিৰ প্ৰথম অধিৱেশন ৫ আঘোণ ১৮৫২-ত (২০ কি ২১ ডিচেম্বৰ ১৯৩০) বহে। (খ:৩৬ চিঠিৰ টোকা চাওক)।

১০১। বেজবৰুৱা ১৮ আগস্ট ১৯৩৭-ত পত্নী আৰু ৰত্নাৰে সম্বলপুৰ এৰি ১৯ত কলিকতা পাই হিতেন্দ্ৰকুমাৰ বৰুৱাৰ (এতিযা গুৱাহাটী বিশ্ববিদ্যালযৰ অধ্যাপক) লগত ২১লৈ বৈ ডিব্ৰুগড়মুৱা হয। তাত তেওঁৰ গা অলপ ভাল হ'লত ডিচেম্বৰত ডিব্ৰুগড় সাহিত্য সভাই নি এখন অভিনন্দন দিযে। দীপিকাই ১৩ জানুৱাৰী ১৯৩৮-ত বিলাতৰপৰা জাহাজে বোম্বাই পাই, ১৫ত কলিকতা পাই, ১ ফেব্ৰুৱাৰীৰ নিশা বাৰ বজাত ডিব্ৰুগড় পায়হি। ১৩ ফেব্ৰুৱাৰীত জী-জোঁৱাই আৰু

আনসকলেৰে বেজবৰুৱা বালিভাত খায়গৈ ; গা কিন্তু তেতিয়াও বৰ বাৰু নহয়। ২১ত দীপিকাই ডিক্রু এৰে। ২ মার্চত চন্দ্রকুমাৰ আগৰৱালা ঢুকায। ২০ত জোঁৱাইৰ মটৰ-বোটত উঠি বেজবৰুৱাই বালিভাত খায়গৈ। —এই সকলোখিনি কথা তেওঁ নিজ হাতে ১৯৩৮-ৰ দিনলেখাত টুকি থৈছে। তাৰ পিছত দিনলেখা নিমাত। বেজবৰুৱাই ১২ মার্চত চুনবালৈ চিঠি (ক২৮ চাওক) দিলে। কবিয়ে ১৪ত সেইখনি পালে, ১৮ত বর্তমানখনি লেখিলে। ছিস্টাৰ দীপিকাই কোৱা কথা : ২৬ মার্চৰ দিনা কবি তেওঁৰ ওচৰলৈ উচুপি উচুপি লৰি আহি সংবাদ দিলে, 'সকলো শেষ।'

১০১। এইখন চিঠি প্রজ্ঞাসুন্দৰীলৈ লেখা।

১০৪। ১৮শ বছৰ, ২য় সংখ্যা (পিঠি ২০) 'বাঁহী'ত বেজবৰুৱাই 'কেতকী,ৰ সমালোচনা প্রকাশ কৰে।

১০৫। ১০ মার্চ ১৯৩৫ দেওবাৰৰ দিনলেখা : Opened the film at the Raonak Mahal Cinema house at 9 A.M with a speech in Assam[ese] Pleased with show. Delighted to see sprightly Dalmi in flesh and bones in the film My fancy realized. On the whole the fil n is a success, barring the sound defects and other minor shortcomings.

১০৭। ১৮৪৩ শকৰ কাতিৰ 'বাঁহী'ত ওলোৱা 'মধুপর্ক'ত প্রায আঢৈ স্তম্ভ জুৰি বৰফুকনৰ গীত প্রকাশ হৈছিল।

১০৯। উমেশ বৰুৱা—ভুবনচন্দ্র বৰুৱাৰ সাহিত্য লেখা নাম। এওঁ সাধাৰণতে জনাজাত কাপ্তান বুলি। এওঁক ভোলানাথ বৰুৱাই তোলনীয়া কৰি লৈছিল। কিন্তু কাপ্তানৰ অকালতে মৃত্যু ঘটে। 'বাঁহী'ত বাৰছৰ আহিৰ 'একণমানি ছোৱালীকণ এই', কামৰূপীয়া ভাষাত 'হা মোৰ কাপাল', 'গুৰু-গীতিমালা' আদি কবিতাৰে এওঁ অদ্ভুত প্রতিভাৰ পৰিচয় দিছিল। 'মৃন্ময়ী'ত যোগেশচন্দ্র ৰায বিদ্যানিধিয়ে অসমীয়া ভাষাৰ স্বকীয়া অস্তিত্ব অস্বীকাৰ কৰোঁতে এওঁ সেই কাগজতে তীব্র প্রতিবাদ কৰিছিল 'ভাষাবাদ-ৰহস্যোদ্ঘাটন' নামৰ প্রবন্ধেৰে।

১১০। ক৪৩ চিঠি আৰু টোকা চাওক। দীপিকাই নগত বায়েক ৰত্নাৰ ডাঙৰ ছোৱালী প্রণতিক লৈ ৩১ আগস্টত সম্বলপুৰ ওলায়গৈ

আৰু ৬ ছেপ্টেম্বৰত পুনৰ প্ৰণতিবে ঘূৰি আহে। পিছৰ মাহত তেওঁ বিলাত-যাত্ৰা কৰে আৰু তাত ছেইণ্ট জন্ দি বেপ্টিস্ট কন্‌ভেণ্টত থাকেগৈ। খ১০১ আৰু ক১৬১ চিঠিৰ টোকা চাওক।

১১১। ব্যৱসায়-ক্ষেত্ৰত ভোলানাথ লক্ষ্মীনাথৰ এৰা-এৰি হোৱাত অনেকৰ কাৰণে গাৰনি এটা হৈছিল আৰু এতিয়াও হৈ আছে। কিন্তু সেই লোক-দেখন এৰা-এৰিৰ পিছত 'ৰাম-কৃষ্ণ দুই ভাই'ৰ প্ৰণয় বৰ্ত্তি আছিল ১৯২৩-ত বৰুৱাৰ মৃত্যুলৈকে। দুইজনৰ মাজৰ এই প্ৰণয়ৰ তুলনাত পাঁচ হেজাৰ টকা একো নহয়, কিন্তু সি সেই প্ৰণয়ৰ এটি পবিত্ৰ প্ৰতীক নিশ্চয় হ'ব পাৰে।

১১২। দেৱেন্দ্ৰনাথ বেজবৰুৱা গোবিন্দচন্দ্ৰ বেজবৰুৱাৰ পুত্ৰ, এওঁ উকীল আৰু যোৰহাট বেজবৰুৱা স্কুলৰ তত্ত্বাৱধায়ক আছিল। এওঁ 'অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জী'ৰ গ্ৰন্থকৰ্তা। Bis a Dodaideu—বিষ্ণু বেজবৰুৱা। G G Phookan—গঙ্গাগোবিন্দ ফুকন।

১১৩। ১৯২৩ৰপৰা ২৬ অক্টোবৰলৈ বেজবৰুৱা জী-জোঁৱাইৰ লগত বৰোদাৰ ভিতৰৰ নৱসাৰিত থাকি আহিছে। তাতে পুলিচ চুপাৰিণ্টেণ্ডেণ্ট ৱিথল ৰাওৰ লগত চিনা-পৰিচয় হয়। ডিচেম্বৰত চামুণ্ডা হাবিত দুই-তিনি দিন চিকাৰ নেপাই ১৯২৪-ৰ ৩ জানুৱাৰীত বন্ধু হামিদ ছাহেবক লগত লৈ গুমকৰ্মা গাঁৱত চিকাৰ কৰিবলৈ যায়। ৭ তাৰিখে তাতে প্ৰকাণ্ড মেখোন এটা বেজবৰুৱাৰ গুলীত ধৰাশায়ী হয়।

১১৪। ১৯২০ত বিয়াৰ সময়ত মুখাৰ্জী পিয়লৰ আয়ুক্ত আছিল। এতিয়া ১৯৩২ত পুনৰ ১৯৩১-ৰ পিয়লৰ কামত তেওঁ ব্যস্ত।

১১৯। সাহিত্য সভাৰ মঙ্গলদৈ সম্মিলনলৈ (১৯৩৮) বেজবৰুৱা অহা নাছিল।

১২১। সাহিত্য সভাৰ তেজপুৰ সম্মিলনলৈ (১৯৩৪) বেজবৰুৱা আহিব নোৱাৰিলে। দৈনিক 'বাতৰি'লৈ তেওঁ তলৰ চিঠিখন পঠিয়ালে প্ৰধান সম্পাদকৰ চিঠি পোৱাৰ আগতে, আৰু ৫ ডিচেম্বৰত বৰোদালৈ সস্ত্ৰীকে যাত্ৰা কৰিলে।

আজি 'বাতৰি'ৰ গাত ওলোমাবাদুলি দি গোটাচেৰেক কথা ক'ব খুজিছোঁ। 'বাতৰি'য়ে যদি সেই দোৰাত্ম্য সহি ক'বলৈ দিয়ে, তেন্তে কোৱা হ'ব। নহ'লে নাই। কথাকেইটা কোৱা হ'লে লোকৰ

উপকাৰ কৰা হ'ব নে নহয়, ক'ব নোৱাৰোঁ ; কিন্তু মোৰ হ'লে হ'ব। কাৰণ, সেইকেইটাই মোৰ পেটত বৰকৈ কোৰকোৰাইছে। আমাৰ পুৰণি সাধুত থকা, তাহানি বাঁৰী-কোঁৱৰে বনৰজাৰ হাতৰপৰা সাৰি যোৱাৰ দৰে, কিজানি সেই কোৰকোৰোৱা কথাবোৰ কেঁকোৰাহে আৰু সিহঁত ওলাব খুজিছে বুলি কৈ সাৰিবই পাৰোঁ।

'বাতৰি'যে মোক অহা 'আসাম সাহিত্য-সভা'ৰ সভাপতি পাতিবলৈ কুলকুলাইছে ; অকল কুলকুলোৱাই নহয়, আন আন কাকতেৰে সৈতে অলপ-অচৰপ কথা কটাকটিও কৰিছে। সেই দেখি 'বাতৰি'ক কাবৌ কৰি কওঁ যে তেওঁ ক্ষান্ত দিয়ক। অৱশ্যে আসাম সাহিত্য-সভা'ৰ সভাপতিৰ পদ মোৰ পক্ষে বাঘ নহয়, সম্মান আৰু মৰ্য্যাদাহে। আগেয়েও এবাৰ তেনে বাঘ বনৰজাক নেদেখাকৈয়ে সাৰি আহিছোঁ। কিন্তু এইবাৰ বাঘ দেখিছোঁ ; নিচকত নহ'লেও সমাজিকত। তাৰ কাৰণ কওঁ—মই বয়সৰ জখলাৰ খোপত উঠিয়েই হওক বা নামিয়েই হওক, তিনি কুৰি দহ বছৰৰ খোপত পৰি সিখোপলৈ ভৰি মেলিছোঁ। ইংৰাজীত ক'বৰ নিচিনা, মোৰ অৱস্থা second childhood ; গাৰ বলতো গ'লেই, মনৰ বলো গ'ল যেন লাগিছে—অৱশ্যে সেইটোৰ বিচাৰৰ ভাৰ ৰাইজৰ গাত। এনে স্থলত এই বুঢ়া কাটি-ছিটি একাকাৰ হোৱা ফটাকঁথাখন যেন হৈছে। তাক টানি-টুনি আঁজুৰি নি সাহিত্য সভাৰ গাত পেলাই দিবলৈ যোৱাটো ইংৰাজীত কোৱা দৰে cruelty to animals-হে হ'ব ; আৰু The Society for the Preventi on of Cruelty to Animals-অৰ সজাগ চকুৰ দৃষ্টি কিজানি উদ্যোগকৰ্ত্তাসকলেও এবাব নোৱাৰিব। অৱশ্যে, টেঙৰ 'বাতৰি'য়ে ৰোমৰ বুঢ়া 'চিনেটৰ' বা সেনাপতিক হালোৱা-তলিৰপৰা মাতি আনি হাতৰ নাঙলটো দিনদেকলৈ দলিয়াই পেলোৱাই যুঁজত আগৰণুৱা কৰি দিয়াৰ উদাহৰণ দেখুৱাইছে, সঁচা। কিন্তু তেওঁ পাহৰিছে যে ৰোমৰ ৰোমান বুঢ়া হ'লেও কলকলাই থকা হাড়ৰ ৰোমান ; আৰু খাৱ খোৱা অসমৰ বুঢ়া অসমীয়া খাৱণি দিয়া পচলা বুঢ়াৰ কথাকে নকওঁ, অসমৰ ডেকাসকলে মোক ক্ষমা কৰিব, তেওঁলোককো খোদৰপচলাকে বুলি মোৰ ক'বৰ মন গৈছে। কিয়নো এই টান মাতষাৰ মাতিলোঁ, মই তাৰ কাৰণটো

বহলাই পিছত ক'ম। তাৰ আগতে কওঁ যে বলৱন্ত 'বাতৰি'ৰ কথা শুনি বা কথাত ভুলি মোক সাহিত্য-সভাৰ পদ দৈৱাৎ যচা হয়, মই সেইটো ল'ব নোৱাৰাৰ আৰু এটা কাৰণ আছে।

এই ডিচেম্বৰ মাহৰ প্ৰথম সপ্তাহতে মই বৰোদালৈ যাব লাগিব। বৰোদাৰ মহাৰজাৰ ৰাজত্বকালৰ জুবিলী। তাত থকা মোৰ জী-জোঁৱাইক চোৱাৰ উপৰিও জুবিলী চাবলৈ মই নিমন্ত্ৰিত। যাম বুলি স্বীকাৰ কৰিলোঁ। এনেই এই সম্বলপুৰৰপৰা তেজপুৰ সুদূৰ। বৰোদাৰপৰা সুদূৰৰ ওপৰত বিদূৰ। গতিকে মহাৰজা ধৃতৰাষ্ট্ৰই পাৰিছিল যদিও, মই বিদূৰৰ হাক পেলাই দিব নোৱাৰোঁ। কোনবাই এইখিনিতে ক'ব পাৰিব যে দেশৰ ডাকৰ আগত সুদূৰ বিদূৰক থিয় কৰাটো জানো ভাল কথা হৈছে? মই কওঁ, নিশ্চয় নাই হোৱা। দেশৰ ডাকতকৈ বিদূৰ মোমাই ডাঙৰ নহয়। কিন্তু মইহে দেখিছোঁ দেশৰ ডাকগাড়ীখন 'মেইন লাইনে'দি নগৈ 'লুপলাইন'ত পৰিছে। 'মেইন' বা 'কৰ্ড' লাইনেদি গ'লেহে সফলতাৰ মোগলছৰাই বোলা স্টেশ্যনত সোনকালে ওলাবগৈ পাৰি। সেই দেখি ডাক্তৰ ৰবীন্দ্ৰনাথ ঠাকুৰৰ গানৰ ভাষাৰে কওঁ,

> কাছে আছে দেখিতে না পাও,
> তুমি কাহার সন্ধানে দূরে যাও?

এইবাৰৰ সাহিত্য-সভাৰ সভাপতিৰ আসনত গুৰাই ধৰা অসমীয়া সাহিত্যিক ডেকা পণ্ডিত—যাৰ নাম আৰু গুণ-গৰিমাৰ কথা সকলোৱে জানিছে—এজন হাতৰ কাষতে আছে। নামটো নক'লেও হয় যে তেওঁ আমাৰ সকলোৰে শ্ৰদ্ধাভাজন পণ্ডিতাগ্ৰগণ্য ডাক্তৰ বাণীকান্ত কাকতী। তেওঁ অসমীয়া ভাষাতত্ত্বৰ ক্ষেত্ৰত যি মহাদানৰ কঠীয়া পাৰিলে, তাৰ বাবে কৃতজ্ঞতা-প্ৰকাশ অকল ধনচেৰেক সৰু-সুৰা সভাত কৰিলেই নহয়, আসাম সাহিত্য-সভাৰ শ্ৰেষ্ঠ আসনত তেওঁক তপতে তপতে বহুৱাই দিলেহে সম্পূৰ্ণৰূপে সেই কাৰ্য্য কৰা হ'ব। তেওঁ মোৰ অতি স্নেহভাজন। সেই স্নেহ অকৃত্ৰিম আৰু আজিৰ নহয়। আশা কৰোঁ, তেওঁক গোটেই অসমে এক বাক্যেৰে এইবাৰ সাহিত্য-সভাৰ সভাপতিৰ পদত বৰণ কৰিব।

বেজবৰুৱাই এসময়ত চন্দ্ৰকুমাৰ আগৰৱালাক সাহিত্য-সভাৰ সভাপতি

কৰিব খুজিছিল ; কিন্তু আগৰৱালা গৰৰাজী, 'ভবি ভুলবাৰ নয়'। ডক্টৰ কাকতিক বেজবৰুৱাই 'তপতে তপতে' সভাপতি কৰিবলৈ ক'লেও তেওঁক তপততে বা চেঁচাতে সভাপতি কৰা নহ'ল। বেজবৰুৱালৈ এজনে এই সময়ত লেখিছিল, শ্ৰীনীলমণি ফুকনেহে তেজপুৰত সভাপতি হ'বলৈ যত্ন কৰিছিল। প্ৰকৃততে কিন্তু, ফুকনৰ 'বাতৰি'যে আনৰ লগত বেজবৰুৱাৰ হকেহে যুঁজিছিল। বৰোদাৰপৰা ঘূৰি আহি বেজবৰুৱাই 'আৱাহন'ত বৰোদাৰ বিষয়ে কেইবাটাও প্ৰবন্ধ লেখে।

১২২। বেজবৰুৱাক দিয়া সকলোখিনি অভিনন্দন-পত্ৰ পোৱা নগ'ল। তেওঁৰ এই যাত্ৰাৰ অতিশয় মনোৰম বিৱৰণ 'মোৰ মাতৃমুখ-দৰ্শন'। তেওঁৰ দিনলেখামতে ডিব্ৰুগড় মহিলা সমিতিয়ে ২ অক্টোবৰ ১৯৩০-ত অভিনন্দন দিয়ে। কিন্তু ছপা অভিনন্দনৰ তাৰিখ ৯।১০।৩০।

১২৩। দিনলেখামতে শিৱসাগৰৰ মহিলাসভাই ২২ অক্টোবৰ ১৯৩০-ত দিয়ে, এইখনি ধুনীয়া অভিনন্দন পাঠ কৰিছিল কমলালয়া কাকতীয়ে।

১২৪। ২৯ অক্টোবৰ ১৯৩০-ৰ দিনলেখা : Gauhati. অভিনন্দন by Earle Law College, কনক presided

১২৫। ২১ ছেপ্টেম্বৰ ১৯৩০ৰ দিনলেখা : (কলিকতাৰপৰা) Arrived Gauhati in the mornirg, stopped at J. B's (জ্ঞানদাভিৰাম বৰুৱাৰ ঘৰ, দীঘলীপুখুৰী) Cotton College student gave me an অভিনন্দন, presided by Brown Grand success. এয়া বেজবৰুৱাৰ ১৯৩০-ৰ জয়যাত্ৰাৰ আৰম্ভণ। ১৮৫২ শকৰ 'বাঁহী'ত (পিঠি ৯৩) এই অভিনন্দনখনি বেজবৰুৱাৰ উত্তৰে সৈতে প্ৰকাশ পাইছিল।

১২৬। বেজবৰুৱা সমিতিৰ অভিনন্দনখনিৰ তাৰিখ ৭ আঘোণ ১৮৫২ ; ইংৰাজীমতে ১৯৩০-ৰ ডিচেম্বৰ ২০-২১ তাৰিখমান হ'ব লাগে। বেজবৰুৱাৰ এই বছৰৰ দিনলেখাখন ইংৰাজীত ছপা, তাত ভাৰতীয় তাৰিখ নাই। তেওঁ ১৯ ডিচেম্বৰত সম্বলপুৰ এৰি জোড়াসাঁকোত ২৪-লৈকে থকাৰ কথা লেখিছে। অভিনন্দন বা বেজবৰুৱা সমিতিৰ কথা তাত নাই। 'মাতৃমুখ-দৰ্শন' কৰি অসমৰপৰা ঘূৰি তেওঁ ৩১ অক্টোবৰ ১৯৩০ত কলিকতা পায়গৈ আৰু পিছদিনাই ঝাৰসোগোৰা-মুৱা হয়। এই তাৰিখৰ দিনলেখাতো অভিনন্দনৰ কথা নাই। সম্ভৱতঃ ২০ কি ২১ ডিচেম্বৰতহে বেজবৰুৱা সমিতিৰ প্ৰথম অধিৱেশন বহে।

১২৭। শিৱসাগৰৰ কালীপ্ৰসাদ ভৱনত (তেতিয়া বোধ হয় সম্পূৰ্ণ হোৱা নাই) ২৭-২৮ ডিচেম্বৰ ১৯৩১-ত নগেন্দ্ৰনাৰায়ণ চৌধুৰীৰ সভাপতিত্বত আসাম সাহিত্য-সভাৰ সম্মিলন বহে। পিছদিনা একে ঠাইতে বেজবৰুৱাক অভিনন্দন জনোৱা হয়। এশাৰী শৰাইৰ পাছফালে বহি থকা সাহিত্য-ৰথীক সাহিত্যিকসকল আৰু ককায়েকসকলে আগুৰি ধৰি আছিল। সাঁচি-পাতৰ মূল অভিনন্দন আৰু তাক সুমুৱাই দিয়া হাতীদাঁতৰ সঁফুৰা গুৱাহাটীৰ অসম ৰাজ্যিক সংগ্ৰহালয়ত ৰক্ষিত হৈছে। অভিনন্দন আৰু তাৰ উত্তৰটি 'বাঁহী'ত (২০শ বছৰ, ৯ম সংখ্যা, পুহ ১৮৩৫) ছপা হৈছিল। তাৰ পিছত ডিম্বেশ্বৰ নেওগৰ প্ৰবন্ধ (২০শ বছৰ, ১১শ সংখ্যা, পিঠি ৪৪৩-৪৪) 'শিৱসাগৰ সাহিত্য-সম্মিলন আৰু বেজবৰুৱাদেৱৰ অভিনন্দন'ত তাৰ এটি সমালোচনা আগ বঢ়োৱা হৈছিল।

গ. ওপৰঞ্চি

১। বোধ হয় ১৯০৬-১৯০৭ মানৰপৰা বেজবৰুৱা হাওড়াৰ অবৈতনিক বিচাৰক নিযুক্ত হয়। ৪ এপ্রিল ১৯০৮ দ্বিতীয় শ্রেণীৰ বিচাৰকৰ (মেজিষ্ট্রেট) ক্ষমতা দিয়া হয়। ১৯১৭ৰ আগস্ট-লৈকে তেওঁ এই কাম কৰিছিল।

৩। ১৭ মেই ১৮৯৭ৰপৰা হেমচন্দ্র গোস্বামী উপপ্রতিসমাহর্তা (এচ্. ডি. চি.) আছিল। The great Assamese dictionary—কর্নেল গর্ডন আৰু গোস্বামীৰ যত্নত 'হেমকোষ' সন্যহতে ছপা হৈ ওলাইছে।

৪। 'লিতিকাই' পোনতে 'জোনাকী'ত ওলাইছিল। ১৯০১ত সি কিতাপ হৈ ওলায়।

৫। 'This, that, seven and five'—অসমীয়া যোজনা, ইটো-সিটো, সাতে-পাঁচে'।

৬। বেজবৰুৱাই যতীন্দ্রনাথ দুৱৰা, শ্রীনীলমণি ফুকন আদি ডেকাৰ খট-বাহুত পৰি ১৯০৯ৰপৰা 'বাঁহী' উলিয়াবলৈ ধৰে।

৭। ২ মেই ১৯০৫ত গোস্বামী গুৱাহাটীত ই এ চি. নিযুক্ত হয়, তাৰপৰা তেওঁক তেজপুৰলৈ বদলি কৰা হয়। অক্টোবৰ ১৯১২ৰ পৰা মার্চ ১৯১৩লৈ কর্নেল গর্ডনৰ তলে পুৰণি পুথি সংগ্রহৰ কাম কৰে। আগস্ট ১৯১৪ত তেওঁক সংগৃহীত পুথিবোৰৰ বিৱৰণমূলক তালিকা কৰিবৰ ভাৰ দিয়া হয়। মাজতে ১৯১৩ত তেওঁক নগাঁৱলৈ পঠোৱা হৈছিল।

৮। বিয়াৰ সময়ৰপৰা বেজবৰুৱাক দেশীয় লোকে কেনে ব্যৱহাৰ কৰিছিল, তাৰ কথা 'জীৱন-সোঁৱৰণ'তে আছে।

৯। 'কদমকলি' ১৯১৩ ছনত প্রকাশিত হয়।

১০। 'চিকৰপতি নিকৰপতি'ও ১৯১৩ত ওলায়। ১৮ ফেব্রুৱাৰী ১৯১৪ত দিল্লীত ভোলানাথ বৰুৱাৰ মটৰ দুর্ঘটনা হয়; তেওঁ কোনোমতে মৰাৰপৰা ৰক্ষা পৰে। ২০ত বেজবৰুৱাই দিল্লীলৈ যাত্রা কৰে কলিকতাৰপৰা। Hindu Row Hospitalৰপৰা Civil and Military Hotelলৈ আনি ৰখা বৰুৱাৰ ওচৰলৈ তেওঁ পিছদিনাই গৈ বাতিটো লগতে থাকে। ২৪ত

বৰুৱাক জুম্মা মছজিদৰ ওচৰৰ নিজা ঘৰলৈ অনা হয়। তেতিয়া দিল্লীত কৰ্নেল আহমদ (সম্ভৱতঃ শ্ৰীফখৰুদ্দিন আলি আহমদৰ পিতৃ জালনুৰ আলি আহমদ), ঘনশ্যাম বৰুৱা আদি আছিল। ২৬ত বেজবৰুৱাই দিল্লী এৰে, বৰুৱাই ছোৱালীইঁতলৈ আগ্ৰাৰপৰা কিবা আনিবলৈ তেওঁৰ হাতত পঁচিশ টকা ৰূপ দিয়ে। ১ মাৰ্চত ৩৩ কেনিং ষ্ট্ৰীটৰপৰা ২২ ৰোজমেৰি লেনলৈ বেজবৰুৱাৰ টিম্বাৰ এণ্ড ষ্টোৰ এজেঞ্চিৰ অফিচ তুলি অনা হয়। তেওঁ দিল্লীৰপৰা ঘুৰি পায়হি ২ মাৰ্চত।

৮৮। গোস্বামীৰ তিনিজন ল'ৰা—কিৰণচন্দ্ৰ, শ্ৰীপ্ৰফুল্লচন্দ্ৰ, শ্ৰীতৰুণচন্দ্ৰ ; তিনিজনী ছোৱালী—মুক্তাবালা, হীৰাপ্ৰভা, কমলাকুমাৰী। বৰ্তমান চিঠিখন লেখা সময়ত 'চক্ৰধ্বজসিংহ' ছপাশালত। এইখন আৰু 'বেলিমাৰ' ১৯১৫তে ওলায়। বেজবৰুৱাৰ 'ভাস্কৰবৰ্মা' নাটক লেখা নহ'ল।

১২। গোস্বামী-সম্পাদিত 'দৰং-ৰাজবংশাৱলী' ছপা হৈ সদ্যহতে ওলাইছে।

১৩। লখমুৰাম দাসৰ (চৌধুৰী) প্ৰকাশিত 'সৎসম্প্ৰদায়' লৈ বৰপেটাৰ মহাপুৰুষীয়াসকলে গোচৰ তৰিছিল।

১৫। প্ৰথম মহাসমৰৰ লগে লগে এছিয়াটিক ফ্লুৱে দেশ আগুৰি লৈছিল।

গ্রন্থপঞ্জী

অষ্টাবক্র-সংহিতা। কমলাকান্ত ভট্টাচার্য। বিবিধ দর্শনৰ আলোচনা। ইয়াৰ অলপমান মাত্র 'বাঁহী'ত প্ৰকাশ পাইছিল। এই অমূল্য গ্ৰন্থ আজি লুপ্ত।

অসম-প্ৰদীপিকা। ৰজনীকান্ত বৰদলৈ সম্পাদিত। ১৯২০ চনত এবছৰমান চলে।

অসমীয়া। সাদিনীয়া কাকত। চন্দ্ৰকুমাৰ আগৰৱালাৰ সম্পাদিত। প্ৰকাশক আসাম প্ৰিণ্টাৰ্চ এণ্ড পাবলিশ্বাৰ্চ, ডিব্ৰুগড়। ১৯১৮ চনত প্ৰথম ওলায়।

অসমীয়া সাহিত্যৰ জিলিঙনি। ডিম্বেশ্বৰ নেওগ। যোৰহাট। ১৮৬০ শক।

আধুনিক অসমীয়া সাহিত্যৰ বুৰঞ্জী। ডিম্বেশ্বৰ নেওগ। যোৰহাট। ১৮৫৯ শক

আমিষ ও নিৰামিষ আহাৰ। প্ৰজ্ঞাসুন্দৰী দেৱী। তিনি (চাৰি ?) খণ্ড।

আৱাহন। ডাক্তৰ দীননাথ শৰ্মা-সম্পাদিত। প্ৰথম বছৰ, প্ৰথম সংখ্যা, কাতি ১৮৫১। কলিকতা

আসাম সাহিত্য-সভা পত্ৰিকা। আসাম (অসম) সাহিত্য সভাৰ তিনিমহীয়া মুখপত্ৰ। যোৰহাট। ১৯২৫—

আসাম বান্ধৱ। তাৰানাথ চক্ৰৱৰ্তী সম্পাদিত। প্ৰথম সংখ্যা, কাতি ১৯১০ চন। প্ৰকাশক তেজপুৰ বান্ধৱ সমিতি

উষা। পদ্মনাথ বৰুৱা সম্পাদিত। তেজপুৰ। ১৯০৭ চনত প্ৰথম ওলায়।

ওমৰ-তীৰ্থ। যতীন্দ্ৰনাথ দুৱৰা। কলিকতা। ১৯২৬। পোনতে ছত্ৰবোৰ 'বাঁহী'ত ভাগ ভাগ হৈ ওলায়।

ককাদেউতা আৰু নাতিল'ৰা। বেজবৰুৱা। ১৮৩৩ শক ১৯১২

কথা-কবিতা। যতীন্দ্ৰনাথ দুৱৰা। কলিকতা। ১০৩৩

কদমকলি। বেজবৰুৱা। টিম্বাৰ এণ্ড ষ্টোৰ্চ্ এজেন্সি, ৩৫ নং কেনিং ষ্ট্ৰীট। ভাদ ১৮৩৫ শক ছেপ্টেম্বৰ ১৯১৩

কাব্য-প্ৰতিভা। ডিম্বেশ্বৰ নেওগ-সংকলিত-সম্পাদিত। যোৰহাট। ১৯৩৫

কামত কৃতিত্ব লভিবৰ সংকেত। বেজবৰুৱা। ১৮২৫ শক ১৯০৩। দ্বিতীয় তাঙৰণ, আসাম বেঙ্গল স্টোৰ্চ্ছ ১৮৩৮ শক

কৃপাবৰ বৰবৰুৱাৰ ওভতনি। বেজবৰুৱা। ১৮৩১ শক

কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা। বেজবৰুৱা। হাওড়া। ১৮২৬ শক ১৯০৪। দ্বিতীয় তাঙৰণ হাওড়া ১৮৩৭ শক ১৯০৫

কেতেকী। ৰঘুনাথ চৌধাৰী। গুৱাহাটী। ১৯২৩

গদাধৰসিংহ। পদ্মনাথ গোহাঞি বৰুৱা। তেজপুৰ। ১৮২৯ শক। দ্বিতীয় তাঙৰণ ১৮১৪ শক

গীতাসাৰ। পদ্মনাথ গোহাঞি বৰুৱা। লীলা এজেঞ্চি, তেজপুৰ ১৮১৭ শক

ঘৰজেউতি। কমলালয়া কাকতী আৰু কনকলতা চলিহা-সম্পাদিত। শিৱসাগৰ। ১৯২৮ত প্ৰথম ওলায়।

চক্ৰধ্বজসিংহ। বেজবৰুৱা। হাওড়া। ভাদ ১৮৩৭ শক ১৯১৫।

চিকৰপতি নিকৰপতি। বেজবৰুৱা। টিম্বাৰ এণ্ড স্টোৰ্চ্ছ এজেঞ্চি। পুহ ১৮৩৫ শক ডিচেম্বৰ ১৯১৩

জয়মতী কুঁৱৰী। বেজবৰুৱা। হাওড়া ১৮৩১ শক। দ্বিতীয় তাঙৰণ, ছপা, এলেম্ প্ৰেছ, ১৮৫২ শক ১৯৩০

জুনুকা। বেজবৰুৱা। তাৰিখ নাই।

জোনবিৰি। বেজবৰুৱা। আসাম বেঙ্গল স্টোৰ্চ্ছ। লালবাজাৰ, কলিকতা। ফেব্ৰুৱাৰী ১৯১৩, মাঘ ১৮৩৪ শক

জোনাকী। চন্দ্ৰকুমাৰ আগৰৱালা (১ম খণ্ড), হেমচন্দ্ৰ গোস্বামী (২য় খণ্ড), বেজবৰুৱা (৩য় খণ্ড) আদিৰ সম্পাদিত। কলিকতা। প্ৰথম সংখ্যা মাঘ ১৮১০ (ফেব্ৰুৱাৰী ১৮৮৯), সত্যনাথ বৰা (১৯০১), কনকলাল বৰুৱা-সম্পাদিত। গুৱাহাটী

ডাঙৰীয়া দীননাথ বেজবৰুৱাৰ সংক্ষিপ্ত জীৱন-চৰিত। লৰেল্‌ছ, হাওড়া। ১৮৩০ শক ১৯০৯

তৰুণ অসম। বেণুধৰ শৰ্মা-সম্পাদিত। প্ৰকাশক নন্দেশ্বৰ চক্ৰবৰ্তী। ডিব্ৰুগড়। জুলাই ১৯৩৯বপৰা

নিজৰা। শৈলধৰ ৰাজখোৱা। ডিব্ৰুগড়। সন ১৩৪২, ১৯৩৫

নোমল। বেজবৰুৱা। টিম্বাৰ এণ্ড স্টোৰ্চ্ছ এজেঞ্চি, কলিকতা। আঘোণ ১৮৩৫ শক নবেম্বৰ ১৯১৩

পদুম কুঁৱৰী। বেজবৰুৱা। ১৯০৫। পূৰ্বতে 'জোনাকী'ত (১৮৯১) ওলায়।
পাঁচনি। বেজবৰুৱা। আসাম টিম্বাৰ এণ্ড স্টোৰ্চ, কেনিং ষ্ট্ৰীট। পুহ ১৮৩৫ ডিচেম্বৰ ১৯১৩
প্ৰতিমা। চন্দ্ৰকুমাৰ আগৰৱালা
প্ৰান্তবাসী। বঙলা সাদিনীয়া কাকত। গোৰীনাথ শাস্ত্ৰী-সম্পাদিত। ধুবুৰী ১৯২৭ৰপৰা
বৰফুকনৰ গীত। সূৰ্যকুমাৰ ভূঞা-সম্পাদিত। গুৱাহাটী। ১৯২৪
বন্তি=অসম-বন্তি। মাঘ ১৮২১ত তেজপুৰৰ আসাম চেণ্ট্ৰাল প্ৰেছৰপৰা এই সাদিনায়া বাতৰি কাকত ওলায়। সৰ্বশেষত এই কাকত আৰু ছপাখানা পদ্মনাথ গোহাঞি বৰুৱাৰ হাতলৈ আহে।
বাখৰ। বেজবৰুৱা। ফাগুন ১৮৩৬ ফেব্ৰুৱাৰী ১৯১৫
বাতৰি। সাদিনীয়া কাকত। শিৱপ্ৰসাদ বৰুৱা (প্ৰথম বছৰ, ১৯২৯) আৰু নীলমণি ফুকন-সম্পাদিত। ১২ আগষ্ট ১৯২৫ৰপৰা দিনেকীয়া হৈ চলিছিল।
বাঁহী। বেজবৰুৱা-সম্পাদিত। আসাম বেঙ্গল স্টোৰ্চ, ২ লালবজাৰ ষ্ট্ৰীট। প্ৰথম বছৰ, প্ৰথম সংখ্যা, আঘোণ ১৮৩১ শক। প্ৰকাশক এইচ্ বেজবৰুৱা
বুঢ়ী আইৰ সাধু। লৰেল্ছ, হাওড়া। ১৮৩৩ শক ১৯১১
বিজুলী। কৃষ্ণপ্ৰসাদ দুৱৰা-(১ম বছৰ ১৮৯০), পদ্মনাথ বৰুৱা-(২য় বছৰ), বেণুধৰ ৰাজখোৱা-(৩য় বছৰ) সম্পাদিত। কলিকতা। লক্ষ্মীনাথ শৰ্মা-সম্পাদিত। শ্বিলং। ১৯০২
বেজবৰুৱা-বংশাৱলী। দীননাথ বেজবৰুৱা আৰু শ্ৰীনাথ বেজবৰুৱা। প্ৰকাশক লক্ষ্মীনাথ বেজবৰুৱা। সম্বলপুৰ। চ'ত ১৮৪৮ মাৰ্চ
বেলিমাৰ। বেজবৰুৱা। ১৮৩৭ শক ১৯১৫
ভানুমতী। পদ্মনাথ গোহাঞি বৰুৱা। ১৮৯২ ত 'বিজুলী'ত ধাৰাবাহিক-ভাৱে ওলায়
ভাৰতবৰ্ষৰ বুৰঞ্জী। মাৰ্চডেনৰ ইংৰাজীৰপৰা অনুবাদ। অনুবাদক বেজবৰুৱা
মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱ। বেজবৰুৱা। লৰেল্ছ ২২ বোজমেৰি লেন। ১৮৩৬ শক ১৯১৪

মিলন। আসাম ছাত্ৰ সন্মিলনৰ মুখপত্ৰ। সম্পাদক ক্ৰমে গৰ্গনাৰায়ণ চৌধুৰী (১৯২৩), ডিম্বেশ্বৰ নেওগ, বিনন্দচন্দ্ৰ বৰুৱা, অতুলচন্দ্ৰ হাজৰিকা আদি।

মোৰ জীৱন-সোঁৱৰণ। লক্ষ্মীনাথ বেজবৰুৱা। 'বাঁহী' ১২শ বছৰ ষষ্ঠ সংখ্যাৰপৰা প্ৰকাশ আৰম্ভ, ২৫শ বছৰলৈকে ওলাই আছিল।

ৰন্ধা-বঢ়া। প্ৰজ্ঞাসুন্দৰী দেৱী

ৰামায়ণ আদিকাণ্ড। মাধৱদেৱ। প্ৰকাশক গণেশৰাম আগৰৱালা। ১৮১৯ শক

লিতিকাই। বেজবৰুৱা। জোনাকী প্ৰথম খণ্ড, সংখ্যা ১-১২, ১৮১০-১১ শক॥ প্ৰথম ছপা পুণ্য যন্ত্ৰ, ৩১৪ নং আপাৰ চিৎপুৰ ৰোড। ১৫ আহিন ১৩০৮ সাল॥ দ্বিতীয় তাঙৰণ ১৫ আহিন ১৩০৮ সাল

শঙ্কৰদেৱ। বেজবৰুৱা। লৰেল্‌ছ, হাওড়া। প্ৰকাশক হৰিনাথ বেজবৰুৱা, আসাম বেঙ্গল ষ্টোৰ্চ, ২৭৫।১ নং লালবজাৰ, কলিকতা। শাওণ ১৮৩৩ শক ১৯১১॥ তৃতীয় তাঙৰণ, সম্বলপুৰ, ছপা এলেম প্ৰেছ, ১৯৩৩

শেৱালি। ৰত্নকান্ত বৰকাকতী। যজ্ঞেশ্বৰ শৰ্মাৰ 'পৰিক্ৰমা'ৰে। নগাওঁ। ১৯৩২

শ্ৰীকৃষ্ণ। পদ্মনাথ গোহাঞি বৰুৱা। তেজপুৰ। ১৯৩১। তিনি খণ্ড

শ্ৰীভগৱৎকথা। ক্ষিতীন্দ্ৰনাথ ঠাকুৰৰ অনুবাদ। অনুবাদক বেজবৰুৱা লৰেল্‌ছ, হাওড়া। ফাগুন ১৮৩৬ শক, মাৰ্চ ১৯১৫

সংসাৰ-চিত্ৰ। লক্ষ্মীকান্ত দত্ত। ডিব্ৰুগড়। ১৯৩৬

সৎসম্প্ৰদায়। 'ভট্টদেৱ'। প্ৰকাশক লম্বনুৰাম চৌধুৰী। ১৮৩৭ শক (?)। আদালতত গোচৰৰ পিছত এই পুথিখিনিৰ প্ৰকাশ বন্ধ কৰা হয়।

সাধুকথাৰ কুঁকি। বেজবৰুৱা। দ্বিতীয় তাঙৰণ, প্ৰকাশক বৰকটকী কোং, যোৰহাট ১৯২৫

সুৰভি। বেজবৰুৱা। লৰেল্‌ছ, ৰোজমেৰি লেন, হাওড়া। মাঘ ১৮৩০ শক, জানুৱাৰী ১৯০৯।

Folk Tales of Assam। জ্ঞানদাভিৰাম বৰুৱা। প্ৰথম তাঙৰণ, টিম্বাৰ এণ্ড্ ষ্টোৰ্চ এজেন্সি, ২২ ৰোজমেৰী লেন, হাওড়া, ১৯১৫।

দ্বিতীয় তাঙৰণ, লয়ার্চ বুক স্টল, গুৱাহাটী ১৯৫৫। 'বুঢ়ী আইৰ সাধু'ৰ ১৭টা সাধুৰ অনুবাদ

History of Assam, A। এডোৱাৰ্ড গেইট। প্ৰথম তাঙৰণ ১৯০৬। দ্বিতীয় তাঙৰণ কলিকতা ১৯২৬

History of Vaishnavism in India, The। বেজবৰুৱা। বৰোদা ৰাজ্য শিক্ষা বিভাগ বক্তৃতা-প্ৰণালী ১৯৩৩-৩৪, বক্তৃতা সংখ্যা ১। বৰোদা। ১৯৩৪ ॥ The Religion of Love and Devotion অন্তৰ্গত। অসম সাহিত্য-সভা। ১৯৬৮

Rasalila of Shri Krishna, The। বেজবৰুৱা ৰাজ্য শিক্ষা বিভাগ বক্তৃতা-প্ৰণালী ১৯৩৩-৩৪, বক্তৃতা সংখ্যা ২। বৰোদা। ১৯৩৪ ॥ The Religion of Love and Devotionঅন্তৰ্গত। অসম সাহিত্য-সভা। ১৯৬৮

Report on the Progress of Historical Research in Assam। এডোৱাৰ্ড গেইট। শিলং। ১৮৯৭

প্ৰবন্ধ-পঞ্জী

কলপ সলনি। কমলাকান্ত ভট্টাচাৰ্য। বাঁহী, ১৮শ বছৰ, ২য় সংখ্যা, জেঠ ১৮৫১। পিঠি ৯১-৯৬

চাৰ আশুতোষ চৌধুৰী। লক্ষ্মীনাথ বেজবৰুৱা। বাঁহী, ১৪শ বছৰ। পিঠি ২০১

বিনাকষ্টে পইছা এবা বৰি। জুগুলী সম্পাদক। বাঁহী, ৮ম বছৰ ৮ম সংখ্যা। পিঠি ৩৬০

শ্ৰীচৈতন্যদেৱ-বুৰঞ্জী নে লীলাপ্ৰকাশ? ভবানন্দ পাঠক। বাঁহী, ১২শ বছৰ, ১০ম সংখ্যা। পিঠি ২৬৮-৭০। প্ৰতাপচন্দ্ৰ গোস্বামীৰ 'শ্ৰীচৈতন্যদেৱ'ৰ সমালোচনা

(সুদৰ্শন বিৰচিত কবিতা) মাখোন এটি কথা। বাঁহী, ৮ম বছৰ, ৭ম সংখ্যা। পিঠি ৩২০। লগতে '(বৰবৰুৱা বিৰচিত বঁটা)'

সমালোচনা: বুৰঞ্জীৰ সম্ভাব্য আৰু সম্ভাৱনা। বাণীকান্ত কাকতি। বাঁহী

সাম্প্ৰদায়িক সংকীৰ্ণতা। বেজবৰুৱা। বাঁহী, ১৭শ বছৰ, ৫ম সংখ্যা

হেজাৰমূৰীয়া বাকচ। বেজবৰুৱা। বাঁহী, ১২শ বছৰ, ৯ম সংখ্যা। পিঠি ২৬৪-৬৮

শুধৰণি

পিঠি	শাৰী	আছে	হ'ব লাগে
৬	১২	Baythakhana	Baythakkhana
১৫	২০	পুত	পূত
৩৫	২০	এক	এক এক
৪৩	১১	1851	1891
৪৪	২১	this in	this is
৪৪	২৪	latter	letter
৫১	২	থাওৱ	ঠাওৱ
৫৩	১২	পিছাইয়া	পেছিয়ে
৫৩	২২	পাই নাই	পায় নাই
৫৩	২৫	শোনে	শুনে
৫৪	৩	এগয় নি	এগোয়নি
৫৫	৩	ওঠেছে	উঠেছে
৫৮	১৫	সেটাও	সেটায়ও
৬০	১	গুটাইয়া	গুটিয়ে
৬০	২২	বাড়ীর	বাড়ির
৬১	১৩	ওঠেছে··ছড়ছেন	উঠেছে···চড়ছেন
৬৪	১৩	ছড়ছেন	চড়ছেন
৬৪	১৪	শোনে	শুনে
৭৭	১২	শোনে	শুনে
৮১	২৪	লাইনটো	লাইনটা
৮৬	১৮	পারাব	পাড়াব
৮৭	৯	শিঙিমাসের	শিঙিমাছের
৯৩	৫	শোনে·· আছে	শুনে ··আছি

পিঠি	শাৰী	আছে	হ'ব লাগে
৯৩	৮	মিটে	মেটে
৯৩	২১	নির্ম্মল	নির্ম্মূল
১১৮	১৫	আর্যপ্রয়োগ	আর্ষপ্রয়োগ
১২১	২০	পৌছব	পৌঁছব
১২১	২২	যেখানে	সেখানে
১২৬	১৬	'Brahman'	'Brahmani'
১৩৪	১৫	1 3.37	1.5.37.
১৩৯	৪	মিটে	মেটে
১৪০	৯	পাত	পাও
১৪০	১৪	ফোটো	ফটো
১৪০	১৮	imediate	immediate
১৪৫	৬	আৰু	আৰ
১৪৯	৪	To the who	To the One who
১৭৩	২৯	ত্বমং	ত্বম্ .
১ ,৬	১৯	lines	lines ,
২০৫	৫	Barua will	Barua. I hope Dr. Bez Barua and Mr J. Barua
২২৪	১	৬	৬১
২৭৫	৫	[জানুৱাৰী ১৯৩০]	[৭।২।৩০]